● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

বিশ্বাসে সকলো সম্ভৱ কৰি তোলে আৰু প্ৰেমে সকলো সহজ কৰি তোলে।

ড'ৱাইট এল মুডী
*আমেৰিকাৰ ধৰ্ম প্ৰচাৰক*



৭ উত্তৰ প্ৰদেশত প্ৰতিদ্বন্দ্বিতা নকৰে অখিলেশ যাদৱে
১৫ তিনি শিশুৰ ফলাফলৰ ওপৰত ভাগ্য ওলমিছে ভাৰতৰ
৪ বিধ্বংসী প্ৰাকৃতিক দুৰ্যোগৰ দিশে উত্তৰ-পূৰ্বাঞ্চল

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৫ কাতি ১৪২৮ ভাস্কৰাব্দ ২ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 2 November 2021 মূল্য ঃ ৯.০০ টকা

■ মূল্যবৃদ্ধিৰ মাধমাৰত এসাঁজ খাদ্যৰ বাবে হাহাকাৰ শ্ৰমজীৱী জনতাৰ ■ ধনৰ অভাৱত সন্তানক বিদ্যালয়ত নামভৰ্তিৰ পৰাও বিৰত ■ সাবিত্ৰী-শৰ্মিলা-তৰুলতাহঁতৰ কথা চিন্তা কৰিব কোনে?

# উপাৰ্জন হ্ৰাস, ব্যয় বৃদ্ধিত সৰ্বস্বান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** মূল্যবৃদ্ধি! ৰাজ্যৰ চাৰিওদিশে মূল্যবৃদ্ধিৰ জুয়ে দহিছে সাধাৰণ জনতাক। ক'ভিডে আৰ্থিকভাৱে বিপৰ্যস্ত কৰা ৰাজ্যখনত সম্প্ৰতি ইন্ধনৰ পৰা আৰম্ভ কৰি প্ৰতিবিধ খাদ্য সামগ্ৰী, নিৰ্মাণ সামগ্ৰীৰ পৰা জীৱনদায়িনী ঔষধলৈ হোৱা ভয়াৱহ মূল্যবৃদ্ধিয়ে খাটি খোৱা জনতাৰ মূৰত মাধমাৰ দিছে। এক কথাত ক'বলৈ গ'লে দৈনিক উপাৰ্জনেৰে জীৱন নিৰ্বাহ কৰা সাবিত্ৰী-শৰ্মিলা-তৰুলতাহঁতক বাদ দি কেৱল যেন ধনীৰামসকলৰ বাবেহে ৰাজ্যৰ বজাৰসমূহত সামগ্ৰীৰে উভৈনদী হৈ পৰিছে। আকাশলংঘী মূল্যবৃদ্ধিয়ে ক্ষুদ্ৰ ব্যৱসায়ী তথা দিন হাজিৰা কৰি দৈনিক উপাৰ্জনেৰে পৰিয়াল পোহপাল দি অহা শ্ৰমজীৱী জনতাক কি ধৰণে বিপৰ্যয়ৰ গৰাহলৈ ঠেলি দিছে সেয়া অকল্পনীয়। এই শ্ৰেণীৰ লোকৰ দৈনিক আয়ৰ তুলনাত জীয়াই থাকিবলৈ হোৱা ন্যূনতম ব্যয়ো অত্যধিক বৃদ্ধি হোৱাৰ ফলত সম্প্ৰতি গুৱাহাটী মহানগৰীতে ১০ পৃষ্ঠাত চাওক



*এইসকল খাটি খোৱা লোকে কিদৰে জীৱন নিৰ্বাহ কৰিছে তাৰ খবৰ ৰাখিছেনে চৰকাৰ বাহাদুৰে!*

## সপোন-কল্পনা-বাস্তৱ (৪)

■ সঞ্জীৱ সভাপণ্ডিত



আমাৰ মূৰৰ ওপৰৰ আকাশখন সদায় খোলাই আছিল; কিন্তু এতিয়া লাহে লাহে বন্ধ হ'বলৈ ধৰিছে। মহাকাশলৈ অবিৰাম গতিত মহাকাশ যান যাবলৈ লৈছে। লৈছে মানে পঠিওৱা হৈছে।

প্ৰথমতে মানে মাত্ৰ সৌ সিদিনা ১৯৫৭ত স্পুটনিক নামৰ কৃত্ৰিম উপগ্ৰহ এটা ৰাছিয়াই পঠিয়াই পৃথিৱীত মহাকাশ যুগৰ সূচনা ১০ পৃষ্ঠাত চাওক

## দুই টেংকাৰৰ সংঘৰ্ষত অগ্নিদগ্ধ হৈ থিতাতে মৃত্যু দুই চালকৰ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও/শ্ৰীৰামপুৰ, ১ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও সদৰ চহৰৰ সংলগ্ন এক নম্বৰ কদমগুৰিৰ ৩১ (গ) নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা দুখন টেংকাৰৰ মুখামুখি ১০ পৃষ্ঠাত চাওক

## ২০২২ত হজ যাত্ৰাৰ বাবে অনলাইন আবেদন আৰম্ভ


**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** কৰ'নাৰ বাবে বিগত দুটা বছৰে ব্যাহত হৈ পৰা ইছলামধৰ্মীসকলৰ পবিত্ৰ হজৰ অনলাইন আবেদন প্ৰক্ৰিয়া আজিৰে পৰা পুনৰ আৰম্ভ হৈছে। ২০২২ৰ বাবে হজ যাত্ৰীসকলৰ পৰা এই অনলাইন আবেদন প্ৰক্ৰিয়া আৰম্ভ ১০ পৃষ্ঠাত চাওক

মহানগৰীৰ হোটেলত বহি দিছপুৰক মেনেজ কৰি দিয়াৰ প্ৰতিশ্ৰুতি

■ কেন্দ্ৰীয় চৰকাৰৰ শীৰ্ষ বিষয়া-সংগঠনৰ নেতাৰূপে দিছিল পৰিচয়

## ছিণ্ডিকেট মুকলি কৰি দিয়াৰ নামত ব্যৱসায়ীক ১০ কোটি টকা দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰক মেনেজ কৰি ৰাজ্যত ছিণ্ডিকেট মুকলি কৰাৰ প্ৰতিশ্ৰুতিৰে একাংশ ব্যৱসায়ীৰ পৰা ধনদাবী কৰা দুই প্ৰৱঞ্চকক আজি দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত প্ৰৱঞ্চকদ্বয় বিহাৰৰ মোহন ঝা (৩৬) আৰু দিল্লীৰ সুনীল ক'ল বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে চুপাৰি ছিণ্ডিকেট মুকলি কৰি দিয়াৰ নামত এই দুই ১০ পৃষ্ঠাত চাওক

## ৰাজ্যত নতুন ভোটাৰ ২,৬৮,২৭৭ গৰাকী ১.৭৮ শতাংশ ভোটাৰ বৃদ্ধিৰে খচৰা ভোটাৰ তালিকা প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** বিগত বৰ্ষটোত অসমত ১.৭৮ শতাংশ ভোটাৰ বৃদ্ধি পালে। আজি ৰাজ্যিক নিৰ্বাচন বিভাগে ১০ পৃষ্ঠাত চাওক

## টেঙৰ চেঙেলী কাৰণেহে বিজেপিলৈ যোৱা নাই দেৱব্ৰত-ৰাণা গোস্বামী!

অসমত কংগ্ৰেছৰ ৩৩ লাখ সদস্যভৰ্তিৰ লক্ষ্যৰে অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** বিজেপিৰ লাখ লাখ ভুৱা সদস্যৰ বিপৰীতে কংগ্ৰেছে অসমত ৩৩ লাখ প্ৰকৃত সদস্য কৰিবলৈ আগবাঢ়িছে বুলি আজি ইয়াত দলৰ নেতৃবৃন্দই সদৰী কৰে। ইয়াৰ ৰাজীৱ ভৱনত এক সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে সদৰী কৰে যে আজিৰ পৰা অহা ১০ পৃষ্ঠাত চাওক



## ৰাজ্যজুৰি ভেজালৰ বেহা, পাঁচশ টকাৰ দৰৱ ৯৬ টকাত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১ নৱেম্বৰ ঃ** জীৱনদায়িনী দৰবৰ নামত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভেজাল দৰবৰ ৰমৰমীয়া অবৈধ বেহা চলাইছে কেতবোৰ দুষ্টচক্ৰই। বহিঃৰাজ্যৰ একাংশ প্ৰতিষ্ঠানৰ কম মূল্যত সহজলভ্য ১০ পৃষ্ঠাত চাওক

আজি উপ-নিৰ্বাচনৰ ফলাফল ■ পাঁচ সমষ্টি দখলৰ দাবী বিজেপিৰ

■ ৫০খন প্ৰচাৰ সভাৰে নজিৰ স্থাপন বুলি মুখ্যমন্ত্ৰীক কটাক্ষ কংগ্ৰেছৰ

## জয় নিশ্চিত বুলি দাবী কৰিলেও শাসকীয় মিত্ৰজোঁটত তীব্ৰ উৎকণ্ঠা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** কাইলৈ ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা হ'ব। তাৰ পূৰ্বে শাসক-বিৰোধীৰ মাজত সমষ্টি দখলৰ দাবী জোৰদাৰ হৈছে। বিজেপিয়ে পাঁচোটা সমষ্টিয়ে দখলৰ দাবী কৰিছে। ইয়াৰে দুটা হ'ল মিত্ৰদল ইউপিপিএলৰ প্ৰাৰ্থী থকা সমষ্টি। ইপিনে, কংগ্ৰেছে দুটা সমষ্টি দখলৰ দাবী কৰিছে; কিন্তু তেনে দুটা সমষ্টি দখল কৰিব তাৰ উল্লেখ কৰাৰ পৰা কংগ্ৰেছ বিৰত থাকে। ইপিনে, থাওৱা দখলৰ দাবী কৰে ৰাইজৰ দলে। আটাইকেইটা সমষ্টি দখলৰ দাবী সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কয় যে নিৰ্বাচনী পথাৰত তেওঁ বিৰোধীক দেখাই নাপালে। গতিকে বিজেপিয়ে এখন মুকলি খেলপথাৰ আগত লৈ নিৰ্বাচনত নামিছিল। তেনে এখন খেলপথাৰত বিজেপি আৰু মিত্ৰদল ইউপিপিএলে ১০ পৃষ্ঠাত চাওক







অন্ধবিশ্বাসত বুৰ গৈছে লেজাই কঁঠালবাম

## এইবাৰ ডিব্ৰুগড়ত ডাইনী সজাই মহিলাক জীৱন্তে জ্বলাই হত্যাৰ অপচেষ্টা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ** ডাইনী সন্দেহত ডিব্ৰুগড়ত এগৰাকী মহিলাক জঘন্য অত্যাচাৰ কৰি জীৱন্তে জ্বলাই দিবলৈ চেষ্টা চলোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ডিব্ৰুগড়ৰ বৰবৰুৱা আৰক্ষী থানাৰ অন্তৰ্গত ভিতৰুৱা লেজাই কঠালবাম গাঁৱত সংঘটিত হয় এই ভয়ংকৰ ঘটনা। একাংশ লোকে আজি পুৰা মুড়া নামৰ এগৰাকী মহিলাক জীৱন্তে জ্বলাই দিয়াৰ চেষ্টা কৰে। কেৱল সিমানেই নহয়, তেওঁৰ ১০ পৃষ্ঠাত চাওক



■ ৯০ দশকৰ জনপ্ৰিয় লিচু লাইটৰ ভূমুকি

## আলোকসজ্জাৰ সামগ্ৰীৰে উভৈনদী ৰাজ্যৰ বজাৰ

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২০° |
| ডিব্ৰুগড় | ২৯° | ২০° |
| দিল্লী | ২৮° | ১৮° |
| কলকাতা | ৩২° | ২৩° |
| মুম্বাই | ৩৪° | ২৫° |
| চেন্নাই | ২৯° | ২৬° |
| বাংগালুৰু | ২৬° | ২০° |
| শ্বিলং | ২০° | ১০° |

১ নৱেম্বৰ, ২০২১

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** কেৱল অত্যাৱশ্যকীয় সামগ্ৰীয়েই নহয়, বজাৰত এতিয়া সকলো সামগ্ৰীৰ মূল্যই আকাশ স্পৰ্শ কৰিছে। সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিয়ে ক'ভিডত সৰ্বস্বান্ত হোৱা জনতাক একেবাৰে কোঙা কৰি পেলাইছে যদিও গা লৰা নাই চৰকাৰৰ। মূল্যবৃদ্ধিৰ ভৰত আজি সাধাৰণ ৰাইজ ককবকাই থকাৰ পাছতো শাসক দলৰ ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ নৱেম্বৰ, ২০২১ মঙলবাৰ পৃষ্ঠা তিনি

## ৰাইডাংজুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুই ছাত্ৰৰ মাজত প্ৰচণ্ড মাৰপিট

**গুৰুতৰভাৱে আহত এজন ঃ অভিযুক্ত ছাত্ৰৰ ককায়েকৰ পলায়ন**

বিশেষ সংবাদদাতা

**নগাবাট, ১ নৱেম্বৰ ঃ** কৰ'নাই বিধ্বস্ত কৰা শিক্ষানুষ্ঠানসমূহ পুনৰ খোল খোৱাত ৰাজ্যৰ ইখনৰ পাছত সিখনকৈ শিক্ষানুষ্ঠানৰ ছাত্ৰৰ দুটা ফৈদৰ মাজত সংঘটিত হৈ আহিছে মাৰ-পিটৰ ঘটনা। ডিব্ৰুগড় জিলাৰ এখন শিক্ষানুষ্ঠানত দীৰ্ঘদিনৰ অন্তত বিদ্যালয়ত খোজ পেলোৱা শিক্ষাৰ্থীসকলৰ দুটা ফৈদৰ মাজত সংঘটিত প্ৰচণ্ড মাৰ-পিটৰ ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



# ভূপেন বৰাই উপ-নিৰ্বাচনত পাঁচটা সমষ্টি দখল কৰাটো দুঃস্বপ্ন ঃ প্ৰমোদ

■ হাগ্ৰামাই সুবিধাবাদী ৰাজনীতি কৰি আছে ঃ ইউ জি ব্ৰহ্ম



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ নৱেম্বৰ ঃ** সদ্যসমাপ্ত ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল ঘোষণালৈ মাজত মাত্ৰকেইঘণ্টামান বাকী। তেনে সময়তে পাঁচটা সমষ্টিয়ে বিজেপি মিত্ৰজোঁটে দখল কৰিব বুলি দাবী কৰিছে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে বাগ্‌সা জিলাৰ শালবাৰীৰ শিমলাৰ ককলাবাৰীত আজি অনুষ্ঠিত ৭৯ সংখ্যক এবছুৰ প্ৰতিষ্ঠাপক সভাপতি বাণেশঅবৰ বসুমাতাৰীৰ জন্ম জয়ন্তী অনুষ্ঠানত কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে বিটিআৰ প্ৰধান বড়োৱে। তেওঁ কয় যে এবছুৰ প্ৰতিষ্ঠাপক ছয় পৃষ্ঠাত চাওক

## অসম-মেঘালয় সীমান্তৰ হাহিমত অঘটন

■ প্ৰেমিকৰে সংঘাত ঃ দশম শ্ৰেণীৰ ছাত্ৰীয়ে ল'লে চিপ

অগ্ৰদূত বাৰ্তা

**বকো, ১ নৱেম্বৰ ঃ** প্ৰেমত সৃষ্টি হোৱা সংঘাতৰ বাবে ৰাটছ এপত চিপ লোৱাৰ পূৰ্বে আলোকচিত্ৰৰ দেখুৱাই এগৰাকী কিশোৰীয়ে আত্মহত্যা কৰাৰ ঘটনাই জোঁকাৰি গৈছে কামৰূপ জিলাৰ বকোৰ হাহিম অঞ্চল। বকোৰ অসম-মেঘালয় সীমান্তৱৰ্তী হাহিমত 'হাহিম চেইণ্ট ষ্টিফেন ইংলিছ স্কুল'ৰ ছাত্ৰী তথা আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীগৰাকীয়ে কালি চিপ লৈ আত্মহত্যা কৰে। নিজৰ পঢ়া কোঠালিতে চুৰ্ণিৰে চিপ লৈ আত্মহত্যাৰ পূৰ্বে সামগ্ৰীৰ দৃশ্য আলোকচিত্ৰ পঠিয়াই দিছিল প্ৰেমিকলৈ। কিন্তু কিশোৰ ছাত্ৰীগৰাকীৰ এই আবেগক গুৰুত্ব নিদি প্ৰেমিক ছয় পৃষ্ঠাত চাওক

■ হাতী-মানুহৰ সংঘাতৰ তীব্ৰ ৰূপ ধাৰণ বৃহত্তৰ চামগুৰিত ■ শিলৰ মহলৰ বিস্ফোৰণ, পাহাৰত পানীৰ অভাৱত ভৈয়ামলৈ আগমন হাতীৰ

# বনাঞ্চল ধ্বংসৰ বাবে চামগুৰিত ধান খাই তহিলং বন্যহস্তীৰ



অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১ নৱেম্বৰ ঃ** বনাঞ্চল ধ্বংসৰ পৰিণতি, শিলৰ মহলৰ বিস্ফোৰণ, প্ৰাকৃতিক জলাশয়ত পানীৰ অভাৱ আৰু সংৰক্ষিত বনাঞ্চলত খাদ্যৰ অভাৱত জনাঞ্চললৈ ওলাই অহা বনৰীয়া হাতীয়ে নগাঁও জিলাৰ চামগুৰিৰ উদমাৰী উপ-খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ গ্ৰামাঞ্চলত হাতী মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। গ্ৰামাঞ্চলত বনৰীয়া হাতীয়ে বাৰীৰ ফলমূল খাই তহিলং কৰাৰ লগতে ঘৰ-বাৰী ভাঙি উপদ্ৰৱ চলাই আতংক সৃষ্টিৰ পাছত সম্প্ৰতি পথাৰৰ ধান খাই তহিলং কৰিছে। বিগত পাঁচ মাহ ধৰি উদমাৰী উপ-খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ ভৰাগুৰি, দিলকাবাস্তি, পদুমনি, চামগুৰি বৰলীগাঁও, ভকত গাঁও, মাজৰ আটি, গেন্ধালী, কুৰুৱাবাহী, উদমাৰী, বৰদল, মালিবস্তি, চামগুৰি গ্ৰাণ্ট, মহঙাবস্তি, নহৰুবস্তি,, কঠালগুৰি আদিকে ধৰি ২০খনৰো অধিক গাঁৱত বনৰীয়া হাতীয়ে ওৰে নিশা উপদ্ৰৱ চলাই আছে। বিগত কালছোৱাত বনৰীয়া হাতীয়ে মানুহৰ সা-সম্পত্তি, বিদ্যালয় গৃহ ভাঙি-ছিঙি তচনচ কৰাৰ পাছতো নগাঁও বন বিভাগে হাতী-মানুহৰ সংঘাত ৰোধিবৰ বাবে কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। সম্প্ৰতি কপালৰ ঘাম মাটিত পেলাই কৃষকৰ কষ্টোপাৰ্জিত সোণোৱালী শইচ খাই তহিলং কৰাত মূৰে-কপালে হাত দিবলগীয়া হৈছে খেতিয়কে। বৃহত্তৰ চামগুৰি অঞ্চলৰ উপদ্ৰুত গাঁওসমূহৰ নিকটৱৰ্তী ঢোল পাহাৰ, পাৰ্কুপ পাহাৰৰ পৰা নামি আহি গেন্ধালীৰ গঁগে বাৰীত থিতাপি লোৱা হাতীক জিলাখনৰ বিয়াগোম বন বিভাগে বিগত পাঁচ মাহ ধৰি খেদিব নোৱৰাটো বন বিভাগৰ ব্যৰ্থতা বুলি ইতিমধ্যে ভুক্তভোগী লোকসকলে মন্তব্য কৰিছে। নিশা হাতীয়ে উপদ্ৰৱ চলোৱা গাঁৱৰ পৰা বন বিভাগে হাতী খেদিলে থাকেহি গঁগে বাৰীৰ পৰা খেদিলে থাকেহি গঁগে বাৰীত দিলকাবস্তিত, দিলকাবস্তিৰ পৰা খেদিলে থাকেহি ভৰাগুৰি পদুমনিত, তাৰ পৰা খেদিলে পাহাৰত চাৰিদিন মান থাকি পুনৰ উপদ্ৰৱ চলাই গ্ৰামাঞ্চলত। বনৰীয়া হাতীয়ে ঘৰৰ ফলমূল, ভড়াল ঘৰ, পাকঘৰ ভাঙি অত্যাচাৰ কৰাৰ উপৰি কেকেৰাচুক, হাঁহচৰা বৰালীগাঁৱৰ পথাৰৰ ধান খাই মোহাৰি মৰণামৰা সদৃশ কৰাটো নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে। হাঁহচৰা বৰালীগাঁও পথাৰত খেতি কৰা মৃদুল হাজৰিকা নামৰ খেতিয়কজনৰ ৪০ বিঘাৰো অধিক ধান খাই তহিলং কৰাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় 'কি কম আমাৰ খেতিয়কৰ দুখৰ কথা। কষ্ট কৰি খেতি কৰিলেও আমি লাভবান নহওঁ। সকলো ভগৱানৰ ওপৰত এৰি দিছো। বিগত পাঁচ ছয় পৃষ্ঠাত চাওক

## নগাঁও আৰক্ষীৰ জালত অধিবক্তা

**আদালত চৌহদৰ পৰাই গ্ৰেপ্তাৰ ভুৱা অধিবক্তাক**



বিশেষ সংবাদদাতা

**নগাঁও, ১ নৱেম্বৰ ঃ** নগাঁও আদালত চৌহদত আজি এজন ভুৱা অধিবক্তাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, পক্স' আইনৰ এক গোচৰত অভিযুক্ত এজন আচামীক জামিন লাভৰ ব্যৱস্থা কৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে ৫০ হেজাৰ দাবী কৰিছিল পবিত্ৰ হাজৰিকা নামৰ এজন ভুৱা অধিবক্তাই। প্ৰাপ্ত তথ্য অনুসৰি আচামীজনৰ অধিবক্তা আছিল দিব্য প্ৰসাদ বৰা নামৰ এজন অধিবক্তা। গোচৰটো অধিবক্তা বৰাই চলাই থকাৰ মাজতে ভুৱা অধিবক্তা পৱিত্ৰ হাজৰিকাই জামিন আদায় কৰাই দিয়াৰ নামত যোৱা ৩০ অক্টোবৰৰ পৰা ৫০ হেজাৰ টকা দাবী কৰিছিল। এই কথা জানিব পাৰি অধিবক্তা বৰাই আজি হাজৰিকাৰ বিৰুদ্ধে নগাঁও সদৰ ছয় পৃষ্ঠাত চাওক

## মঙলদৈ নিৰ্বাচন জিলাৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১ নৱেম্বৰ ঃ** নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি মঙলদৈ নিৰ্বাচন জিলাৰ অন্তৰ্গত চাৰিওটা সমষ্টি কলাইগাঁও, ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁও বিধানসভা সমষ্টিৰ ২০২২ৰ খচৰা ভোটাৰ তালিকাখন আজি দৰং জিলা উপায়ুক্ত কাৰ্যালয় সভাকক্ষত প্ৰকাশ কৰা হয়। নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা তথ্য অনুসৰি নতুন খচৰা ভোটাৰ তালিকা মতে মঙলদৈ নিৰ্বাচন জিলাত মুঠ ভোটদাতাৰ সংখ্যা ৮,৪১,১৩৫ গৰাকী। ইয়াৰে ৪,২৭,৯০২জন পুৰুষ আৰু ৪,১৩,২১৬ গৰাকী মহিলা ভোটদাতা। ১৭ গৰাকী তৃতীয় লিংগৰ ছয় পৃষ্ঠাত চাওক

## ওদালগুৰিত দুৰ্ঘটনাত ছাত্ৰৰ মৃত্যু

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ড আৰক্ষী চকীৰ অন্তৰ্গত স্বপনগাঁৱৰ ওদালগুৰি-ভৈৰৱকুণ্ড পথত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত এজন কলেজীয়া ছাত্ৰৰ মৃত্যু ঘটে। ওদালগুৰি মহাবিদ্যালয়ত অধ্যয়নৰত স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ জন চৰেনে পুৱা ঘৰৰ পৰা চাইকেলেৰে ওলাই আহিছিল মাত্ৰ। তেনে অৱস্থাত কোনো অচিনাক্ত বাহনে ছাত্ৰজনক পিছপিনৰ পৰা খুন্দিয়াই পলায়ন কৰে। ফলত থিতাতে নিহত হয় দুৰ্ভগীয়া ছয় পৃষ্ঠাত চাওক

■ নলবাৰীৰ বৰআগ্ৰাত কেওট জাতীয় পৰিষদৰ সভা

## কওটসকলক অনুসূচিত জাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ দাবী



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১ নৱেম্বৰ ঃ** 'অসমৰ প্ৰাচীন ভূমিপুত্ৰ কেওটসকলৰ সমস্যা অনেক, ভূমিৰ অধিকাৰকে ধৰি অৰ্থনৈতিক দুৰৱস্থাত জৰ্জৰিত কেওটসকল। গতিকে সাংবিধানিক সুৰক্ষা পাবলৈ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ দৰে অসমৰ কেওটসকলকো অনুসূচিত জাতিৰ মৰ্যাদা দিব লাগে চৰকাৰে।' এই মত আজি নলবাৰী জিলাত হোৱা সম্প্ৰদায়টোৰ এখন সভাৰ। জিলাখনৰ বৰআগ্ৰা বালিতাৰা ধনতোলা অঞ্চলৰ কেওট সম্প্ৰদায়ৰ বহু লোক উপস্থিত থকা সভাখনত সদৌ অসম কেওট জাতীয় পৰিষদৰ মুখ্য সম্পাদক খৰ্গেশ্বৰ হালৈয়ে বক্তব্য ৰাখি পৰিষদৰ লক্ষ্য, উদ্দেশ্য অৱগত কৰে। অঞ্চলটোৰ সমাজকৰ্মী জয়চন্দ্ৰ হালৈৰ সভাপতিত্বত হোৱা সভাত পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি কুমুদ চন্দ্ৰ হালৈ, সম্পাদক কৈল্লাস হালৈ, টাউন কমিটীৰ সম্পাদক বিজুমণি হালৈয়ে কেওটসকলে ছয় পৃষ্ঠাত চাওক

## নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা পদৰ পৰা অব্যাহতিৰ নিৰ্দেশ

■ যোগদান কৰিব নোৱাৰি বিফল মনোৰথৰে উভতি উপায়ুক্তক অভিযোগ বিদ্যালয় পৰিদৰ্শকৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১ নৱেম্বৰ ঃ** বিভিন্ন অভিযোগ আৰু বিতৰ্কৰ আৱৰ্তত সোমাই পৰা নগাঁও চৰকাৰী শিক্ষণ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা পদৰ পৰা অৱশেষত অব্যাহতি দিয়া হৈছে তুলুমণি দেৱীক। ৰাজ্যৰ প্ৰাথমিক শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত প্ৰীতম শইকীয়াই যোৱা ২৫ অক্টোবৰ এইই ৩২৫/২০১৮/পিটি/১৯৬ বি নম্বৰৰ নিৰ্দেশ মৰ্মে ৰাজহুৱা স্বাৰ্থজড়িত কাৰণত নগাঁও চৰকাৰী শিক্ষণ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অতিৰিক্তভাৱে নগাঁও জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথক অৰ্পণ কৰে। লগতে চৰকাৰী শিক্ষণ মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষাৰ দায়িত্বভাৰ গ্ৰহণ কৰি থকা মহাবিদ্যালয়খনৰ প্ৰৱক্তা তুলুমণি দেৱীক ভাৰপ্ৰাপ্ত অধ্যক্ষাৰ দায়িত্বৰ পৰা তৎকালে কাৰ্যকৰী হোৱাকৈ অব্যাহতি দিয়া হয়। প্ৰাথমিক শিক্ষা বিভাগৰ ছয় পৃষ্ঠাত চাওক

## নগাঁও মেলেৰিয়া বিভাগৰ পাঁচ কৰ্মচাৰীক বিদায় সম্ভাষণ

বিশেষ সংবাদদাতা

**নগাঁও, ১ নৱেম্বৰ ঃ** নগাঁও জিলাৰ মেলেৰিয়া বিভাগৰ পাঁচজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক আজি বিদায় সম্ভাষণ জনোৱা হয়। নগাঁও জিলা মেলেৰিয়া বিভাগৰ জ্যেষ্ঠ সহায়ক চন্দ্ৰ কলিতা, গৃহ পৰিদৰ্শক গুণকান্ত বৰা, হেমেন্দ্ৰ শইকীয়া, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ধৰ্মেশ্বৰ কলিতা আৰু মুকুল চন্দ্ৰ বৰাই অৱসৰ গ্ৰহণ কৰাত আজি নগাঁও জিলা মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া (সংক্ৰমণ ৰোগ) ডাঃ অৰূপজ্যোতি মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীকেইজনে স্বাস্থ্য বিভাগত নিষ্ঠাৰে ছয় পৃষ্ঠাত চাওক

## বিপিএল সংযোগৰ নামত দৰিদ্ৰ মহিলাৰ পৰা আগধন ঃ ধৃত কনিষ্ঠ অভিযন্তা

■ জামুগুৰি বিদ্যুৎ উপ-সংমণ্ডলৰ কনিষ্ঠ অভিযন্তাৰ বিৰুদ্ধে উৎকোচৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১ নৱেম্বৰ ঃ** ৰাজ্যৰ প্ৰতিটো বিভাগৰ পৰা দুৰ্নীতি নিৰ্মূলৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কঠোৰ পদক্ষেপ গ্ৰহণ কৰি অহাৰ সময়তে জামুগুৰি বিদ্যুৎ উপ-সংমণ্ডলৰ এগৰাকী বিষয়াই দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক বিদ্যুৎ সংযোগ দিয়াৰ নামত ধন সংগ্ৰহৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জামুগুৰি বিদ্যুৎ উপ-সংমণ্ডলৰ কনিষ্ঠ অভিযন্তা মানৱ সিঙে অঞ্চলটোৰ মৰিসূঁতি এৰা দিকৰাই গাঁৱৰ দৰিদ্ৰ মহিলা তুনেশ্বৰী মিলি আৰু জলনি নৰহৰ পৰা পৃথকে পৃথকে চাৰি হেজাৰ টকাকৈ সৰ্বমুঠ আঠ হেজাৰ টকা সংগ্ৰহ কৰে। প্ৰায় চাৰিমাহ পূৰ্বে এই ধন সংগ্ৰহ কৰিলে যদিও আজিকোপতি মহিলা দুগৰাকীৰ গৃহত বিদ্যুৎ সংযোগ নকৰাত কাৰণ জানিব বিচাৰি কাৰ্যালয়টোলৈ আহিলেই বিভিন্ন অজুহাত দেখুৱাই কনিষ্ঠ অভিযন্তাজনে ওভতাই পঠায়। ইপিনে, নিজৰ পোহনীয়া গাহৰি বিক্ৰী কৰি বিদ্যুৎ সংযোগ দিয়াৰ নামত টকা দিয়াৰ পাছতো সংযোগ নোপোৱাত ক্ষোভিত মহিলা দুগৰাকীয়ে আজি জামুগুৰি বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত উপস্থিত হৈ কনিষ্ঠ অভিযন্তাজনক জবাবদিহি কৰাত বিষয়াই মহিলা দুগৰাকীক এপিএল ছয় পৃষ্ঠাত চাওক

## ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত কৰ্মৰত ডাটা এণ্ট্ৰি অপাৰেটৰৰ চাকৰি নিয়মীয়াকৰণৰ দাবী

বিশেষ সংবাদদাতা

**নগাঁও, ১ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত কৰ্মৰত ডাটা এণ্ট্ৰি অপাৰেটৰসকলে দীৰ্ঘদিন ধৰি প্ৰাপ্য ভাট্টা নোপোৱাত ক্ষোভৰ সৃষ্টি হৈছে। আজি নগাঁৱত সংবাদ মাধ্যমৰ আগত একাংশ ডাটা এণ্ট্ৰি অপাৰেটৰে জানিবলৈ দিয়া মতে, ক'ভিডকালীন সময়ত আন স্বাস্থ্যকৰ্মীৰ দৰে ডাটা এণ্ট্ৰি অপাৰেটৰসকলে দিনে-নিশাই কৰ্তব্য সম্পাদন কৰি আহিছে। তেওঁলোকে অভিযোগ কৰা মতে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ আন কৰ্মচাৰীক পাঁচ শতাংশ ভাট্টা দিছে যদিও ডাটা এণ্ট্ৰি অপাৰেটৰসকলক আজিও ভাট্টা প্ৰদান কৰা নাই। সামান্য দৰমহাত ১০-১৫ বছৰ ধৰি কাম কৰি থকা ডাটা এণ্ট্ৰি অপাৰেটৰ কৰ্মচাৰীসকলক প্ৰতি বছৰে পাঁচ শতাংশকৈ ভাট্টা দিব লাগে। তেওঁলোকে জনোৱা মতে, কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনে আৰঅ'পিত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনত চাকৰি কৰা কৰ্মচাৰীসকলক ভাট্টাকে ধৰি অন্যান্য সা-সুবিধা নিৰ্ধাৰণ কৰি দিয়ে। তাৰ পাছতো অসমৰ ডাটা এণ্ট্ৰি অপাৰেটৰসকলক মিছনে পাঁচ শতাংশ ভাট্টা প্ৰদান কৰা নাই। অসমত ১৫০জনৰো অধিক ডাটা এণ্ট্ৰি অপাৰেটৰে কাম কৰি আছে। মাহদিয়েক পূৰ্বে এই কৰ্মচাৰীসকলৰ এটা প্ৰতিনিধি দলে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰীক সাক্ষাৎ কৰি ডাটা এণ্ট্ৰি অপাৰেটৰসকলৰ চাকৰি নিয়মীয়া কৰা আৰু ভাট্টা প্ৰদান কৰাৰ দাবী উত্থাপন কৰিছিল। মন্ত্ৰীজনে তেওঁলোকৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন কৰ্তৃপক্ষক অপাৰেটৰসকলৰ সা-সুবিধাসমূহ প্ৰদান কৰিবলৈ নিৰ্দেশ দিছিল যদিও আজি এমাহ কাল পাৰ হৈ যোৱাৰ পাছতো মন্ত্ৰীৰ নিৰ্দেশ কাৰ্যকৰী হোৱা নাই। ক'ভিডকালীন সময়ত দিনে-নিশাই কাম কৰি চৰকাৰক সহায় কৰি থকা অপাৰেটৰসকলক অতিৰিক্তভাৱে আৰ্থিক সকাহ দিয়াৰ সলনি প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত কৰিছে। শেহতীয়াভাৱে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অসমে এক জাননীযোগে ডাটা এণ্ট্ৰি অপাৰেটৰসকলৰ নিম্নতম ভাট্টা দৰমহা মজুৰি হিচাপে নিৰ্ধাৰণ কৰি কিছু সকাহ দিছে যদিও ১০-১৫ বছৰ ধৰি চাকৰি কৰা এই অপাৰেটৰসকলৰ কোনো লাভ নহয় আৰু দৰমহা বৃদ্ধি নহয়। চৰকাৰৰ এই সিদ্ধান্ত বহু বছৰ ধৰি কাম কৰি অহা অপাৰেটৰসকলে মানি নলয় বুলি অপাৰেটৰসকলে জানিবলৈ দিয়ে। অপাৰেটৰসকলে তৎকালীনভাৱে ছয় পৃষ্ঠাত চাওক

## ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত বঞ্চিতৰ অনিৰ্দিষ্টকাললৈ অনশন কাৰ্যসূচী

■ মহাবিদ্যালয়ত নামভৰ্তিৰ পৰা বঞ্চিত

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১ নৱেম্বৰ ঃ** দৰং জিলাৰ খাৰুপেটীয়া মহাবিদ্যালয়ত নাম ভৰ্তিৰ পৰা বঞ্চিত একাংশ ছাত্ৰ-ছাত্ৰীয়ে আজি পুৱাৰ পৰা মহাবিদ্যালয়ৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত আমৰণ অনশন কাৰ্যসূচী গ্ৰহণ কৰিছে। মহাবিদ্যালয়খনত নামভৰ্তিৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলে বিগত সময়ছোৱাত বিভিন্ন ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি অহাৰ পাছতো কোনো সুফল নোপোৱাত এই কাৰ্যসূচী হাতত লৈছে বুলি সদৰী কৰিছে। মহাবিদ্যালয়খনত ২০২১-২২ৰ স্নাতক প্ৰথম ষাণ্মাসিকত নামভৰ্তিৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীক নামভৰ্তি নকৰাক লৈ ক্ষুব্ধ বঞ্চিতসকলে মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত পুৱা ১০ বজাৰ পৰা অনিৰ্দিষ্টকালীন অনশন আৰম্ভ কৰে। বিয়লি মহাবিদ্যালয়খনত দুজন জ্যেষ্ঠ প্ৰৱক্তাই অনশনস্থলীত উপস্থিত হৈ বঞ্চিত শিক্ষাৰ্থীসকলক বিভিন্ন বুজনিৰে অনশন ভংগ কৰিবলৈ চেষ্টা চলায় ছয় পৃষ্ঠাত চাওক

## জেএছবি চিকিৎসালয়ত উদ্বোধন জাপানী এনকেফেলাইটিছ প্ৰতিষেধকৰ

■ জিলাত ৫১টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ মুকলি চলিত বৰ্ষত

■ চিৰাঙত জাপানী এনকেফেলাইটিছত এজনৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১ নৱেম্বৰ ঃ** চিৰাঙত আজি জাপানী এনকেফেলাইটিছৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী মুকলি কৰে। জিলাখনৰ সদৰ কাজলগাঁওস্থিত জেএছবি অসামৰিক চিকিৎসালয়ত জাপানী এনকেফেলাইটিছৰ প্ৰতিষেধক প্ৰদান কেন্দ্ৰ উদ্বোধন কৰে জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে। অতিৰিক্ত উপায়ুক্ত খনিন্দ্ৰ দাস, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ৰাতুল বৰদলৈ, কাশিকত্ৰা আদৰ্শ চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ ৰাজেশ পাণ্ডেসহ জিলাখনৰ কে'বাজনো সাংবাদিকে এই প্ৰতিষেধক লয়। প্ৰতিষেধক লৈয়ে জিলা উপায়ুক্তজনে কয় যে চিৰাং জিলা বনাঞ্চলেৰে আৱৰা লগতে গাহৰি পালন প্ৰধান অঞ্চল। গতিকে এইসমূহৰ পৰাই যিহেতু জাপানী এনকেফেলাইটিছ ৰোগ বিয়পে। সেয়ে ৰাইজে এই প্ৰতিষেধক বিনা দ্বিধাই গ্ৰহণ কৰিব লাগে। যাৰ বাবে ৰাইজক দিয়াৰ পূৰ্বেই আমি নিজেই লৈছো। যিহেতু জাপানী এনকেফেলাইটিছ এক ধৰণৰ মাৰাত্মক ৰোগ আৰু ম'হৰ দ্বাৰা বিয়পে গতিকে নিজৰ লগতে সমাজখনক ছয় পৃষ্ঠাত চাওক

■ অধুনালুপ্ত শিৱসাগৰ জিলা কেন্দ্ৰীয় সমবায় বেংক ■ কৰ্তৃপক্ষৰ স্বেচ্ছাচাৰিতা ঃ ন্যায্যপ্ৰাপ্যৰ পৰা বঞ্চিত চাকৰি হেৰুওৱা কৰ্মচাৰী

# দুই শতাধিক কৰ্মচাৰীৰ পানীত হাঁহ নচৰা অৱস্থা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১ নৱেম্বৰ ঃ** অসম চৰকাৰৰ ভুল নীতি আৰু কৰ্তৃপক্ষৰ অদক্ষ তথা ক্ৰুটিপূৰ্ণ পৰিচালনাৰ বাবে ২০০৩ত ভাৰতীয় ৰিজাৰ্ভ বেংকে অনুজ্ঞাপত্ৰ বাতিল কৰা শিৱসাসগৰ জিলা কেন্দ্ৰীয় সমবায় বেংকৰ বৃহৎ সংখ্যক বিষয়া-কৰ্মচাৰীৰ আজি পানীত হাঁহ নচৰা অৱস্থা। অনুজ্ঞাপত্ৰ বাতিল হোৱাৰ লগে লগে অসম চৰকাৰৰ সমবায় বিভাগৰ পঞ্জীয়নৰ আধাৰত ১৯৬৮ত প্ৰতিষ্ঠা কৰা বেংকটোৰ মুখ্য কাৰ্যালয়ৰ উপৰি অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত থকা ২১টা শাখাৰ প্ৰায় তিনিশ কৰ্মচাৰীৰ চাকৰিৰ ধাৰাবাহিকতাও অৱধাৰিতভাৱে অন্ত পৰে। কিন্তু বেংকৰ বিষয়া-কৰ্মচাৰীসকলৰ অনাদায় দৰমহা, অৱসৰকালীন প্ৰাপ্য ভাট্টা, গ্ৰেচুইটি, লিভ চেলাৰী আদি এই পৰ্যন্ত প্ৰদান কৰা নাই। যাৰ ফলত আদ বয়সতে চাকৰি হেৰুৱাই কৰ্মহীন হোৱা প্ৰায় ২৫০ জন কৰ্মচাৰীৰ এতিয়া অৱস্থা অতি দুখ লগা। বহু কৰ্মচাৰীয়ে এমুঠি অন্নৰ বাবে হাহাকাৰ কৰাৰ উপৰি নিজ সন্তানক ভৰণ-পোষণ, শিক্ষা-দীক্ষা দিব নোৱাৰি চৰম হতাশাত দিন কটাবলগীয়া অৱস্থা হৈছে। প্ৰাপ্যৰ পৰা বঞ্চিত প্ৰায় ৫০জন কৰ্মচাৰীৰ ইতিমধ্যে মৃত্যুও হৈছে। কিন্তু ইয়াৰ বিপৰীতে, বহু আবেদন-নিবেদন কৰাৰ পাছতো কোনো ব্যৱস্থা লোৱা নাই এসময়ৰ শিৱসাগৰ জিলা কেন্দ্ৰীয় সমবায় বেংক আৰু বৰ্তমান শিৱসাগৰ জিলা কেন্দ্ৰীয় সঞ্চয় আৰু ঋণদান সমবায় লিমিটেড কৰ্তৃপক্ষই। মন কৰিবলগীয়া যে ২০০৩ত অনুজ্ঞাপত্ৰ বাতিল কৰা হয় যদিও পৰৱৰ্তী সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ে বেংকটোৰ কৰ্মচাৰী, গ্ৰাহক, অংশীদাৰ, ঋণী আদিৰ কথা চিন্তা কৰি বেংকৰ পৰিৱৰ্তে সঞ্চয় আৰু ঋণদান সমবায় সমিতি হিচাপে গঢ় দিয়াৰ অনুমতি প্ৰদান কৰে আৰু সেই অনুসৰি ইয়াক শিৱসাগৰ জিলা কেন্দ্ৰীয় সঞ্চয় আৰু ঋণদান সমবায় সমিতি লিমিটেড নামকৰণ কৰি কাম আৰম্ভ কৰা হয়। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনাত স্পষ্টকৈ উল্লেখ কৰা হৈছিল যে লুপ্ত বেংকটোৰ সমূহ সম্পদ আৰু দেনা-পাওনা নতুন সমবায় সমিতিখনে বহন কৰিব লাগিব। কিন্তু এতিয়া সমবায় সমিতি কৰ্তৃপক্ষই সকলোবোৰ সম্পদ আপোন কৰি দেনা-পাওনাৰ ক্ষেত্ৰত আওকণীয়া মনোভাব গ্ৰহণ কৰিছে। তাৰেই পৰিণতি ভুগিছে বেংকটো বন্ধ হোৱাৰ ফলত চাকৰি হেৰুওৱা আঢ়ৈশ কৰ্মচাৰীয়ে। কেৱল যোৰহাট শাখাৰে ২০ জন কৰ্মচাৰীয়ে ২২ লাখৰো অধিক টকা পাবলৈ আছে। এই সন্দৰ্ভত প্ৰাপ্যৰ পৰা বঞ্চিত একাংশ কৰ্মচাৰীয়ে যোৰহাট জিলাৰ উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰি তেওঁলোকৰ প্ৰাপ্যসমূহ শীঘ্ৰে পোৱাৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনাইছে। প্ৰাপ্ত তথ্য অনুসৰি, বেংকটোৰ কৰ্মচাৰীসকলক চাকৰিৰ পৰা অব্যাহতি দিয়াৰ পাছত ১৯-৪-১৮ত সমবায় সমিতিখনৰ সম্পাদক জিতু গোস্বামীয়ে প্ৰাক্তন কৰ্মচাৰীসকলক স্পষ্টকৈ জনাইছিল যে তেওঁলোকে পাবলগীয়া ধনৰাশিৰ হিচাপ-পত্ৰ কৰি থকা হৈছে আৰু আৰ্থিক অৱস্থা সচ্ছল হ'লেই পৰ্যায় ক্ৰমে প্ৰাপ্যসমূহ দিয়াৰ ব্যৱস্থা কৰা হ'ব। কিন্তু সেই কথা অৱগত কৰাও আজি তিনি বছৰ অতিক্ৰম কৰিলে আৰু এই সময়ছোৱাত সমিতিৰ আৰ্থিক ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, মঙলবাৰ ১৫ কাতি ১৪২৮ ভাস্কৰাব্দ ২ নৱেম্বৰ ২০২১

## জটিল সমস্যা

আৰ্থ-সামাজিক, জৈৱিক আৰু পাৰিপাৰ্শ্বিক অৱস্থানসমূহৰ ওপৰত মানুহৰ মানসিক স্বাস্থ্য নিৰ্ভৰশীল। বিশেষকৈ বিশ্ব স্বাস্থ্য সংস্থাই মানসিক উচ্ছৃংখলতা নাইবা মানসিক ৰোগৰ অভাৱকে মানসিক স্বাস্থ্য বুলি কোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে স্বাস্থ্য মানে সম্পূৰ্ণ শাৰীৰিক, মানসিক আৰু সামাজিক সুস্থতাৰ এক অৱস্থা, ই কোনো ৰোগৰ অনুপস্থিতিকে নুবুজায়। বিশ্ব স্বাস্থ্য সংস্থাৰ সংজ্ঞা অনুসৰণ কৰি বুজিব পৰা যায় যে মানসিক স্বাস্থ্য মানে মানসিক ৰোগৰ কোনো লক্ষণ নথকাকে নুবুজায়। অৰ্থাৎ মানসিক ৰোগ হিচাপে পৰিগণিত লক্ষণবিলাক নথকা অৱস্থাতো এজন ব্যক্তিৰ মানসিক স্বাস্থ্য সুস্থ অৱস্থাত নাথাকিব পাৰে নাইবা তেনে ব্যক্তি মানসিক সুস্বাস্থ্যৰ অধিকাৰী হৈ পৰিব নোৱাৰে। তদুপৰি সাধাৰণতে আমাৰ সমাজে যিবিলাক আচৰণ বা কৰ্মত অস্বাভাৱিকতা দেখা পায়, সেইবিলাক প্ৰকৃততে স্বাভাৱিক হ'ব পাৰে আৰু স্বাভাৱিক বুলি কোৱা বা ভবাবিলাকহে প্ৰকৃততে অস্বাভাৱিক হ'ব পাৰে।

ভাৰতৰ দৰে দেশত এক জটিল সমস্যা হ'ল মানসিক ৰোগ বা উচ্ছৃংখলতাবিলাকক চিনাক্ত কৰিব নোৱৰাটো। শৈশৱ কালতে কোনো শিশুৰ খিংখিঙীয়া স্বভাৱ, হঠাৎ খঙাল আৰু আঁকোৰগোজ হৈ পৰা, হাঁহি আৰু আনন্দৰ ভাগ ল'ব বা উপভোগ কৰিব নিবিচৰা বা নোৱৰা, আনৰ বস্তু ধ্বংস কৰি আনন্দ পোৱা আদি আচৰণ দেখা পালেও আমাৰ সমাজে বা পৰিয়ালে সেইবিলাক আওকাণ কৰে। এইবিলাক আচৰণ বা লক্ষণ দেখা পালেও তেনে শিশুক মনোৰোগ চিকিৎসক বা বিশেষজ্ঞৰ ওচৰলৈ নিয়াৰ প্ৰয়োজন অনুভৱ নকৰে। কিশোৰ-কিশোৰীসকল সুৰা, ভাং বা ড্ৰাগ্ছ আদিত আসক্ত হ'লেও প্ৰথম অৱস্থাত মনোৰোগ বিশেষজ্ঞৰ ওচৰলৈ অভিভাৱকে তেওঁলোকক নিব নিবিচাৰে। অভিভাৱক বা পিতৃ-মাতৃসকলে নিজেই চিকিৎসক বা বিশেষজ্ঞ হ'বলৈ যায় আৰু ল'ৰা-ছোৱালীসকলক শাৰীৰিক-মানসিক নানান হেঁচা বা শাস্তি দিয়া দেখা যায়। ইয়াৰ ফলত মানসিক অৱস্থাৰ অধিক অৱনতি ঘটে। অৰ্থাৎ পিতৃ-মাতৃ তথা অভিভাৱকসকলে মনোৰোগ বিশেষজ্ঞ বা চিকিৎসকৰ ভূমিকাত অৱতীৰ্ণ হয় আৰু নিজেই জনাৰ ভাও দিয়ে। মানসিক ৰোগৰ চিকিৎসক বা বিশেষজ্ঞ যে নাই তেনে নহয়। অৱশ্যে ভাৰতত মানসিক বা মনোৰোগ চিকিৎসকৰ সংখ্যা জনসংখ্যা অনুপাতে অতি কম। প্ৰতি একলাখ ভাৰতীয়ৰ বিপৰীতে মনোৰোগ চিকিৎসক আছে মাত্ৰ ০.৭৫ জন; কিন্তু ভাৰতক প্ৰয়োজন প্ৰতি এক লাখ জনসংখ্যাৰ বিপৰীতে তিনিজন মনোৰোগ চিকিৎসকৰ। আনহাতে, বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ভাৰতত ১০ হেজাৰৰো কম মনোৰোগ চিকিৎসক আছে; কিন্তু দেশত বৰ্তমান মনোৰোগত ভুগি থকা লোকৰ সংখ্যা ৭.৫ শতাংশ। এই সংখ্যা হ'ল দেশত বিভিন্ন ৰোগত ভোগা ৰোগীৰ মুঠ সংখ্যাৰ এক ষষ্ঠাংশ। বিশ্বৰ মুঠ মানসিক ৰোগীৰ ১৫ শতাংশ ৰোগী আছে ভাৰতত। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি অহা বছৰৰ ভিতৰত ২০ শতাংশ ভাৰতীয়ই মানসিক ৰোগত ভুগিব, যিসকলৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় সংখ্যক চিকিৎসক ভাৰতত নাই।

সমগ্ৰ বিশ্বতে ক'ভিড-১৯ বা কৰ'না ভাইৰাছ মহামাৰীয়ে ভয়ংকৰ দুৰ্যোগৰ সৃষ্টি কৰিছে। ধনী-দুখীয়া সকলো দেশৰ আৰ্থিক অৱস্থা ধ্বংসৰ মুখত পৰিছে আৰু কোটি কোটি লোক ক'ভিড ৰোগত আক্ৰান্ত হোৱাৰ উপৰি লাখ লাখ লোকৰ অকাল মৃত্যু ঘটিছে। ক'ভিড মহামাৰীয়ে মানুহৰ জীৱন আৰু অৰ্থনীতি ধ্বংস কৰা, জীৱনৰ বাবে উপাৰ্জনৰ পথ ধ্বংস হোৱাৰ ফলত লাখ লাখ লোকৰ মানসিক অৱস্থা বা স্বাস্থ্যৰ অৱনতি ঘটিছে। সেয়ে ক'ভিড মহামাৰীত আক্ৰান্ত বিশ্বত মানুহৰ মানসিক স্বাস্থ্য সুৰক্ষাৰ বিষয়টো অধিক প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ হৈ পৰিছে। ক'ভিড মহামাৰীৰ বাবে বিভিন্ন দেশৰ লগতে ভাৰততো অধিক সংখ্যক লোক বিভিন্ন মানসিক ৰোগ বা সমস্যাত ভুগিছে। দৈনিক শ শ লোকে আত্মহত্যাৰ পথ বাছি লৈছে। ক'ভিড মহামাৰীৰ বাবে কৰ্মসংস্থানহীন হৈ নাইবা অভাৱত পৰি আত্মহত্যা কৰা বুলি প্ৰকাশ পাইছে। এনে পৰিস্থিতিৰ বাবে এই লোকসকলক মানসিকভাৱে দুৰ্বল হৈ পৰা নাইবা মানসিক অৱস্থাৰ অৱনতি ঘটা বুলিয়ে ক'ব লাগিব। মানসিকভাৱে সবল ব্যক্তিয়ে আৰ্থিক অভাৱৰ বাবেই আত্মহত্যাৰ কথা নাভাবে; কিন্তু ক'ভিডৰ চিকিৎসাতেই দেশৰ চিকিৎসা ব্যৱস্থাৰ অৱস্থা কাহিল হৈ পৰাত অন্য ৰোগী আৰু মানসিক ৰোগীৰ চিকিৎসাই প্ৰয়োজনীয় গুৰুত্ব পোৱা নাই। চৰকাৰে সেয়ে মানসিক স্বাস্থ্যৰ সজাগতাৰ বাবে প্ৰচাৰ চলালেই নহ'ব, মানসিক ৰোগত ভোগাসকলৰ চিকিৎসা সহজলভ্য কৰিবও পাৰিব লাগিব।

## খোলা মঞ্চ

## ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**সুদীৰ্ঘ** ৭৫ বছৰীয়া স্বাধীনতাৰ কালত আমাক একোৱেই দিয়া নাই বুলি ক'লে নিশ্চয়কৈ সত্যৰ অপলাপ কৰা হ'ব। ব্ৰিটিছ চৰকাৰৰ দীৰ্ঘদিনীয়া শাসনৰ পৰা মুক্ত হৈ যোৱা কে'বা দশকত ভাৰতৰ নাগৰিকে চকুত লগাকৈ উন্নতি তথা উত্তৰণৰ দিশে ক্ষিপ্ৰ গতিৰে ধাৱমান হৈছে।

বৰ্তমান সময়ত বিশ্বৰ সমগ্ৰ ৰাষ্ট্ৰৰ দৃষ্টি নিৱদ্ধ ভাৰতবৰ্ষৰ ওপৰত। কিয়নো-গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ৰাইজৰ দ্বাৰা নিৰ্বাচিত জনপ্ৰতিনিধিৰ দ্বাৰা গঠিত ন-ন চৰকাৰৰ নানান হ্ৰস্ব ম্যাদী, দীৰ্ঘম্যাদী জনকল্যাণমুখী অভিনৱ আঁচনিসমূহ যেনে— মানুহৰ মৌলিক অধিকাৰ অন্ন, বস্ত্ৰ, বাসস্থানৰ উপৰি শিক্ষা-স্বাস্থ্য, কৃষিখণ্ড, বিজ্ঞান-প্ৰযুক্তি-কাৰিকৰী, প্ৰতিৰক্ষা, বন্য-জল সম্পদ সংৰক্ষণ, ৰেলপথ, যাতায়াত-পৰিবহণ, বিদ্যুৎ শক্তি, গ্ৰাম্য-নগৰ-চহৰ উন্নয়ন, নাৰীশক্তি সবলীকৰণ, দৰিদ্ৰতা নিৰ্মূলকৰণ (গৰিবী হটাও), 'স্বচ্ছ ভাৰত' নিৰ্মাণ আদিৰ দৰে গৃহীত আঁচনিবোৰ যথাযথভাৱে প্ৰয়োগেৰে কাৰ্যকৰী কৰি শেহতীয়াকৈ মোদী চৰকাৰৰ 'আত্মনিৰ্ভৰশীল ভাৰত' গঢ়াৰ যি পৰিকল্পনা ই কেৱল আদৰণীয় নহয়— প্ৰশংসনীয়।

অলপ মন কৰিলেই দেখা যায়— ভাৰত তথা অসমত বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠন অথবা কোনো জাতি-জনগোষ্ঠীৰ তেওঁলোকৰ বিভিন্ন দাবী পূৰণ, সমস্যা সমাধান, প্ৰাপ্য সাংবিধানিক অধিকাৰ আদি আদায় কৰাৰ লক্ষ্যৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ অভিপ্ৰায়েৰে ঘোষণা কৰা— 'ভাৰত বন্ধ, 'অসম বন্ধ', অমুক জিলা বন্ধ, মহকুমা-অঞ্চল বন্ধ, হৰতাল, শোভাযাত্ৰা, ধৰ্ণা, ঘেৰাও, কৰ্ম-বিৰতি অনশন, চুলি মুণ্ডন, অৰ্ধ উলংগৰে প্ৰতিবাদ, ৰেল অৱৰোধ, পথ অৱৰোধ, অৰ্থনৈতিক অৱৰোধ ইত্যাদি অভিনৱ আন্দোলনৰ পদক্ষেপসমূহ ক্ৰমাৎ নাইকিয়া হ'বলৈ লৈছে। তদুপৰি বিভিন্ন ভাষা জাতিগোষ্ঠীৰ উগ্ৰপন্থী সংগঠন তথা দুষ্কৃতিকাৰীৰ দ্বাৰা সংঘটিত অমানৱীয় হত্যা-হিংসা-ধৰ্ষণ, অপহৰণ, ধনদাবী তথা কুটাঘাতমূলক কাৰ্য-কলাপ পূৰ্বৰ তুলনাত বহুলাংশে হ্ৰাস পাই আহিছে। এয়া সমগ্ৰ দেশ তথা মানৱ সমাজৰ বাবে এক যোগাত্মক শুভ লক্ষণৰে ইংগিত।

তেনে ধাৰাবাহিক প্ৰক্ৰিয়া অদূৰ ভৱিষ্যতলৈ চলি গৈ থাকিলে নিশ্চয় পৰৱৰ্তী কালত এদিন নহয় এদিন ভাৰতৰ স্বাধীনতাৰ মূল নায়ক জাতিৰ পিতা-মহামানৱ মহাত্মা গান্ধীৰ সপোনৰ 'ৰাম ৰাজ্য'ত সুখ-ভোগ-শান্তিৰে আমৃত্যু জীৱন যাপন কৰি যাব পাৰিম বুলি আশা কৰিব পাৰিম নিশ্চয়।

**হৰেশ্বৰ বসুমতাৰী**, *লেখক*

*ফোন : ৬০০০৬০৮১৮৩*

# মানুহৰ জনবিস্ফোৰণে প্ৰকৃতিৰ ভাৰসাম্য নষ্ট কৰিছে

# বিধ্বংসী প্ৰাকৃতিক দুৰ্যোগৰ দিশে উত্তৰ-পূৰ্বাঞ্চল



গোলকীয় উষ্ণতা বৃদ্ধিয়ে পৃথিৱীৰ সমগ্ৰ জীৱকুলৰ অস্তিত্বৰ প্ৰতি যি ভয়াৱহ ভাবুকি বৈ আনিছে, তাক লৈ বিশ্বৰ পৰিৱেশ বিজ্ঞানীসকলেই কেৱল শংকিত আৰু সৰৱ হোৱা নাই, চিন্তাশীল সকলো লোকেই এতিয়া সমানে উদ্বিগ্ন। ভৱিষ্যত প্ৰজন্মবোৰৰ কথা ভাবি আজিৰ অভিভাৱকসকল কম-বেছি পৰিমাণে হতাশ নোহোৱাকৈ থকা নাই। এই পৃথিৱীত মানুহৰ ভৱিষ্যতৰ কথা ভাবিলে আজি-কালি মোৰো মনটো বেয়া হৈ যায়। আমাৰ আজিৰ সতি-সন্ততিসকলে আৰু ৩০/৪০ বছৰ মানৰ পাছতে হয়তো অতিপাত গৰমত উশাহ ল'ব নোৱাৰি ছট্‌ফটাব, হয়তো মৰিবও, খাবলৈ পানী নাপাব, খাদ্যৰ বাবে হাহাকাৰ কৰিব লাগিব, থাকিবলৈ বাসোপযোগী ঠাই নাপাব, বিভূতি-বৈভৱৰ মাজত থাকিও জীৱন-ধাৰণৰ মৌলিক সমলখিনিৰ পৰা বঞ্চিত হ'ব লাগিব। এনেবোৰ চিন্তা এতিয়া আৰু কোনো দুঃস্বপ্ন হৈ থকা নাই, সাক্ষাৎ বিভীষিকাৰ ৰূপত ক্ৰমাগতভাৱে দৃশ্যমান তথা অনুভূত হৈ আহিছে। তাৰ পাছতো তেনে অনুভূতিপ্ৰৱণ মানুহৰ মনৰ শান্তি আৰু উদ্যম বাচি থাকিব পাৰেনে?

অস্বাভাৱিক গৰমত মেৰু দেশৰ বৰফবোৰো হেনো গলিবলৈ ধৰিছে। এনেদৰে সেই বৰফৰ পাহাৰবোৰ গলি গলি যদি জলপ্ৰৱাহত পৰিণত হয়, তেন্তে সেই জলভাণ্ডাৰে সাগৰবোৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি কৰিব। ফলত পৃথিৱীৰ অসংখ্য জনবসতিপূৰ্ণ দ্বীপ আৰু উপকূলীয় অঞ্চল পানীত ডুব যাব। কি হ'ব সেইবোৰৰ বাসিন্দাসকলৰ অৱস্থা। জলপ্ৰলয়ত সকলো নিশ্চিহ্ন হৈ নাযাবনে?

পৃথিৱীৰ এই পৰিৱেশিক বিপৰ্যয়ৰ কাৰণো হৈছে মানুহ। পৃথিৱীখন প্ৰাণীৰ বাসোপযোগীকৈয়ে সৃষ্টি হৈছিল; কিন্তু প্ৰাণীৰ জীৱন ধাৰণৰ বাবে অনুকূল পৰিৱেশটো মানুহৰ দুষ্কৰ্মৰ বাবেই নষ্ট হৈছে। মুক্ত দুহাত আৰু বিকশিত মন-মগজুৰ জোৰত মানুহ পৃথিৱীখনৰ একছত্ৰী মালিক হৈ পৰিছে। আনবোৰ প্ৰাণীও এইখন পৃথিৱীৰে সন্তান আৰু মানুহৰ সহোদৰ। সেই সূত্ৰে পৃথিৱীখনৰ মাটিবাৰীবোৰৰ সমভাগ সকলো প্ৰাণীৰে প্ৰাপ্য আছিল; কিন্তু মানুহৰ দক্ষতা আৰু ক্ষমতা বাঢ়ি যোৱাৰ ফলত বাকী প্ৰাণীবোৰৰ উত্তৰাধিকাৰ খৰ্ব হ'ল। মানুহে নিজৰ সহোদৰ প্ৰাণীবোৰৰ বাসভূমিবোৰৰ ওপৰত বেদখল চলাই সেইবোৰৰ ওপৰত বলেৰে নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিলে। গছ-গছনি কাটি এফালৰ পৰা হাবি-জংঘল মুকলি কৰিলে আৰু তাৰ বসবাসকাৰী আন প্ৰাণীবোৰক নিজৰ পৈত্ৰিক ভেটিৰ পৰা উছন কৰিলে; কিন্তু পৃথিৱীৰ পৰা গছ-গছনি আৰু বন্য প্ৰাণীবোৰ একেবাৰে নোহোৱা হৈ গ'লে মানুহৰ নিজৰো বিপদ হ'ব পাৰে বুলি জানি সংৰক্ষণৰ নীতি উলিয়ালে। সংৰক্ষিত বনাঞ্চল আৰু বন্য প্ৰাণীৰ অভয়াৰণ্যবোৰ সেই নীতিৰ আধাৰতেই গঠন কৰা হ'ল; কিন্তু তাৰ পাছতো লোলুপ আৰু বেদখলকাৰী মানুহৰ পৰা সেইবোৰৰ সুৰক্ষাৰ প্ৰতি ভাবুকি আহিয়েই আছে।

সম্পদ আহৰণ আৰু উন্নয়নৰ মায়াত মোহাচ্ছন্ন মানুহে প্ৰাকৃতিক সম্পদবোৰ একচেটীয়াভাৱে আহৰণ আৰু শোষণ কৰিছে। উন্নত চিকিৎসা ব্যৱস্থাৰে বেমাৰ-আজাৰবোৰ নিয়ন্ত্ৰণ কৰি নিজৰ আয়ুস বঢ়াইছে আৰু অবাৰিত হাৰত জনসংখ্যাও বঢ়াই গৈ আছে। মানুহৰ জনবিস্ফোৰণ ঘটিছে। প্ৰাচ্যৰ নে পাশ্চাত্যৰ, উত্তৰ নে দক্ষিণৰ দেশবোৰত এই বৃদ্ধি বেছি হৈছে আৰু বিস্ফোৰণৰ ৰূপ লৈছে সেইটো মূল কথা নহয়; মূল কথা হৈছে মানুহৰ জনবিস্ফোৰণ। অবাৰিত হাৰত মানুহৰ সংখ্যা বাঢ়িছে বাবেই বাসভূমি আৰু ভোগ্য সামগ্ৰীৰ চাহিদা বাঢ়ি গৈছে। ভোগৰ লালসাও মানুহৰ বাঢ়ি গৈ আছে। বিকাশ আৰু সভ্যতাৰ নামতে মানুহে প্ৰকৃতিৰ ওপৰত অবিৰাম আগ্ৰাসন চলাই গৈছে আৰু তাৰ ফলত প্ৰাকৃতিক পৰিৱেশৰ অৱনতিও ঘটি আছে। বৰ্ধিত জনসংখ্যাৰ চাহিদা পূৰাবলৈ প্ৰাকৃতিক সম্পদবোৰৰ শোষণৰ মাত্ৰাও বাঢ়ি গৈছে আৰু ভৱিষ্যতৰ প্ৰজন্মবোৰক কঙাল কৰাৰ আত্মঘাতী প্ৰক্ৰিয়াটোৱে মাৰাত্মক ৰূপ লৈছে।

কিন্তু প্ৰকৃতি হৈছে ভগৱান। ধ্যানস্থ শিৱৰ দৰে প্ৰকৃতিও কিছুকাল আত্মস্থ তথা



**অসবৰ্ণ**

**হীৰেন গগৈ**

নিষ্ক্ৰিয় হৈ থাকিব পাৰে, কিন্তু দীৰ্ঘকালৰ বাবে নহয়। মানুহৰ অত্যাচাৰে প্ৰকৃতিৰ ধ্যান ভংগ কৰিছে আৰু শিৱৰ তৃতীয় নয়নৰ দৰে প্ৰকৃতিৰ ৰোষাগ্নিও জ্বলি উঠিছে; কিন্তু দেৱাদিদেৱ মহাদেৱৰ লগত প্ৰকৃতিৰ পাৰ্থক্য এয়ে যে, মহাদেৱৰ নিজৰ এক নৈতিক বিধান আছে আৰু তেওঁ দোষীকহে দণ্ড দিয়ে, নিৰ্দোষীক নিদিয়ে। আনহাতে, প্ৰকৃতি সম্পূৰ্ণ অনৈতিক, প্ৰকৃতিৰ ৰোষাগ্নি জ্বলি উঠিলে ভয়ানক দুৰ্যোগবোৰৰ সৃষ্টি হয় আৰু সেইবোৰত দোষী-নিৰ্দোষী সকলো সমানে দণ্ডিত হয়। অভিজ্ঞতাই চিন্তাশীল লোকসকলক শিকাইছে যে বিশ্ব ব্ৰহ্মাণ্ডত ব্ৰহ্মা-বিষ্ণু-শিৱৰ যৌথ শাসন চলা নাই, চলি আছে প্ৰকৃতিৰহে বিধান। সেই বিধান মতেই মানুহৰ জন্ম-মৃত্যু, ৰোগ-ব্যাধি, ঘটনা-দুৰ্ঘটনা, শাস্তি-পুৰস্কাৰ সকলোবোৰ ঘটি আছে। প্ৰকৃতিত জড়-অজড় সকলো বস্তুৰ মাজত এটা ভাৰসাম্য থাকে। সেই ভাৰসাম্য নষ্ট হ'লে প্ৰকৃতিয়ে নিজৰ বিধ্বংসী শক্তিৰে তাক পুনৰ প্ৰতিষ্ঠা কৰে। প্ৰকৃতিৰ ধ্বংসলীলাত দোষী-নিৰ্দোষী সকলো জাহ যায়। প্ৰকৃতিয়ে নিজৰ সৃষ্টি ৰক্ষাৰ বাবেই নিৰ্বিচাৰে ধ্বংস কৰে। যি অস্বাভাৱিকভাৱে বাঢ়ি যায়, তাক মাৰি-মেলি স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনে।

প্ৰকৃতিৰ বিচাৰত মানৱতাবাদো মানুহৰ এক অপ্ৰাকৃতিক ধাৰণা তথা আচৰণহে। মানুহে নিজেই নিজক জগতখনৰ পৰম দেৱতা সাজিছে আৰু অমৰ কৰিবলৈ বিচাৰিছে। সেয়ে মানৱতাবাদীসকলে মানুহৰ জয়গান গায় আৰু মানৱ প্ৰাণৰ ক্ষয়-ক্ষতিবোৰৰ বিৰুদ্ধে আবেগিক-প্ৰতিৰোধৰ প্ৰাচীৰ এখন থিয় কৰায়; কিন্তু প্ৰকৃতিয়ে সেইবোৰ একো নামানে। পৃথিৱীত মানুহৰ ভৰ বাঢ়ি গৈ সহ্যাতীত হ'লে প্ৰকৃতিয়ে নিজৰ নিয়মমতেই মানুহক সংহাৰ কৰি সেই ভৰ কমাই লয়। তাত আবেগ-অনুভূতি, দুখ-বেদনা বা চকুপানীৰ কোনো গুৰুত্ব নাথাকে। মহামাৰী, অতিমাৰী আৰু আন প্ৰাকৃতিক দুৰ্যোগবোৰত প্ৰাণ হেৰুওৱা মানুহবোৰৰ প্ৰতি প্ৰকৃতিৰ কৰুণ জানো কেতিয়াবা জাগ্ৰত হৈছে? মানুহৰ পূজ্য ঈশ্বৰ বা দেৱতাসকলেও জানো সেই অভিশপ্ত মানুহবোৰক ৰক্ষা কৰিছে?

মানুহৰ জনবিস্ফোৰণে প্ৰকৃতিৰ ভাৰসাম্য নষ্ট কৰিছে প্ৰজাতিটোৰ ভৰ মাত্ৰাধিক বৃদ্ধি কৰি। মানুহে নিজৰ জনসংখ্যা নিয়ন্ত্ৰণ কৰি এই ভৰ যদি নকমায় নাইবা বিস্ফোৰিত জনসংখ্যাৰ একাংশক নিজে মাৰি নেপেলায় (যিটো অসম্ভৱ, তেনেহ'লে প্ৰকৃতিয়েই মৰাৰ ব্যৱস্থা কৰিব আৰু সেই কাম যদি প্ৰকৃতিয়ে কৰিবলগীয়া হয়, মানুহৰ লগতে সমস্ত জীৱকুলে পৰিণাম

**প্ৰকৃতিত জড়-অজড় সকলো বস্তুৰ মাজত এটা ভাৰসাম্য থাকে। সেই ভাৰসাম্য নষ্ট হ'লে প্ৰকৃতিয়ে নিজৰ বিধ্বংসী শক্তিৰে তাক পুনৰ প্ৰতিষ্ঠা কৰে। প্ৰকৃতিৰ ধ্বংসলীলাত দোষী-নিৰ্দোষী সকলো জাহ যায়। প্ৰকৃতিয়ে নিজৰ সৃষ্টি ৰক্ষাৰ বাবেই নিৰ্বিচাৰে ধ্বংস কৰে**

ভূগিব লাগিব। গোলকীয় উষ্ণতা বাঢ়ি গৈ থাকিলে কেৱল মানুহেই নমৰে, সকলো জীৱৰে বিনাশ ঘটিব। পৃথিৱীত মানুহৰ খোৱা পানী, খাদ্য আৰু বাসস্থানৰ অভাৱ হ'লে আনবোৰ প্ৰাণীৰ বাবেও সেইবোৰৰ অভাৱ ঘটিব। এক কথাত, মানুহ অকলে নমৰে, সমগ্ৰ জীৱকুলকো লগতে মাৰি নিব।

মই ক'ব খোজা নাই যে মানুহৰ ৰক্ষাৰ কোনো উপায় নোহোৱা হৈ গৈছে। উপায় নিশ্চয় আছে, কিন্তু তাৰ বাবে মানুহ নিজৰ প্ৰতি নিৰ্মম হ'ব পাৰিব লাগিব, নিজৰ ভোগ আৰু লালসাক নিয়ন্ত্ৰণ কৰি প্ৰকৃতিৰ ওপৰত চলি থকা অত্যাচাৰ তথা সম্পদ লুণ্ঠন বন্ধ কৰিব লাগিব আৰু সন্তান জন্মৰ হাৰ একেবাৰে কমাব লাগিব। অধিক সন্তান জন্মৰ প্ৰৱণতাক মানৱ বিৰোধী বুলি সকলোৱে স্বীকাৰ কৰি ল'ব লাগিব।

একাংশ পৰিৱেশ বিজ্ঞানীয়ে কৈছে ভাৰতবৰ্ষৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ওপৰতেই জলবায়ু পৰিৱৰ্তনৰ কুপ্ৰভাৱ আটাইতকৈ বেছি হোৱাৰ সম্ভাৱনা আছে। অসমকে ধৰি সমগ্ৰ অঞ্চলটো মৰুভূমিতো পৰিণত হ'বগৈ পাৰে। তাৰ এটা আগজাননী আমি এই বছৰতে পাইছোৱেই। এইবাৰ আহিন মাহতো তাপমাত্ৰা ৩৭ ডিগ্ৰী চলি আছিল। বছৰটোত বৰষুণৰ পৰিমাণো ৪০ শতাংশ হ্ৰাস পোৱা বুলি কোৱা হৈছে। এই অস্বাভাৱিক ঘটনাবোৰ ঘটিবলৈ ধৰিছে কিয়, ভাবি চাবলগীয়া কথা। দেশৰ ভিতৰতে উত্তৰ-পূৰ্বাঞ্চলতেই বনাঞ্চল হ্ৰাসৰ পৰিমাণ আটাইতকৈ বেছি; চোৰাং কাঠ বেপাৰীয়ে বহু বনাঞ্চলৰ গছ কাটি তহিলং কৰিছে আৰু বেদখলকাৰীসকলেও বনাঞ্চলৰ মাটি অবাধে দখল কৰি আছে। বনাঞ্চল ধ্বংস হোৱাৰ বাবে বহু অঞ্চল ইতিমধ্যে বৃষ্টিছায়া অঞ্চলত পৰিণত হৈছেই। সিফালে ধৰ্মীয় সম্প্ৰসাৰণবাদৰ সপোনৰ পাছত দৌৰি থকা ধৰ্মীয় গুৰু, ৰাজনীতিক আৰু বুদ্ধিজীৱীসকলে ধৰ্মবিশ্বাস আৰু ধৰ্মীয় স্বাধীনতাৰ দোহাই দি দৰিদ্ৰ অভিবাসীসকলক বহুবিবাহ আৰু বহু সন্তান জন্মৰ অলিখিত অনুজ্ঞাপত্ৰও দি থৈছে। তাক উঠাই লোৱাৰ কথা ক'লে তেওঁলোকৰ ধৰ্মত হাত দিয়া বুলি প্ৰতিবাদ হয়। তেওঁলোকৰ জনবিস্ফোৰণৰ বাবে জগৰীয়া কৰা হয় কেৱল দাৰিদ্ৰকহে, ধৰ্মীয় অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ কথা কোৱা নহয়। অথচ সাধাৰণ জ্ঞানৰ কথা যে জনবিস্ফোৰণ নিজেই হৈছে অন্তহীন দাৰিদ্ৰৰ এটা প্ৰধান কাৰক। এই জনবিস্ফোৰণৰ ভাৰ বহন কৰিবলগীয়া হৈছে চৰ-চাপৰিবোৰৰ লগতে ৰাজ্যৰ বনাঞ্চলবোৰে।

আমাৰ 'ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক আৰু যুক্তিবাদী' বুদ্ধিজীৱীসকলে এই প্ৰকৃতিবিৰোধী, মানৱবিৰোধী আৰু ধৰ্মীয় সম্প্ৰসাৰণবাদী প্ৰৱণতাকে উদাৰতাৰ নামত ৰক্ষণা-বেক্ষণ দি আছে; কিন্তু যি সময়ত পৃথিৱীত মানুহৰ লগতে সমগ্ৰ জীৱকুলৰ অস্তিত্ব একাংশৰ ভোগ-শোষণৰ অত্যাচাৰ আৰু আন একাংশৰ অবাৰিত জনবিস্ফোৰণজনিত পৰিৱেশিক অৱনতিৰ বাবে বিপদাপন্ন হৈ পৰিছে, যি সময়ত জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তনে উত্তৰ-পূৰ্বাঞ্চলটোৰ ওপৰত মৰুভূমিৰ ছাঁয়া পেলাইছে, সেই সময়ত পৰিৱেশ ৰক্ষাৰ সপক্ষে সাহসেৰে আৰু দ্বিধাহীনভাৱে থিয় দিব নোৱাৰাটো বৌদ্ধিক দৈন্য তথা অসততাৰহে সমতুল্য হ'ব।

*ফোন : ৮৮১১৮২৭৪৩২*


# অসমীয়া দেখো এজনো নাই

## দেশৰ বাবে জাতিক ঐক্য আৰু সমন্বয় সদায় লাগিব

বছৰৰ হিচাপত প্ৰায় ৭২ বছৰৰ আগতে 'ৰামধেনু' (১৯৪৯) আলোচনীত অম্বিকাগিৰী ৰায়চৌধুৰীৰ উল্লিখিত কবিতাটো প্ৰকাশ পাইছিল। ১৯৫০ত অসম সাহিত্য সভাৰ সভাপতি হোৱা 'অসম কেশৰী' অম্বিকাগিৰী ৰায়চৌধুৰী একাধাৰে স্বদেশপ্ৰেমী, বলিষ্ঠ গদ্যলেখক, চিন্তা-নায়ক, কবি, গায়ক, সম্পাদক (চেতনা' আৰু 'ডেকা অসম), স্বাধীনতা সংগ্ৰামী তথা এজন বিশিষ্ট সাহিত্যিক আছিল। জীৱনৰ সকলো সময়তে (১৮৮৫-১৯৬৭) স্বদেশ আৰু স্বজাতিৰ হকে নিৰন্তৰ সংগ্ৰামত প্ৰবৃত্ত থকা মানুহজন সদায় সকলোৰে শ্ৰদ্ধা আৰু সন্মানৰ আদৰ্শৰ প্ৰতীক আছিল। তেওঁলৈ সেই সময়ৰ অসমৰ মানুহৰ যিমান শ্ৰদ্ধা-ভক্তি আছিল, সিমানেই ভয়ো আছিল। প্ৰতিটো কথাতে স্পষ্টবাদী আৰু সাহসী পদক্ষেপেৰে তেওঁ কৰ্মক্ষেত্ৰত নিজৰ পৰিচয় দাঙি ধৰিছিল। অসম আৰু অসমীয়া ভাষাৰ কাৰণে তেওঁ কাহানিও ক'তো কোনোবাই কোনো অসন্মানজনক মন্তব্য কৰিলে সহ্য নকৰিছিল। সেই ক্ষেত্ৰত তেওঁৰ স্থিতি সদায় স্পষ্ট আছিল। অসমৰ কেনেকৈ কল্যাণ সাধন কৰিব পাৰি, তাৰ চিন্তাতহে তেওঁ সময় কটাইছিল আৰু সেই অনুক্ৰমে জীৱনত কাম কৰিবলৈ পালে ভাল পাইছিল। কোনো কথাত মত নিমিলিলে, মতান্তৰ হ'লে, তেওঁ সেই কথা প্ৰকাশ কৰিবলৈ এক মুহূৰ্তও পলম নকৰিছিল। আজি তেওঁৰ কবিতা এটাৰে দুআষাৰমান কথা লিখিম।

অম্বিকাগিৰী ৰায়চৌধুৰীৰ দিনৰ অসম আৰু আজিৰ অসমৰ বহুত সলনি হ'ল, নৈ-নলা, খাল-বিল, পুখুৰী, ফুলনিবাৰী হ'ল। স্বাধীনতাৰ পাছত অসম দেশত প্ৰভূত উন্নতি হ'ল। শিক্ষা-দীক্ষা, আলি-পদূলি, চিকিৎসা সেৱা আদি আধুনিক কালৰ প্ৰায় সকলোবোৰেই উন্নতি হ'ল। অসম-অসমীয়াৰো উন্নতি হ'ল; কিন্তু অত্যন্ত দুখ আৰু পৰিতাপৰ বিষয় মানুহবোৰৰ মনবোৰ কবিৰ দিনৰ দৰেই থকাৰ দৰে আজিও সচেতনজনৰ অনুভৱ হয়। এই ক্ষেত্ৰত কিয়বা বেছি সলনি নহ'ল। ই এক বিচাৰ্যৰ বিষয়।

দেশৰ বাবে জাতিক ঐক্য আৰু সমন্বয় সদায় লাগিব, সেই কথাটো তেওঁ হৃদয়ংগম কৰিছিল। তাকে নুবুজি বহুতো মানুহে নিজৰ মূঢ়তাৰ বাবে সেই দিশলৈ আজিও বৰকৈ মন-কাণ নিদিয়ে। তাৰ ফলস্বৰূপে মানুহৰ মাজত ভেদাভেদ ভাবৰ জন্ম হয় আৰু সিয়ে সমাজক ভুল পথেদি পৰিচালিত কৰে। যিখন দেশৰ সমাজ ভুল পথেদি পৰিচালিত হয়, সেইখন দেশত অসূয়া-অপ্ৰীতি বেছি হয়, বিশৃংখলাও বাঢ়ে। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে তেওঁৰ দিনত আমাৰ অসম দেশত কিছুমান ভুল দেখিছিল আৰু সেই ভুল-ভ্ৰান্তিয়ে তেওঁক বৰকৈ অন্তৰত দুখ দিছিল। মানুহৰ মাজত বিভেদতা দেখি তেওঁ স্তম্ভিত হৈছিল আৰু তাৰেই ফলত বৰকৈ ক্ৰোধান্বিতো হৈছিল। সভাই-সমিতিয়ে, বাটে-পথে সেই খং-ৰাগ



**অৱলোকন**

**ৰামচন্দ্ৰ চুতীয়া**

তেওঁ প্ৰকাশ্যে প্ৰকাশো কৰিছিল। অসমখন যদি এখন স্বতন্ত্ৰ ৰাজ্য হয়, মানুহবোৰ যদি মিলিজুলি সকলো অসমীয়া হয়, অসমৰ জয়জয় ময়ময় হ'বই হ'ব। সেই কথাটো তেওঁ মনে-প্ৰাণে মানিছিল; কিন্তু দুৰ্ভাগ্যৰ বিষয়, জীৱন কালতে তেওঁ মানুহবোৰৰ আঁহফলা স্বভাৱবোৰ দেখি বৰকৈ আহত হৈছিল। অসমৰ দুখ-দুৰ্দশা দেখি সেয়েহে কবিয়ে লিখিছিল, 'চেপা, ঢকা-গতা, টনা ধোঁৱা খাই কান্দে, ধাকুৰি অসমী আই, জিত কৰে কোনে? আইৰ বুকুত, অসমীয়া দেখো এজনো নাই'। তেন্তে অসমত আছে কোন? কবিৰ হৃদয় বিদাৰক ভাষাতে পঢ়কচোন, 'আছে-উজনি-নামনি, শিৱসাগৰীয়া, নগঞা, ডিব্ৰুগড়ীয়া, দৰংগীয়া, কামৰূপীয়া, গোৱালপৰীয়া, জকাইচুকীয়া, শুৱালকুছিয়া, তেজপুৰীয়া, লখিমপুৰীয়া, গোলঘাটীয়া, উত্তৰপৰীয়া, দক্ষিণপৰীয়া, পলাশবৰীয়া, যোৰহাটীয়া, বৰপেটীয়া, নলবাৰীয়া, কত ৰকৰমৰ 'ঈয়া', মাতৃভূমি ৰক্ষক হায়। নাই কণাকড়ি অসমীয়া'। আমি যদি ইমানেই বিভক্ত হৈ থাকো, তেনেহ'লে কি আমি এতিয়াও চুতীয়া, কছাৰী, কোচ, আহোমৰ ভিন ভিন ৰাজ্যৰ প্ৰজা হৈয়ে আছো? ক'তা সেই অতীতটো কাহানিবাই ক'ৰবাত হেৰাই থাকিল, আমিচোন এতিয়া স্বাধীন দেশৰ অসম ৰাজ্যৰ বীৰ-সাহসী অসমীয়াহে হ'ব লাগিছিল। সেইটোকে নকৰি বহুধা বিভক্ত হৈ কিহৰ গৰজত সুকীয়াকৈ থাকিব খোজো? ইকৰা এডাল শক্তিশালী, নে একেলগে বান্ধি থোৱা একোছা ইকৰা শক্তিশালী? আমিবোৰ বিভক্ত হৈ থাকিলে কাৰ স'তে লগে-ভাগে থাকিম? আমাৰ প্ৰিয় বন্ধু কোনবোৰ? সেই সাধাৰণ কথাটোকে বুজি নাপাওঁ কিয়? তাহানিখনত আমিতো দুৰ্বল নাছিলো। তেন্তে এতিয়া ভাগ ভাগ হৈ দুৰ্বল হওঁ কিয়? কেৰোণটো ক'ত লাগিল? অকলে থাকি বীৰৰ বচন মাতিলেই আমাক কোনোবা শত্ৰুৱে ভয় খাব নে? হাতত কেইটানো বন্দুক আছে? গণভিত্তি নথকা এমুঠি মানুহে খুজি অনা, ডকা-হকা দি অনা, ধাৰ কৰি অনা-অস্ত্ৰ-শস্ত্ৰৰে কোনেও ক'তো ৰণ জিকা নাই। সেইবোৰ গণতান্ত্ৰিক দেশ একোখনৰ নচলা-পইচা। সামাজিক স্থানত বোমা-বাৰুদ ফুটাই, নিজৰ মানুহকে মাৰি নিজৰে হাত তেজেৰে ৰাঙলি কৰি স্বাধীনতা লাভ কৰা নাযায়। তেনে আত্মঘাতী-বিদ্ৰোহ ভাৰতৰ দৰে বিশাল দেশত, অৰ্থশূন্য! ৰাষ্ট্ৰযন্ত্ৰৰ বিশাল সৈন্য-বাহিনীৰ লগত ফেপেৰি পাতি মৃত্যুকহে মাতিব পাৰি, স্বাধীনতা লাভ কৰিব নোৱাৰি। তাতে এতিয়া একবিংশ শতিকাৰ যুগ, বিজ্ঞানৰ যুগ; সেই কথাও নাজানো নে আমি? বিদ্ৰোহৰ অ' আ, ক, খ নাজানি আওমৰণে মৰিবলৈ যাব নাপায়। সকলো মিলি অসমীয়া নহ'লে আমাৰ নিজলৈকে টান। সেয়েহে কবিয়ে দুখেৰে লক্ষ্য কৰি লিখিছে, অসমত অসমীয়া নাই, 'আছে, বামুণ-শূদিৰ, আহোম-চুতীয়া, নগা, গাড়ো, মিৰি কছাৰী-কোচ, কেওট-কলিতা, মিকিৰ, খাচিয়া, এটালৈ এটাৰ হিংসাৰ খোঁচ, ভৱিষ্যততে খিলামাৰি থ'ই, নিজে নিজে চকু কাঢ়ি কণা হ'ই, কোনে কাক মাৰি নিজে বৰ্তিব, চুকে-কোণে তাৰে ফুচ-ফোচ; আছে চলিহা, ফুকন, চৌধুৰী, মেধি, দাস, ভাগৱতী, বৰদলৈ, ডেকা, বৰা, বৰ-কটকী-কাকতি-ফোঁপোলা-বজোৱা ফুচ-হিলৈ, নিজৰ দেশক নিজৰ জাতিক, নুবুজা জড়তা আত্মঘাতিক, ক্ষমতা লাভৰ খঁকতে মত্ত, মাতৃৰ কোনে চাব বিলৈ?'



কবিয়ে মৰ্মাহত হৈ প্ৰকৃত ছবিখন দাঙি ধৰিবলৈকে কাকো এৰা নাই। বেদনাত ফাটি যোৱা হিয়াখন শাঁত নপৰালৈকে এটাৰ পাছত আন এটা গোট-উপগোটৰ নামবোৰ উল্লেখ কৰি গৈছে। কবিৰ ভাষাতে আৰু শুনক, 'আছে-গোহাঁই, ভট্ট, শৰ্মা, বৰ্মা, গগৈ, গোহাঁই বৰুৱা, দুৱৰা, তালুকদাৰ, লহকৰ, দত্ত, তামুলী, ৰাজখোৱা, নাথ, বৰবৰা, বৰবৰুৱা, কিমান উপাধি অন্ত নোপোৱা, সকলোটি আছে, কিন্তু নাই

**অসমত অসমীয়া নাই, 'আছে, বামুণ-শূদিৰ, আহোম-চুতীয়া, নগা, গাড়ো, মিৰি কছাৰী-কোচ, কেওট -কলিতা, মিকিৰ, খাচিয়া**

নাই অসম-সেৱক অসমীয়া। আছে, ব্ৰহ্ম, চাংমা, ৰয়, পেগু, বসুমতাৰী, নাৰ্জাৰী, ইংতি, মাতৃক বধি মাওৰাটো হৈ চুঙাত সোমোৱা ভেমটি, আনৰ প্ৰভাৱ অধীনতা ল'লে, নি আছে নমাই পলকে-পলকে, একে সাঙোৰতে পৰ্বত-ভৈয়াম, অসহযোগৰ স্থান দি আছে হাজৰিকা, বেজ-বেজবৰুৱা, ভৰালী, ভূঞা, শইকীয়া, মহীয়া-পখীয়া এঘাৰ দিনীয়া, মহাপুৰুষীয়া, দামোদৰীয়া'ই গাঁৱৰ পৰা সি গাঁও চেৰাই, বিৰোধ ধলেৰে সমাজ উটাই চলিছে ক্ষিপ্ৰ খোজেৰে ঐক্য-চিন-চাব, কৰি নাইকিয়া, হায়! হায়! হায়! অসমী-সেৱক নাই, যে এজনো অসমীয়া।' কবিতাৰ ভাষাত ক'লেও, অতি সাধাৰণ মানুহেও বুজি পোৱা এই সহজ-সৰল দুখ প্ৰকাশৰ তীব্ৰ বেদনাই কবিৰ বুকু ফালি কিবা যেন নিঠৰ কৰি পেলাইছে। কাক ক'ম কোনে পতিয়াব ধৰণৰ ভাবে কবিক মৰ্মাহত কৰিছে, মানুহৰ প্ৰতি মানুহৰ অন্তৰে নকন্দা অসমৰ উন্নতি যেন সুদূৰ পৰাহত। ক'ৰপৰা মানুহৰ হৃদয়লৈ একতাৰ ভাব আহিব, যদিহে অতবোৰ জাত জাত মানুহে নিজকে সুকীয়া সুকীয়াকৈ পৰিচয় দিহে ভাল পায়। ধৰ্মৰ ক্ষেত্ৰতো সেই একে কথা— মহাপুৰুষীয়া, দামোদৰীয়া আদি সুকীয়া পথে মানুহক মানুহৰ পৰা বিচ্ছিন্ন কৰি থৈছে। সেই ব্যাধিটো এই একবিংশ শতিকাতো পূৰ্ণ গতিত চলিয়ে আছে। অম্বিকাগিৰীয়ে সৌ তাহানিখনতে মানুহৰ এই নীচাত্মিকতাৰ উমান পাইছিল। যি অসমত মহাপুৰুষ জনাই জাত জাত মানুহক আনকি নগাৰ নৰোত্তম আৰু মুছলমানৰ চান্দসাইকো, একেডালি চেনেহৰ সূতাৰে বান্ধি থৈ গৈছিল, তাতো আজি অজস্ৰ ভাগ! আজি মানুহৰ মূৰবোৰ বেয়া হ'বলৈ পাইছে কেনেকৈ? আজিৰ অসমত সাম্প্ৰদায়িক ভিত্তিক কথাবোৰ নতুনকৈ পোখা মেলিছে কিয়? কিয় এনে হৈছে? আগতে অসমততো হিন্দু-মুছলমান নাছিল, ইয়াত কেৱল মানুহহে আছিল, সেই মানৱীয়তা গুণ আজি কোনে পুৰি খালে? এইবোৰৰ কালে বিচাৰ কৰিব বুলি আমাৰ আজিও মনে ধৰে। কাল ধুমুহাত অসম কেতিয়াও কোনো দিন জুৰুলা নহয়, এই পৰম বিশ্বাস প্ৰতিজন অসমীয়াৰ মনে-প্ৰাণে আছে। কোনোবা নাৰকীয়ে মানুহক ভাগ কৰি কেতিয়াও এখন সুন্দৰ অসম গঢ়িব নোৱাৰে, বৰঞ্চ তেনে পাষণ্ডবোৰ কালৰ গতিত চিৰকাললৈ লয় পাব। হেজাৰ বছৰ ধৰি গঢ় লোৱা অসম-অসমীয়াৰ সংস্কৃতি বিভাজনত কেতিয়াও বিধ্বস্ত নহয়, কাৰণ ইয়াৰ সকলো মানুহে স্বাৰ্থপৰ মানুহৰ মতি-গতি জানে। ৰামায়ণ মহাভাৰতৰ দিনৰ পৰা দৈত্য-দানৱ-আৰ্য-অনাৰ্যৰ মিলনভূমি অসম, সাম্প্ৰদায়িক সংঘৰ্ষৰ থলী কেতিয়াও নহয়, আগলৈও নহ'ব। যিয়ে সেইবোৰ বিভাজন আনিব খোজে, সেইবোৰহে নিশ্চিতভাৱে কালৰ গতিত পোতখাই পুলিয়ে-পোখাই নিচিহ্ন হ'ব। ক্ষণভংগুৰ মানুহৰ স্বাৰ্থপৰ ভাওনা কেতিয়াও চিৰকাল নাথাকে। আমাৰ দূৰদৰ্শী কবিয়ে সেয়েহে তাহানিতে ৰচি গৈছে, 'নাই লেশমানো এঠাৰ লেপেট, কোনো কাৰো স'তে নহয় মিল, ভাগি-ছিগি গৈ, ছিন-ভিন হ'ই, কিলৰ পিঠিত খাইছে কিল, মাতৃৰ কোনে দুৰ্দশা চাব নিজেই মৰিছে, নিজকে খাই, তিলতিলকৈ নাই-নুই হ'ই গৈ আছে তত, তথাপি নাই, নেতাৰ বেদীত দলীয় দাপৰ, উন্মাদনাত ধৰিছে ফাপৰ, পাছ দুৱাৰেদি ভোটৰ হাটত দেশ বিক্ৰীৰ খলকনি, আগ-চোতালত কোৱাৰি বিদৰা, আইড'লজীৰ কাকধ্বনি, তেলপেৰাৰ দৰে প্ৰগতি-পেৰাত পেৰপেৰকৈ আছে ওলাই, বাট-ঘাট-হাট পদূলি-পথাৰ ভৰাই, কেৱল ঠেঙা হাৰাই, কলাৰ নামত, সহাভিনয়ত, চিনেমা হলত, চুৰত মুখত, ছোৱালী নাচত মন-প্ৰাণ ৰত, মাতৃৰ দুখ মোচন কৰাৰ লেশমানো তাত, ৰহণ নাই, হায়! হায়! হায়! অসমী আইৰ ৰক্ষক, আজি এজনো নাই।' কবিৰ সেই দুখ মোচন কৰিবৰ বাবে সেয়েহে আজি ন-আলোকেৰে নতুনক আদৰি আনিবলৈ আমি সচেষ্ট হ'ব লাগিব। তেহে অসম ৰ'ব।...

*ফোন : ৭০৮৬২১৭৪২৫*

# অন্ধবিশ্বাস আৰু কু-সংস্কাৰ

ড° নৰনাৰায়ণ শৰ্মা

মানৱ জীৱনৰ বহুতো পৰিস্থিতি নিজৰ বিদ্যা তথা জ্ঞান-বুদ্ধিৰে ব্যাখ্যা কৰা সহজ নহয়। প্ৰকৃতিৰ নিয়মৰ বাহিৰত এইবোৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি থাকে। মানুহৰ বাস্তৱ জীৱনত বহু সময়ত জ্ঞানৰ অভাৱ লক্ষ্য কৰা দেখা যায় আৰু ধৰ্মীয় বিশ্বাসে কিছু সংখ্যক মানুহক অন্ধবিশ্বাসী কৰি তোলে।

**অন্ধবিশ্বাস,** অবিশ্বাস আৰু কু-সংস্কাৰৰ পাৰ্থক্য বৰ সুস্থ। এই বিষয়টো নিৰ্ণয় কৰা অসম্ভৱ। এই শব্দবোৰৰ লগত 'ভাগ্য' বোলা শব্দটো মিল হৈ ইয়াক বেছি জটিলতাৰ কৰি তুলিছে। মানৱ জীৱনৰ বহুতো পৰিস্থিতি নিজৰ বিদ্যা তথা জ্ঞান-বুদ্ধিৰে ব্যাখ্যা কৰা সহজ নহয়। প্ৰকৃতিৰ নিয়মৰ বাহিৰত এইবোৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি থাকে। মানুহৰ বাস্তৱ জীৱনত বহু সময়ত জ্ঞানৰ অভাৱ লক্ষ্য কৰা দেখা যায় আৰু ধৰ্মীয় বিশ্বাসে কিছু সংখ্যক মানুহক অন্ধবিশ্বাসী কৰি তোলে।

অন্ধবিশ্বাসৰ ইংৰাজী প্ৰতিশব্দ হৈছে Superstition এই শব্দটি লেটিন ভাষাৰ (Stare) শব্দৰ পৰা বিকাশ লাভ কৰিছে। ইংৰাজী Superstition ৰ সমৰ্থক গ্ৰীক ভাষাৰ decsidaimonia আৰু ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হৈছে এটা অজান শক্তিৰ প্ৰতি মানুহৰ ভয়। গ্ৰীক ভাষাৰ এই পদটোৱে 'decsidaimonia' বাস্তৱ জগতৰ অন্তৰালত থকা অশৰীৰি শক্তিসমূহ মানুহৰ অন্তৰত কেনেদৰে বিশ্বাসৰ ভাব জগাই তোলে তাৰে সৰল অৰ্থ প্ৰকাশ কৰে। আনহাতে আমাৰ সমাজত প্ৰচলিত নিষিদ্ধ কথা নাইবা কাৰ্যই অন্ধবিশ্বাসৰ আগমন কৰে। অন্ধবিশ্বাস প্ৰকৃততে যুক্তিহীন বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত, বাস্তৱ ক্ষেত্ৰত অন্ধবিশ্বাসৰ পটভূমিত জীৱন আৰু জগত সম্পৰ্কীয় কাৰকে প্ৰধানভাৱে কাম কৰি আহিছে। ইয়াৰ উপৰিও অন্ধবিশ্বাসে সামৰি লয় প্ৰকৃতিৰ অলৌকিক কাৰ্যৰ প্ৰতি বিশ্বাস, নজনা কথাৰ প্ৰতি যুক্তিয়ে ঢুকি নোপোৱা ভয়ৰ ভাৱ, শংকা, দ্বিধা ইত্যাদি। সমাজৰ সকলো স্তৰতে অন্ধবিশ্বাসৰ প্ৰচলন আছে। অন্ধবিশ্বাসৰ এটা নিৰ্দিষ্ট সূত্ৰ দিয়াটো জটিল বুলি পাশ্চাত্যৰ পণ্ডিতসকলে মত পোষণ কৰিছে। সেইবোৰৰ ভিতৰত চেমুৱেল এডাম্চ ড্ৰাকৰ নাম ল'ব পাৰি। সমাজ বিজ্ঞানী ফ্ৰেজাৰ আৰু টাইলাৰৰ মত অনুসৰি অন্ধবিশ্বাস হৈছে মানৱ সমাজৰ মাজত প্ৰচলিত এটা মত, ই যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। আমাৰ সমাজৰ বেছিভাগ মানুহেই অন্ধবিশ্বাসী, কিন্তু এইষাৰ কথা মানুহে মানিবলৈ টান পায়। বিশিষ্ট লোক সাংস্কৃতিকবিদ চাৰ্লচ প্লেটৰ ভাষাত এনেদৰে ক'ব পাৰি— 'Nearby everyone is more or less superstitious, though most people would deny this. Neverthless, ninty-nine persons out of hundred will walk around ladder rether than under it.'

'অন্ধবিশ্বাস' শব্দটো সাধাৰণ মানুহৰ উপৰিও লোক সাংস্কৃতিবিদ সকলৰ কথা-বাৰ্তাৰ মাজটো পূৰাদমে ব্যৱহাৰ হোৱা দেখা যায়। 'superstition' শব্দটো 'super' (ওপৰত) আৰু 'stan' (ঠিয় হোৱা) পদ দুটাৰ সহযোগত নিষ্পন্ন হৈছে। প্ৰাচীন সমাজ ব্যৱস্থাত অন্ধবিশ্বাসৰ যি ধ্যান-ধাৰণা আছিল, যি সময়ৰ লগে লগে সলনি হ'বলৈ ধৰে আৰু মানৱ সমাজত আধুনিক সভ্যতাই মানুহৰ মনো সলনি কৰিবলৈ বাধ্য কৰিছে। এই অন্ধবিশ্বাসৰ দ্বাৰাই মানুহৰ আধ্যাত্মিক-মানসিক আৰু নৈতিক উন্নতিত যথেষ্ট বাধাৰ সৃষ্টি কৰিছে। বিশিষ্ট লোক সংস্কৃতিবিদ ডেভিজ হিজনে অন্ধবিশ্বাস সম্পৰ্কত এনেদৰে মত প্ৰকাশ কৰিছে - অন্ধবিশ্বাস হৈছে এক প্ৰকাৰ ভয় আৰু এই ভয় প্ৰায়েই অযুক্তিৰে ভৰা পুৰাণ কথাৰ ওপৰত নিৰ্ভৰশীল আৰু ইয়াৰ প্ৰায় নিষিদ্ধ আচৰণ লুকাই থাকে। অন্ধবিশ্বাসৰ বিষয়ে বিষদ আলোচনা কৰা। 'omews and Superstition' নামৰ গ্ৰন্থত 'Sana Zed' এ কৈছে- a superstition is an idea, an expression of thought, that the person believes can be expressed of material world গতিকে দেখা যায় অন্ধবিশ্বাসৰ মূল হৈছে মানুহৰ সাংস্কৃতিক পটভূমি। অন্ধবিশ্বাসৰ মূল হৈছে ধৰ্ম, জ্ঞান-বুদ্ধিৰ অপৰিপক্কতা আৰু অলৌকিক কাৰ্যসমূহ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে অন্ধবিশ্বাসৰ প্ৰতি মানুহৰ মোহভংগ হৈছে যদিও এতিয়াও অন্ধবিশ্বাসৰ কবলৰ পৰা সমাজমুক্ত হ'ব পৰা নাই। বৰ্তমানেও অন্ধবিশ্বাসৰ কবলত পৰি মানুহৰ বহুতো ক্ষতি হৈ আছে। উদাহৰণস্বৰূপে অসমৰ 'ভেকুলীৰ বিয়া' প্ৰসংগৰ কথা উনুকিয়াব পাৰি। অসমীয়া সমাজৰ ঢেঁকীটো ওলোটাকৈ পুতিলে বৰষুণ আহিব, এই বিশ্বাস আমাৰ সমাজত আছে। বাৰিষাৰ সঁতা চলি থকাৰ সময়তো ৰ'দ অনাৰ কৌশলোক অসমীয়াসকলৰ মাজত আছে। বাৰিষাৰ বৰষুণৰ সময়ত কোনোবা ল'ৰা-ছোৱালী যদি চোতালত পৰে, তেতিয়া ল'ৰা-ছোৱালীয়ে নাকান্দি যদি হাঁহি হাঁহি ওপৰলৈ চায়, তেনেহ'লে ৰ'দ ওলোৱাৰ সম্ভাৱনা থাকে বুলি ভবা হয়। মানুহৰ পৰিৱেশ পৰিস্থিতিৰ লগত জড়িত হৈ থাকে অন্ধবিশ্বাস। অন্ধবিশ্বাস শক্তি সীমাহীন। উদাহৰণ হিচাপে ক'ব পাৰি. 'আকাশত জাকে জাকে চৰাই উৰিলে, এইটো অনুমান কৰা যায় যে অলপ পাছতে বৰষুণ আহিব পাৰে।'



সাগৰ দিনে ৰাতিয়ে ঢৌৰে ব্যস্ত। ঢৌ সাগৰৰ পৰিচয়, কিন্তু যেতিয়া এই সাগৰ স্তব্ধ হৈ ঢৌবিহীন হৈ পৰে তেতিয়া বুজিব লাগিব যে সাগৰত ধুমুহা-ঢেৰেকনি আহিব। তেতিয়া সাগৰত চলা জাহাজৰ গতি নিয়ন্ত্ৰণ কৰিবলৈ নাবিকসকল বাধ্য হৈ পৰে। এইবোৰে মানুহৰ অন্ধবিশ্বাসৰ কথাকে ক'ব বিচাৰে।

'মেকুৰী' সম্বন্ধীয় কিছুমান অন্ধবিশ্বাস আমাৰ সমাজত প্ৰচলিত আছে। এখন চলন্ত গাড়ীৰ আগেদি মেকুৰী পাৰ হৈ গ'লে প্ৰথমতে গাড়ীখনৰ ষ্টাৰ্ট বন্ধ কৰি দিয়ে চালকে, পাছত গাড়ীখন অলপ পিছুৱাই নি থু থু কৰা কাৰ্য প্ৰতিকাৰ হিচাপে গণ্য কৰা হয়।

ডাইনী হত্যাত বহুতো মানুহে প্ৰাণ হেৰুৱাইছে বৰ্তমানলৈকে। গাঁৱৰ বৃদ্ধ অথবা বৃদ্ধাক ডাইনী সজাই গাঁওৰ মানুহে নানা ধৰণৰ শাস্তি বিহি মাৰি পেলায়। ২০১৭-১৮ বৰ্ষতো বহুতো লোকে এই অন্ধবিশ্বাসৰ কবলত পৰি মৃত্যুবৰণ কৰিছে। মেকুৰী ডাইনী হত্যাৰ লগত জড়িত হৈ পৰিছে। ডাইনীৰ আটাইতকৈ মৰমৰ জন্তু হৈছে মেকুৰী। ডাইনী অপশক্তি হিচাপে মেকুৰীৰ লগতে ভেকুলী, নিগনি, হেপা আদিও হোপে, ডাইনীয়ে নিজে মেকুৰী ৰূপ লৈ ঘূৰি ফুৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু ডাইনী হত্যা আদিৰ বাবে যুঁজি অহাৰ বাবে গোৱালপাৰাৰ বীৰুবালা ৰাভাক জেনেভাৰ এটা সংস্থাই আন্তঃৰাষ্ট্ৰীয় বটাঁও প্ৰদান কৰিছে। মাননীয়া বীৰুবালা সভাই ডাইনী হত্যা সম্পৰ্কীয় কাৰ্যত মাত মাতি পৰিয়ালৰ জীৱন বচাইছে।

কাৰ্বি আংলং জিলাৰ ডক্মকা কাণ্ডই এই বছৰটোত গোটেই পৃথিৱীতে আলোড়নৰ সৃষ্টি কৰিছে। সোপাধৰা অন্ধবিশ্বাসৰ কবলত পৰি দানৱৰ হাতত প্ৰাণ বিসৰ্জন দিয়া গুৱাহাটীৰ চাউণ্ড ইঞ্জিনীয়াৰ নীলোৎপল দাস আৰু অভিজিৎ নাথৰ কথা উল্লেখ কৰিব পাৰি।

অন্যহাতে অন্ধবিশ্বাস সম্পৰ্কীয় কে'বাটাও উদাহৰণ দিব পাৰি। মাজৰাতি ঘৰৰ ওপৰত নাইবা আগজাননী হ'ব পাৰে। কুকুৰ নাইবা শিয়ালে ভুকিলে মানুহৰ জীৱনৰ প্ৰতি মূহুৰ্ত্ততে বিপদ ঘটিব পাৰে। কৌৰৱ-পুত্ৰ দুৰ্যোধনৰ জন্মৰ সময়ত কুকুৰ-শিয়ালৰ আৰাৱ কৰা কাৰ্যই দুৰ্যোধনৰ পিছৰ জীৱনলৈ সংঘাত অনা কাহিনী মহাকাব্য মহাভাৰতত জিলিকি আছে। অসমত প্ৰচলিত অন্ধবিশ্বাসৰ পম খেদি এযাৰ কথা কোৱা হয় যে শগুণ চৰাইয়ে ঘৰৰ মূধচত বমি কৰিলে পৰিয়ালৰ ভাল বুলি কোৱা হয়। ঘৰৰ পিছফালে বাৰী-বস্তিত মাঘ-ফাগুণ মাহত বাঁহ ফুলে। বাঁহ ফুলিলে দেশত দুৰ্ভিক্ষই দেখা দিয়ে বুলি আমাৰ সমাজত এটা অন্ধবিশ্বাৰ প্ৰচলিত হৈ আছে।

অসমীয়া মানুহে যোৰ পতা সাপ দেখিলে প্ৰেম আৰু কাজিয়াৰ বিষয়ত মংগলজনক বুলি কয়। কেতিয়াবা এই যোৰপৰা সাপৰ আগত কাপোৰ এখন পেলাই দিয়া হয় আৰু এই কাপোৰখন পিন্ধিলে যিকোনো কামত কৃতকাৰ্যতা হয় বুলি বিশ্বাস কৰা হয়। যিবিলাক মানুহে খনিত কাম কৰে, কেতিয়াও 'মেকুৰী' নামটো উচ্চাৰণ নকৰে, কেনেবাকৈ খনিত মেকুৰী সোমালে তেতিয়া বনুৱাবিলাকে কাম বন্ধ কৰে, কিয়নো মেকুৰীটো অমংগলৰ প্ৰতীক। অসমীয়া মানুহে ৰাতি 'সাপ' শব্দটো উচ্চাৰণ নকৰি 'পকা', 'দীঘল নেজীয়া', চুনক বগা বুলি কয়।

ভাগ্যক লৈও আমাৰ সমাজত অন্ধবিশ্বাস, বিশ্বাস বেলেগ ধৰণৰ হয়। উদাহৰণস্বৰূপে কিছুমান পদাৰ্থই মানুহৰ ভাগ্য নিৰ্ণয় কৰাত সহায় কৰে। আমাৰ সমাজত 'সোণ' হেৰোৱা বেয়া, চীনাসকলৰ বাবে 'বাদুলী' প্ৰত্যক্ষ কৰাটো ভাল ঘোঁৰাৰ খুৰাত লগোৱা 'লো' শুভফলদায়ক, আমাৰ সমাজত সাপৰ সংগম কাৰ্য প্ৰত্যক্ষ কৰাটো শুভ লক্ষণ ইত্যাদি। গ্ৰেট ব্ৰিটেইনত কলা মেকুৰীক ভাগ্যৰ প্ৰতীক হিচাপে মানি লোৱা হয়। অন্যহাতে বগা মেকুৰীক অমংগলৰ চিন বুলি ধৰা হয়। আমেৰিকা, স্পেইন আদি কিছুমান দেশত কলা মেকুৰীক অমংগলীয়া আৰু বগা মেকুৰীক মংগলসূচক বুলি ধৰা হয়। যিবোৰ ঠাইত কলা মেকুৰীক শুভ বুলি ধৰি লয়, তেওঁলোকে ঘৰৰ ভালৰ বাবে মেকুৰী পোহাটো অনিবাৰ্য।

অসমৰ চাহ মজদুৰসকলৰ জীৱন পৰিক্ৰমাতো অন্ধবিশ্বাসৰ চাপ আছে। এওঁলোকৰ প্ৰথা অনুসৰি যাত্ৰাৰ পথত তুলসী গছ প্ৰত্যক্ষ কৰিলে শুভ হয়, ঘৰৰ খুটাত গৰুই নেজ মেৰিয়াই দিলে গৃহস্থ ঘৰৰ বেয়া দিন অহা বুলি বিশ্বাৰ কৰে।

চাহ মজদুৰসকলৰ বিশ্বাস অনুসৰি গৰ্ভৱৰ্তী তিৰোতাই হঠাৎ সাপ দেখা পালে সন্তান জন্মৰ সময়ত বৰ কষ্ট পায়। গছ কটা সময়তো যথেষ্ট সংস্কাৰ আছে। 'কৰম গছ' এওঁলোকে পূজাৰ সময়ৰ বাহিৰে অইন সময়ত নাকাটে।

অসমৰ ৰাভা সমাজতো অন্ধবিশ্বাসৰ কিছু আভাষ পাব পাৰি। উদাহৰণস্বৰূপে গৰ্ভৱতী মহিলাই সাপ দেখি ভয়তে পেঁপুৰা লাগি অলৰ-অচৰ হৈ থাকিলে সাপটোৱে কোনোফালে যাব নোৱাৰা অৱস্থা হয় বুলি এটি বিশ্বাস আছে।

শিশুসকলৰ লালন-পালনৰ যত্ন সম্পৰ্কেও বহুলোক বিশ্বাৰ বা অন্ধবিশ্বাৰ আছে। শিশুৱে পিন্ধা কাপোৰ কানি বা টাৱেল আদি ধোৱাৰ সময়ত মোচৰাই বা আঁটি অঁটি শুকুৱাব নাপায়, তেনে কৰিলে শিশুৰ গাৰ বিষ উঠে বুলি বিশ্বাস আছে।

সন্তানৰ দাঁত গজা সময়ত ওপৰৰৰ পাৰিৰ আগদাঁত প্ৰথমে গজিলে তাক 'আগদতীয়া' বুলি কোৱা হয়। তেনেলোকে যি কয় সিয়ে হয় নাইবা শাও দিলে শাও পাত লাগে বুলি সেই সমাজত বিশ্বাস আছে। ইয়াৰ উপৰিও জনজাতীয় সমাজত বিভিন্ন ধৰণৰ অন্ধবিশ্বাৰ গা কৰি আছে।

অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পাৰ্থক্য অতি সুক্ষ্ম বুলি বিবেচনা কৰিব পাৰি। তথাপি আমাৰ সমাজত বিশেষকৈ ইছলামীয় সমাজত 'তিনি তালাক' ব্যৱস্থাক সম্পূৰ্ণভাৱে কু-সংস্কাৰৰ ভিতৰত ধৰিব পাৰি। এজনী বিবাহিতা ইছলামধৰ্মী মহিলাক (দুই/তিনি, সন্তানৰ মাতৃক) এজন স্বামীয়ে (পৰকীয়া প্ৰেমত অন্ধ) তিনি তালাত ব্যৱস্থাৰে নিৰ্বাস দিয়া কাৰ্য কিমান কষ্টকৰ তথা অমানৱীয় তাক বিবাহিতা মহিলা গৰাকীয়ে অনুভৱ কৰে আৰু ধৈৰ্য ধৰিব নোৱাৰি আত্মহত্যা কৰা দৃষ্টান্ত নোহোৱা নহয়। উচ্চতম ন্যায়ালয়ৰ ৰায় থকা স্বত্বেও বৰ্তমানো আমাৰ সমাজ ব্যৱস্থাত এই দুষ্কাৰ্য চলি আহিছে। ই কম ঘৃণনীয় কথা নহয়।

এটা হিন্দুৰ পৰিয়ালৰ কোনো লোকে বন্ধুত্ব প্ৰসংগৰে মুছলমান পৰিয়ালত আহাৰ গ্ৰহণ কৰিলে অথবা এজন ইছলাম ধৰ্মাৱলম্বীয়ে হিন্দুৰ পৰিয়ালত আহাৰ গ্ৰহণ কৰিলে একো অসুবিধা নহয় বৰং দুয়োটা সম্প্ৰদায়ৰ মাজত ঐক্য তথা ভাতৃত্ববোধৰ চানেকিহে দৃঢ় হোৱাৰ থল নোহোৱা নহয়। এইবিলাক কু-সংস্কাৰ আঁতৰাই আমাৰ সমাজ ব্যৱস্থাৰ ভেঁটি দৃঢ়হে কৰিব পাৰি। খৃষ্টান ধৰ্মৰ অন্তৰ্ভুক্ত কোনো এটা সম্প্ৰদায়ে ক্ৰছ চিহ্নটোক অশুভ কাৰ্যৰ প্ৰতিকাৰ হিচাপে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। এনেকুৱা আচৰণক কিছুমানক সম্প্ৰদায়ে কু-সংস্কাৰ বুলিও ক'ব খোজে।

কিছুমান সমাজত খাবলৈ বহি যদি হাঁহে, ভাত যদি লাৰু কৰি খায়, তেন্তে সেই কাৰ্য অমংগলীয়া বুলি কয়। এইটো কু-সংস্কাৰৰ বাহিৰে একো নহয় বুলি আমি ক'ব বিচাৰো।


ওপৰৰ আলোচনাৰ পৰা বুজিব পাৰি যে অন্ধবিশ্বাস আৰু কু-সংস্কাৰপূৰ্ণ কাৰ্যই আধুনিক জীৱন চৰ্চাত বাধা দিবলৈ অপাৰগ হ'লেও ইয়াৰ প্ৰভাৱ বহুক্ষেত্ৰত লক্ষ্য কৰিব পাৰি।

# কি দৰে শ্ৰেষ্ঠ ৰাজ্যৰ সপোন?


## ব্যৰ্থ পৰিবহণ আৰু উদ্যোগ বিভাগ







**অসম** ৰাজ্যিক পৰিবহন নিগম, অসম চৰকাৰৰ বাবে এসময়ত গৌৰৱৰ প্ৰতিষ্ঠান হিচাপে গঢ় লৈ উঠিছিল। এসময়ৰ নদনবদন পৰিবহন নিগমটোক অসম গণ পৰিষদৰ প্ৰথমখন চৰকাৰখনে আহি এনেদৰে ইয়াক ব্যৱহাৰ কৰিলে যে আন্দোলনকাৰী সতীৰ্থক সংস্থাপনৰ বাবে ইয়াক ক্ষেত্ৰ কৰি পেলালে। অবাঞ্চিত কৰ্মচাৰীৰে নিগম ভাৰাক্ৰান্ত হৈ পৰিল সেই তেতিয়াই। পৰৱৰ্তী সময়ত নদন-বদন পৰিবহন নিগমক দ্বিতীয়বাৰৰ আঞ্চলিক দলৰ চৰকাৰখনে এনেদৰে লুটিপুটি খাবলৈ ধৰিলে যে ই ক'মাত পতিত হ'ল আৰু নৱগ্ৰহ শ্মশান যেন ইয়াৰ অপেক্ষাত ৰৈ থাকিল। এটা সময়ত ৰাজ্যিক পৰিবহন নিগমৰ কৰ্মচাৰী বহুতৰ দুবেলা দুসাজ খোৱাৰ সমস্যাই জুমুৰি ধৰিছিল আৰু আত্মহত্যাৰ দৰে পথ ল'বলৈ বাধ্য হৈছিল। ৰাস্তাত ৰঙাবাছ নোহোৱা হোৱাৰ বিপৰীতে পৰিত্যক্ত অৱস্থাত পৰি আছিল বাছ আস্থানবোৰত। অসম চৰকাৰৰ এক নিজা প্ৰতিষ্ঠান ক্ৰমে ক্ৰমে মৃত্যুৰ গৰাহত উপনীত হৈছিল। ২০০১ৰ নিৰ্বাচনত প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন চৰকাৰৰ প্ৰতি জনসাধাৰণ বিৰাগভাজন হোৱাৰ বহুবোৰ কাৰণৰ ভিতৰত পৰিবহন নিগমৰ লাওলোৱা অৱস্থাও আছিল অন্যতম কাৰণ। এনে বহুবোৰ কাৰণৰ বাবেই তৰুণ গগৈৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰখন ক্ষমতালৈ আহিছিল। ২০০১ত তৰুণ গগৈৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰ গঠনৰ পাছত এই পৰিবহন বিভাগৰ দায়িত্ব দিয়া হ'ল দ্বিতীয়বাৰৰ বাবে ক্ষমতালৈ অহা আমগুৰিৰ বিধায়ক অঞ্জন দত্তক। ২০০১ৰ তৰুণ গগৈ চৰকাৰৰ আটাইতকৈ সফল মন্ত্ৰীজন কোন বুলি প্ৰশ্ন কৰিলে পোনচাটেই উত্তৰ আহে অঞ্জন দত্ত। সাপে খোঁটা মানুহক বেজ-কবিৰাজে ভাল কৰিব নোৱাৰা অৱস্থাতো কিজানিবা ভাল কৰিব পৰা কবিৰাজ আছেই বুলি শেষ আশা কৰি নদীত যেনেদৰে ভেল সাজি উটুৱাই দিয়ে তেনে এক অৱস্থাই হৈছিল পৰিবহন নিগমৰ। তেনে শ্মশানযাত্ৰা কৰা বিভাগটোক জৰা-ফুকা কৰি জীয়াই তোলাৰ দায়িত্ব অৰ্পণ কৰিছিল দত্তৰ ওপৰত। সেই প্ৰত্যাহ্বান দত্তই সাহসিকতাৰে গ্ৰহণ কৰিলে। এই কথা স্বীকাৰ কৰিবই লাগিব যে জোৰকৈও হাঁহিবলৈ সক্ষম নোহোৱা পৰিবহন নিগমৰ মুখত হাঁহি বিৰিঙাবলৈ, তেওঁলোকৰ পৰিয়ালৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছিল তদানীন্তন পৰিবহন মন্ত্ৰী অঞ্জন দত্ত। পুনৰ ঠন ধৰি উঠিছিল নিগমৰ কাৰ্যালয়বোৰ।



হিতেশ ডেকা


সেই পৰিবহন নিগমৰ আজি যেন পুনৰ শ্মশানযাত্ৰা আৰম্ভ হৈছে। ইয়াৰ কোটি কোটি টকাৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ খবৰ সম্প্ৰচাৰ হৈছে। অথচ পৰিবহন বিভাগৰ দায়িত্বত আছে ১৯৮৫ৰ পৰা চেগাচেৰেকাকৈ হ'লেও ক্ষমতাত থকা এজন জ্যেষ্ঠ মন্ত্ৰী। বিভাগটোৰ বিৰুদ্ধে এটাৰ পিছত এটা অভিযোগ উত্থাপন হোৱাৰ পাছতো বিভাগীয় মন্ত্ৰীজন নিবোকা চামোন হৈ আছে। সৰ্বানন্দ সোণোৱাল চৰকাৰৰ কাৰ্যকালতো পৰিবহন মন্ত্ৰীৰ দায়িত্বত থকা চন্দ্ৰমোহন পাটোৱাৰীয়ে সেই সময়ত সকলোকে আচৰিত কৰি প্ৰথমবাৰৰ বাবে এজন আইপিএছ বিষয়াক পৰিবহন নিগমৰ পৰিচালন সঞ্চালক নিয়োগ কৰিলে। কিয় এই পৰম্পৰা ভংগ কৰা হ'ল? সেইজন পৰিচালন সঞ্চালক আনন্দ প্ৰকাশ তিৱাৰীৰ বিৰুদ্ধে উন্মোচিত হ'বলৈ ধৰিলে এটাৰ পিছত এটা দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ অভিযোগ। জনতাৰ মাজত প্ৰশ্ন উত্থাপন হৈছে পাটোৱাৰীয়ে পৰম্পৰা ভংগ কৰি উদক ভেটাৰখীয়া পাতিলে অজানিতে নে উদ্দেশ্যপ্ৰণোদিতভাৱে?

অসম চৰকাৰৰ বিগত ছমাহৰ বিভিন্ন বিভাগৰ ব্যৰ্থতাৰ বিষয়ে যদি কোৱা হয়, অন্যতম বিভাগ দুটা হৈছে পৰিবহন আৰু উদ্যোগ বিভাগ। সংবাদ মাধ্যমত সঘনাই প্ৰকাশ কৰা হৈছে যে ২০১৬ৰ ২৭ ডিচেম্বৰত ৰাজ্যিক পৰিবহন নিগমে কিনি অনা কোটিটকীয়া ভলভো বাছ আজি পৰিত্যক্ত অৱস্থাত। কোটিটকীয়া প্ৰতিখন বাছ চলিছে মাত্ৰ ৫০ ৰ পৰা ৭০ হেজাৰ কিলোমিটাৰহে। অথচ এই ব্যয়বহুল বাছসমূহ কোনো সমস্যা নোহোৱাকৈ চলিব পাৰে দহ লাখ কিলোমিটাৰ পৰ্যন্ত। এইদৰে ৰাজহুৱা ধনৰ অপচয় সহ্য কৰিব পৰা কথা নহয়। ইয়াক পেলাই থোৱাৰ অন্যতম কাৰণ হিচাপে সংবাদ মাধ্যমত প্ৰকাশ হৈছে যে চাৰ্ভিছিং আদিৰ বাবে ডিলাৰক মাত্ৰ পাঁচ লাখ টকা আদায় নিদিয়া বাবে এই বাছসমূহ নষ্ট হৈ যাবলৈ ধৰিছে। মাত্ৰ পাঁচ লাখ টকা আদায় নিদিয়া পৰিবহন বিভাগে আন দুকুৰি বিলাসী বাহন কিনিছে ৩০ কোটি টকা খৰছ কৰি। ইয়াত নিশ্চিতভাৱে দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ গোন্ধ থাকিবই। সেইক্ষেত্ৰত জনতাৰ প্ৰতিনিধি হিচাপে বিভাগীয় মন্ত্ৰীয়ে সকলো কথা বিশ্বাসযোগ্যভাৱে ৰাইজৰ সন্মুখত দাঙি ধৰিব লাগিব। ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে যিমানে কঠোৰ পদক্ষেপ নলওক কিয়, মানুহৰ মনত প্ৰশ্ন উত্থাপন হ'বই—'খেনোক দেখি ৰন্ধা-বঢ়া, খেনোক দেখি দুৱাৰ মৰা' নীতি চলিছে নেকি চৰকাৰত? অসম ৰাজ্যিক পৰিবহন নিগম পুনৰুজ্জীৱিত কৰাৰ দায়িত্ব চৰকাৰখনে লোৱা উচিত। নহ'লে এই ব্যৰ্থতা এটা বিভাগৰ ব্যৰ্থতা নহয়, সমগ্ৰ চৰকাৰখনৰে ব্যৰ্থতা হিচাপে চিহ্নিত হ'ব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সিচৰতি হৈ থকা পাঁচ শতাধিক মাটিৰ দালালক গ্ৰেপ্তাৰ কৰি চৰকাৰখনে চমক সৃষ্টি কৰিছে। চৰকাৰৰ এই প্ৰচেষ্টাক এক সাহসিক প্ৰচেষ্টা বুলি অভিহিত কৰিছে। ইয়াৰ ফলত কোনোবা ৰৌ-বৰালি পৰক বা নপৰক এই প্ৰক্ৰিয়াটো নোহোৱা কৰাটোৱে হয়তো চৰকাৰৰ প্ৰধান উদ্দেশ্য বুলি অনুভৱ কৰিছে। কাৰোবাক গ্ৰেপ্তাৰ কৰা বা কিমানজনক গ্ৰেপ্তাৰ কৰিলে তাতকৈও ভৱিষ্যতে যাতে এই অশুভ প্ৰক্ৰিয়া বন্ধ হয় সেয়াহে অসমৰ ৰাইজে বিচাৰিছে। কিন্তু এই কথাটোও কৈ থোৱা ভাল যে ৰাজ্যৰ আটাইতকৈ বেছি দালালৰাজ চলা বিভাগটো হৈছে জিলা পৰিবহন বিভাগৰ বিষয়াৰ কাৰ্যালয়বোৰ। সকলোবোৰ বিভাগৰ কথাই মুখ্যমন্ত্ৰীয়ে দাঙি ধৰিব লাগিব বুলি কোনো কথা নাই। পৰিবহণ বিভাগৰ এই দালালৰাজ বন্ধ কৰিবৰ বাবে বিভাগীয় মন্ত্ৰীয়ে কোনো দিনে গুৰুত্ব আৰোপ কৰা দেখা নগ'ল বিগত পাঁচ বছৰতো। যাৰ ফলত সৰ্বসাধাৰণে জীয়াতু ভুগি থাকিব লগীয়া হৈছে। অলপতে মুখ্যমন্ত্ৰীয়েহে ঘোষণা কৰিবলগীয়া হ'ল যে পৰিবহন বিভাগতো তিনিশতাধিক দালাল চিনাক্ত কৰা হৈছে। আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ ভিতৰচ'ৰাত কি ঘটি আছে সেয়া নক'লেও হ'ব। বিভাগৰ স্বৰূপ উদঙাই দিলে মাজুলীৰ কাণ্ডই। মুখ্যমন্ত্ৰীৰ বিপৰীতে বিভাগীয় মন্ত্ৰীজনহে গৰিহণাৰ পাত্ৰ হ'ল ইয়াৰ ফলত। বিভাগীয় মন্ত্ৰীজনৰযে বিভাগটোৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ নাই সেই কথাও ইতিমধ্যে প্ৰমাণিত হ'ল। জ্যেষ্ঠ মন্ত্ৰী এজনে কিয় এনেদৰে হাত সাৱটি বহি আছে বিভাগৰ এনে কাণ্ডকাৰখানা দেখিও?

মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমক দেশৰ পাঁচখন উন্নত ৰাজ্যৰ এখন হিচাপে গঢ় দিয়াৰ সপোন দেখিছে। সেই সপোন আগত ৰাখিয়ে কৰ'নাৰ দৰে মহামাৰীয়ে ৰাজ্যখনক বিপৰ্যস্ত কৰি থকাৰ মাজতো ভৱিষ্যতৰ কথা ভাবিয়ে নতুন নতুন পৰিকল্পনা কৰি আছে। বহু প্ৰত্যাহ্বান কান্ধ পাতি লৈছে। ড্ৰাগছৰ বিৰুদ্ধে, দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে কঠোৰ হোৱা পৰিলক্ষিত হৈছে। কিন্তু ৰাজ্য এখনক আগুৱাই নিবলৈ ৰাজ্যৰ মেৰুদণ্ড স্বৰূপ কৃষিখণ্ডক উজ্জীৱিত কৰিবই লাগিব। ৭০ শতাংশ কৃষিজীৱী লোক থকা ৰাজ্যখন কৃষিখণ্ডৰ উন্নতি অবিহনে আগবাঢ়িব কিদৰে? ব্যাপক হাৰত হোৱা শিক্ষিত নিৱনুৱাৰ বাবে চৰকাৰী চাকৰিয়ে ভৰসা হ'ব নোৱাৰে, তাৰ বাবে কৃষিখণ্ডৰ প্ৰতি নৱপ্ৰজন্মক উৎসাহিত কৰি তুলিবই লাগিব। তাৰ পিছতে আগবঢ়াব লাগিব উদ্যোগখণ্ডক। কিন্তু অতি দুৰ্ভাগ্যজনক কথা যে বছৰ বছৰ জুৰি উদ্যোগ বিভাগে কোনো এক সুদূৰপ্ৰসাৰী পদক্ষেপ ল'বলৈ সক্ষম নহ'ল। ইউৰোপৰ শিল্পবিপ্লৱে আধুনিক যুগৰ জন্ম দিছিল। উদ্যোগিক ক্ষেত্ৰখনৰ উন্নয়ন অবিহনে নিৱনুৱা সমস্যাৰ সমাধানো সম্ভৱ নহ'ব আৰু ৰাজ্যখন আন ৰাজ্যৰ স'তে খোজত খোজ মিলাই আগুৱাবও নোৱাৰিব। ইয়াৰ বিপৰীতে নতুন প্ৰজন্মক উৎসাহিত কৰিব পৰাকৈ অসমৰ উদ্যোগ বিভাগে কিবা পদক্ষেপ লোৱা বুলি আমাৰ মনত নপৰে। বৰঞ্চ চলি থকা উদ্যোগবোৰ এটা এটাকৈ নিঃশেষ হৈ যাবলৈ ধৰিছে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অসমৰ আন অঞ্চলত বাদেই, নিজৰ জিলাখন বা সমষ্টিতো সামান্য নিদৰ্শন দেখুৱাবলৈ এটা উদ্যোগ স্থাপন কৰিবলৈ সক্ষম নহ'ল। বৰঞ্চ একাধিক উদ্যোগে এই সময়ছোৱাতে শ্মশানযাত্ৰা কৰিলে। নিৰ্বাচনত জয়লাভৰ পাছতে সমষ্টিলৈকে পিঠি দিয়া পাটোৱাৰীয়ে ঠিকা-ঠুকলিৰ নামত এচাম সমষ্টিৰ নেতাক দালাল হিচাপেহে নিয়োগ কৰিলে। ঠিকা-ঠুকলিৰ নামত দালালি কৰাই যেন এই তথাকথিত নেতাসকলৰ কাম। সেইবোৰতো চকু দিবলৈ তেওঁৰ সময় নাই নে উদ্দেশ্যপ্ৰণোদিতভাৱে সেয়া কৰি আছে ন্যস্তস্বাৰ্থৰ বাবে সেই প্ৰশ্ন সমষ্টি বা জিলাবাসীৰ বহুতৰ মুখে মুখে। ঠিকাৰ নামত দালালি কৰি থকা এইসকলক কোনো নিয়ন্ত্ৰণ কৰিব, সেই প্ৰশ্নও নুঠা নহয়। আমি ভাবো ১৯৮৫ৰ পৰা বিধান সভাত প্ৰতিনিধিত্ব কৰা পাটোৱাৰীয়ে উদ্যোগ বিভাগৰ প্ৰতি নৱপ্ৰজন্মৰ আকৰ্ষণবৃদ্ধিৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে সমষ্টিৰ প্ৰতিও নজৰ দিয়ক। জ্যেষ্ঠতাক নহয়, সদায় দক্ষতাকহে মানুহে মনত ৰাখিবলৈ চেষ্টা কৰিব। অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে এযাৰ কথা কৈছিল, 'পদ মানুহে কামৰ বাবেহে লয়, কাম কৰিব নোৱাৰিলে পদৰ মৰ্যাদাই ক'ত?' এই কথাও সততে মনত ৰখা ভাল। *ফোন- ৬০০২০৯৭৭৬৩*

# প্ৰাকৃতিক বিস্ময়



অনিতা গোস্বামী

**সৌৰজগতৰ** সকলোবোৰ গ্ৰহৰ ভিতৰত সুন্দৰ গ্ৰহ হ'ল আমাৰ এই পৃথিৱী। সৌন্দৰ্যৰ বৈচিত্ৰ্যই পৃথিৱীক আকৰ্ষণীয় কৰি তুলিছে। মানুহে পৃথিৱীৰ বিনন্দীয়া ৰূপৰ দৰ্শন পাবৰ বাবে ঢাপলি মেলে দেশৰ পৰা দেশলৈ। কেতিয়াবা কেতিয়াবা সেই সৌন্দৰ্য হৈ উঠে বৰ্ণনাতীত। দৃষ্টি হৈ উঠে বিস্মিত, মন হৈ পৰে আপ্লুত। অবিশ্বাস্য কিছুমান সুন্দৰ প্ৰাকৃতিক সৌন্দৰ্য ভৰি আছে পৃথিৱীৰ প্ৰান্তে প্ৰান্তে। ক'ৰবাত হয়তো সমুদ্ৰতীৰত পোহৰৰ জলকেলি, ক'ৰবাত তেজ ৰঙা নিজৰা আৰু হয়তো ক'ৰবাত আকাশত ৰঙীন পোহৰৰ মন জুৰোৱা অপৰূপ দৃশ্য।

পৃথিৱীৰ সকলোতকৈ ডাঙৰ প্ৰাকৃতিক আয়নাখ্যাত স্থানটো আছে বলিভিয়াত। সেই ঠাইত দৃশ্যটোত আকাশ আৰু মাটি মিলি গৈছে।

**১। প্ৰাকৃতিক আয়না ঃ** সেয়াও জানো সম্ভৱ? এৰা, পৃথিৱীৰ অপৰূপ সৌন্দৰ্যৰ এক অপূৰ্ব নমুনা এই প্ৰাকৃতিক আয়না। যাক কোৱা হয়, 'চানাৰ ভিনি'। প্ৰকৃততে এইটো এক সমতল নিমখৰ খনি। কিন্তু কোনে বাৰু বিশ্বাস কৰিব? দৃশ্যত আকাশ আৰু মাটি কোনোটোৱেই নাই তাত। এনেদৰে স্বচ্ছ নিমখ সমতলত বিস্তৃতভাৱে পৰি আছে যে তাৰ প্ৰতিচ্ছবি দেখি মানুহে দ্বিধাত পৰি যায়। বুজিবই নোৱাৰি কোনটো প্ৰকৃততে সঁচা দৃশ্য। এই অবিশ্বাস্য সৌন্দৰ্যৰ আধাৰ হ'ল বলিভিয়া। বলিভিয়াত এই অপৰূপ দৃশ্য দেখিবলৈ পোৱা যায়। বিশ্বৰ লাখ লাখ পৰ্যটকে বিস্ময়কৰ এই দৃশ্য উপভোগ কৰিবলৈ আহে। এই প্ৰাকৃতিক আয়নাই বলিভিয়াৰ দক্ষিণ-পশ্চিমাঞ্চলৰ প্ৰায় ১০,৫৮২ কিলোমিটাৰ অঞ্চল জুৰি বিস্তৃত।

আনুমানিক ৪০হেজাৰ বছৰ পুৰণি হ্ৰদ হ'ল মিনচিন। ই বিশেষত শুকান এটা মৃত হ্ৰদ (লেক) আৰু পানীৰে পূৰ্ণ হ্ৰদটো দুভাগত বিভক্ত হৈ গৈছে। এই হ্ৰদৰ শুকান অংশটোত আছে প্ৰচুৰ পৰিমাণৰ নিমখৰ স্তূপ। গৱেষকসকলৰ মতে, এই অংশটোত জমা হৈ থকা নিমখৰ পৰিমাণ ১০ বিলিয়ন টন। অৱশ্যে ইয়াৰ ভিতৰত ব্যৱহাৰৰ উপযোগী নিমখ আছে মাত্ৰ ২৫ হেজাৰ টন। হ্ৰদটোৰ পানীৰে পূৰ্ণ অংশটোৰ স্বচ্ছ পানীত প্ৰকৃতিৰ গোটেই সৌন্দৰ্য আয়নাৰ দৰে ভাহি উঠে।

**২। পানীৰ তলৰ বননি ঃ** গোটেই বনাঞ্চল পানীৰ তলত ডুব গৈ আছে। এই অভাৱনীয় আৰু অপৰূপ বনাঞ্চল আছে কাজাখিস্তানত। তিয়ানচান পৰ্বতক আবুৰি থকা এই বননিখন আছে আলমাটি চহৰৰ পৰা প্ৰায় ১২৯ কিলোমিটাৰ নিলগত। ১৯১১ত এক ভয়ংকৰ ভূমিকম্প হয়। এই ভূমিকম্পৰ পাছতেই এই হ্ৰদটোৰ সৃষ্টি হয়। আশে-পাশে থকা পাহাৰৰ মাটি খহি পৰি আগুৰি ধৰে সমগ্ৰ অঞ্চলটো। ইয়াত থকা বননিও পাহাৰৰ তলত চেপা খাই পৰে। আনহাতে, হ্ৰদৰ পানীয়ে আহি গোটেই অঞ্চলটো ডুবাই পেলায়। কিন্তু আচৰিত কথা যে এই সকলোবোৰ বিপৰ্যয়ৰ পাছত বাচি উঠে এই বননিখন। পানীৰ তলৰ ভাগত বনৰ বিস্তাৰ—যিয়ে মানুহক বিস্মিত কৰি তোলে। এই হ্ৰদৰ পানীও ভীষণ ঠাণ্ডা। ইমানেই ঠাণ্ডা যে কেতিয়াও ছয় ডিগ্ৰী চেলছিয়াছ অতিক্ৰম নকৰে। শীতকালত গোটেই বননিখন আৰু লগতে হ্ৰদটোও বৰফে ঢাকি ৰাখে।

**৩। অবিশ্বাস্য গিৰিখাত ঃ** মাৰ্কিন যুক্তৰাষ্ট্ৰৰ অলংকাৰ হিচাপে মূল্যাংকন কৰা হয় গ্ৰ্যাণ্ড ক্যানিয়ন গিৰিখাতক। এই গিৰিখাতৰ পৰাই বৈ গৈছে খৰস্ৰোতা কলোৰোডা নদী। গ্ৰ্যাণ্ড ক্যানিয়ন গিৰিখাত প্ৰায় ২৭৭ মাইল অথবা ৪৪৬ কিলোমিটাৰ দীঘল। আৰু কোনো কোনো অংশত এই গিৰিখাত প্ৰায় ১৮ মাইল অথবা ২৯ কিলোমিটাৰ পৰ্যন্ত ওখ। আকৌ এই গ্ৰ্যাণ্ড ক্যানিয়নৰ গভীৰতা প্ৰায় এক মাইল বা ৬০০০ফুট। এই গিৰিখাত কোনো কোনো ঠাইত ১.৬ কিলোমিটাৰ গভীৰ আৰু ১৯ কিলোমিটাৰ প্ৰশস্ত। এই বৃহৎ পৰিমাণৰ পৰিধিৰ কাৰণেই ইয়াক পৃথিৱীৰ ভিতৰত সকলোতকৈ সুন্দৰতম গিৰিখাত হিচাপে স্বীকৃতি দিছে।

উল্লেখ্য যে এই গ্ৰ্যাণ্ড ক্যানিয়ন সুন্দৰ গিৰিখাতটো। এটা সময়ত পানীৰ তলত আছিল।

**৪। পোহৰৰ স্তম্ভ ঃ** সমগ্ৰ বিশ্বৰ ভিতৰতে অন্যতম আকৰ্ষণীয় আৰু বিস্ময়কৰ হ'ল এই পোহৰৰ স্তম্ভ বা লাইট পিলাৰ। সমগ্ৰ আকাশ জুৰি একাধিক পোহৰৰ স্তম্ভই মাটিৰ পৰা গৈ বিশাল আকাশ চুইছে। মানুহৰ দৃষ্টিক বিস্মিত কৰি তোলা এই সুন্দৰ দৃশ্য দেখিবলৈ পোৱা যায় মস্কোত। এই পোহৰ বিচ্ছুৰিত হয় সূৰ্য বা চন্দ্ৰৰ পৰা। দীঘল দীঘলকৈ শাৰী পাতি এই পোহৰে আকাশত দেখা দিয়ে। স্বচ্ছ আকাশত শাৰী শাৰী পোহৰৰ দৃশ্যই মানুহক হতবাক কৰি তোলে। এই অভাৱনীয় দৃশ্য চাবৰ কাৰণে প্ৰতিবছৰে মস্কোত লাখ মানুহৰ সমাগম হয়। সাধাৰণতে সূৰ্যোদয় আৰু সূৰ্যাস্তৰ সময়ত এই পোহৰৰ পিলাৰবোৰ সুন্দৰকৈ দেখা যায়। এই পিলাৰৰ পোহৰত গোটেই চহৰখনেই আলোকিত হৈ উঠে। অৱশ্যে বছৰৰ কিছু নিৰ্দিষ্ট সময়তহে এই পিলাৰবোৰ অৰ্থাৎ পোহৰৰ শাৰীবোৰ ভাহি উঠে।

**৫। মেৰুজ্যোতি ঃ** মেৰুজ্যোতি অৰ্থাৎ অৰোৰা। বহুতেই আকৌ কয় মেৰুজ্যোতি বা মেৰুপ্ৰভা। অৰোৰা মেৰু অঞ্চলৰ আকাশৰ সুন্দৰ আলোক ছাতি। বায়ুমণ্ডলৰ থামোস্ফিয়াৰত থকা অক্সিজেন আৰু নাইট্ৰোজেন পৰমাণুৰ স'তে মেটগনেটোস্ফিয়াৰৰ পৰা অহা কণিকাসমূহৰ সংঘৰ্ষৰ ফলতে এই অৰোৰা তৈয়াৰ হয়। এই অৰোৰা আকৌ বিভিন্ন ৰঙৰ সৃষ্টি হ'ব পাৰে। মেৰুজ্যোতিৰ ৰং নিৰ্ভৰ কৰে কেনে ধৰণৰ গেছৰ পৰমাণু ইলেক্ট্ৰনৰ দ্বাৰা উদ্দীপ্ত হৈছে। আৰু এই প্ৰক্ৰিয়াৰ দ্বাৰা কিমান শক্তি বিনিময় হৈছে তাৰ ওপৰত। সকলোতকৈ স্পষ্ট অৰোৰা দেখিবলৈ পোৱা যায় আলাস্কা, কানাডা, আৰু স্ক্যান্তিনেভিয়াৰ কিছু অঞ্চলত। কানাডিয়ান সীমান্ত, যুক্তৰাষ্ট্ৰৰ উত্তৰ সীমাতো কেইবাৰমান অৰোৰা দেখিবলৈ পোৱা গৈছিল।

**৬। আগ্নেয়গিৰিৰ বজ্ৰপাত ঃ** বৰ্তমান সমগ্ৰ পৃথিৱীতে প্ৰায় ৫৫০টা আগ্নেয়গিৰি আছে। বিশ্বৰ বিভিন্ন প্ৰান্তত কিছু অংশ জুৰি আছে এইবোৰ জীৱন্ত আগ্নেয়গিৰি। এইবোৰ আগ্নেয়গিৰি প্ৰায়েই জাগি উঠে। আৰু জাগি উঠিলেই ভয়ংকৰ ৰূপ ধাৰণ কৰে। বিশ্বত বহুতো আশ্চৰ্যজনক আগ্নেয়গিৰি আছে, যিবোৰ সিহঁতৰ ভয়ানক সৌন্দৰ্যৰ কাৰণে বিখ্যাত। আগ্নেয়গিৰিৰ ভয়ানক ৰূপ অগ্নুৎপাত হ'লেও, কিছুমান ঠাইত দেখা যোৱা বজ্ৰপাতৰ দৃশ্য অতি বিস্ময়কৰ। পৃথিৱীৰ ভিতৰতে অন্যতম আশ্চৰ্যজনক আৰু ভয়ংকৰ এই দৃশ্য। অগ্নুৎপাতৰ সময়ত গলিত পাথৰৰ স'তে ছাই আৰু ভলকানিক কোলাইড তীব্ৰ বেগে ওলাই আহে। তেতিয়াই সৃষ্টি হয় কলামেঘৰ। আগ্নেয়গিৰিৰ চূড়াত এই প্ৰলয়ংকাৰী বজ্ৰপাত ঘটে।

**৭। তৰাৰ সাগৰ ঃ** ভাদ দ্বীপ। মানদ্বীপৰ এই দ্বীপ অন্যান্য দ্বীপবোৰৰ দৰে নহয়। কাৰণ সূৰ্য ডুব যোৱাৰ লগে লগে এই দ্বীপৰ সমুদ্ৰতল পোহৰেৰে ভৰি উঠে। দেখিলে ভাব হয় আকাশৰ পৰা তৰা খহি পৰিছে এই সাগৰত। লগতে সাগৰৰ ঢৌবোৰে সেই তৰাবোৰ উটুৱাই আনি যেন সাগৰতীৰত থৈছেহি। গতিকে ইয়াক তৰাৰ সাগৰ বুলি কোৱা হয়। সাগৰৰ নীলা ঢৌত ভাহি থকা এই তৰাবোৰ প্ৰকৃততে জৈৱিক পোহৰ। এইবোৰ ক্ষুদ্ৰাকৃতিৰ প্লাংকটন। যিবোৰে ৰাতিৰ পোহৰত জলমল কৰে। সামুদ্ৰিক প্লাংকটনবোৰে পাতল নীলা ৰঙৰ পোহৰ বিয়পায়। বায়োলুমিনেচ বুলি ইহঁতক মতা হয়। বিজ্ঞানীসকলৰ মতে, সাগৰত জলমল কৰা এই প্লাংকটনবোৰে ডায়োনোফ্ল্যাগবেটচ প্ৰজাতিৰ।

**৮। সাতৰঙী ইউকেলিপটাছ ঃ** ৰামধেনু বা সাতৰঙী ইউকেলিপটাছ প্ৰকৃতিৰ মন ভুলোৱা এক বিস্ময়কৰ মনোৰম দৃশ্য। প্ৰকৃতি ৰাজ্যত নানা প্ৰজাতিৰ গছ আছে। ইউকেলিপটাছ হিচাপে সাতৰঙী গছৰ প্ৰজাতি এই এটিয়েই আছে সমগ্ৰ পৃথিৱীতে। এই গছ বেছ দীঘল। বিশেষ এই ৰামধেনু বহনকাৰী ইউকেলিপটাছ দেখিবলৈ পোৱা যায়। নিউ ব্ৰিটেন, নিউগিনি, কেৰাম, চুনাওয়াচি আৰু মাইণ্ডনোত। একাধিক ৰঙৰ গছ হিচাপে এই খ্যাতি সমগ্ৰ বিশ্বজুৰি। উদ্ভিদ বিজ্ঞানীসকলকো এই গছডালে মুগ্ধ কৰিছে। গছডালৰ বাকলিতো বিভিন্ন ৰঙৰ সমাবেশ। বাকলিত বিভিন্ন ৰং দেখা গ'লেও, সেই বাকলিবোৰ এৰুৱালে ভিতৰত ডাঠ সেউজীয়া গছৰ অংশ দেখিবলৈ পোৱা যায়। ক্ৰমে আৰু ভিতৰৰ অংশত নীলা, গোলাপী, কমলা আৰু মেৰুণ ৰঙৰ সমাবেশ।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

# নিৰ্মাণৰ পাছৰে পৰা সামৰিক বাহিনীৰ দখলত নলবাৰীৰ বামুণবড়ীৰ উদ্যোগ পাম

## ■ নিৰ্মাণৰ পাছৰে পৰা সামৰিক বাহিনীৰ দখলত নলবাৰীৰ বামুণবড়ীৰ উদ্যোগ পামঠিকাদাৰক গতাই দিয়াৰ চক্ৰান্ত ■ কৃষিভিত্তিক লঘু উদ্যোগ-প্ৰশিক্ষণ শিবিৰ স্থাপনৰ দাবী আছুৰ

**বিশেষ সংবাদদাতা**

**নলবাৰী, ১ নৱেম্বৰ ঃ** পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত আন ঠাইৰ লগতে ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথক কেন্দ্ৰ কৰি আমিনগাঁৱৰ পৰা নলবাৰীৰ বানেকুছি পৰ্যন্ত সকলো শ্ৰেণীৰ ভূমিক উদ্যোগ ভূমিলৈ ৰূপান্তৰ কৰাৰ পাছত শেহতীয়াভাৱে ৰাজ্য চৰকাৰে পুনৰ প্ৰতিখন জিলাতে উদ্যোগ পাম নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰিছে। উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ গৃহ জিলা নলবাৰীতো সংশ্লিষ্ট বিভাগে ইতিমধ্যে ভূমি অধিগ্ৰহণৰ বাবে তৎপৰ হৈ উঠিছে। চৰকাৰৰ এনে ভূমিকা আশাব্যঞ্জক যদিও ইয়াৰ বিপৰীতে নলবাৰীত চৰকাৰে গ্ৰহণ কৰা আন এক সিদ্ধান্তই সন্দেহাতীত কৰি তুলিছে চৰকাৰৰ উদ্যোগমুখী নীতিক। জিলাখনৰ বৰক্ষেত্ৰী সমষ্টিৰ বামুণবড়িত আটকধুনীয়া অট্টালিকাসহ ছয় বিঘাকৈ ভূমি সামৰি নিৰ্মাণ কৰা প্ৰায় তিনি কোটি টকা ব্যয়সাপেক্ষ বজাৰ পাম অঞ্চল শেহতীয়াকৈ ঠিকাদাৰৰ হাতত গতাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনকি ইয়াৰ বাবে আগন্তুক এটা মাহৰ ভিতৰতে নিবিদা পৰ্যন্ত বিজ্ঞাপন দিয়াৰ বাবে বিভাগে প্ৰস্তুতি চলাইছে। বৰ্তমানে উক্ত বজাৰপামৰ প্ৰশাসনিক দায়িত্বত থকা ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই টি আই)ৰ এক সূত্ৰই সদৰী কৰিছে এই কথা। সূত্ৰটোৱে সদৰী কৰা মতে, চৰকাৰে শেহতীয়াভাৱে উক্ত বজাৰপামত দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লৈছে। সেই মৰ্মে ইয়াকে লক্ষ্য কৰি বিভাগে নিবিদা আহ্বানৰ প্ৰস্তুতি চলাইছে। আনহাতে, এনে নিবিদাত যি ঠিকাদাৰ বা ঠিকাদাৰী প্ৰতিষ্ঠান বিবেচিত হয় তেওঁলোকক লগত চৰকাৰে চুক্তি সাপেক্ষ কৰ্তৃত্ব প্ৰদান কৰিব। অৱশ্যে আই টি আইৰ সঞ্চালিকা চন্দ্ৰা দেৱীয়ে প্ৰকল্পটো সন্দৰ্ভত চাবলগীয়া আছে বুলি প্ৰকাশ কৰিছে।

**ঠিকাদাৰৰ স্বাৰ্থমুখী উদ্যোগীকৰণ, কৃষিভিত্তিক লঘু উদ্যোগ-প্ৰশিক্ষণ শিবিৰ স্থাপনৰ দাবী আছুৰ ঃ**

উল্লেখ্য যে বৰক্ষেত্ৰী সমষ্টি হ'ল সঘনাই বানৰ কবলত পৰা অঞ্চল। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ বান-



খহনীয়াই ইয়াৰ মুকালমুৰা, বৰতোলা, কাপলাবৰী, ৰামপুৰ, বামুণবড়ি আদি অঞ্চলৰ লগতে সংলগ্ন চৰাঞ্চলসমূহক প্ৰায় প্ৰতি বছৰে বানে ক্ষতিগ্ৰস্ত কৰি আহিছে। তথাপি এনে প্ৰতিকূল পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজতো উক্ত বৃহৎ অঞ্চলসমূহৰ লোকসকলে প্ৰধানকৈ কৃষি, মীন পালন, দুগ্ধ উৎপাদন আদিৰে জীৱন নিৰ্বাহ কৰি আহিছে। স্থানীয় লোকে প্ৰকাশ কৰা মতে, সমষ্টিটোৰ পূৰ্বৰ বিধায়ক তথা বিধানসভাৰ অধ্যক্ষ পুলকেশ বৰুৱাৰ নেতৃত্বত অসম ৰাজ্যিক বজাৰ নিয়ন্ত্ৰণ সমিতিয়ে এনে লোকসকলৰ প্ৰশিক্ষণ আৰু উৎপাদনৰ সহায়ক হোৱাকৈ এটা অসম আৰ্হিৰ ঘৰসহ বজাৰপামখন নিৰ্মাণ কৰে। পাছত পুনৰ উক্ত অঞ্চলতে আন এটা প্ৰাসাদোপম গৃহ নিৰ্মাণ কৰে। নলবাৰী জিলা গ্ৰামীণ বিকাশ অভিকৰণৰ এক সূত্ৰই সদৰী কৰা মতে উক্ত আন্তঃগাঁথনি সম্পন্ন কৰিছিল নলবাৰী জিলা গ্ৰামীণ বিকাশ অভিকৰণে। পৰৱৰ্তী পৰ্যায়ত ইয়াক উদ্যোগ আৰু বাণিজ্য বিভাগক হস্তান্তৰ কৰা হয়। সেই মৰ্মে উদ্যোগপামখন অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড (এআইআইডিচি)ৰ অধীনলৈ যায়। ইফালে, কাগজে-পত্ৰই উদ্যোগপামখনক লৈ এনেদৰে চৰকাৰী ফাইল চলি থাকে যদিও স্থানীয় ৰাইজক দিয়া প্ৰতিশ্ৰুতিৰ বিপৰীতে উক্ত বজাৰ পামখন নিৰ্মাণৰ পাছৰে পৰা সামৰিক বাহিনীৰ দখলত আছে। নলবাৰী জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ এক সূত্ৰই সদৰী কৰা মতে ২০২০ৰ ১৩ নৱেম্বৰত বি এছ এফে পামখন উদ্যোগ বিভাগক হস্তান্তৰ কৰে। লক্ষ্যণীয় যে ইয়াৰ মাজতে এআইআইডিচিৰ এক নিৰ্দেশ মৰ্মে (পত্ৰ নম্বৰ-এআইআইডিচি/১৩৪৭/২০১৪/১০৪৬, তাৰিখ-২৭ অক্টোবৰ, ২০২০) ২০২০ৰ ন নৱেম্বৰত আই টি আইক হস্তান্তৰ কৰে। সেই মৰ্মে বৰক্ষেত্ৰীবাসীৰ বহু আশাৰ পামখন বৰ্তমানে আই টি আইৰ অধীনত আছে আৰু শেহতীয়াভাৱে আই টি আয়ে ইয়াক ব্যক্তিগত খণ্ডৰ প্ৰশিক্ষণ শিবিৰ হিচাপে কাৰ্যকৰী কৰিবলৈ ইতিমধ্যে নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰিছে। লক্ষ্যণীয় যে পামখন এই পৰ্যন্ত সামৰিক বাহিনীৰ দখলতে আছে। ইপিনে, ৰাইজক প্ৰতিশ্ৰুতি দিয়া ধৰণে পামখন কাৰ্যকৰী নকৰি এনেদৰে বিভাগীয় মেৰপেচত সুমুৱাই থোৱা ঘটনাত ক্ষুব্ধ হৈ পৰিছে স্থানীয় ৰাইজকে ধৰি আছু আৰু অন্যান্য দল-সংগঠন। আনকি এনেবোৰ ঘটনা কেৱল মাত্ৰ ঠিকাদাৰৰ স্বাৰ্থত চলাই থকা বুলি বিৰূপ চৰ্চা চলিছে ৰাইজৰ মাজত। ইয়াৰ মাজতে আছুৰ বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ সভাপতি মানস জ্যোতি তালুকদাৰে বজাৰপামখন কৃষি ভিত্তিক লঘু উদ্যোগ অথবা প্ৰশিক্ষণ শিবিৰ স্থাপনৰ দাবী তুলিছে। আছু নেতাজনে কয় যে বৃহত্তৰ বৰক্ষেত্ৰী অঞ্চলৰ লোকসকলৰ প্ৰধান জীৱিকা কৃষি আৰু কৃষি সম্পৰ্কীয় আন কাম-কাজ। গতিকে স্থানীয় ৰাইজৰ স্বাৰ্থ পূৰণ হোৱাকৈ বজাৰ পামখনত কৃষি ভিত্তিক লঘু উদ্যোগ অথবা প্ৰশিক্ষণ শিবিৰ স্থাপন কৰিব লাগে।

## ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত বঞ্চিতৰ

*তিনি পৃষ্ঠাৰ পৰা* যদিও ব্যৰ্থ হয়। ইপিনে, মহাবিদ্যালয়খনৰ অধ্যক্ষই আসনৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰস্তাৱ লৈ আজি গুৱাহাটী বিশ্ববিদ্যালয়লৈ যোৱা বুলি মহাবিদ্যালয় কৰ্তৃপক্ষই সদৰী কৰিছে। নিশাৰ ভাগতো এই অনশন কাৰ্যসূচী চলি আছে। উল্লেখ্য যে চলিত বৰ্ষত মহাবিদ্যালয়খনত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। ইয়াৰ পূৰ্বেও বহুবাৰ আবেদন দাখিল কৰাৰ লগতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল আমছু, সংখ্যালঘু সংগ্ৰাম পৰিষদ প্ৰমুখ্যে অন্যান্য সংগঠনে। ইপিনে, প্ৰতিবাদী ছাত্ৰীসকলে অভিযোগ কৰা মতে, বিগত বছৰবোৰতকৈ চলিত বৰ্ষত কম সংখ্যক ছাত্ৰ-ছাত্ৰীকহে নামভৰ্তি কৰাইছে মহাবিদ্যালয় কৰ্তৃপক্ষই। সংখ্যালঘু অধ্যুষিত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষাৰ পৰা বঞ্চিত হোৱাত এইদৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## জেএছবি চিকিৎসালয়ত উদ্বোধন

*তিনি পৃষ্ঠাৰ পৰা* এই মাৰাত্মক ৰোগৰ পৰা ৰক্ষা কৰিবলৈ ১৫ৰ পৰা ৬৫ বছৰৰ সকলো লোকক এই প্ৰতিষেধক ল'বলৈ জিলা উপায়ুক্তজনে আহ্বান জনায়। চলিত নৱেম্বৰৰ ভিতৰতে স্বাস্থ্য বিভাগৰ নিৰ্দেশ অনুসৰি প্ৰতিষেদক প্ৰদান সামৰিব বিভাগটোৱে বুলিও জনায়। আজি জিলাখনৰ বিভিন্ন ঠাইত ৫টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ স্থাপন কৰি প্ৰতিষেধক প্ৰদান কৰে স্বাস্থ্য বিভাগে। চিৰাং জিলা মেলেৰিয়া বিষয়া শৈলেন কাকতিয়ে জনোৱা মতে, চলিত বৰ্ষত ইতিমধ্যে চিৰাঙত এজন লোক জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হৈছে। যোৱা আগষ্টত ভুটান সীমান্তৰ কৰ্ণিখাটাৰ ৫৬ বছৰীয়া অলকা দেৱনাথ নামৰ এগৰাকী মহিলাৰ জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ জিএমচি হাস্পতালত মৃত্যু হয়। তেওঁ লগতে কয় যে যোৱা বছৰৰ পৰা চিৰাঙত মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ বহু পৰিমাণে কমিছে। যোৱা বছৰ ১১জন লোকৰ জাপানী এনকেফেলাইটিছ সদৃশ ৰোগ ধৰা পৰে যদিও নজন আক্ৰান্ত হয় তাৰে এজনৰ মৃত্যু হৈছিল। এই বছৰ চাৰিজনৰ সাদৃশ্যমূলক ৰোগ ধৰা পৰে যদিও এজনৰ জাপানী এনকেফেলাইটিছ ৰোগ ধৰা পৰি মৃত্যু হয়। একেদৰে যোৱা বছৰ ৫২জনৰ দেহত মেলেৰিয়া বীজাণু পোৱা গৈছিল, চলিত বৰ্ষত ১২জনৰ পোৱা গৈছে। যোৱা বছৰ তাৰ বাবে মেলেৰিয়া নিয়ন্ত্ৰণ বিভাগে ১,৮৩,৯১৬খন ঔষধিযুক্ত আঁঠুৱা বিতৰণ কৰিছিল। এই বছৰ ছহেজাৰ লোকৰ আঁঠুৱা ঔষধিকৰণ কৰিছে। ইতিমধ্যে নিয়মিতভাৱে মেলেৰিয়া আৰু ডেংগুৰ বাবে ঠাই বাছনি কৰি ধোঁৱা দিয়া আৰু সজাগতামূলক অনুষ্ঠান কৰি থকা বুলিও জনায় জিলা মেলেৰিয়া বিষয়া কাকতিয়ে।

## দুই শতাধিক কৰ্মচাৰীৰ পানীত হাঁহ

*তিনি পৃষ্ঠাৰ পৰা* দিশটোও যথেষ্ট টনকিয়াল হ'ল; কিন্তু ইমানৰ পাছতো প্ৰাক্তন কৰ্মচাৰীসকলক ফুটাকড়ি এটাও দিয়া নহ'ল। উল্লেখ্য যে নগৰৰ মাজমজিয়াৰ উন্নয়ন ভৱনৰ কাষতে থকা সমিতিৰ মুখ্য কাৰ্যালয় থকা সুবৃহৎ ভৱনটোৰ দ্বিতীয় মহলাটো ২০১৮ত ভাড়াত দিয়া হয় আৰু তাৰ বিনিময়ত প্ৰতি মাহে ভাড়া লাভ কৰি আহিছে ৪৬ হেজাৰ টকা। তদুপৰি, বৰ্তমান সমিতিৰ অধীনত যোৰহাট, টীয়ক, শিৱসাগৰ, সোণাৰি আৰু মাজুলীত সঞ্চয় আৰু ঋণ দান সমবায় কাৰ্যালয় পূৰ্ণোদ্যমে চলি আছে। ইফালে, শিৱসাগৰত সমিতিয়ে মাইক্ৰ'ক্ৰেডিট নামৰ এটি প্ৰতিষ্ঠানৰ লগত যৌথভাৱে ব্যৱসায় চলাই আছে। এনে অৱস্থাত সমবায় কৰ্তৃপক্ষই ইচ্ছা কৰিলে প্ৰাক্তন কৰ্মচাৰীসকলৰ ন্যায় সংগতভাৱে পাবলগীয়াখিনি নিশ্চয়কৈ দিব পাৰে; কিন্তু এই ক্ষেত্ৰত চৰম উদাসীনতা প্ৰদৰ্শন কৰি একালৰ সহকৰ্মীসকলৰ প্ৰতি চৰম অন্যায় কৰিছে কৰ্তৃপক্ষই। এই ক্ষেত্ৰত সঞ্চালক মণ্ডলীৰ সভাপতি আৰু সচিবজনৰ সদিচ্ছাৰ প্ৰতি প্ৰশ্ন উত্থাপন হৈছে। পৰিচালনা সমিতিৰ সভাপতি আৰু সচিবৰ স্বেচ্ছাচাৰিতা আৰু মইমতালিত বৰ্তমান সমবায় সমিতিৰ কাম-কাজ নিয়ন্ত্ৰণ হয় বুলি মুকলি অভিযোগ উঠিছে। বৰ্তমান সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা ডিম্বেশ্বৰ বৰাই ২০১৯ত সংঘটিত উত্তৰ চাৰিগাঁও গাঁও পঞ্চায়ত সমবায় সমিতিৰ চাউল কেলেংকাৰিত তেওঁৰ নাম সাঙোৰ খাই পৰিছিল। এনে এজন ব্যক্তিয়ে বিগত ১০ বছৰৰো অধিক কাল এই বিত্তীয় প্ৰতিষ্ঠানটোৰ সভাপতিৰ দায়িত্ব বহন কৰি আছে। সেইদৰে, সচিব জিতু গোস্বামীয়ে চাকৰিৰ কাৰ্যকাল অন্ত পৰাৰ পাছতো গুৰুত্বপূৰ্ণ সচিব পদত কাৰ্যনিৰ্বাহ কৰি থকা বুলি অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ হস্তক্ষেপ কামনা কৰিছে যোৰহাটৰ সচেতন ৰাইজে।

## নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত

*তিনি পৃষ্ঠাৰ পৰা* বিশেষ আয়ুক্ত শইকীয়াৰ এই নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত আজি নগাঁও জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক নাথে নগাঁও চৰকাৰী শিক্ষণ মহাবিদ্যালয়ত উপস্থিত হৈ ভাৰপ্ৰাপ্ত অধ্যক্ষা দেৱীৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰিব বিচাৰে যদিও বিফল হয়। কিয়নো শিক্ষা বিভাগৰ এই নিৰ্দেশ

পোৱাৰ পাছতে ভাৰপ্ৰাপ্ত অধ্যক্ষাগৰাকীয়ে বিদ্যালয় পৰিদৰ্শকক দায়িত্ব অৰ্পণ কৰিব বিচৰা নাই। বিদ্যালয় পৰিদৰ্শকক দায়িত্বভাৰ অৰ্পণ কৰাৰ বিপৰীতে তেওঁ আঁতৰি ফুৰা বুলিহে অভিযোগ উত্থাপিত হৈছে। স্মৰ্তব্য যে নগাঁও চৰকাৰী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা দেৱী বিভিন্ন বিতৰ্কৰ মাজত সোমাই পৰিছিল। আনকি তেওঁৰ বিৰুদ্ধে কেতবোৰ অনিয়মৰ গুৰুতৰ অভিযোগ তুলি সৰৱ হৈ পৰিছিল মহাবিদ্যালয়খনৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী। আনকি বিগত সময়খিনিত ভাৰপ্ৰাপ্ত অধ্যক্ষা দেৱীয়ে নিজৰ ক্ষমতা অপব্যৱহাৰ কৰাৰ উপৰি নিজ খেয়াল খুচি অনুসৰি মহাবিদ্যালয়খনত এক অৰাজক অৱস্থাৰ সৃষ্টি কৰি আহিছিল বুলিও অভিযোগ উত্থাপিত হৈছিল। মহাবিদ্যালয়খনৰ প্ৰবক্তাসকলকো অভব্য আচৰণ কৰাৰ লগতে গুৰু-গোসাঁই নামানি একনায়কত্ববাদ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল ভাৰপ্ৰাপ্ত অধ্যক্ষাগৰাকীৰ বিৰুদ্ধে। যাৰ বাবে মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে প্ৰথমে মহাবিদ্যালয়ত আৰু পৰৱৰ্তী কালত ৰাজপথতো প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছিল। উল্লেখ্য যে ভাৰপ্ৰাপ্ত অধ্যক্ষাগৰাকীৰ বিৰুদ্ধে মহাবিদ্যালয়খনত নামভৰ্তিৰ নামত অধিক মাচুল সংগ্ৰহ কৰা, আভ্যন্তৰীণ মূল্যাংকনৰ নম্বৰৰ পক্ষপাতিত্বৰ আশ্ৰয় লোৱাৰ অভিযোগ তুলি প্ৰতিবাদ সাব্যস্ত কৰি ন্যায় বিচাৰি কৰা প্ৰতিবাদী শিক্ষক-ছাত্ৰক কাটি নিৰ্দয়ভাৱে প্ৰতিশোধ লোৱাৰো অভিযোগ উত্থাপিত হৈ আহিছিল তেওঁৰ বিৰুদ্ধে। ভাৰপ্ৰাপ্ত অধ্যক্ষা দেৱীৰ এই অপকৰ্মৰ বিৰুদ্ধে অৱশেষত সচেতন শিক্ষীসকলে জিলা উপায়ুক্ত কবিতা পদ্মনাভনৰ ওচৰত দিয়া আবেদন মৰ্মে অতিৰিক্ত সহকাৰী আয়ুক্ত আৰণ্যক শইকীয়াক বিষয়টো সন্দৰ্ভত এক তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। এই তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত প্ৰীতম শইকীয়াই দিয়া নিৰ্দেশ মৰ্মে নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা দেৱীক দায়িত্বৰ পৰা অব্যাহতি দি নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক নাথক অতিৰিক্তভাৱে অধ্যক্ষৰ দায়িত্ব অৰ্পণৰ নিৰ্দেশ দিয়ে।

বিভাগীয় উৰ্ধতন কৰ্তৃপক্ষৰ নিৰ্দেশনাৰ পাছতো দেৱীয়ে আজি দায়িত্বভাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক নাথক চমজি নিদিয়াক কেন্দ্ৰ কৰি মহাবিদ্যালয়খনত এক অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি হয়। ইপিনে, নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক নাথে নগাঁও চৰকাৰী শিক্ষণ মহাবিদ্যালয় ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বভাৰ চমজি ল'ব নোৱাৰি লগে লগে উভতি আহি জিলা উপায়ুক্ত কবিতা পদ্মনাভনক বিষয়টো সন্দৰ্ভত অৱগত কৰে।

ইপিনে, ন্যায়ালয়ৰ এক স্থগিতাদেশৰ পৰিপ্ৰেক্ষিতত ভাৰপ্ৰাপ্ত অধ্যক্ষা দেৱীয়ে দায়িত্বভাৰ চমজি দিয়াৰ পৰা বিৰত থকা বুলি প্ৰকাশ কৰিছে। কিন্তু এই বিষয়ে অজ্ঞতা প্ৰকাশ কৰিছে নগাঁও জিলাৰ বিদ্যালয় পৰিদৰ্শকে।

## বনাঞ্চল ধ্বংসৰ বাবে চামগুৰিত ধান

*তিনি পৃষ্ঠাৰ পৰা* বছৰ ধৰি হাতীয়ে হাঁহচৰা বৰালীগাঁও পথাৰত উপদ্ৰৱ চলাই আছে যদিও বন বিভাগে হাতীৰ উপদ্ৰৱ ৰোধিব পৰা নাই। তদুপৰি ক্ষতিপূৰণো আমাক দিব পৰা নাই বন বিভাগ। কেৱল ফটো উঠি দৰ্খাস্ত জমা লোৱাতেই বিভাগৰ দায়িত্ব শেষ হৈছে।

উল্লেখ্য যে বিগত পাঁচ ছয় বছৰৰ পৰা নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমামুৰীয়া অঞ্চলত হাতী-মানুহৰ সংঘাত তীব্ৰ হৈছে। বৰজুৰি পাৰ্কুপ পাহাৰ চাপানালা, ঝাৰলক পাহাৰ, নেপালী জুৰি, মনসা গাঁও আদি কাজিৰঙা-কাৰ্বি-ইনটাংকী এলিফেণ্ট ক'ৰিডৰৰ অন্তৰ্গত। এই এলিফেণ্ট ক'ৰিড'ৰটোৰে অতীজৰ পৰা কাজিৰঙাৰ পৰা নগালেণ্ডৰ ইনটাংকী লৈ হাতীৰ আহ-যাহ হয়; কিন্তু এই অঞ্চলটোত ব্যাপক হাৰত বন ধ্বংস আৰু শিলৰ মহল খুলিবলৈ অনুমতি দিয়াত হাতীৰ খাদ্যৰ অভাৱ ঘটিছে। বিশেষকৈ কাৰ্বি আংলং জিলাত জধে-মধে বন ধ্বংস আৰু শিলৰ মহল স্থাপন কৰাৰ অঘোষিত প্ৰতিযোগিতা হোৱাত প্ৰভাৱ পৰিছে হাতীৰ বিচৰণ ভূমিত। বন ধ্বংসৰ পৰিণতিত পাহাৰত প্ৰাকৃতিকভাৱে থকা জলাশয়সমূহত পানীৰ অভাৱ ঘটিছে। উদাহৰণস্বৰূপে বৰজুৰিৰ বনভোজথলীৰ স্থানলৈ লক্ষ্য কৰিলেই পৰিষ্কাৰ হ'ব পানীৰ নাটনি। ব্যাপক হাৰত গছ কাটি খাস্তাং কৰাত জলাশয়সমূহত হাতীয়ে খাবলৈ পানীৰ অভাৱ ঘটিছে। ইয়াৰ উপৰি নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমামুৰীয়া পাৰ্কুপ পাহাৰ ৰেঞ্জৰ অধীনৰ বৰজুৰি, নেপালী জুৰি, ঝাৰলক, পাহাৰ, মনসা গাঁও অঞ্চলত স্থাপন কৰা শিলৰ মহলসমূহৰ বাবেও হাতী-মানুহৰ সংঘাত হোৱাৰ অভিযোগ উঠিছে। শিলৰ মহলসমূহত শিল ভাঙিবলৈ বিস্ফোৰণ ঘটোৱা, ফকলেণ্ডৰ কৰ্কশ শব্দৰ বাবে হাতীসমূহ নামনিলৈ নামি অহা বুলি অভিযোগ উঠিছে। ইয়াৰ ফল ভুগিছে নিৰীহ খাটি খোৱা চহা জীৱনৰ কৃষকসকলে। ভৰাগুৰি, দিলকাবস্তি, পদুমনি, চামগুৰি বৰালীগাঁও, ভকত গাঁও, গেন্ধালী, কুৰুৱাবাহী, উদমাৰী, বৰদল, মালিবস্তি, চামগুৰি গ্ৰাণ্ট, মহঙাবস্তি, নহৰুবস্তি, কঠালগুৰি, মাজৰআটি আদি গাঁৱৰ লোকৰ নিদ্ৰাহৰণ কৰি দৈনিক নিশা উপদ্ৰৱ চলাইছে বনৰীয়া হাতীয়ে। বন বিভাগে অঞ্চলটোত হাতী-মানুহৰ সংঘাত ৰোধত ব্যৰ্থ হোৱাৰ উপৰি ক্ষতিপূৰণ দিবলৈও অসমৰ্থ হোৱাৰ ৰাজহুৱা অভিযোগ উঠিছে।

## ভূপেন বৰাই উপ-নিৰ্বাচনত পাঁচটা

*তিনি পৃষ্ঠাৰ পৰা* সভাপতি বাণেশ্বৰ বসুমতৰীয়ে বড়ো জাতিটোক সঠিক পথ দেখুৱাই নিয়াত এক বলিষ্ঠ ভূমিকা পালন কৰিছিল। তেওঁৰ স্মৃতি জীয়াই ৰখাৰ ক্ষেত্ৰত বড়ো জাতিয়ে সদায় কাম কৰি যাব বুলি মন্তব্য কৰে বিটিআৰ প্ৰধানজনে। কাইলৈ ঘোষণা হ'ব লগা উপ-নিৰ্বাচনৰ ফলাফলক লৈও মন্তব্য কৰি বড়োৱে পাঁচটা সমষ্টিতে বিজেপি মিত্ৰজোঁট জয়ী হ'ব বুলি কয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই পাচোঁটা সমষ্টি কংগ্ৰেছৰ দখলত থাকিব বুলি কোৱাটো ভূপেন বৰাৰ এখ দুঃস্বপ্ন বুলি মন্তব্য কৰে বড়োৱে। তেওঁ কয় আকাশত চাং পতা কথা কৈছে ভূপেন বৰাই। বিটিআৰত ইউপিপিএল আৰু বিজেপি মিত্ৰজোঁটৰ চৰকাৰ হোৱাৰ পাছত বিটিআৰত শান্তি প্ৰতিষ্ঠা হৈছে। আজিৰ দিনত বিটিআৰত কোনো বিপিএফ বা কংগ্ৰেছে স্থান নাপাব। সাংসদ নব কুমাৰ শৰণীয়া যিখন মঞ্চৰ পৰা আহিছে সেইখন মঞ্চ চেলেনজিং আছিল। দ্বিতীয়বাৰ এমপি হৈ ৰাইজৰ মাজত যি দৃষ্টিভংগী দেখুৱাইছে সেই ফালৰ পৰা তেওঁৰ ৰাজনৈতিক জীৱন কি হ'ব নাজানো বুলি মন্তব্য কৰে। তেওঁ কয় যে শৰণীয়াই নিজৰ ৰাস্তা নিজে ল'ব। মুল্যবৃদ্ধি সন্দৰ্ভত বড়োৱে কয় যে মূল্যবৃদ্ধি নতুন কথা নহয়। সময়ে সময়ে হৈ থাকে এইবোৰ। মূল্যবৃদ্ধিয়ে সমাজ জীৱনত কি ধৰণে প্ৰভাৱ পেলাইছে সেই বিষয়ে চিন্তা কৰা বুলি কয় বড়োৱে। ইফালে, একেটা অনুষ্ঠানতে মন্ত্ৰী ইউ জি ব্ৰহ্মই মূল্যবৃদ্ধি ৰোধ কৰিবলৈ হ'লে মধ্যভোগী আৰু দালালসকলক নাকী লগাব লাগিব আৰু তেতিয়াহে মূল্যবৃদ্ধি ৰোধ হ'ব বুলি মন্তব্য কৰে। তেনে ক্ষেত্ৰত অসম চৰকাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে বুলি মন্তব্য কৰি উপ-নিৰ্বাচনত পাঁচটা সমষ্টিতে বিজেপি মিত্ৰজোঁটে জয়ী হ'ব। বিটিচিৰ তামুলপুৰ আৰু গোসাঁইগাঁৱৰ লগতে ভৱানীপুৰত বিজেপি প্ৰাৰ্থী বিপুল ভোটত জয়ী হ'ব বুলি কয়। বিটিচিত জিএছপিৰ লগত মিত্ৰতা থকাৰ পাছতো তামুলপুৰত প্ৰাৰ্থী দি মিত্ৰতাৰ নৈতিক দায়িত্ব পালন কৰা নাই বুলি কয় যে হাগ্ৰামাই সুবিধাবাদী ৰাজনীতি কৰিছে। তেওঁ এজন বিচিত্ৰ ৰাজনৈতিক নেতা। বিজেপিৰ লগত মিত্ৰতা থকা বুলি কৈ গোসাঁইগাঁৱত প্ৰাৰ্থী দিছে হাগ্ৰামা মহিলাৰীৰ বিপিএফে। হাগ্ৰামা মহিলাৰীৰ বিপিএফে ভৱানীপুৰত কংগ্ৰেছৰ হৈ আৰু তামুলপুৰত নিৰ্দলীয় প্ৰাৰ্থী গণেশ কছাৰীৰ হৈ কাম কৰিছে বুলি মন্তব্য কৰে ব্ৰহ্মাই। এনে বিচিত্ৰময় ৰাজনৈতিক নেতাৰ ৰাজনীতি বেছিদিন নচলে বুলি কৈ মহিলাৰীয়ে বিপিএফ ভংগ কৰি কাৰো নাম নোকোৱাকৈ আন দলৰ লগত চামিল হ'বলৈ কয় মন্ত্ৰীজনে। বিপিএফ আৰু নৱকুমাৰ শৰণীয়া ধ্বংস হ'বলৈ গৈ আছে বুলি কয় মন্ত্ৰীজনে। লগতে তেওঁ এই অনুষ্ঠানত উপস্থিত থাকি বানেশ্বৰ বসুমতাৰীৰ স্মৃতি জীয়াই ৰখাৰ স্বাৰ্থত বিধায়ক পুঁজিৰ পৰা পাঁচ লাখ টকাৰ অনুদান ঘোষণা কৰে। সভাত কে'বাগৰাকী দলীয় নেতা আৰু ছাত্ৰ নেতাই অংশগ্ৰহণ কৰে।

## কওটসকলক অনুসূচিত

*তিনি পৃষ্ঠাৰ পৰা* ভুগি অহা সমস্যাৰ কথা উল্লেখ কৰি ভাষণ ৰাখে আৰু কেওটসকলক ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়। সভাত প্ৰমোদ তালুকদাৰক সভাপতি আৰু ভূপেন হালৈক সম্পাদক হিচাপে লৈ পৰিষদৰ বনভাগ বতাহগিলা আঞ্চলিক সমিতিখন গঠন কৰা হয়।

## বিপিএল সংযোগৰ নামত দৰিদ্ৰ

*তিনি পৃষ্ঠাৰ পৰা* সংযোগ দিবলৈহে যো-জা কৰে। ইয়াতে দুৰ্নীতি ওলাই পৰাত মহিলা দুগৰাকীয়ে জামুগুৰি আৰক্ষী থানাৰ লগত যোগাযোগ কৰে আৰু পৰৱৰ্তী সময়ত কনিষ্ঠ অভিযন্তাজনৰ বিৰুদ্ধে জামুগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ইতিমধ্যে জামুগুৰি আৰক্ষীয়ে অভিযুক্ত কনিষ্ঠ অভিযন্তাজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি সোধ-পোছ অব্যাহত ৰাখিছে।

## নগাঁও মেলেৰিয়া বিভাগৰ পাঁচ

*তিনি পৃষ্ঠাৰ পৰা* সেৱা আগবঢ়াই অহাৰ কথা উল্লেখ কৰি মেলেৰিয়া বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে তেওঁলোকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। সভাত নগাঁও জিলা স্বাস্থ্য বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক ডাঃ দিলীপ কুমাৰ শৰ্মা, নগাঁও জিলা মেলেৰিয়া বিষয়া সান্ত্বনা শৰ্মাৰ লগতে আন বিষয়া-কৰ্মচাৰী ক্ৰমে শ্বেহনাজ বেগম, জিতেন বৰদলৈ, ৰমেশ মুদৈ, নিজৰা শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে।

## ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত কৰ্মৰত

*তিনি পৃষ্ঠাৰ পৰা* অপাৰেটৰসকলক প্ৰতি বছৰে দি অহা পাঁচ শতাংশ ভাট্টা প্ৰদান কৰাৰ লগতে চাকৰি নিয়মীয়া কৰাৰ বাবে মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীক দাবী জনায়। এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

## নগাঁও আৰক্ষীৰ জালত অধিবক্তা

*তিনি পৃষ্ঠাৰ পৰা* আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি আজি আদালত চৌহদৰ পৰাই বিভিন্ন আপত্তিজনক নথিপত্ৰসহ হাজৰিকাক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে জিলাখনৰ কামপুৰ অঞ্চলৰ ধৃত ভুৱা অধিবক্তা হাজৰিকাই দীঘদিন ধৰি বিভিন্ন লোকৰ পৰা গোচৰ-মোকৰ্দমা চলোৱাৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। আনকি হাজৰিকাক অধিবক্তাৰ সাজত প্ৰায়ে নগাঁও আদালত চৌহদত দেখিবলৈ পোৱা যায় বুলি একাংশ অধিবক্তাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আৰক্ষীয়ে হাজৰিকাক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## ওদালগুৰিত দুৰ্ঘটনাত ছাত্ৰৰ

*তিনি পৃষ্ঠাৰ পৰা* দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰজন। পাছত স্থানীয় লোকে উদ্ধাৰ কৰি চিকিৎসালয়লৈ পঠিয়ায় যদিও ইতিমধ্যে ছাত্ৰজনে শেষ নিশ্বাস ত্যাগ কৰে। কোন বাহনে খুন্দিয়ালে ছাত্ৰজনক সেই কথা বাতৰি লিখা পৰলৈ জানিব পৰা হোৱা নাই। ইপিনে, ছাত্ৰজনৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পাছত গভীৰ শোকৰ ছাঁ পৰে ছাত্ৰজন অধ্যয়নৰত ওদালগুৰি মহাবিদ্যালয়ত। ছাত্ৰজনক কোনে খুন্দিয়াই থৈ গ'ল এই ক্ষেত্ৰত সঠিক তদন্তৰ জৰিয়তে দোষীক কৰায়ত্ত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ প্ৰতি ছাত্ৰ সমাজে আহ্বান জনাইছে। উল্লেখ্য যে ওদালগুৰি-ভৈৰৱকুণ্ড পথত প্ৰায়েই সংঘটিত পথ দুৰ্ঘটনাত একাধিক লোকৰ মৃত্যু হৈছে। বিশেষকৈ বাহনৰ তীব্ৰগতিৰ বাবেই এই পথটোত এনে ধৰণৰ দুৰ্ঘটনা সংঘটিত হোৱা বুলি স্থানীয় লোকে দাবী কৰে।

## অসম-মেঘালয় সীমান্তৰ

*তিনি পৃষ্ঠাৰ পৰা* যুৱকজনে বিভিন্ন অশ্লীল ভাষাৰে গালি-গালাজ পৰাৰ লগতে মৰিলে ভিডিঅ' ভাইৰেল কৰিম বুলি মেছেজ কৰি উত্তৰ দিয়ে যাৰ বাবে মানসিকভাৱে ভাগি পৰা ছাত্ৰীগৰাকীয়ে চিপ লৈ আত্মহত্যা কৰিছে বুলি ছাত্ৰীগৰাকীৰ পৰিয়ালবৰ্গই অভিযোগ কৰিছে। আজি ছাত্ৰীগৰাকীৰ মৃত্যুৰ বাবে মিৰ্জাৰ চানডুবিৰ গৌতম ৰাভা নামৰ যুৱকজন দায়ী বুলি অভিযোগ কৰি পিতৃয়ে বকো থানাত এজাহাৰ দাখিল কৰে। পাছত দণ্ডাধীশৰ উপস্থিতিত ছাত্ৰীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি হাস্পতাললৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি অনুসন্ধান আৰম্ভ কৰিছে। এই সমগ্ৰ ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে।

## ৰাইডাংজুৰি উচ্চতৰ মাধ্যমিক

*তিনি পৃষ্ঠাৰ পৰা* নৌযাওঁতেই আজি পুনৰ যোৰহাট জিলাৰ তিতাবৰৰ এখন বিদ্যালয়ত সংঘটিত হয় অনুৰূপ ঘটনা। তিতাবৰ মহকুমাৰ নগাবাট অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান: ৰাইডাংজুৰি-নগাবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুজন ছাত্ৰৰ মাজত সংঘটিত হয় এই ঘটনা। প্ৰাপ্ত তথ্য মতে, শিক্ষানুষ্ঠানৰ উচ্চতৰ মাধ্যমিক শাখাৰ দ্বিতীয় বৰ্ষৰ দুই ছাত্ৰৰ মাজত সামান্য কথাতে কাজিয়াৰ সূত্ৰপাত হয়। পাছত ছাত্ৰ দুজনে বিদ্যালয়ৰ ছুটীৰ অন্তত শিক্ষানুষ্ঠানখনৰ প্ৰায় এশ মিটাৰ দূৰত্বত থকা ৰাইডাংজুৰি তিনিআলিলৈ আহি পুনৰ কাজিয়াত লিপ্ত হয়। ছাত্ৰ দুজনৰ কাজিয়া ইমানে বৃদ্ধি পায় যে ৰড, কাঠ আদি আনি প্ৰহাৰ কৰিবলৈ উদ্যত হোৱা পৰিস্থিতিৰ সৃষ্টি হয়। কাজিয়াৰ মাজতে এজন ছাত্ৰৰ ৰাইডাংজুৰি তিনিআলিৰ সমীপতে দোকান দি থকা মিণ্টু গগৈ নামৰ ককায়েকজনে আহি আক্ৰমণত নামি পৰাত আনজন ছাত্ৰ গুৰুতৰভাৱে আহত হয়। ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত সুৰুজৰ মাতৃ ফাগুনী গগৈয়ে ৰাইডাংজুৰি শুকানজানৰ মিণ্টু গগৈ আৰু ছাত্ৰজনৰ বিৰুদ্ধে নগাবাটস্থিত পানীখেতি আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ততাতৈয়াকৈ ঘটনাস্থলীত আহি মিণ্টু আৰু ছাত্ৰজনক বিচাৰি উপস্থিত হয় যদিও মিণ্টুৱে পলায়ন কৰে। অৱশ্যে মাৰ-পিটৰ ঘটনাত জড়িত ছাত্ৰজনক আৰক্ষীয়ে লৈ আহে। দীৰ্ঘদিনৰ অন্তত খোল খোৱা বিদ্যালয়খনত আজি সংঘটিত এই ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অঞ্চলটোৰ সচেতন মহলৰ লগতে শৈক্ষিক অনুষ্ঠানসমূহে।

# কাতিৰ পথাৰত সোণালী উল্লাস শোণিতপুৰত

## হাতে হাতে কাঁচি লৈ পকাধান দাৱলৈ নামিছে দাৱনী

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১ নৱেম্বৰ ঃ** প্ৰখৰ ৰ'দৰ পাছত শীতল বতাহে ৰাইজক কিছু সকাহ দিছে। বৰ্তমান ফৰকাল বতৰত কাতিৰ সোণোৱালী পথাৰত দাৱনী নামিছে সোণগুটি চপাবলৈ। শোণিতপুৰৰ লখৰা সোণাইপাম অঞ্চলৰ পথাৰত এতিয়া মাঘৰ উৰুকাৰ আগতীয়া পৰিৱেশ। মূল্যবৃদ্ধিয়ে কোঙা কৰা সময়ত এতিয়া ৰাইজৰ মুখত হাঁহি বিৰিঙোৱাৰ একমাত্ৰ কাৰণ পথাৰৰ এই সোণালী লখিমী। অঞ্চলটোৰ বিস্তীৰ্ণ পথাৰত এতিয়া কৃষকৰ আশাৰ ধানমুঠি চপোৱাৰ সময়। বছৰটোৰ কঠোৰ পৰিশ্ৰমৰ অন্তত কৃষকৰ বাবে কিছু সকাহৰ সময়। এই পকা ধান দাই নিজা নিজা ভঁৰালত মজুত কৰাৰ পৰাই এইসকল কৃষকে কৰে ভৱিষ্যতৰ পৰিকল্পনা। ৰঞ্জিত, ৰঞ্জিত চাব আদি ধান এতিয়া পকিছে। এনে সময়ত হাতে হাতে কাঁচি লৈ পথাৰত নামিছে কৃষক ৰাইজ। কঙালীৰ দিনত ধাননি পথাৰত কৃষকৰ তথা দাৱনীৰ আনন্দ-উল্লাস। লহপহকৈ বাঢ়ি অহা পকা ধানৰ থোকে উল্লসিত কৰিছে তেওঁলোকক। বছৰ বছৰ ধৰি সোণাইপাম অঞ্চলত এনেদৰেই সমূহীয়াভাৱে ধান কাটে



ৰাইজে। ৰবাব টেঙাৰ সোৱাদ লৈ পথাৰত নমা এইসকল কৃষক আৰু দাৱনীয়ে ধান কটাৰ লগতে পথাৰত লগে ভাগে এসাঁজ খায় পথাৰত আনন্দ-উৎসাহৰ মাজেৰে। ধান কাটি আনন্দত মতলীয়া হয় এইসকল ৰাইজ। উল্লেখ্য যে সোণাইপাম, গড়মৰা, ঢাৰিকাটি আদি অঞ্চলত বছৰি বনৰীয়া হাতীয়ে তহিলং কৰেহি ধাননি পথাৰ। সেয়েহ বনৰীয়া হাতীৰ জাকৰ আগমনৰ পূৰ্বেই এইসকল কৃষকে পকা ধান চপোৱাৰ কামত ব্যস্ত হৈ পৰিছে পথাৰৰ লখিমী কঢ়িওৱাত। ইপিনে, তেজপুৰত মুঠ ১০৫ বিঘা মাটিত ধান খেতি কৰা যুৱ কৃষক ৰূপক গগৈও সাজু হৈছে ধান চপোৱাৰ বাবে। এইজন কৃষকে এইবাৰ ৰঞ্জিত ২০ বিঘা, ৰঞ্জিত চাব-১-৪০ বিঘা, স্বৰ্ণ চাব এক পাঁচ বিঘা, বি বি ১১ পাঁচ বিঘা, আইজং সাত বিঘাকে ধৰি এইবাৰ কুনকুনি জহা, ক'লি জহা, ক'লা চাউল, কেতেকী জহা, আঘোণি বৰা আৰু নল বৰা ধানৰ খেতি কৰিছে। তেজপুৰৰ সৰু পক্ষীয়াঝাৰ, বৰ পক্ষীয়াঝাৰ আৰু কেন্দুগুৰিৰ পথাৰত কৰা মুঠ খেতিৰ ভিতৰত ৮০ বিঘা মাটিত কেৱল বীজ উৎপাদন কৰিছে। বৰ্তমান ধান পকাৰ লগতে এয়া চপোৱাৰ সময় হৈছে যদিও তেওঁ কালী পূজাৰ পাছতেই ধান চপোৱাৰ বাবে সাজু হৈছে। উল্লেখ্য যে এই অঞ্চলসমূহতো বছৰি বন্যহস্তীয়ে ধানখেতিৰ বিস্তৰ ক্ষতি সাধন কৰে। বৰ্তমান এনেদৰেই পথাৰৰ সোণালী ধানে কঙালী সময়বোৰত কৃষকৰ মনবোৰ পোহৰাই তুলিছে।

# জীৱন যুঁজৰ এগৰাকী সংগ্ৰামী মহিলা

**সুভাষ ডেকা**

**ৰহা ১ নৱেম্বৰ ঃ** ভকচং (পশ্চিম কাৰ্বি আংলং) জীৱনৰ বহুকেইটা বসন্ত আৰ্থিক দৈন্যত থাকি জীয়াই থকা আৰু সন্তানক ভাল মানুহ কৰাৰ তাগিদাত ধৈৰ্য সহকাৰে লাগি লাগি এতিয়া অকণমান সুখৰ মুখ দেখা নাৰীগৰাকী এতিয়া হৈ পৰিছে অঞ্চলটোৰ বহুজনৰে অনুপ্ৰেৰণাৰ উৎস। এটা সময়ত অতি দুখৰ লগত সহাৰস্থান কৰি দিন-ৰাতি একাকাৰ কৰা মানুহগৰাকীয়ে হেজাৰ ধুমুহাৰ মাজতো হেৰুৱাই নিদিলে মনোবল আৰু সেই মনোবলৰ শক্তিতেই আজি মানুহগৰাকীয়ে দুবেলা দুসাঁজ সুন্দৰকৈ পৰিয়ালটোৰ সকলোৱে খাবলৈ সক্ষম হৈছে। যিয়ে এটা সময়ত লঘোন থাকিও সময় পাৰ কৰিবলগীয়া হৈছিল।



মহিলাগৰাকীৰ নাম শান্তি দেউৰী কুণ্ডু। পশ্চিম কাৰ্বি আংলং জিলাৰ ভকচং বজাৰত বিভিন্ন সামগ্ৰী বিক্ৰী কৰি থকা এখন দোকানৰ স্বত্বাধিকাৰী। বৰ্তমান ৫০ বছৰীয়া শান্তিৰ বিয়া হৈছিল আজিৰ পৰা ২৭ বছৰ পূৰ্বে। স্বামীৰ নাম প্ৰয়াত সুবল কুণ্ডু। ভকচঙত থকা বোৱা-কটা প্ৰতিষ্ঠানত প্ৰশিক্ষণ ল'বলৈ আহোতে বাঙালী সম্প্ৰদায়ৰ সুবলৰ লগত চিনাকি হৈ প্ৰেম আৰু তাৰ পাছত ১৮ বছৰ বয়সত শান্তিৰ প্ৰেম বিবাহ। ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ বাবে শান্তিয়ে পঢ়া-শুনাত বিশেষভাৱে আগবাঢ়িব নোৱাৰিলে। দশম শ্ৰেণীতে শিক্ষাৰ সমাপ্তি ঘটিল। বিয়া হোৱাৰ পাছত ভকচং বজাৰৰ সমীপতে এজন কাৰ্বি লোকৰ মাটিত ভাড়াতীয়া হিচাপে থাকি পতি-পত্নী দুয়ো তামোল পাণৰ দোকান আৰম্ভ কৰিলে। কিন্তু আশানুৰূপ ফল নাপালে। তথাপি ব্যৱসায় এৰি দিয়া নাই। সময়ৰ গতিত তেওঁলোকৰ মাজলৈ আহিল চাৰিটাকৈ সন্তান। তিনিগৰাকী ছোৱালী আৰু এজন পুত্ৰ। পৰিয়ালৰ সদস্য বঢ়াৰ লগে লগে সমস্যাও বাঢ়িবলৈ ধৰিলে। সৰু দোকানখনেৰে পৰিস্থিতি মোকাবিলা কৰাটো একপ্ৰকাৰ কষ্টকৰ হৈ পৰিল। সন্তানকেইটা ডাঙৰ হোৱাৰ লগে লগে তেওঁলোকক পঢ়া-শুনাৰ কথাও আহি পৰিল। নিজে পঢ়া-শুনাত আগবাঢ়িব নোৱাৰিলেও ল'ৰা-ছোৱালীকেইটাক পঢ়া-শুনাৰ ক্ষেত্ৰত যথেষ্ট সৰৱ হৈ পৰিল শান্তি। সংসাৰৰ কাম-কাজ, ইপিনে ল'ৰা-ছোৱালীকেইটাৰ পঢ়া-শুনাত দৃষ্টি ৰখা আৰু তাৰ মাজতে বুট-মগু ভাজি দি স্বামীক দোকানত সহায় কৰা কামেৰে ব্যস্ত হৈ পৰে শান্তি। নিজৰ মাটি-বাৰী বুলি একোৱেই নাই। সকলো কিনিব লাগে। তাৰ মাজতে দোকানখন অকণমান ডাঙৰ কৰাৰ চিন্তা। দুই-চাৰিৰ পৰা অনুনয়-বিনয় কৰি টকা ধাৰ-সুতত ল'লে। পাণ-তামোল, বুট, ফুলৰী বিক্ৰী কৰা দোকানখনত পাছলৈ অন্য সামগ্ৰীও মজুত কৰা হ'ল বিক্ৰীৰ বাবে। ক্ৰমে ঘৰখনলৈ অকণমান পোহৰৰ ৰেঙণি অহাৰ এখন ছবি অনুভৱ হ'ল। ল'ৰা-ছোৱালীকেইটা পঢ়া-শুনাত কোনো টিউচন আদি নোলোৱাকৈ নিজা চেষ্টাৰে আগবাঢ়িল। সুখৰ বাটত খোদ দিয়াৰ সময়তে পৰিয়ালটোলৈ নামি আহিল এক দুখৰ বাৰ্তা। পৰিয়ালটোৰ মুৰব্বী তথা শান্তিৰ স্বামী বিভিন্ন ৰোগৰ কাৰকত ইহসংসাৰৰ পৰা বিদায় মাগিলে। ইমানৰ পাছতো ধৈৰ্য আৰু সাহসেৰে জীৱন যুঁজত প্ৰত্যাহ্বান গ্ৰহণ কৰি শান্তি আগুৱাই যোৱাৰ মনোবল অটুট ৰাখিলে। পৰিতাপৰ বিষয় যে অৰুণোদয় আঁচনিৰ বাহিৰে অসম চৰকাৰ কিম্বা কাৰ্বি স্বায়ত্ত পৰিষদৰ পৰা ঘোষিত অন্য কোনো আঁচনিয়েই ঢুকি নাপালে শান্তিক। তথাপি জীৱন যুঁজৰ চকা স্তব্ধ হ'ব দিয়া নাই শান্তিয়ে। সৰু পাণ-তামোলৰ দোকানখনৰ পৰা এতিয়া শান্তিৰ দোকানখনত বিভিন্ন ধৰণৰ সামগ্ৰী পোৱা যায়। প্ৰায় এক লাখ টকাৰ সামগ্ৰী মজুত আছে দোকানত। কিছু বছৰ পূৰ্বে বন্ধন বেংকৰ পৰা প্ৰথমাৱস্থাত পোন্ধৰ হেজাৰ ঋণ লৈছিল। তাৰ পাছত ৫৫ হেজাৰ ল'লে। এইখিনি ঋণ আদায় দিয়াৰ পাছত বেংকটোৱে ডেৰ লাখ টকাৰ ঋণ দিলে শান্তিক আৰু বৰ্তমান সপ্তাহত এটা নিৰ্দিষ্ট হাৰত ধাৰ মাৰি আছে। তলাবন্ধৰ আগতে দৈনিক হেজাৰৰ পৰা তিনি হেজাৰলৈ বিক্ৰী হোৱাৰ লগতে বৃহস্পতিবাৰৰ সাপ্তাহিক বজাৰৰ দিনা বিক্ৰীৰ পৰিমাণ দুগুণ হয়। কিন্তু বৰ্তমান বিক্ৰীৰ পৰিমাণ হেজাৰৰ ভিতৰতে সীমাবদ্ধ। এসাঁজ খাই এসাঁজ নোখোৱাকৈ থাকি এটা সময়ত দিন অতিবাহিত কৰা শান্তিয়ে বৰ্তমান এসাঁজ ভালদৰে খাব পৰা হ'ল। শান্তিৰ এটাই কথা সততা, ধৈৰ্য আৰু নিষ্ঠাৰে কাম কৰিলে ভগৱানৰ কৃপা পাবই আৰু জীৱন যুঁজত এদিন জয়ী হ'বই।

## ক'ভাক্সিনক স্বীকৃতি দিলে অষ্ট্ৰেলিয়াই




**নিউজ ব্যুৰ', নতুন দিল্লী, ১ নৱেম্বৰ ঃ** কৰ'নাৰ দেশীয় প্ৰতিষেধক ক'ভাক্সিনক এতিয়াও বিশ্ব স্বাস্থ্য সংস্থা (হু)ই স্বীকৃতি দিয়া নাই। অৱশ্যে ভাৰত বায়'টেকে প্ৰস্তুত কৰা ক'ভিডৰ এই প্ৰতিষেধকে স্বীকৃতি লাভ কৰিলে অষ্ট্ৰেলিয়াত। এতিয়াৰে পৰা ক'ভাক্সিন প্ৰতিষেধক গ্ৰহণ কৰা যিকোনো লোকে অষ্ট্ৰেলিয়াত প্ৰৱেশ কৰিব পাৰিব। আজি অষ্ট্ৰেলিয়া চৰকাৰে এইদৰে ভাৰতক জানিবলৈ দিয়ে। যোৱা মাহত অষ্ট্ৰেলিয়াই ভাৰতত তৈয়াৰী ছিৰাম ইনষ্টিটিউটৰ ক'ভিশ্বিল্ড প্ৰতিষেধককো স্বীকৃতি দিছিল। কিন্তু ক'ভাক্সিন প্ৰতিষেধক গ্ৰহণ কৰা ভাৰতীয় লোকৰ প্ৰৱেশ অষ্ট্ৰেলিয়াত নিষিদ্ধ আছিল। ক'ভাক্সিনক স্বীকৃতিদানৰ পাছত এতিয়াৰে পৰা এই প্ৰতিষেধক গ্ৰহণ কৰা লোকৰ অষ্ট্ৰেলিয়াত প্ৰৱেশৰ বাধা নাথাকিব।

## বক্স অফিচত সকলো অভিলেখ ভংগ কৰিলে দক্ষিণ কোৰিয়াৰ এইখন চলচ্চিত্ৰই



**নিউজ ব্যুৰ', ছিউল, ১ নৱেম্বৰ ঃ** বিগত কে'বা বছৰ ধৰি দক্ষিণ কোৰিয়াৰ চলচ্চিত্ৰই আন্তৰ্জাতিক মঞ্চত বিশেষ খ্যাতি অৰ্জন কৰি আহিছে। অস্কাৰজয়ী 'পেৰাছাইট'ৰ দৰে ছবি কোৰিয়াৰ চিত্ৰ নিৰ্মাতাই প্ৰস্তুত কৰি সমগ্ৰ বিশ্বক চমক দিছিল। শেহতীয়াভাৱে দক্ষিণ কোৰিয়াৰ চিত্ৰ নিৰ্মাতাই তৈয়াৰ কৰা আন এখন চলচ্চিত্ৰই আন্তৰ্জাতিক চৰ্চা লাভ কৰিছে। এই ছবিখনে বক্স অফিচত উপাৰ্জনৰ ক্ষেত্ৰত নতুন অভিলেখ ৰচনা কৰিছে। 'ভেৰাইটি'ৰ বাতৰি অনুসৰি, চীনৰ কোৰিয় যুদ্ধৰ মহাকাব্য হিচাপে পৰিচিত হোৱা 'দ্য বেটল অৱ লেক চাংগজিন' ছবিখনে চলিত বৰ্ষত বিশ্বৰ সৰ্বাধিক ধন উপাৰ্জনকাৰী চলচ্চিত্ৰৰ স্বীকৃতি লাভ কৰিছে। চলিত বৰ্ষৰ আৰম্ভণিতে চীনৰ চলচ্চিত্ৰ নিৰ্মাতাই নিৰ্মাণ কৰা 'হাই, মম' নামৰ ছবিখনে বক্স অফিচত ধন সংগ্ৰহত অভিলেখ ৰচনা কৰিছিল। কিন্তু শেহতীয়াভাৱে চীনৰ এইখন ছবিৰ ব্যৱসায়ক অতিক্ৰম কৰিবলৈ সফল হ'ল কোৰিয় ছবি 'দ্য বেটল অৱ লেক চাংগজিন'-এ। মাত্ৰ ২৯ দিনত 'দ্য বেটল অৱ লেক চাংগজিন'-এ বক্স অফিচত ৮৪৫ নিযুত ডলাৰ উপাৰ্জন কৰে।



## দিল্লীত নিয়ন্ত্ৰণহীন ডেংগী ঃ ১৫৩০ জন হ'ল আক্ৰান্ত

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত কৰ'নাৰ সংক্ৰমণ নিয়ন্ত্ৰিত হ'লেও ডেংগীৰ ব্যাপক সংক্ৰমণে নতুন আতংকৰ সৃষ্টি কৰিছে। দক্ষিণ দিল্লী নগৰ নিগমে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি, বৰ্তমানলৈকে ৰাজধানী চহৰখনত তিনিখন নিগমৰ অধীনত ১৫৩৭ লোক ডেংগীত আক্ৰান্ত হৈছে আৰু ছজন ৰোগীৰ মৃত্যু হৈছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে ইতিমধ্যে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ডেংগী নিয়ন্ত্ৰণৰ বাবে এখন বিশেষজ্ঞৰ সমিতি গঠন কৰিছে।

## জাপানৰ নিৰ্বাচনত জয়লাভ কিশ্বিডাৰ দলৰ



**নিউজ ব্যুৰ', টকিঅ', ১ নৱেম্বৰ ঃ** যোৱা মাহত জাপানত ফুমিঅ' কিশ্বিডা প্ৰধানমন্ত্ৰী নিযুক্ত হৈছিল। প্ৰধানমন্ত্ৰীৰ ক্ষমতা লাভৰ পাছতে দেশত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিছিল কিশ্বিডাই। আজি এই নিৰ্বাচনৰ ফলাফলত দেশৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ সপক্ষে ৰায় দিলে দেশবাসীয়ে। শাসকীয় দল লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি (এল ডি পি)-এ পুনৰ জাপানৰ নিম্ন সদনত নিজৰ সংখ্যাগৰিষ্ঠতা বৰ্তাই ৰাখিবলৈ সক্ষম হ'ব নে নহয় বুলি প্ৰশ্ন উত্থাপিত হৈছিল। কিন্তু নিৰ্বাচনৰ ফলাফলত কিশ্বিডাৰ এল ডি পিয়ে সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিবলৈ সফল হ'ল। ২০২০ত শ্বিনজু আবেয়ে প্ৰধানমন্ত্ৰীৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ পাছৰে পৰা জাপানত ৰাজনৈতিক অনিশ্চয়তা বাহাল আছিল। মৰ্চাৰ সহযোগী ক'মেয়িট'কৰ স'তে এল ডি পিয়ে ৪৬৫ আসনৰ নিম্ন সদনত ২৭৪ আসনত জয়লাভ কৰিছে। এককভাৱে এল ডি পিয়ে এই নিৰ্বাচনত লাভ কৰিলে ২৪৭ খন আসন।

## অক্টোবৰত দেশত জি এছ টি সংগ্ৰহত পুনৰ নতুন অভিলেখ




**নিউজ ব্যুৰ', নতুন দিল্লী, ১ নৱেম্বৰ ঃ** দেশত সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) ব্যৱস্থা প্ৰৱৰ্তিত হোৱাৰ পাছত দ্বিতীয়বাৰৰ বাবে অভিলেখসংখ্যক কৰ সংগ্ৰহ কৰা হ'ল। অক্টোবৰত ভাৰতত ১.৩ লাখ কোটি টকাৰ জি এছ টি সংগ্ৰহ হ'ল। যোৱা বছৰৰ অক্টোবৰৰ তুলনাত চলিত বৰ্ষৰ অক্টোবৰত ২৪ শতাংশ অধিক জি এছ টি সংগ্ৰহ কৰা হৈছে। কৰ'নাৰ সংক্ৰমণ হ্ৰাস আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ পুনৰ স্বাভাৱিকৰূপে পৰিচালিত হোৱাৰ ফলত দেশত জি এছ টি সংগ্ৰহৰ পৰিমাণ বৃদ্ধি পালে।

### বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে ঘোষণাৰে চমক দিলে প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে ঃ ৰাষ্ট্ৰীয় লোক দলৰ স'তে মৰ্চা গঠন কৰিব

## উত্তৰ প্ৰদেশত প্ৰতিদ্বন্দ্বিতা নকৰে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশে


**নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ১ নৱেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ বিধানসভাৰ আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে অখিলেশ যাদৱে। উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশে আজি এইদৰে ঘোষণা কৰে। অৱশ্যে কিয় এই সিদ্ধান্ত গ্ৰহণ কৰিলে সেই সন্দৰ্ভত কোনো কাৰণ ব্যাখ্যা কৰা নাই প্ৰাক্তন মুখ্যমন্ত্ৰীজনে। আজি অখিলেশে কয় যে তেওঁ নিজে প্ৰতিদ্বন্দ্বিতা নকৰিলেও সমাজবাদী দলে ৰাষ্ট্ৰীয় লোক দলৰ স'তে মৰ্চা গঠন কৰি বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। অৱশ্যে ৰাষ্ট্ৰীয় লোকদলৰ স'তে সমাজবাদী পাৰ্টিৰ বুজাবুজিৰ বিষয়টো এতিয়াও চূড়ান্ত হোৱা নাই। সোমবাৰে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰে হোৱা এক সাক্ষাৎকাৰত বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিলে সমাজবাদী পাৰ্টিৰ প্ৰতিষ্ঠাপক মুলায়ম সিং যাদৱৰ পুত্ৰই। ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আজমগড়ৰ



সমাজবাদী পাৰ্টিৰ সাংসদজন যে দলৰ মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থী, সেই বিষয়ত কোনো দ্বিমত প্ৰকাশ্যে নোহোৱাৰ পাছতো কিয় অখিলেশে বিধানসভাৰ আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত ল'লে তাক লৈ ৰাজনৈতিক মহলত জল্পনা-কল্পনা অব্যাহত আছে। সমাজবাদী পাৰ্টিয়ে বৰ্তমানলৈকে অখিলেশৰ সিদ্ধান্তৰ সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

উত্তৰ প্ৰদেশৰ ৰাজনৈতিক শিবিৰৰ মতে, বিগত ডেৰ বছৰৰ সৰহ সময় অখিলেশে বিদেশত অতিবাহিত কৰি আহিছে। উত্তৰ প্ৰদেশৰ বিভিন্ন ঘটনাৱলীৰ সন্দৰ্ভত অখিলেশে সামাজিক মাধ্যমৰ জৰিয়তে কৰ'না কালত সক্ৰিয়তা প্ৰদৰ্শন কৰিছিল যদিও সমাজবাদী পাৰ্টিৰ মুৰব্বীজনে উত্তৰ প্ৰদেশৰ পৰিৱৰ্তে বিগত ডেৰ বছৰে বিদেশত থকাক লৈও প্ৰশ্ন উত্থাপিত হৈছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্তৰে অখিলেশে ৰাজ্যৰ ৰাজনীতিত নতুন কৌশল অৱলম্বন কৰিলে নেকি বুলিও প্ৰশ্ন উঠিছে।

## কেৰালাত চাৰি বছৰত তিনিগুণ বৃদ্ধি নিপাৰ সংক্ৰমণ, এজনৰ মৃত্যু



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ১ নৱেম্বৰ ঃ** অতিমাৰীৰ নতুন আতংকলৈ দেশত সক্ৰিয় হৈ উঠিছে নিপা ভাইৰাছৰ সংক্ৰমণে। দেশৰ কেৰালাত বিগত চাৰি বছৰত তিনিগুণ বৃদ্ধি পালে নিপাৰ সংক্ৰমণ। অতি সম্প্ৰতি কেৰালাত নিপা ভাইৰাছৰ সংক্ৰমণত এজন যুৱকৰ মৃত্যু হোৱাৰ পাছৰে পৰা ভাৰতত এই ভাইৰাছৰ সংক্ৰমণক লৈ নতুন আতংকৰ সৃষ্টি হৈছে। উল্লেখ্য যে এই ভাইৰাছৰ প্ৰথম সন্ধান মালয়েছিয়াত লাভ কৰা হৈছিল। নিপাৰ এই সংক্ৰমণৰ সবাতোকৈ আতংকৰ দিশটো হৈছে এই ভাইৰাছৰ সংক্ৰমণত মৃত্যুৰ হাৰ ৫০ শতাংশৰ অধিক। তদুপৰি বৰ্তমান পৰ্যন্ত নিপা ভাইৰাছৰ কোনো প্ৰতিষেধক উদ্ভাৱন হোৱা নাই। মূলতঃ সংক্ৰমিত বাদুলিৰ জৰিয়তে এই ভাইৰাছৰ সংক্ৰমণ মানৱ দেহলৈ ঘটে।

## কাশ্মীৰত পুনৰ নজৰবন্দী হ'ল মেহবুবা মুফটি



**নিউজ ব্যুৰ'**
**শ্ৰীনগৰ, ১ নৱেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা পি ডি পিৰ নেত্ৰী মেহবুবা মুফটিক আকৌ এবাৰ প্ৰশাসনে নজৰবন্দী কৰিলে। আজি পি ডি পিৰ মুৰব্বীগৰাকীয়ে সন্ত্ৰাসবাদীৰ সংঘৰ্ষৰ সময়ত মৃত্যু হোৱা এজন যুৱকৰ পৰিয়ালৰ লোকক সাক্ষাৎ কৰিবলৈ যাবলৈ সাজু হোৱাৰ সময়তে প্ৰশাসনে তেওঁৰ বিৰুদ্ধে এই পদক্ষেপ গ্ৰহণ কৰে। উল্লেখ্য যে যোৱা ২৪ অক্টোবৰত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত অনন্তনাগত হোৱা এক সংঘৰ্ষত এজন যুৱকৰ মৃত্যু হৈছিল। আজি পি ডি পিৰ এজন নেতাই মেহবুবাক পুনৰ প্ৰশাসনে নজৰবন্দী কৰে বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। নেতাজনে লগতে কয় যে আৰক্ষীয়ে মেহবুবাৰ ঘৰৰ মুখ্য দুৱাৰ বন্ধ কৰি ৰখাৰ লগতে তেওঁৰ ঘৰৰ বাহিৰত এখন ম'বাইল বাংকাৰ নিয়োগ কৰিছে।

## পুত্ৰক লৈ চিন্তিত শ্বাহৰুখ, আৰিয়ানৰ বাবে নিয়োগ কৰিব পাৰে দেহৰক্ষী

**নিউজ ব্যুৰ', মুম্বাই, ১ নৱেম্বৰ ঃ** ২৬ দিন কাৰাগাৰত বন্দী হৈ থকাৰ পাছত জামিনত মুক্ত হৈ ঘৰলৈ উভতি অহা পুত্ৰ আৰিয়ান খানৰ ভৱিষ্যতক লৈ দু-চিন্তিত হৈছে পিতৃ মহাতাৰকা অভিনেতা শ্বাহৰুখ খান। কাৰাগাৰৰ পৰা মুক্ত হ'লেও আৰিয়ানক পূৰ্বৰ দৰে স্বাধীনতা উপভোগ কৰিবলৈ দিব বিচৰা নাই শ্বাহৰুখ আৰু তেওঁৰ পত্নী গৌৰী খানে। খান পৰিয়ালৰ ঘনিষ্ঠ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, আৰিয়ানৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ শ্বাহৰুখে এতিয়া নিৰাপত্তাৰক্ষী নিয়োগৰ কথা চিন্তা-চৰ্চা কৰিছে। জামিন লাভ কৰিলেও সম্প্ৰতি ঘৰতে থাকিব আৰিয়ান। সংবাদ মাধ্যমৰ পৰাও আৰিয়ানক পৰিয়ালৰ লোকে আঁতৰাই ৰাখিছে।





## হিন্দুৰ পক্ষত থিয় দি সাতদিনলৈ ফে'চবুকত 'নিৰ্বাসিত' লেখিকা তছলিমা

**নিউজ ব্যুৰ', নতুন দিল্লী, ১ নৱেম্বৰ ঃ** এইবাৰ ফে'চবুকৰ পৰা নিৰ্বাসিত হ'ল বাংলাদেশৰ স্বনিৰ্বাসিত লেখিকা তছলিমা নাছৰিন। সাতদিনৰ বাবে জনপ্ৰিয় লেখিকাৰ প্ৰ'ফাইলক নিষিদ্ধ ঘোষণা কৰিলে মাৰ্কিন সামাজিক মাধ্যম ফে'চবুকে। লেখিকাই নিজেই টুইটাৰত আজি এই কথা প্ৰকাশ কৰিলে। তিনিটা টুইটৰ জৰিয়তে তছলিমাই কি কাৰণত ফে'চবুকে তেওঁক সাময়িকভাৱে নিষিদ্ধ



কৰিলে সেই কথাও অৱগত কৰিছে। 'সত্য কথা কোৱাৰ বাবে সাতদিনলৈ মোক নিষিদ্ধ কৰিলে ফে'চবুকে। জানিব পৰা মতে, বাংলাদেশত হিন্দু নিৰ্যাতনৰ সন্দৰ্ভত মই প্ৰকাশ কৰা মতামতৰ কাৰণত ফে'চবুকে মোৰ বিৰুদ্ধে এই ব্যৱস্থা গ্ৰহণ কৰিলে।' বলিষ্ঠ মতামত প্ৰকাশৰ বাবে পৰিচিত বাংলাদেশৰ এইগৰাকী লেখিকাই ১৯৯৪ত জন্মভূমি ত্যাগ কৰিবলৈ বাধ্য হৈছিল। অৱশ্যে স্বদেশ ত্যাগ কৰি বিদেশত আশ্ৰয় গ্ৰহণ কৰিলেও তছলিমাক কণ্ঠৰোধ কৰাটো সম্ভৱ নহ'ল। ফে'চবুকৰ লগতে টুইটাৰতো তছলিমাই বিভিন্ন প্ৰসংগত নিজৰ মতামত মুক্তভাৱে প্ৰকাশ কৰি আহিছে। ফে'চবুকে সাময়িকভাৱে নিষিদ্ধ কৰাত আজি এক টুইটত তছলিমাই মাৰ্ক জুকাৰবাৰ্গৰ সামাজিক মাধ্যমটোক কটাক্ষ কৰি কয়, 'সাৱলীল মতামতৰ প্ৰতি আপত্তি জনালে জনপ্ৰিয় মাৰ্কিন ছ'চিয়েল মিডিয়া প্লেটফৰ্মে।'



## ২৬ নৱেম্বৰলৈকে দিলে সময়, অন্যথা পুনৰ দিল্লী ঘেৰাও কৰিব কৃষকে

**নিউজ ব্যুৰ', গাজিয়াবাদ, ১ নৱেম্বৰ ঃ** কৃষক নেতা ৰাকেশ টিকেইতে আজি টুইট কৰি কয় যে অহা ২৬ নৱেম্বৰৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে তিনিখন বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ ঘোষণা নকৰিলে কৃষকসকলে পুনৰ দিল্লীত ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিব। ভাৰতীয় কিষাণ ইউনিয়নৰ মুখপাত্ৰ টিকেইতে টুইটত কয়, 'কেন্দ্ৰীয় চৰকাৰৰ হাতত ২৬ নৱেম্বৰলৈকে সময় আছে। ইয়াৰ পাছত ২৭ নৱেম্বৰৰ পৰা কৃষকে গাঁৱৰ পৰা টেক্টৰত উঠি দিল্লীৰ চাৰিওফালে থকা আন্দোলনস্থলীত উপস্থিত হ'ব আৰু প্ৰতিবাদী আন্দোলন ব্যাপক কৰি তুলিব।' প্ৰতিবাদী কৃষকক চৰকাৰে বাধা দিলে পৰিণতি বিষম হ'ব পাৰে বুলিও কৃষক নেতাজনে চৰকাৰক সকীয়াই দিয়ে।

## দেশৰ ৪৮ জিলাত টিকাকৰণৰ প্ৰথমপালিৰ হাৰ ৫০ শতাংশৰ তলত



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১ নৱেম্বৰ ঃ** দেশত ১৮ উৰ্ধ্বৰ বয়সৰ লোকসকলৰ টিকাকৰণ অব্যাহত আছে। এই বয়সৰ জনসংখ্যাৰ তিনি-চতুৰ্থাংশৰ অধিকে বৰ্তমান পৰ্যন্ত কৰ'নাৰ প্ৰথমপালি প্ৰতিষেধক গ্ৰহণ কৰিছে। কিন্তু ইয়াৰ মাজতে উদ্বেগ বৃদ্ধি কৰিলে দেশৰ ৪৮ খন জিলাই। কিয়নো এই ৪৮ জিলাত টিকাকৰণৰ প্ৰথমপালিৰ হাৰ ৫০ শতাংশৰ তলত আছে। টিকাকৰণৰ হাৰত পিছুৱাই থকা ৪৮ জিলাৰ ২৭ খনেই হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ। ইয়াৰ মাজত মণিপুৰ আৰু নগালেণ্ডত আঠখন জিলা আছে। টিকাকৰণত পিছুৱাই থকা জিলাৰ সৰ্বাধিকসংখ্যক আছে ঝাৰখণ্ডত। এই ৰাজ্যৰ নখন জিলাত আৰু মহাৰাষ্ট্ৰ ছখন জিলাৰ লগতে দিল্লীৰ এখন জিলা প্ৰথমপালি টিকাকৰণৰ হাৰ ৫০ শতাংশৰ তলত আছে। অৰুণাচল প্ৰদেশৰ ছখন, মেঘালয়ৰ ছখন জিলাত প্ৰথম পালি প্ৰতিষেধক গ্ৰহণকাৰীৰ সংখ্যা ৫০ শতাংশৰ তলত আছে। তদুপৰি এই তালিকাত অসম, তামিলনাড়ু, হাৰিয়ানা, মিজোৰাম আৰু বিহাৰৰ এখনকৈ জিলা আছে। দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণৰ ক্ষেত্ৰত দেশৰ ভিতৰতে শীৰ্ষত আছে গুজৰাট, কৰ্ণাটক, ৰাজস্থান আৰু মধ্য প্ৰদেশ। বৰ্তমানলৈকে দেশত যোগ্য জনসংখ্যাৰ ৭৭.৪৪ শতাংশই প্ৰথম পালি আৰু ৩৫ শতাংশই দ্বিতীয় পালি প্ৰতিষেধক লাভ কৰিছে।

## কৰ'না সন্দৰ্ভত চীনক আক্ৰমণ বন্ধ কৰক ঃ আমেৰিকাক বাৰ্তা বেইজিঙৰ



**নিউজ ব্যুৰ', বেইজিং, ১ নৱেম্বৰ ঃ** কৰ'না ভাইৰাছৰ উৎস ক'ত? এই প্ৰশ্নৰ উত্তৰক লৈ চীন বিশ্বৰ বিভিন্ন দেশৰ দ্বাৰা আক্ৰমণৰ বলি হৈ আহিছে। চীনৰ উহানত ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰথম ধৰা পৰা হেতুকে আমেৰিকাই দাবী কৰি আহিছে যে চীনতে এই মাৰাত্মক ভাইৰাছৰ উৎস আছিল। কিন্তু চীনে দাবী কৰা অনুসৰি তেওঁলোকৰ দেশত নহয়, বৰঞ্চ আমেৰিকাতহে ক'ভিড-১৯ৰ প্ৰথম সংক্ৰমণ ধৰা পৰিছিল। শেহতীয়াভাৱে আমেৰিকাই এক প্ৰতিবেদনত উল্লেখ কৰি কৈছে যে চীনৰ সহযোগিতা অবিহনে কোনো দিনে ক'ভিড ভাইৰাছৰ উৎস নিৰ্ণয় কৰাটো সম্ভৱ নহ'ব। আমেৰিকাৰ এই প্ৰতিবেদনত ক্ষুব্ধ বেইজিঙে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে আমেৰিকাই এইদৰে চীনলৈ আঙুলি টোঁৱাৰ পূৰ্বে সাৱধান হোৱা উচিত। চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ উৱাং ৱেনবিনে এক বিবৃতিত কয় যে চীনে যোৱা আগষ্টতে আমেৰিকাৰ উক্ত প্ৰতিবেদনক কঠোৰভাৱে নিন্দা কৰিছিল। ৱেনবিনে কয়, 'আমেৰিকাই যিমানবাৰ প্ৰতিবেদন প্ৰকাশ নকৰক কিয়, এয়া হৈছে ৰাজনৈতিক আৰু মিথ্যাচাৰ। আমেৰিকাৰ চোৰাংচোৱা বাহিনীক যিদৰে ব্যৱহাৰ কৰা হৈছে, তাৰ পৰাই ৰাজনীতিকৰণৰ স্পষ্ট প্ৰমাণ লাভ কৰিব পাৰি। আমেৰিকাই চীনক কৰ'না প্ৰসংগত এইদৰে আক্ৰমণ কৰাটো বন্ধ কৰা উচিত।'

## বিশ্বক ক্ষুধামুক্ত কৰিব বিচাৰে ধনাঢ্য এলন মাস্কে ঃ ৰাষ্ট্ৰসংঘৰ পৰা বিচাৰিলে উপায়

**নিউজ ব্যুৰ'**
**টেক্সাছ, ১ নৱেম্বৰ ঃ** বিশ্বক ক্ষুধামুক্ত কৰিবলৈ আগুৱাই আহিল এই ধৰাৰ বৰ্তমানৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজন। বৈদ্যুতিক গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টেছলাৰ মুৰব্বী তথা বিশ্বৰ সবাতোকৈ ধনী ব্যক্তি এলন মাস্কে ঘোষণা কৰা অনুসৰি, তেওঁ এই বিশ্বৰ পৰা ক্ষুধাক বিদায় দিব বিচাৰে। যদিহে ৰাষ্ট্ৰসংঘই এই কথা প্ৰমাণ কৰিব পাৰে যে তেওঁ দান দিব বিচৰা ছয় বিলিয়ন ডলাৰৰ জৰিয়তে বিশ্বৰ পৰা ক্ষুধা দূৰ কৰিব পাৰি, তেন্তে এই ধন আগবঢ়াবলৈ তেওঁ সাজু আছে বুলি মাস্কে ঘোষণা কৰে। এক টুইটত মাস্কে কয়, 'যদি ডব্লিউ এফ পিয়ে ছয় বিলিয়ন ডলাৰৰ জৰিয়তে বিশ্বৰ পৰা কেনেকৈ ক্ষুধা দূৰ কৰিব পাৰি সেই কথা মোক অৱগত কৰিব পাৰে, তেন্তে মই



টেছলাৰ সকলো শ্বেয়াৰ বিক্ৰী কৰিবলৈ প্ৰস্তুত আছো।' উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ ডব্লিউ এফ পিৰ মুৰব্বী ডেভিড বেছলিয়ে এক সাক্ষাৎকাৰত অলপতে কৈছিল যে টেছলাৰ মুৰব্বীৰ মুঠ সম্পত্তিৰ মাত্ৰ দুই শতাংশ ধনে বিশ্বৰ পৰা ক্ষুধা সম্পূৰ্ণৰূপে আঁতৰ কৰিব পাৰিব। ডেভিডে লগতে কৈছিল যে এলন মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ ৩০০ বিলিয়ন ডলাৰতকৈ অধিক আৰু মাত্ৰ ছয় বিলিয়ন ডলাৰেৰে বিশ্বক ক্ষুধামুক্ত কৰা বাস্তৱত সম্ভৱ। ডেভিডে মাস্কৰ লগতে ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থানত থকা এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজ'ছৰ নাম উল্লেখ কৰি কৈছিল যে বিশ্বৰ এই দুই ধনাঢ্য ব্যক্তিয়ে ইচ্ছা কৰিলে পৃথিৱীৰ প্ৰতিজন মানুহকে দুবেলা দুসাঁজ আহাৰ যোগান ধৰিব পাৰে। মাস্কৰ দৰেই ধনাঢ্যই মাত্ৰ মুঠ সম্পত্তিৰ দুই শতাংশ দান কৰিলে বিশ্ব ক্ষুধামুক্ত হ'ব বুলি ৰাষ্ট্ৰসংঘৰ ডব্লিউ এফ পিৰ মুৰব্বীজনে দাবী কৰিছিল। ডেভিডৰ এই মন্তব্যৰ পাছতে টুইটাৰৰ জৰিয়তে মাস্কে কয় যে কিদৰে ছয় বিলিয়ন ডলাৰেৰে বিশ্বক ক্ষুধামুক্ত কৰিব পাৰি সেই সন্দৰ্ভত সবিশেষ তেওঁক ডব্লিউ এফ পিয়ে অৱগত কৰিলে এই ধনৰাশি দান কৰিবলৈ তেওঁ প্ৰস্তুত আছে।

## দৈনিক আক্ৰান্ত হ্ৰাস পালেও সংক্ৰমণৰ হাৰ বৃদ্ধি, মৃত্যু ২৫১



**নিউজ ব্যুৰ', নতুন দিল্লী, ১ নৱেম্বৰ ঃ** বিগত ২৪ ঘণ্টাত ভাৰতত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা সামান্য হ্ৰাস পালে। অৱশ্যে সংক্ৰমণৰ হাৰ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, বিগত এদিনত দেশত নতুনকৈ ১২,৫১৪ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বৰ্তমানলৈকে ভাৰতত মুঠ তিনি কোটি ৪২ লাখ ৮৫ হেজাৰ ৮১৪ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বিগত এদিনত দেশত ক'ভিড ৰোগীৰ মৃত্যুৰ সংখ্যাও ২৫১ জনলৈ হ্ৰাস পালে। বিগত নদিন ধৰি ভাৰতত দৈনিক ক'ভিড মৃত্যুৰ সংখ্যা ৩৫০ৰ উৰ্ধ্বত আছিল। অৱশ্যে দেশত ক'ভিডৰ সংক্ৰমণৰ হাৰ ১.৪২ শতাংশলৈ বৃদ্ধি পালে।

## বেংকৰ নামত ম'বাইললৈ প্ৰেৰণ কৰা বাৰ্তাৰ ক্ষেত্ৰত সতৰ্ক হ'বলৈ পৰামৰ্শ এছ বি আইৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১ নৱেম্বৰ ঃ** প্ৰতিদিনে জালিয়াতি চক্ৰই ন ন কৌশলৰে সক্ৰিয় হৈ উঠিছে। বিশেষকৈ বেংকৰ একাউণ্টধাৰকসকলক জালিয়াতি চক্ৰই নানা পদ্ধতিৰে জালত পেলাই বেংকৰ সঞ্চিত ধন লুট কৰি আহিছে। শেহতীয়াভাৱে এনে প্ৰৱঞ্চনাকাৰী চক্ৰই ম'বাইল ফোনলৈ বেংকৰ নামত কে ৱাই চি 'আপডেট'ৰ নামত বাৰ্তা প্ৰেৰণ কৰি বিভিন্ন লোকক বিত্তীয় প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত দেশৰ সৰ্ববৃহৎ বেংক ভাৰতীয় ষ্টেট বেংক (এছ বি আই)-এ গ্ৰাহকসকলক সতৰ্ক কৰিলে। ম'বাইললৈ অহা যিকোনো বাৰ্তা বিপদজ্জনক হ'ব পাৰে বুলি এছ বি আয়ে গ্ৰাহকক সকীয়নি দি কয় যে গ্ৰাহকে যাতে ম'বাইল বাৰ্তা বা ই-মেইলত লাভ কৰা ভুৱা বাৰ্তাৰ ফান্দত নপৰে তাৰ বাবে সতৰ্ক থাকক। এছ বি আয়ে লগতে কয় যে ষ্টেট বেংকে গ্ৰাহকলৈ কোনো বাৰ্তা প্ৰেৰণ কৰিলে আৰম্ভণিতে 'এছ বি আই' বা 'এছ বি' বুলি উল্লেখ কৰা থাকে। অপৰিচিত কোনো উৎসৰ ম'বাইল বাৰ্তা প্ৰত্যক্ষ কৰিলে ষ্টেট বেংকৰ গ্ৰাহকে ১৮০০১১২২১১ নম্বৰলৈ ফোন কৰি অভিযোগ দাখিল কৰিব পাৰিব। যিকোনো সমস্যাৰ ক্ষেত্ৰত গ্ৰাহকসকলক নিজৰ বেংকৰ শাখাৰ স'তে যোগাযোগ কৰিবলৈকো এছ বি আয়ে পৰামৰ্শ দিয়ে।



# গোৱালপাৰাৰ চাৰি সমষ্টিৰ ভোটাৰৰ সংখ্যা হ'ল ৭,৬৫,৫৮০ গৰাকী

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১ নৱেম্বৰ ঃ** আজি প্ৰকাশিত খচৰা ভোটাৰ তালিকা মতে জিলাখনৰ চাৰিওটা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হ'ল ৭,৬৫,৫৮০ জন। ইয়াৰে জনজাতিৰ বাবে সংৰক্ষিত দুধনৈ সমষ্টিৰ মুঠ ২,০৬,৭৫৭ গৰাকী ভোটাৰৰ ভিতৰত পুৰুষ ১,০১,১৮১ গৰাকী, মহিলা ১,০৫,৫৭৩ আৰু তৃতীয় লিংগৰ ভোটাৰ হল তিনি গৰাকী । ইপিনে, ৩৭ নম্বৰ গোৱালপাৰা পূব সমষ্টিৰ মুঠ ২১৯৪২৪ গৰাকী ভোটাৰৰ ভিতৰত পুৰুষ ভোটাৰ ১,০৯,৭৪০ গৰাকী, মহিলা ১,০৯,৬৭৬ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হ'ল আঠ গৰাকী। ৩৮ নম্বৰ গোৱালপাৰা পশ্চিম সমষ্টিৰ মুঠ ১,৭৫,৫৮০ গৰাকী ভোটাৰৰ ভিতৰত পুৰুষ ভোটাৰ হ'ল ৮৯,১২৯ গৰাকী, মহিলা ৮৬,৪৫০ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হ'ল এগৰাকী। ৩৯ নম্বৰ জলেশ্বৰ সমষ্টিৰ মুঠ ১,৬৩,৮১৯ গৰাকী ভোটাৰৰ ভিতৰত পুৰুষ ৮৩,২৮৬ গৰাকী, মহিলা ৮০,৫৩১ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ হ'ল দুগৰাকী। উল্লেখ্য যে যোৱা বিধানসভা নিৰ্বাচনৰ তুলনাত জিলাখনৰ চাৰিওটা সমষ্টিত মুঠ ৮৬৯ গৰাকী ভোটাৰ বৃদ্ধি পাইছে। ইয়াৰে দুধনৈ সমষ্টিত ২৮১ আৰু গোৱালপাৰা পূৱত ৩৪৭১ গৰাকী ভোটাৰ হ্ৰাস পোৱাৰ বিপৰীতে গোৱালপাৰা পশ্চিম সমষ্টিত ৭৩৯ গৰাকী আৰু জলেশ্বৰ সমষ্টিত ৩,৮৮২ গৰাকী ভোটাৰ বৃদ্ধি পাইছে। ইপিনে, দুধনৈ সমষ্টিৰ বাবে ২৬৮ টা , গোৱালপাৰা পূৱত ২৭৬ টা, গোৱালপাৰা পশ্চিমত ২১২টা আৰু জলেশ্বৰত ১৯০, মুঠ ৯৪৬ টা ভোট কেন্দ্ৰ আছে । খচৰা ভোটাৰ তালিকা প্ৰকাশ সম্পৰ্কে আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এক সংবাদমেল সম্বোধন কৰি জিলা নিৰ্বাচনী বিষয়া তথা জিলা উপায়ুক্ত মিনাক্ষী দাস নাথে কয় যে আজিৰে পৰা অহা ৩০ নৱেম্বৰলৈকে ওজৰ-আপত্তি গ্ৰহণ কৰা হ'ব। অহা ২০ ডিচেম্বৰৰ ভিতৰত ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰাৰ পাছত ২০২২ৰ পাঁচ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। জিলা উন্নয়ন আয়ুক্ত অশ্ৰুমণি মালাকাৰে আতধৰা সংবাদমেলখনত কোনো আসোঁৱাহ নথকা এখন শুদ্ধ ভোটাৰ তালিকা প্ৰকাশৰ ক্ষেত্ৰত সকলোৱে সহায়-সহযোগিতা কামনা কৰিছে ।

# বাগানপাৰাত ধৰ্ষণকাৰী-হত্যাকাৰীক ফাঁচিৰ দাবীত মহিলাৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**বাগানপাৰা, ১ নৱেম্বৰ ঃ** দলবদ্ধ ধৰ্ষণ আৰু হত্যাৰ বলি হোৱা যুৱতীগৰাকীৰ হত্যাকাৰীক কৰায়ত্ত কৰি ফাঁচি দিয়াৰ দাবীত আজি পুনৰ উত্তাল হৈ পৰিল বাগ্‌সা জিলাৰ বাগানপাৰা। বাগানপাৰা আঞ্চলিক আদিবাসী মহিলা সমিতিৰ উদ্যোগত সহস্ৰাধিক পুৰুষ-মহিলাই বাগানপাৰাৰ ৰাজপথেৰে সমদল কৰি গৈ ঘেৰাও কৰে বাগানপাৰা আৰক্ষী চকী। প্ৰায় এঘণ্টা সময় ধৰি বাগানপাৰা আৰক্ষী চকী ঘেৰাও কৰি প্ৰতিবাদকাৰীসকলে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে 'যুৱতী হত্যাকাৰীক কৰায়ত্ত কৰক, অসম আৰক্ষী মুৰ্দাবাদ, হত্যাকাৰীক ফাঁচি দিয়ক, অসম চৰকাৰ হায় হায়, প্ৰমোদ বড়োৰ কাম নাই' আদি শ্ল'গান দি বাগানপাৰা আৰক্ষী চকীৰ চৌহদ উত্তাল কৰি তোলে। উল্লেখ্য যে যোৱা ২৪ অক্টোবৰৰ নিশা দুৰ্বৃত্তই বাগানপাৰাৰ নিকটৱৰ্তী উত্তৰপাৰাৰ এগৰাকী যুৱতীক দলবদ্ধ ধৰ্ষণ কৰি নৃশংসভাৱে হত্যা কৰিছিল। এই ঘটনাৰ পাছত আৰক্ষীয়ে তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে যদিও আৰক্ষীৰ ভূমিকাত সন্তুষ্ট নহয় স্থানীয় দল-সংগঠন তথা ৰাইজ। আৰক্ষীয়ে যি ধৰণে পদক্ষেপ ল'ব লাগিছিল সেই ধৰণে নোলোৱাৰ অভিযোগ তুলি আজি পুনৰ সহস্ৰাধিক পুৰুষ-মহিলাই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদী মহিলাসকলে অতি শীঘ্ৰে যুৱতী হত্যাৰ লগত জড়িতসকলক গ্ৰেপ্তাৰ কৰি ফাঁচি দিয়াৰ দাবী জনায়।

# প্ৰাক্তন খেলুৱৈ-সমাজকৰ্মী সুশীল হাজৰিকাৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১ নৱেম্বৰ ঃ** চাৰিগাঁও কমাৰগাঁও নিবাসী প্ৰাক্তন সৈনিক তথা সমাজকৰ্মী সুশীল হাজৰিকা (৬৬)ৰ কালি যোৰহাটৰ এখন চিকিৎসালয়ত মৃত্যু হয়। সুস্বাস্থ্যৰ অধিকাৰী হাজৰিকা যোৱা ৩০ অক্টোবৰত ঘৰৰ ওচৰৰে এঘৰত নাম গাই থাকোতে হৃদৰোগত আক্ৰান্ত হৈ তেওঁক লগে লগে চিকিৎসালয়লৈ নিয়া হয় যদিও কালি তাতে মৃত্যুক আঁকোৱালি লয়। শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ এজন সক্ৰিয় সদস্য তথা নামাচাৰ্য, প্ৰাক্তন খেলুৱৈ হাজৰিকা অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল।

মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ-কন্যা এৰি যোৱা হাজৰিকাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছা পৰিছে।

# শয্যাগত অৱস্থাত বিছনাৰ পৰাই 'মোৰ জীৱন সোঁৱৰণ' উন্মোচন



অগ্ৰদূত বাৰ্তা
দলগাঁও, ১ নৱেম্বৰ ঃ দৰং জিলাৰ দলগাঁৱৰ অশীতিপৰ শিক্ষাবিদ, সমাজকৰ্মী আছাৰ আলীৰ জীৱনীমূলক গ্ৰন্থ আজি বাসভৱনত উন্মোচন কৰে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° অমৰেন্দ্ৰ নাৰায়ণে। দলগাঁও হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক আছাৰ আলী দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত ৰোগত শয্যাশায়ী হৈ আছে। আজি তেওঁৰ ৯১সংখ্যক জন্মদিনটোতে ওপজা দিনৰ লগত সংগতি ৰাখি দৰং জিলা সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা 'মোৰ জীৱন সোঁৱৰণ' আত্মকথন নামৰ আত্মজীৱনীখনৰ প্ৰথম খণ্ড দৰং জিলা সাহিত্য সভাৰ গৰিষ্ঠ সংখ্যক বিষয়ববীয়াৰ উপস্থিতিত উন্মোচন কৰে জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট চিকিৎসক ড° অমৰেন্দ্ৰ নাৰায়ণে। উন্মোচনী ভাষণত তেওঁ কয় যে আছাৰ আলী মোৰ বাবে একলব্য, জীৱনত বহু উপকাৰ লাভ কৰিছো। তেওঁৰ ব্যক্তিত্বই দৰং জিলাক প্ৰভাৱিত কৰে। আছাৰ আলীৰ জীৱন পৰিক্ৰমা মহান, দলগাঁৱৰ দৰে ঠাইত সমাজৰ নেতৃত্ব দিছিল। 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থখনত অমৃত লুকাই আছে, যিয়ে সেই অমৃত লাভ কৰিব। তেওঁ চিৰজীৱন নমস্য হৈ থাকিব বুলিও কয়। দৰং জিলা সাহত্য সভাৰ সভাপতি শৈলেন্দ্ৰ ৰাজবংশীয়ে কয় যে ১৯৯৯তে সম্পাদক হৈ থকা সময়তে নৱপ্ৰজন্মৰ কামত অহাকৈ আছাৰ আলীক আত্মজীৱনী লিখিবলৈ কৈছিল। প্ৰাক্তন সভাপতি ছহিৰ ভূঞাই আছাৰ আলীক সমন্বয়ৰ প্ৰতীক, সমাজহিতৈষী আৰু সাগৰ সদৃশ হৃদয়ৰ আছিল বুলি কয়। দলগাঁৱৰ বিশিষ্ট নাগৰিক সাধন মজুমদাৰে ওপজা দিনটোত শুভেচ্ছা জনাই ভাষণ দিয়ে। আলীৰ পুত্ৰ তথা দলগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ গাজী ছালেহউদ্দিন আনোৱাৰ হুছেইনে আত্মজীৱনীখন প্ৰকাশৰ বাবে দৰং জিলা সাহিত্য সভাক কৃতজ্ঞতা জনায়। তেওঁ দেউতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সমাজৰ হকে কাম কৰি যাব বুলি কয়। গ্ৰন্থখনৰ সম্পাদক জীয়ৰী শ্বৱনম গুলচন।। গ্ৰন্থ উন্মোচনৰ পূৰ্বে জিলা সাহিত্য সভাৰ তৰফৰ পৰা আছাৰ আলীক ফুলাম গামোচা, জাপি, গ্ৰন্থৰে সম্বৰ্ধনা জনায়। আলীয়ে বিছনাতে পৰিয়ালৰ লোকৰ উপস্থিতিত ৯১সংখ্যক জন্মদিনৰ কেক কাটে। সভাত পৰিয়ালৰ সদস্যসকলৰ উপৰি উপস্থিত থাকে অৱসৰী অধ্যক্ষ চন্দ্ৰ কান্ত হাজৰিকা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক সৎৰাম ডেকা, প্ৰকাশন আহ্বায়ক হেৰম্ব কুমাৰ নাথ, সমাজসেৱী ৰুণু দেৱী, বিশিষ্ট সাহিত্যিক প্ৰমোদ ৰঞ্জন সাহা, খবিৰ আহমেদ, সাংবাদিক মোবাৰক হুছেইন, কাউঞ্চিলৰ ৰেকিবুৰ ৰহমান আদি নাগৰিক । শলাগৰ শৰাই আগবঢ়ায় হেৰম্ব কুমাৰ নাথে।

■ মাৰাথন দৌৰ-বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান

# বাসুগাঁও গুৰুকুল নেচনেল স্কুলৰ প্ৰতিষ্ঠা দিৱস পালন



**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ১ নৱেম্বৰ ঃ** ২০১৬ত স্থাপিত চিৰাং জিলাৰ গুণগত শিক্ষাদানত ব্ৰতী আগশাৰীৰ শিক্ষানুষ্ঠান গুৰুকুল নেচনেল স্কুলৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা ৩১ অক্টোবৰত পালন কৰা হয়। এই উপলক্ষে পুৱা মাৰাথন দৌৰ অনুষ্ঠিত হয়। সন্ধিয়া বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যক্ৰমণিকাৰে পালন কৰা হয়। পুৱা স্কুলৰ অধ্যক্ষ বিজিত নাথে মাৰাথন দৌৰৰ ইতিহাস, প্ৰয়োজনীয়তা আদিৰ ওপৰত চমু বক্তব্য দাঙি ধৰি পতাকা জোঁকাৰি মাৰাথন দৌৰ মুকলি কৰে। সন্ধিয়া স্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু আমন্ত্ৰিত অতিথিৰ উপস্থিতিত আৰম্ভণিতে বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী মুকলি কৰা হয়। ইয়াৰ অন্তত শিক্ষক সুচান উপাধ্যায়, ৰজনী বসুমতাৰী, ছাংগ্ৰাং বসুমতাৰী, শিক্ষয়িত্ৰী সীমা ব্ৰহ্ম, ছাত্ৰী প্ৰিয়াংসী বসুমতাৰী, ৰশ্মি বসুমতাৰী, ছাত্ৰ নিউটন ৰায়, সংগীত শিক্ষক জ্যোতিৰ্ময় নাথ, ৱাৰ্ডেন প্ৰসেনজিৎ সিং চৌধুৰী আদিৰ সুপৰিচালনাত অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত, কবিতা আবৃত্তি, মহৎ লোকৰ চমু জীৱনী পাঠ কৰাৰ উপৰি স্কুলৰ শিক্ষক বৰুণ বৰ্মন, সঞ্জীৱ সোনাৰ আদিৰ গীতে পৰিৱেশটোক অন্য মাত্ৰা প্ৰদান কৰে। ইয়াৰ মাজতে অধ্যক্ষই স্কুলৰ খতিয়ান দাঙি ধৰি কম দিনৰ ভিতৰতে ছাত্ৰ-ছাত্ৰী, অভিভাৱক, স্কুল মেনেজমেণ্ট কমিটী আদি সকলোৱে সহায়-সহযোগত কেনেদৰে স্কুলখন উন্নয়নৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হ'ল তাৰ ওপৰত বক্তব্য দাঙি ধৰে। উল্লেখ্য যে অনুষ্ঠানৰ মাজতে স্কুলখনৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকক সম্বৰ্ধনা জনোৱা হয়।

# কৰ'নাত পুনৰ দুদিনত তেজপুৰত তিনিজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাত চৰকাৰী তথ্য অনুসৰি ক'ভিড আক্ৰান্তৰ সংখ্যা নিয়ন্ত্ৰিত অৱস্থাত আছে যদিও আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। ইয়াৰ সমান্তৰালকৈ বৃদ্ধি পাইছে মৃতকৰ সংখ্যাও। আজি জিলাখনত দুজন আৰু কালি আন এজনৰ ক'ভিডত আক্ৰান্ত হৈ মৃত্যু হয়। আজি জিলাখনৰ তেজপুৰ এম চি পথৰ বিধান কুমাৰ দে (৫৫) আৰু বালিপৰাৰ নৰেশ্বৰ দাস (৭৫) নামৰ লোক দুজনৰ কৰ'নাত মৃত্যু হয়। আনহাতে, কালি তেজপুৰৰ উদয়নপুৰৰ ফুলেশ্বৰ মেচি (৬৭) নামৰ লোকজনৰ মৃত্যু হৈছিল কৰ'নাত। আজি জিলাখনত পুনৰ ১৩ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে কালি সাতজনকৈ লোক আক্ৰান্ত হৈছিল।

# বিজেপিৰ লাকুৱা মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ১ নৱেম্বৰ ঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত বিজেপিৰ লাকুৱা মণ্ডলৰ ষষ্ঠখন মণ্ডল কাৰ্যনিৰ্বাহক সভা আজি গড়গাঁও পঞ্চায়তৰ অন্তৰ্গত মণিপুৰী কলা-কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। কাৰ্যনিৰ্বাহত উপস্থিত থাকে মাহমৰা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহন, বিজেপিৰ অসম ৰাজ্যিক মহিলা মৰ্চাৰ উপ-সভাপতি অলি মহন, বিজেপিৰ চৰাইদেউ জিলাৰ উপ-সভাপতি ৰ'জকমল মহন, লাকুৱা মণ্ডলৰ সভাপতি ৰাতুল গগৈ, যুটীয়া সম্পাদক ত্ৰৈলোক্য গগৈ, চৰাইদেউ জিলাৰ অবিচি মৰ্চাৰ সভাপতি অৰুণ চাংমাই, কৃষাণ মৰ্চাৰ লাকুৱা মণ্ডলৰ সভাপতি মহেন্দ্ৰ সন্দিকৈ, ৰাজ্যিক অবিচি মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য নৱ কোঁৱৰ, জিলা পৰিষদৰ সদস্যা মুনুমণি দত্তৰ লগতে লাকুৱা মণ্ডলৰ সমূহ কাৰ্যকৰ্তাসকল। সভাৰ আৰম্ভণিৰ পূৰ্বে লাকুৱা মণ্ডলৰ প্ৰতিটো বুথৰ সভাপতিক ভাৰত মাতা, দীনদয়াল উপাধ্যায় ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ প্ৰতিচ্ছবি প্ৰদান কৰা হয়। লাকুৱা মণ্ডলৰ যুটীয়া সম্পাদক ত্ৰৈলোক্য গগৈয়ে আঁত ধৰি উক্ত কাৰ্যনিৰ্বাহক সভাত আগন্তুক দিনৰ কাৰ্যক্ৰমণিকাৰ ওপৰত আলোচনা কৰা হয়।

# চিআৰপিএফৰ ১৫৬ নম্বৰ বেটেলিয়নৰ ৰাষ্ট্ৰীয় একতা দিৱস পালন



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১ নৱেম্বৰ ঃ** যোৱা ৩১ অক্টোবৰত ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে চিআৰপিএফৰ ১৫৬ বেটেলিয়নৰ উদ্যোগত ঢালিগাঁও কুকুৰমাৰীস্থিত বেটেলিয়নটোৰ মুখ্য কাৰ্যালয়ত উৎসাহ-উদ্দীপনাৰে উদ্‌যাপন কৰে ৰাষ্ট্ৰীয় একতা দিৱস। ৩১ অক্টোবৰৰ দিনটো চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম জয়ন্তী উপলক্ষে ৰাষ্ট্ৰখনে ৰাষ্ট্ৰীয় একতা দিৱসক স্মৰণ কৰে। ভাৰতৰ প্ৰথম গৃহমন্ত্ৰী আৰু উপ-প্ৰধানমন্ত্ৰী তথা ভাৰতৰ লৌহ পুৰুষ বুলি পৰিচিত চৰ্দাৰ বল্লভ ভাই পেটেলে ভাৰতৰ স্বাধীনতাৰ পাছত দেশক একত্ৰিত কৰাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৫৬ বিএনচিআৰপিএফে 'ৰাণ ফৰ ইউনিটি'ৰ আয়োজন কৰে, য'ত ১৫৬ বিএনচিআৰপিএফৰ বিষয়া আৰু জোৱানসকলৰ অংশগ্ৰহণ আছিল উৎসাহী। ৰাণ ফৰ ইউনিটিৰ মুকলি কৰে বেটেলিয়নটোৰ দ্বিতীয় আইচি কমাণ্ডেণ্ট কৈলাশ নাথে। এই বছৰৰ বিষয়বস্তু হৈছে 'ভাৰতৰ একত্ৰীকৰণ'। এই দিনটোতে চিআৰপিএফৰ ১৫৬ নম্বৰ বেটেলিয়নে সফলতাৰে ৰাষ্ট্ৰীয় একতা দিৱস সম্পৰ্কে সজাগতা সৃষ্টি কৰে আৰু চৰ্দাৰ পেটেলক সন্মানিত কৰে। দৌৰ আৰম্ভ হোৱাৰ পাছত ১৫৬ বিএনচিআৰপিএফৰ সকলো সদস্যই ৰাষ্ট্ৰৰ একতা আৰু অখণ্ডতা বজাই ৰখাৰ প্ৰতিশ্ৰুতি লয়।

# চিকিৎসকৰ কৰ্মবিৰতিত অচল অৱস্থা দেওমৰনৈত

**অগ্ৰদূত বাৰ্তা**
**দেওমৰনৈ, ১ নৱেম্বৰ ঃ** চিকিৎসকৰ পুনৰ কৰ্মবিৰতিত অচল অৱস্থাৰ সৃষ্টি হৈছে দৰং জিলাৰ দেওমৰনৈ সামূহিক স্বাস্থ্য কেন্দ্ৰত। জিলাখনৰ উত্তৰ-পশ্চিম অংশৰ বৃহত্তৰ গ্ৰাম্য অঞ্চলৰ লোকসকলৰ চিকিৎসা সেৱাৰ আশ্ৰয় স্থল দেওমৰনৈ সামূহিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসকৰ কৰ্মবিৰতিৰ বাবে ৰোগীসকলে দুৰ্ভোগ ভুগিছে। অসম চিকিৎসা সেৱা সন্থা চমুকৈ 'আমছা'ৰ আহ্বানত এই কৰ্মবিৰতি ৰূপায়ণ কৰে দেওমৰনৈ সামূহিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকসকলে। এই সময়ছোৱাত স্বাস্থ্য কেন্দ্ৰৰ বহিঃসেৱা বিভাগ সম্পূৰ্ণৰূপে বন্ধ থকাৰ বিপৰীতে জৰুৰীকালীন সেৱা অব্যাহত থাকে যদিও ৰোগীসকলে বাৰুকৈয়ে সমস্যাৰ সন্মুখীন হয়। অহা তিনি নৱেম্বৰত এই কৰ্মবিৰতি অব্যাহত থাকিব।

# সৰুপথাৰত ৰাজ্যিক কৃষক সভা নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ প্ৰতিবাদ



**সৰুপথাৰ, ১ নৱেম্বৰ ঃ** ধনশিৰি মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখত আজি অসম ৰাজ্যিক কৃষক সভা আৰু সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ ধনশিৰি আৰু উৰিয়ামঘাট আঞ্চলিক কমিটীয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁলোকে ধনশিৰি মহকুমাৰ খৰাংপীড়িত কৃষকসকলক মাহে ৮৫০০ টকাকৈ ১২ মাহৰ বাবে দিবলৈ, খৰাংপীড়িত সকলো কৃষকক এমজি এনৰেগাৰ অধীনত আগন্তুক ২০২২ৰ পহিলা জানুৱাৰীৰ পৰা সম্পূৰ্ণ কাম দিয়াৰ ব্যৱস্থা, ধনশিৰি মহকুমাৰ শ্ৰম কাৰ্যালয়ত নীতি বহিৰ্ভূতভাৱে চলা কামসমূহ বন্ধ, সকলো দখলীকৃত লোকক মাটিৰ পট্টা আৰু সৰ্বসাধাৰণ জনতাক কোঙা কৰা মূল্যবৃদ্ধি ৰোধ কৰিবলৈ দাবী জনাই ধনশিৰি মহকুমাৰ মহকুমাধিপতিৰ হাতত এক চাৰিদফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ অৰ্পণ কৰে। তেওঁলোকৰ এই প্ৰতিবাদী কাৰ্যসূচীত শতাধিক লোক উপস্থিত থাকি 'মূল্যবৃদ্ধিৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তোলক, আৱাজ দ', নিৰ্মাণ শ্ৰমিক ইউনিয়ন জিন্দাবাদ, অসম ৰাজ্যিক কৃষক সভা জিন্দাবাদ, ইনক্লাব জিন্দাবাদ, জীয়াই থকাৰ সংগ্ৰামত শ্ৰমিকসকল এক হওক, মূল্যবৃদ্ধি ৰোধ কৰক' শ্ল'গানেৰে সম্পূৰ্ণ পৰিৱেশ উত্তাল কৰি তোলে।

# বাৰাপেটাত চাৰি বছৰে অসম্পূৰ্ণ দলং সম্পূৰ্ণ কৰাৰ দাবী ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১ নৱেম্বৰ ঃ** আজি বাগ্‌সাৰ বাৰাপেটাত এখন দলঙৰ বাবে ওলাই আহিছে ৰাইজ। পাঁচ বছৰে অসম্পূৰ্ণ হৈ আছে বাগ্‌সাৰ শালবাৰীৰ খাৰিজা বিজনীৰ বাৰাপেটা মিলন বজাৰ য-বৰপেটাৰোড সংযোগী দলংখন। ঠিকাদাৰৰ হেমাহিৰ বাবেই বছৰ বছৰ ধৰি দলঙৰ অভাৱত জীয়াতু ভুগিবলগীয়া হৈছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজ। উল্লেখ্য যে ওলটাই খুন্দা উপনৈৰ ওপৰত থকা পূৰ্বৰ জৰাজীৰ্ণ কাঠৰ দলংখন ভাঙি উক্ত স্থানত এখন পকী দলং নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। কিন্তু কোকাৰাঝাৰ নিবাসী ঠিকাদাৰ মনোৰঞ্জন ব্ৰহ্মৰ চূড়ান্ত হেমাহিৰ বাবেই বিগত চাৰি-পাঁচ বছৰ ধৰি দলংখন নিৰ্মাণ সম্পূৰ্ণ হৈ নুঠাৰ অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজে। বাৰিষা আহিলেই উক্ত স্থানেৰে ভগ্ন সাঁকোৰেই বিপদসংকুল যাত্ৰা কৰিবলগীয়া হয় অঞ্চলটোৰ ৰাইজ। যাৰ ফলত আজি অঞ্চলটোৰ একাংশ ৰাইজ ওলাই আহি ঠিকাদাৰৰ লগতে বিটিচি প্ৰশাসন আৰু অসম চৰকাৰৰ বিৰুদ্ধে শ্ল'গান দিয়ে।

■ পুত্ৰক বিচাৰি হাৰাশাস্তি বৃদ্ধা মাতৃৰ

# মুকালমুৱাত দুমাহ ধৰি সন্ধানহীন যুৱক

**বিশেষ সংবাদদাতা**
**নলবাৰী, ১ নৱেম্বৰ ঃ** বিগত দুমাহ ধৰি সন্ধানহীন হৈ আছে নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত সাপকাটাৰ মানসিক বিকাৰগ্ৰস্ত এজন যুৱক। পৰিয়ালে প্ৰকাশ কৰা অনুসৰি সাপকাটা গাঁৱৰ দ্বিজেন ডেকা নামৰ মানসিক বিকাৰগ্ৰস্ত যুৱকজন যোৱা দুই ছেপ্টেম্বৰৰ দুপৰীয়া ঘৰৰ পৰা ওলাই গৈ আজিও ঘূৰি অহা নাই। গাঁওখনৰ দ্বীপচৰণ ডেকাৰ একমাত্ৰ পুত্ৰ দ্বিজেন বহু বছৰ ধৰি মানসিক ৰোগত আক্ৰান্ত হৈ আছে। দুৰ্ভগীয়া পৰিয়ালটোৱে মানসিক ৰোগত আক্ৰান্ত যুৱকজনক বহুবাৰ তেজপুৰ মানসিক চিকিৎসালয়ত চিকিৎসা কৰোৱাইছে যদিও আজিও দ্বিজেন সম্পূৰ্ণ সুস্থ হৈ নুঠিল। ঔষধ ব্যৱহাৰ কৰি থকা অৱস্থাত তেওঁৰ কিছু পৰিমাণে মানসিক সন্তুলন থাকে যদিও দুই-এদিন ঔষধ ব্যৱহাৰ নকৰিলেই পুনৰ বিভিন্ন অস্বাভাৱিক আচৰণ কৰিবলৈ ধৰে। ইফালে, একমাত্ৰ পুত্ৰ সন্ধানহীন হৈ পৰাত ভাগি পৰিছে তেওঁৰ মাতৃ। দুৰ্ভগীয়া মাতৃয়ে পুত্ৰৰ ঔষধ লৈ আজিও ৰৈ আছে ৩২ বছৰীয়া একমাত্ৰ ৰুগীয়া সন্ধানহীন পুত্ৰৰ অপেক্ষাত। মাতৃৰ আশা ৰুগীয়া পুত্ৰ ঘৰলৈ ঘূৰি আহিলে এই ঔষধেৰে পুত্ৰক আকৌ সুস্থ কৰি তুলিব। ইতিমধ্যে মুকালমুৱা আৰক্ষী থানাত দুৰ্ভগীয়া মাতৃয়ে পুত্ৰৰ সন্ধান দিয়াৰ বাবে এজাহাৰ দাখিল কৰিছে যদিও আৰক্ষীয়ে এতিয়ালৈকে সন্ধান উলিয়াব পৰা নাই। প্ৰতিবাৰ দুৰ্ভগীয়া মাতৃ আৰক্ষী থানালৈ গ'লে আৰক্ষীৰ হেনো এটাই উত্তৰ, 'আপোনাৰ পুত্ৰৰ একো অঘটন হোৱা নাই অঘটন হ'লে আমি খবৰ পালোহেঁতেন। আপোনাৰ পুত্ৰ নিশ্চয় ঠিকে আছে।' এতিয়া দুৰ্ভগীয়া বৃদ্ধা মাতৃ, পত্নী পূৰবী ডেকা আৰু সাত বছৰীয়া কন্যা কৃষ্ণামণি ডেকাই আগ্ৰহেৰে বাট চাই ৰৈছে দ্বিজেন ঘৰলৈ ঘূৰি অহাটো। কোনো ব্যক্তিয়ে এই মানসিক বিকাৰগ্ৰস্ত লোকজনৰ কোনো সম্ভেদ পালে ওচৰৰ আৰক্ষী থানাত খবৰ দিয়াৰ লগতে ৯৩৬৫৭৩৭৯৩৫ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে তেওঁৰ মাতৃ, পত্নী আৰু কন্যাই।

# হোজাইত ১৭টা খোৱা পানী ফেক্টৰী বন্ধৰ নিৰ্দেশ উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ১ নৱেম্বৰ ঃ** হোজাই জিলাৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে এক নিৰ্দেশ যোগে জিলাখনত অবৈধভাৱে চলি থকা কে'বাটাও খোৱা পানীৰ ফেক্টৰী বন্ধৰ নিৰ্দেশ দিছে। জিলা উপায়ুক্ত তথা দণ্ডাধীশ চৌধুৰীয়ে এইচ জে এম/১৮/২০১৭ নম্বৰ নিৰ্দেশযোগে হোজাইৰ সাতটা, লংকাৰ পাঁচটা আৰু লামডিঙৰ পাঁচটা এনে অবৈধ খোৱা পানীৰ ফেক্টৰী বন্ধৰ নিৰ্দেশ দিছে। নিৰ্দেশটোত হোজাইৰ বাবু ঘোষৰ 'ডাক্তৰ একুৱা, অজয় দেবনাথৰ 'ফ্ৰেচ একুৱা, বিপুল পণ্ডিতৰ বজ্ৰৰং একুৱা, গণেশ মজুমদাৰৰ জি এছ এছ ৱাটাৰ, সুকুমাৰ বিশ্বাসৰ কৃষ্ণা ৱাটাৰ, ৰাজু পালৰ কৈলাশ একুৱা আৰু কমল দাসৰ 'দো ড্ৰোপ' নামৰ ফেক্টৰীকেইটাত খোৱা পানীৰ বাবে প্ৰয়োজন হোৱা নথিপত্ৰ নথকাৰ বাবে বন্ধৰ নিৰ্দেশ দিয়ে। এনে নথিৰ বাবে লংকাৰ সুনীল পালৰ 'সুমিত ৱাটাৰ, সোম দাসৰ 'আমেজিং ৱাটাৰ, শোণিত পালৰ 'পুষ্পা একুৱা, কামিনি নাৰ্জাৰীৰ 'কপিলী নিৰ আৰু পূৰ্ণিমা দাসৰ 'নিজৰা' নামৰ খোৱা পানীৰ ফেক্টৰীকেইটা শীঘ্ৰে বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। একেদৰে লামডিঙৰ প্ৰদীপ দে 'শৈলী একুৱা, টুম্পা সৰকাৰৰ 'শীতলা ৱাটাৰ, খুদিৰাম দাসৰ 'অৰ্জুন এণ্টাৰপ্ৰাইজ, অৰূপ মালাকাৰৰ প্ৰিয়া এণ্টাৰপ্ৰাইজ আৰু গোবিন্দ দেৰ 'মা কালী ড্ৰিংকিং ৱাটাৰ' নামৰ পাঁচটা খোৱা পানীৰ ফেক্টৰী বন্ধৰ নিৰ্দেশ দিয়ে। এইকেইটা ফেক্টৰীৰ প্ৰমাণপত্ৰ সম্পূৰ্ণ নথকাৰ বাবে বন্ধৰ নিৰ্দেশ দিয়ে।

# ঘোষিত চৰকাৰী আঁচনিৰ পৰা বঞ্চিত কুটিৰ শিল্পী

## স্কুলীয়া সন্তানক কামত লগাই জীয়াই থকাৰ সংগ্ৰাম জীৱকান্ত, নন্দেশ্বৰ, ডিম্বেশ্বৰ কোঁৱৰৰ

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ১ নৱেম্বৰ ঃ** গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ স্বৰূপ ৰাজ্য কুটীৰ শিল্পসমূহ। পৰম্পৰাগতভাৱে এচাম শিল্পীয়ে জীয়াই ৰখা এই শিল্পসমূহ এতিয়া আধুনিক সমাজত বিভিন্ন সমস্যাৰে জুৰুলা হৈ সংকটৰ গৰাহত। শেহতীয়াকৈ অতিমাৰীৰ বাবে জাৰি কৰা তলাবন্ধই একপ্ৰকাৰ কঁকাল ভাঙি পেলালে কুটীৰ শিল্পীৰ। এতিয়া শিল্পসমূহ জীয়াই ৰাখি, গ্ৰাম্য অৰ্থনীতি সবল কৰি ৰাখিবলৈ শিল্পীসকলক সহায়ৰ প্ৰয়োজন। এই ক্ষেত্ৰত চৰকাৰে বিভিন্ন সময়ত আঁচনি আদিৰ ঘোষণা কৰি আহিছে যদিও থলুৱা শিল্পীসকলে বাৰম্বাৰ আবেদন-নিবেদন কৰিও কোনো চৰকাৰী সুবিধা লাভ



কৰিবলৈ সক্ষম নোহোৱাৰ অভিযোগ উঠিছে। ৰাজ্যখনৰ অন্যতম এটা কুটীৰ শিল্প হৈছে কমাৰ শিল্প। ইয়াকে অৱলম্বন কৰি জীয়াই থকাৰ কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হোৱা এজন ৩৫ বছৰীয়া উদীয়মান যুৱক হৈছে তিতাবৰ ৬৫ নম্বৰ মধ্যকঠেঙাল পঞ্চায়তৰ অন্তৰ্গত পুৰণি মাটি কোঁৱৰগাঁৱৰ নিৱাসী জীৱকান্ত কোঁৱৰ। উল্লেখ্য যে কমাৰ শিল্পী হিচাপে ৰাজ্যৰ লগতে বহিঃৰাজ্যতো পৰিচিত প্ৰয়াত বাবুলা কোঁৱৰৰ পুত্ৰ জীৱকান্তই শৈশৱতে দেউতাকৰ লগত কাম কৰিয়েই শালৰ কাম শিকিছিল। বৰ্তমান ইয়াৰ যোগেদিয়েই দুটি সন্তান, পত্নী, বৃদ্ধা মাতৃ আৰু ভতিজাকক ভৰণ-পোষণ দি আহিছে। ছজনীয়া পৰিয়ালটোৰ পৈতৃক সম্পত্তি দুবিঘা কৃষি মাটিৰে ছমাহৰ বাবে ভাত মুকলি হয় যদিও বাকী ছমাহ পৰিয়াল চলোৱা, দুটিকৈ স্কুলীয়া ছাত্ৰৰ পঢ়াকে ধৰি সকলো খৰচ বহন এই কমাৰ শিল্পৰ যোগেদিয়েই চলাই থকা বুলি জানিবলৈ দি কয় যে হাজিৰা দি মানুহ লগাবলৈ অক্ষম হোৱাৰ বাবেই কমাৰশালৰ ভাটি ঘূৰোৱা আদি কামত চতুৰ্থ আৰু ষষ্ঠ শ্ৰেণীত পঢ়ি থকা দুই সন্তানকে লগাবলগীয়াত পৰিছে। একেই অৱস্থা অঞ্চলটোৰ ক্ৰমে নন্দেশ্বৰ কোঁৱৰ, ভূপেন কোঁৱৰ, ডিম্বেশ্বৰ কোঁৱৰ আদি কমাৰ শিল্পীৰো। লোহা খুন্দি ভাগৰি পৰা জীৱকান্তই অতি আক্ষেপেৰে কয় যে পূৰ্বৰ-বৰ্তমানৰ চৰকাৰে ক্ষুদ্ৰ শিল্পৰ লগত জড়িতসকলক ৰাজসাহায্য ঘোষণা কৰিছে যদিও তেওঁৰ পিতৃ প্ৰয়াত বাবুলা কোঁৱৰৰ জীৱিত কালৰ পৰা আবেদন-নিবেদন কৰি অহাৰ পাছতো আজি পৰ্যন্ত চৰকাৰৰ কোনো আঁচনিয়ে দৰিদ্ৰ পৰিয়ালটোৰ শিল্পটো স্পৰ্শ নকৰিলে। শেহতীয়াকৈ পঞ্চায়ত প্ৰতিনিধিৰ ওচৰতো শিল্পটো উন্নয়নৰ বাবে সাহায্যৰ আবেদন জনাই বাৰে বাৰে বঞ্চিত হোৱা বুলিও কয়। ইয়াৰ উপৰি তেওঁৰ ৭০ বছৰীয়া বৃদ্ধা মাতৃ বীণা কোঁৱৰে চৰকাৰৰ ওচৰত এটি আৱাস গৃহৰ বাবে আবেদন-নিবেদন কৰিও আজি পৰ্যন্ত আৱাস গৃহ পাবলৈ সক্ষম নোহোৱা বুলি অভিযোগ কৰিছে। তেওঁলোকে পঞ্চায়তখনত প্ৰকৃত দৰিদ্ৰ হিতাধিকাৰী প্ৰতিখন আঁচনিৰ পৰাই বঞ্চিত হৈ আহিছে বুলি কয়। উল্লেখনীয় যে তলাবন্ধৰ পাছতে একে সমস্যাৰ সন্মুখীন হোৱা ৰাজ্যৰ কুটীৰ শিল্পীৰ ভাঙি পৰা কঁকাল পোন কৰিবলৈ চৰকাৰীভাৱে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে কুটীৰ শিল্পীসকলে।

## মৰঙিত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অধিবেশন সম্পন্ন


**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ১ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ ইতিহাস প্ৰসিদ্ধ মৰঙি মৌজাৰ অৰাজনৈতিক আৰু ধৰ্মনিৰপেক্ষ এখন সুস্থ-সবল সমাজ গঠনত দায়বদ্ধতাৰে সমাজখনক গতিশীল ৰূপ দিয়াৰ প্ৰচেষ্টাৰে জ্যেষ্ঠ নাগৰিকসকল একত্ৰিত হৈ ২০১৪ত যাঠিৰ্ধ্বোৰ নাগৰিকৰে গঠিত মৰঙি আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰথম বাৰ্ষিক অধিবেশনখন কালি মৰঙি ৰাজহুৱা নাটঘৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা ৮-৩০ত পতাকা উত্তোলন কৰে মৰঙি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি পদ্মেশ্বৰ বৰাই। আনহাতে, স্মৃতি তৰ্পণ কৰে সুবৰ্ণ শইকীয়াই। উক্ত কাৰ্যসূচীত বোধেশ্বৰ শইকীয়াই বৃক্ষৰোপণ কৰে। পুৱা ১০ বজাত সন্মিলনৰ বিষয় বাছনি সভা অনুষ্ঠিত হয়। দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° পৰেশ চন্দ্ৰ দত্ত, স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ শ্ৰীবৎস গোপাল গোস্বামীয়ে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি পদ্মেশ্বৰ বৰাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়।

## বড়মপুৰত একেদিনাই তিনিখনকৈ পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/পুৰণিগুদাম, ১ নৱেম্বৰ ঃ** ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা জলজীৱন মিছনৰ অধীনত দ্ৰুতগতিত চলিছে পানী যোগান আঁচনি নিৰ্মাণৰ কাম। জলজীৱন মিছনৰ অধীনত বড়মপুৰ বিধানসভা সমষ্টিত একেদিনাই তিনিখনকৈ পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক জিতু গোস্বামীয়ে। কালি বড়মপুৰ বিধানসভা সমষ্টিত জিলা উপায়ুক্ত কবিতা পদ্মনাভন, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা পংকজ বৰদলৈৰ উপস্থিতিত আধাৰশিলা স্থাপন কৰে তিনিখনকৈ পানী যোগান আঁচনিৰ। সমষ্টিটোৰ বড়মপুৰ গাঁও পানীযোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰা হয়। কালাযোগী পানীযোগান আঁচনিৰ পৰা ৪১০ পৰিয়াল, শগুনবাহী গ্ৰাণ্ট পানীযোগান আঁচনিৰ পৰা ৩৫৯ টা পৰিয়াল আৰু শগুনবাহী গাঁও পানীযোগান আঁচনিৰ পৰা ৪৮০ টা পৰিয়ালক সামৰিব পৰাকৈ মুঠ ১২৪৯ টা পৰিয়ালক বিশুদ্ধ খোৱাপানীৰ নলীৰ সংযোগী স্থাপন কৰিব পৰা কাৰ্যক্ষমতাৰ লক্ষ্যৰে আঁচনিকেইখনৰ নিৰ্মাণকাৰ্য ইতিমধ্যে আৰম্ভ কৰা হৈছে। ইয়াৰে কালাযোগী পানীযোগান আঁচনিৰ পৰা ছটা চুবুৰি, শগুনবাহী গ্ৰাণ্ট পানীযোগান আঁচনিৰ পৰা এটা চুবুৰি আৰু শগুনবাহী গাঁও পানীযোগান আঁচনিৰ পৰা নটা চুবুৰি সামৰি মুঠ ১৬ টা চুবুৰিৰ ৰাইজ উপকৃত হোৱাকৈ আঁচনিকেইখনৰ গ্ৰহণ কৰা হৈছে বুলি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা পংকজ বৰদলৈয়ে কয়। উল্লেখ্য যে অতি কম সময়ৰ ভিতৰত আঁচনিকেইখনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি ৰাইজক বিশুদ্ধ খোৱাপানী যোগান ধৰা হ'ব বুলি উল্লেখ কৰে বিধায়ক গোস্বামীয়ে।

■ টংলাৰ গোড়বস্তিত আছাৰ বাৰ্ষিক অধিবেশন সম্পন্ন ■ সমস্যা সমাধান নকৰাত ক্ষোভ

# আদিবাসীক চৰকাৰে মাহী আইৰ দৃষ্টিৰে চাই আহিছে




*বিভিন্ন দাবীৰ সমৰ্থনত সৰুপথাৰত ৰাজ্যিক কৃষিক সভাৰ সমদল, সোমবাৰে।*

**অগ্ৰদূত বাৰ্তা**
**টংলা, ১ নৱেম্বৰ ঃ** আদিবাসীসকল এতিয়া আৰু মদ ভাং খাই থকাৰ সময় নাই। নিজৰ জাতিৰ কৃষ্টি-সাংস্কৃতিক ৰক্ষা কৰিবলৈ নৱ প্ৰজন্মই মাৰ বান্ধি থিয় দিবৰ সময় হ'ল। বহু সময়ত আমি নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছো, আমি কষ্ট কৰিব লাগিব, কষ্টৰ ফল মিঠা, সৰলতা দুৰ্বলতাৰ সুযোগ লৈ চৰকাৰে আদিবাসীসকলক মাহী আইৰ দৃষ্টিৰে গণ্য কৰি আহিছে। আদিবাসীসকলক কৰ্মই সংস্কৃতি যদিও বৰ্তমান আমি শিক্ষা, সাহিত্য, ৰাজনীতি, অৰ্থনীতিৰ ফালৰ পৰা পিছপৰি আছে। আমি আমাৰ সমাজৰ পৰাই এজন ভাল খেলুৱৈ, প্ৰশাসনিক বিষয়া, সাহিত্যিক সৃষ্টি কৰা ক্ষমতা আমাৰ সকলোৰে হাতৰ মুঠিত আছে। কালি আছাৰ বাৰ্ষিক অধিবেশনত কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগে এইদৰে মন্তব্য কৰে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা আছাৰ প্ৰথম বাৰ্ষিক অধিবেশনখন টংলা গোড়বস্তি আমতল শাখা সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত গোড়বস্তি প্ৰাথমিক বিদ্যালয় খেলপথাৰৰ প্ৰাংগণত অনুষ্ঠিত হয়। কাৰ্যসূচী মতে, পুৱা আঠ বজাত অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰে জীৱেশ্বৰ কুমাৰে। আনহাতে, শাখা সমিতিৰ পতাকা উত্তোলন কৰে অনিল সিং গোড়ে।

ইপিনে, স্মৃতি তৰ্পণ কৰে নিতুমণি গোড়ে আৰু প্ৰতিনিধি সভাখনত সঞ্চালনা কৰে জীৱেশ্বৰ কুমাৰে। জাতীয় সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন কৰে খগেন বাইগাই। আদৰণী ভাষণ দিয়ে অনুজ গোড়ে। নিৰ্দিষ্ট বক্তাৰূপে ব্যাখ্যা কৰে ওদালগুৰি জিলা আছাৰ সম্পাদক ৰবি বাস্কে।

## সমাজ গঠনত সাংবাদিকৰ ভূমিকা গুৰুত্বপূৰ্ণ ঃ ভূচাল

■ উপায়ুক্তই মুকলি কৰিলে বৃহত্তৰ ভেল্লা প্ৰেছ ক্লাবৰ কাৰ্যালয়

**বিশেষ সংবাদদাতা**
**বৰপেটা, ১ নৱেম্বৰ ঃ** পূব বৰপেটাৰ অঞ্চলৰ সাংবাদিকসকলক লৈ নৱগঠিত বৃহত্তৰ ভেল্লা প্ৰেছ ক্লাবৰ কাৰ্যালয় ভৱনটো আজি উদ্বোধন কৰা হয়। ভেল্লা চ'ক বজাৰত স্থাপন কৰা অস্থায়ী কাৰ্যালয়টো উদ্বোধন কৰে বৰপেটাৰ উপায়ুক্ত ভূষালে। এই উপলক্ষে জ্যেষ্ঠ সাংবাদিক আলিয়াচ আহমেদৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি উপায়ুক্ত ভূষালে অংশগ্ৰহণ কৰি কয় যে সমাজ গঠনত সাংবাদিকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ভেল্লাত আৰম্ভ কৰা প্ৰেছ ক্লাবে বৃহত্তৰ অঞ্চলটোৰ অভাব-অভিযোগ সমাধান কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি তেওঁ আশা ব্যক্ত কৰে। বৃহত্তৰ ভেল্লা প্ৰেছ ক্লাবৰ স্থায়ী কাৰ্যালয় গঠন কৰাৰ বাবে প্ৰয়োজনী ভূমি প্ৰদান কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ সহায়-সহযোগ আগবঢ়াব বুলিও উপায়ুক্তই আশ্বাস দিয়ে। বৰপেটা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা নঞ্জু দত্তই সাংবাদিকৰ কৰণীয়ৰ ওপৰত বক্তব্য আগবঢ়ায়। সৎ সাংবাদিকৰ সকলো ঠাইতে সমাদৰ থকা বুলি উল্লেখ কৰি বৃহত্তৰ ভেল্লা প্ৰেছ ক্লাবে সমাজত ঘটি থকা প্ৰকৃত ছবিখন দাঙি ধৰিব বুলি লেখিকাগৰাকীয়ে আশা প্ৰকাশ কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনত চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱা, সাংবাদিক পুলেন্দ্ৰ দাসেও চমু বক্তব্য আগবঢ়ায়। সভাত ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আনচাৰী আলী আহমেদ, ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰণেন্দ্ৰ দাস, প্ৰাক্তন ছাত্ৰ নেতা প্ৰদীপ দাস, সমাজকৰ্মী তথা অধিবক্তা ধনী আলীয়েও ৰাইজৰ হৈ ভাষণ প্ৰদান কৰে। পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত সভাখনত অৱসৰপ্ৰাপ্ত সেনা বিষয়া আনোৱাৰ হুছেইন, ভেল্লা পঞ্চায়তৰ সভানেত্ৰী আফিয়া বেগম, বৰপেটা চাউলখোৱা মহোৎসৱ উদ্যাপন সমিতিৰ স্থায়ী সভাপতি ৰিংকু আহমেদ, সমাজকৰ্মী আজাদ হুছেইন শ্বৰিফ, বৃহত্তৰ ভেল্লা প্ৰেছ ক্লাবৰ সভাপতি আজিজুল হক, সাধাৰণ সম্পাদক মৌচম নাজিম, সম্পাদক ছাইজুৰ ৰহমান আদি উপস্থিত থাকে।

## মঘাই ওজা বঁটা-গ্ৰাম্য সাংবাদিকতা বঁটা ঘোষণা

■ নিৰ্মালীৰ চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**মেলামাটি, ১ নৱেম্বৰ ঃ** তিতাবৰ মহকুমাৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান নিৰ্মালীৰ উদ্যোগত কালি অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতা সফলভাৱে সম্পন্ন হয়। প্ৰাক্তন মন্ত্ৰী তথা দৈনিক জনমভূমি কাকতৰ প্ৰাক্তন সম্পাদক দেৱকুমাৰ বৰাৰ স্মৃতিত আৰু কাব্যশ্ৰী হাজৰিকাৰ স্মৃতিত নিৰ্মালীয়ে আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাত তিতাবৰ মহকুমাৰ বিভিন্ন ঠাইৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। নিৰ্মালীৰ সম্পাদক তথা শিক্ষক বিনয় কলিতাই আঁত ধৰা অনুষ্ঠানত অঞ্চলটোৰ মুখীয়াল লোকসকলে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলেও সহায়-সহযোগিতা আগবঢ়ায়। আজিৰ প্ৰতিযোগিতাখনত প্ৰয়াত দেৱকুমাৰ বৰাৰ পত্নী বৰ্ণালী বৰা শইকীয়াই আন্তৰিক সহযোগিতা আগবঢ়ায়। প্ৰতিযোগিতা ক, খ, গ, তিনিটা শাখাত অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত বিজয়ী প্ৰতিযোগীসকলক আগন্তুক পাঁচ নৱেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু তিথি উপলক্ষে নিৰ্মালীয়ে আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব বুলি সম্পাদক বিনয় কলিতাই জানিবলৈ দিয়ে। নিৰ্মালীৰ সম্পাদক কলিতাই সদৰী কৰা মতে, অসমৰ ঢোলৰ যাদুকৰ মঘাই ওজাৰ নামত নিৰ্মালীয়ে মঘাই ওজা বঁটা এই বছৰ প্ৰদান কৰিব প্ৰখ্যাত ঢুলীয়া শিল্পী উমা ৰাজখোৱা ওজাক আৰু গ্ৰাম্য সাংবাদিকতা বঁটা, ২০২১ প্ৰদান কৰিব তিতাবৰৰ সাংবাদিক শশাংক দত্তক। সমাজ জীৱনৰ বিভিন্ন দিশত বহুমূলীয়া অৱদান আগবঢ়োৱাৰ বাবে এই দুই ব্যক্তিক নিৰ্মালীয়ে সন্মানিত কৰিব।

## বৰপথাৰ পৌৰসভাৰ উদ্যোগত স্বচ্ছতা সভা-ৰেষ্টবিন বিতৰণ

**বৰপথাৰ, ১ নৱেম্বৰ ঃ** ধনশিৰি মহকুমাৰ বৰপথাৰ পৌৰসভাৰ উদ্যোগত অনুষ্ঠিত হয় এখন স্বচ্ছতা সম্পৰ্কীয় সভা আৰু বিনামূলীয়া ৰেষ্টবিন বিতৰণ কাৰ্যসূচী। বৰপথাৰ পৌৰসভাৰ কাৰ্যালয় প্ৰাংগণত বৰপথাৰ নগৰৰ ব্যৱসায়ীসকলক লগত লৈ অনুষ্ঠিত এই সভাত স্বচ্ছতা সম্পৰ্কে আলোকপাত কৰাৰ লগতে বৰপথাৰ নগৰখন সকলো দিশৰ পৰা পৰিষ্কাৰ- পৰিচ্ছন্ন কৰি ৰাখিবলৈ সকলো ব্যৱসায়ী আৰু ৰাইজৰ সহায়-সহযোগিতা আহ্বান জনায় বৰপথাৰ পৌৰসভাই। উক্ত সভাতেই বৰপথাৰ পৌৰসভাই বৰপথাৰ নগৰৰ ৯৬০খন ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে একোটাকৈ ৰেষ্টবিন বিনামূলীয়াকৈ বিতৰণ কৰা হয়। উক্ত কাৰ্যসূচীত বৰপথাৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰাঞ্জিল গগৈ (এচিএছ), পৌৰসভাৰ সকলো কৰ্মচাৰী, বৰপথাৰ ব্যৱসায়ী সন্থাৰ সম্পাদক বিবেকানন্দ দত্ত, সভাপতি অৰুণ দত্তৰ লগতে প্ৰায় ডেৰশৰো অধিক ব্যৱসায়ী উপস্থিত থাকে।

## সৰুপথাৰৰ গড়গাঁৱত সমৰকলা পেঞ্চাক চিলাটৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ



**সৰুপথাৰ, ১ নৱেম্বৰ ঃ** অসম কন্যা লাভলীনা বৰগোহাঁইৰ সফলতাৰ পাছত ধনশিৰি মহকুমাত এতিয়া প্ৰায়ভাগে খেলৰ প্ৰতি আগ্ৰহী হৈছে। বিভিন্ন খেলৰ অনুশীলনত ব্যস্ত হৈ পৰিছে সৰু- বৰ সকলো খেলুৱৈ। বিশ্বৰ মানচিত্ৰত ক্ৰীড়াৰ যোগেদি ধনশিৰি মহকুমাক আৰু জিলিকাই তোলাৰ দুৰ্বাৰ হেঁপাহ যেন এতিয়া সকলো খেলুৱৈৰ লগতে অভিভাৱকসকলৰো মনত জাগ্ৰত হৈছে। কালি ধনশিৰি মহকুমাৰ গড়গাঁও হাইস্কুল খেলপথাৰত শ্ৰীমন্ত শংকৰদেৱ সংঘ, ধনশিৰি জিলা সেৱা বাহিনীৰ উদ্যোগত এচিয়ান গেমছ আৰু ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সমৰকলা 'পেঞ্চাক চিলাট' প্ৰশিক্ষণ শিৱিৰ আৰম্ভ কৰে। এই প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে থাকিব প্ৰশিক্ষক তথা জনপ্ৰিয় খেলুৱৈ গগন চি বডচা। তেওঁ এই সমৰকলাৰ লগত বহু দিনৰ পৰাই জড়িত হৈ বিভিন্ন খেলুৱৈক ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত অংশগ্ৰহণ কৰাই ধনশিৰি মহকুমালৈ কে'বাবাৰো সুনাম অৰ্জন কঢ়িয়াই আনিছে। গড়গাঁও হাইস্কুল খেলপথাৰত আৰম্ভ কৰা এই সমৰকলাৰ প্ৰশিক্ষণ ল'বলৈ প্ৰথম দিনটোতে ৫০ জনতকৈও অধিক খেলুৱৈয়ে নামভৰ্তি কৰে।

## কামৰূপ জিলা ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন

**ছয়গাঁও, ১ নৱেম্বৰ ঃ** ছয়গাঁও শিল্পী সুৰক্ষা পৰিষদৰ উদ্যোগত অহা পাঁচ নৱেম্বৰত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ দশম মৃত্যুবাৰ্ষিকী উদ্‌যাপন কৰা হ'ব। বিভিন্ন কাৰ্যসূচীৰ লগতে কামৰূপ জিলাভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, পুৱা আঠ বজাত পতাকা উত্তোলন কৰিব পৰিষদৰ সভাপতি তথা সাংবাদিক বিপুল দাসে ৮-১৫ বজাত ছহিদ তৰ্পণ কৰিব কাৰ্যকৰী সভাপতি ভাস্কৰজ্যোতি দেৱানে। আনহাতে, ৮-৩০ বজাত বৃক্ষৰোপণ কাৰ্যসূচীত পশ্চিম কামৰূপৰ বন সংমণ্ডল বিষয়া ডিম্পী বৰা, ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কপিল পাঠক, বামুণীগাঁও আঞ্চলিক বন বিষয়া বাপধন মজুমদাৰ আৰু কুলশী আঞ্চলিক বন বিষয়া দ্বিপন ডেকাই অংশগ্ৰহণ কৰিব। পুৱা ৯-৩০ বজাত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট ক্ৰীড়া সংগঠক, সমাজকৰ্মী তথা অসম বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক হিৰণ্য দাসে। ১০ বজাত ভূপেন হাজৰিকাৰ প্ৰতিচ্ছৱিত মাল্যৰ্পণ কৰিব ছয়গাঁও ৰাজহ চক্ৰ বিষয়া সৰোজ সোণোৱালে। আনহাতে, ১০-৩০ বজাত অনুষ্ঠিত হ'বলগীয়া ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা উদ্বোধন কৰিব ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰাপক তথা বিশিষ্ট পৰিচালিকা ৰীমা দাসে। বিয়লি চাৰি বজাত সাংস্কৃতিক মঞ্চত বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট মহিলা গিৰিবালা ঠাকুৰীয়াই। আবেলি ৪-৩০ বজাত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সমাৰোহ তথা বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰিব কামৰূপ জিলা পৰিষদৰ সদস্য গোলাপ মেধীয়ে। উক্ত অনুষ্ঠানত ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী পৰশুৰাম দাসে নিমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ কে'বাগৰাকী ব্যক্তিক বিশেষ বঁটা প্ৰদান কৰাৰ লগতে কে'বাগৰাকী জ্যেষ্ঠ শিল্পীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। আনহাতে, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা দুটা ভাগত অনুষ্ঠিত কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। 'ক' শাখা প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু 'খ' শাখা নৱম শ্ৰেণীৰ পৰা স্নাতকোত্তৰ শ্ৰেণীলৈ অনুষ্ঠিত হ'ব।

## যোৰহাট প্ৰেছ ক্লাবত গ্ৰন্থ উন্মোচন-সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১ নৱেম্বৰ ঃ** পদ্মশ্ৰী লখিমী বৰুৱাৰ জীৱনৰ আধাৰত সাংবাদিক জিতু কলিতা ৰচিত আৰু গ্ল'বেল মিডিয়াৰ দ্বাৰা প্ৰকাশ কৰা 'অঘৰী জীৱনৰ সোণালী সপোন পদ্মশ্ৰী লখিমী বৰুৱা' শীৰ্ষক এখন গ্ৰন্থ অহা চাৰি নৱম্বেৰত দিনৰ ১-৩০ বজাত যোৰহাট প্ৰেছ ক্লাবত উন্মোচন কৰা হ'ব। ৰামায়ণী সাহিত্যৰ বিশিষ্ট গৱেষক ড° মালিনীৰ সঞ্চালনাত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰিব বিশিষ্ট সাহিত্যিক ড° অদিতি বেজবৰুৱা আৰু বিশিষ্ট চিকিৎসক তুলতুল বৰাই। কনকলতা মহিলা আৰবান কো-অপাৰেটিভ বেংকৰ অধ্যক্ষা শকুন্তলা দেৱীয়ে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰিবলগীয়া অনুষ্ঠানতে পদ্মশ্ৰী লখিমী বৰুৱাক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হ'ব।

## কাঁহিকুছিত তিনিদিনীয়াকৈ কালী পূজাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ১ নৱেম্বৰ ঃ** আজাৰাৰ কাঁহিকুছিস্থিত শ্ৰীশ্ৰীকলীয়া ঠাকুৰ পুথিভঁৰাল প্ৰাংগণত পূৰ্বৰ দৰে এইবেলিও অহা চাৰি নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ শ্ৰীশ্ৰী মা কালী পূজাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে পূজা পৰিচালনাৰ বাবে হিৰণ গোস্বামীক সভাপতি, হৰবিলাশ কাকতি আৰু হেমন্ত বৈশ্যক উপ-সভাপতি, ৰবীন্দ্ৰ গোস্বামী, গকুল চন্দ্ৰ দাস, মিণ্টু কলিতা, মুনীন্দ্ৰ দাসক সম্পাদক আৰু গৌৰী দাসক কোষাধ্যক্ষ ৰূপে লৈ কাঁহিকুছি আঞ্চলিক সাৰ্বজনীন কালী পূজাৰ পূৰ্ণাংগ সমিতি গঠন কৰা হৈছে। উদ্যোক্তাসকলে সদৰী কৰা মতে, প্ৰথম দিনা আবেলি পাঁচ বজাত নৈবেদ্য গ্ৰহণ, ছয় বজাত প্ৰতিমা স্থাপন, ৭-৩০ বজাত ডুলনী আদৰণি, আঠ বজাত পূজা আৰম্ভ আৰু নিশা ১২-৩০ পুষ্পাঞ্জলি আৰু ৰাজহুৱা সেৱা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা সন্ধিয়া সাত বজাত ঘোষা নাম আৰু শেষৰ দিনা আবেলি চাৰি বজাত প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

## বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত

**বিশেষ সংবাদদাতা**
**বৰপেটা, ১ নৱেম্বৰ ঃ** বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত আৰু হায়াত হাস্পতালৰ ব্যৱস্থাপনা-সহযোগিতাত কালি এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত ১৫০ গৰাকী ব্যক্তিৰ ৰোগ তিনিগৰাকী বিভিন্ন ৰোগৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰে পৰীক্ষা কৰে। কৰ্মচাৰী পৰিষদৰ ছহিদ ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত চিকিৎসকক ধৰি ১৫ জনীয়া এটি দলে সহযোগিতা আগবঢ়ায়। এই উদ্দেশ্যে বৰপেটা জিলা কৰ্মচাৰী পৰিষদে আয়োজন কৰা উদ্বোধনী অনুষ্ঠানত উদ্বোধক ৰূপে উপস্থিত থাকি সদৌ অসম কৰ্মচাৰী পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্যা বন্তি কোঁৱৰে অনুষ্ঠানটোৰ আয়োজক বৰপেটা জিলা কৰ্মচাৰী পৰিষদক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সকলোকে স্বাস্থ্য ৰক্ষাৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত পৰিষদৰ ফালৰ পৰা ডায়েবেটিছ বিশেষজ্ঞ ডাঃ নাছিমূৰ ৰিয়াজ, ঔষধ বিশেষজ্ঞ ডাঃ কিশোৰ কুমাৰ তালুকদাৰ, অস্থিৰোগ বিশেষজ্ঞ ডাঃ বিনীত মহেশ্বৰীক ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। স্বাস্থ্য শিবিৰ মুকলি হোৱাৰ পূৰ্বে উপস্থিত সকলোকে ডাঃ নাছিমূৰ ৰিয়াজে তেওঁৰ চমু ভাষণত স্বাস্থ্য ৰক্ষাৰ আহ্বান জনাই কেতবোৰ গুৰুত্বপূৰ্ণ কথাৰ অৱতাৰণা কৰি সকলোৰে সহযোগিতা কামনা কৰে। প্ৰায় ১৫০ গৰাকী লোকক প্ৰধানকৈ তিনিগৰাকী বিশেষজ্ঞ চিকিৎসকে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰে। ইয়াত বিশেষভাৱে সহযোগিতা কৰে আন এগৰাকী আৱাসিক চিকিৎসক ডাঃ শ্বেইখ আফজালুৰ ৰহমানে। উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক উৎপল দাসে।

## গল্প, ৰচনা প্ৰতিযোগিতাৰ আয়োজন

**আলোপতি, ১ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত আলোপতি ছাত্ৰ সন্থাৰ অহা ২২ ডিচেম্বৰৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া গৌৰৱোজ্জ্বল সোণালী জয়ন্তী উৎসৱৰ উদ্‌যাপনৰ অংশ হিচাপে উদ্‌যাপন সমিতিৰ সাহিত্য উপ-সমিতিয়ে সদৌ অসম ভিত্তিত কবিতা, গল্প, ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলক মানপত্ৰ আৰু প্ৰথম তিনিটা স্থানপ্ৰাপ্তসকললৈ ট্ৰফীৰে স'তে মানপত্ৰৰ দ্বাৰা সম্বৰ্ধনা জনোৱা হ'ব।

## ২০২০-২১ৰ জে ই ই এডভান্সত অইল ছুপাৰ ৩০ৰ সাফল্য




**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ১ নৱেম্বৰ ঃ** অইল ইণ্ডিয়া লিমিটেডৰ এক নিগমিত সামাজিক দায়বদ্ধতা উদ্যোগ 'ছুপ্ৰাৰ ৩০'ৰ গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, নগাঁও, ইটানগৰ আৰু যোধপুৰত ছটা কেন্দ্ৰৰ আটাইকেইগৰাকী অৰ্থাৎ ১৬৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ২০২০-২১ৰ জে ই ই মেইনছত উত্তীৰ্ণ হোৱাৰ লগতে ইয়াৰে ১০১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ২০২০-২১ ৰ জে ই ই এডভান্সত সফলতা অৰ্জন কৰি আই আই টিৰ লগতে দেশৰ অন্যান্য নামজ্বলা প্ৰতিষ্ঠানত প্ৰৱেশাধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে। সমাজৰ পিছপৰা শ্ৰেণীৰ প্ৰতিভাসম্পন্ন মেধাশক্তিৰ সৱলীকৰণ কৰা অইল ছুপাৰ ৩০ এ এই বৰ্ষত ১০টা বছৰ সম্পূৰ্ণ কৰে। এই উপলক্ষে আৰু ইয়াৰ লগতে এই বৰ্ষত আই আই টিত প্ৰৱেশাধিকাৰ লাভ কৰা ১০১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ স'তে অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক সুশীল চন্দ্ৰ মিশ্ৰ, সঞ্চালক (অপাৰেচনছ) পংকজ কুমাৰ গোস্বামী আৰু আৱাসিক মুখ্য বিষয়া প্ৰশান্ত বৰকাকতিৰ লগতে অইলৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ কালি এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানত চি এছ আৰ এলৰ মহানিৰ্দেশক এন কে ভৰালী আৰু সঞ্চালক (অপাৰেচনছ) কৃষ্ণমূৰ্তি সিং উপস্থিত থাকে।

## আমগুৰিত সুধাকণ্ঠ দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ১ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ শংকৰদেৱ কলাকৃষ্টি প্ৰশিক্ষণ মহাবিদ্যালয়ৰ উদ্যোগত অহা পাঁচ নৱেম্বৰত আমগুৰি নগৰৰ চাৰিআলিত 'সুধাকণ্ঠ দিৱস' উদ্‌যাপন কৰা হ'ব। কাৰ্যসূচী মতে, সিদিনা পুৱা ন বজাত সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ, বিয়লি ৪-৩০ত গীতেৰে সুধাকণ্ঠক স্মৰণ, আবেলি পাঁচ বজাত আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষী চক্ৰ পৰিদৰ্শক নাৰায়ণ বড়োৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু সন্ধ্যা ৫-১৫ত শিৱসাগৰ জিলা কৃতী শিক্ষয়িত্ৰীৰ বঁটা প্ৰাপক দেওৰজা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিভাগৰ বিষয় শিক্ষয়িত্ৰী শিখা হাজৰিকাই উদ্বোধন কৰিব লগা সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠ দিৱসৰ সামৰণি পৰিব। সভাপতি পংকজ ভট্টাচাৰ্য আৰু সম্পাদক অজয় ভূঞাই সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে।

## কাজলগাঁৱত ভাৰতীয় ষ্টেট বেংকৰ কৰ্মচাৰীৰ শ্ৰমদান




**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১ নৱেম্বৰ ঃ** চিৰাঙৰ কাজলগাঁওস্থিত ভাৰতীয় ষ্টেট বেংকৰ অধীনস্থ গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ কেন্দ্ৰৰ চৌহদৰ ভূমিত এছ বি আই কৰ্মচাৰীসকলে শ্ৰমদান কৰি জৈৱিক পদ্ধতিত খেতি আৰম্ভ কৰে। বেংকৰ বঙাইগাঁও আঞ্চলিক কাৰ্যালয়ৰ সহকাৰী মহাপ্ৰৱন্ধক গুৰুপদ হালদাৰৰ নেতৃত্বত কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে কাজলগাঁৱৰ গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ কেন্দ্ৰৰ ডেৰ বিঘা ভূমিত শ্ৰদান কৰি জৈৱিক পদ্ধতিৰে শাক-পাচলিৰ উৎপাদন আৰম্ভ কৰে। ইমান দিনে ঘন জংঘলেৰে আৱৰা ভূমি ডোখৰ যোৱা দুই অক্টোবৰত গান্ধী জয়ন্তীত স্থানীয় লোকৰ সহযোগত খেতিৰ উপযোগী কৰা হৈছিল।

■ আটছাৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ ■ নিয়ম আনুসৰি নিৰ্মাণ নোহোৱাত ক্ষোভ

# আমগুৰিৰ বৰবাম বাগিচাত পথ নিৰ্মাণত অনিয়ম

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ১ নৱেম্বৰ ঃ** পথ নিৰ্মাণত হোৱা অনিয়মৰ বিৰুদ্ধে আমগুৰি সমষ্টিৰ অন্তৰ্গত বৰবাম চাহ বাগিচা প্ৰাথমিক গোটে অসমৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। উত্থাপিত অভিযোগ মতে, শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ বৰবাম চাহ বাগিচাৰ মুখ্য পথৰ নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগে যোৱা মে'ত ৯১,১৯,৫৯৩.০০/ লাখ টকা ধাৰ্য কৰি পথটো নিৰ্মাণ কৰাৰ দায়িত্ব লৈছিল যদিও পথটো নিয়ম অনুসৰি নিৰ্মাণ নোহোৱাত বাগিচাৰ বাসিন্দাসকলে অভিযোগ কৰে।

এই অভিযোগৰ বিৰুদ্ধে আটছাৰ বৰবাম প্ৰাথমিক গোটে চৰজমিন তদন্ত কৰি পথ নিৰ্মাণৰ ক্ষেত্ৰত হোৱা অনিয়ম আৰু দুৰ্নীতিসমূহ দেখুৱাই দিয়াত ঠিকাদাৰ উত্তম শৰ্মাই খৰ্গগস্ত হৈ আটছাৰ শিৱসাগৰ জিলাৰ সাংগঠনিক সম্পাদক সৰুমন মেহেৰাৰ বিৰুদ্ধে আমগুৰি আৰক্ষী থানাত গোচৰ ৰুজু কৰে। আৰক্ষীৰ দ্বাৰা ভয়-ভাবুকি প্ৰদান কৰাৰ চেষ্টা কৰে। শৰ্মাই বাগিচাৰ শ্ৰমিকসকলক ঠগি নিজৰ মুনাফা লাভৰ বাবে পথটো নিজৰ মতে নানা অনিয়ম কৰিবলৈ বিচাৰিছিল। ঠিকাদাৰৰ দুৰ্নীতিৰ ফলত পথটোৰ নিৰ্মাণ কাৰ্যত ব্যাঘাত জন্মাত বাগিচাৰ লোকসকলে ক্ষোভ প্ৰকাশ কৰিছে। এই অভিযোগ তথা দুৰ্নীতিসমূহ সঠিক তদন্ত কৰি পথছোৱা মজবুত নকৰালৈকে আটছাই পথ নিৰ্মাণ বন্ধ ৰাখিব।

ইতিমধ্যে আটছাৰ বৰবাম প্ৰাথমিক গোটে সমগ্ৰ বিষয়টোৰ সঠিক তদন্ত কৰি ঠিকাদাৰৰ অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰকপত্ৰ প্ৰদান কৰা আটছাই জনাইছে। বৰবাম বাগিচাৰ ৰাইজে পথটো বিভাগীয় নিৰিখ আৰু নীতিমতে নিৰ্মাণ কৰিবলৈ দাবী জনাইছে।

# ছিণ্ডিকেট মুকলি কৰি দিয়াৰ নামত

*এক পৃষ্ঠাৰ পৰা* প্ৰৱঞ্চকে মহানগৰীৰ লিলি হোটেলত বহি বিভিন্ন ব্যৱসায়ীৰ স'তে দৰ-দাম অব্যাহত ৰাখিছিল। এই খবৰ সদৌ অসম একত্রিত যুৱ পৰিষদ নামৰ সংগঠনটোৱে লাভ কৰাৰ পাছত দিছপুৰ আৰক্ষী থানাত এই চক্ৰটোৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। অভিযোগ লাভ কৰি দিছপুৰ আৰক্ষীয়ে হোটেলখনত অভিযান চলাই কোঠা নম্বৰ ৯০৯ আৰু ৯১০ৰ পৰা দুয়োকে গ্ৰেপ্তাৰ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১২০(বি)/৪১৯/৪২০ ধাৰাৰ অধীনত ৩৯৬৮/২০২১ নম্বৰত এক গোচৰ ৰুজু কৰি মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত দুয়োকে হাজিৰ কৰায় আৰু আদালতে ধৃতদ্বয়ক সাতদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। ঘটনাৰ সন্দৰ্ভত অভিযোগকাৰী সংগঠনটোৰ সভাপতি বিদ্যুৎ কলিতাই কয় যে ধৃত লোক দুজনে হোটেল লিলিত বহি চুপাৰি ছিণ্ডিকেট পুনৰ মুকলি কৰিবলৈ চৰকাৰক মেনেজ কৰাৰ বিনিময়ত বিভিন্ন ব্যৱসায়ীৰ পৰা ধনদাবী কৰিছিল। শিলচৰৰ পৰা এই সন্দৰ্ভত একত্রিত যুৱ পৰিষদক অভিযোগ দাখিল কৰিছিল আৰু তাৰ ভিত্তিতে আৰক্ষীক জনোৱা হৈছিল। কলিতাই কয়, 'তেওঁলোকে চুপাৰি ছিণ্ডিকেট চৰকাৰক মেনেজ কৰি খুলি দিব বুলি কৈ একাংশ ব্যৱসায়ীক ১০ কোটি টকা বিচাৰিছিল। এজনে দিল্লীৰ ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ৰ পৰিদৰ্শক আৰু মোহনে নিজকে আৰ এছ এছৰ জ্যেষ্ঠ নেতা বুলি পৰিচয় দিছিল। কোন কেন্দ্ৰীয় মন্ত্ৰীৰ লগত আলোচনা লাগে, ইয়াৰ পৰা কথা পাতিলে নহ'ব তাৰ পৰাই কৰাই দিব, দিল্লীৰ পৰা মুখ্যমন্ত্ৰীক ফোন কৰাই দিব বুলিও ব্যৱসায়ীসকলক কৈছিল। লগতে এই দুই প্ৰৱঞ্চকে আৰক্ষীৰ শীৰ্ষ মহল তথা বিভিন্ন ৰাজনৈতিক নেতাৰ নাম লৈ ছিণ্ডিকেট খুলি দিয়াৰ আশ্বাস দি ধন বিচাৰিছিল।' সম্প্ৰতি এই দুই ধৃতক অধিক তথ্যৰ সন্ধানত আৰক্ষীয়ে মাৰাথন জেৰা অব্যাহত ৰাখিছে।

# এইবাৰ ডিব্ৰুগড়ত ডাইনী সজাই মহিলাক

*এক পৃষ্ঠাৰ পৰা* ঘৰতো অগ্নিসংযোগৰ চেষ্টা চলায়।

উল্লেখ্য যে চেঁচা দলং নৌপাওঁতেই সোঁহাতেৰে প্ৰায় পাঁচ-ছয় কিলোমিটাৰ গ'লেই পোৱা যায় সভ্যতাৰ পোহৰ নপৰা অখ্যাত দুৰ্গম গাঁও কঠালবাম। চাহ শ্ৰমিকৰে পূৰ্ণ গাঁওখনৰ চম্পা মুড়াৰ স্বামী-পুত্ৰ-কন্যাৰ উপৰি দেওৰেকৰ ইতিমধ্যে ৰোগাক্ৰান্ত হৈ মৃত্যু ঘটিছে। গাঁওবাসীয়ে চম্পাৰ 'কলা যাদু'ৰ বাবেই স্বামী-পুত্ৰ-কন্যা-দেওৰেকৰ মৃত্যু হোৱা বুলি অভিযোগ কৰি আহিছে। গাঁওবাসীয়ে অভিযোগ কৰে যে ওচৰতে থকা বাঘজান বিলত চম্পাহঁতে বহুত মাছ পায় যদিও বাকীসকল লোকে শুদা হাতেৰে উভতিব লগা হয়। চম্পাই যেতিয়াই পূজা-পাতল কৰে তেতিয়াই গাঁৱৰ কিবা অমংগল বা কোনো লোকৰ মৃত্যু হয় বুলি অভিযোগ কৰে গাওঁবাসীয়ে। 'চম্পাই নিজৰ পুত্ৰ-কন্যাক বলি দিয়া বাবেই তেওঁৰ গাত ডাইনী লম্ভিছে আৰু গাঁৱত বহু অপায়-অমংগল হৈছে। আজি পুৱা আনৰ বাৰীত সৰিয়হ আৰু চাউল লৈ চাকি জ্বলোৱাই প্ৰমাণ কৰে যে চম্পা মুড়া ডাইনী।' গাঁওবাসীয়ে এইদৰে একেমুখে দাবী কৰে। তেওঁলোকে আৰু অভিযোগ কৰে যে আজি চম্পাক গাঁৱৰ দেওশালত নি কাঁইটৰ পীৰাত থিয় হ'বলৈ দিয়াত তেওঁ অনায়াসে থিয় হোৱাত তেওঁৰ কোনো পৰিৱৰ্তন পৰিলক্ষিত নহ'ল।

উল্লেখ্য যে বৰ্তমানেও আধুনিকতাৰ পোহৰে ঢুকি নোপোৱা ডিব্ৰুগড়ৰ লেজাই অঞ্চলৰ ভিতৰুৱা কঠালবাম গাঁৱত শেহতীয়াকৈ অকাল মৃত্যু হৈছিল ইজনৰ পাছত সিজন লোকৰ। কেৱল তন্ত্ৰ-মন্ত্ৰ, ক'লা যাদু, পূজা-পাতলত বিশ্বাসী গাঁওখনৰ একাংশ অশিক্ষিত লোকে এই ঘটনাবোৰৰ বাবে কাষ চাপিছিল বিভিন্ন বেজ-পুৰোহিতৰ। কে'বাজনো বেজে এই ঘটনাবোৰৰ বাবে চম্পালৈ সন্দেহৰ আঙুলি টোঁৱাইছিল। আনহাতে, গাঁওখনৰ বহু লোকে চম্পাক বিভিন্ন ঠাইত বিভিন্ন সময়ত চাকি বন্তি জ্বলাই পূজা-অৰ্চনা কৰাও প্ৰত্যক্ষ কৰি আহিছে বুলিও দাবী কৰে । ইয়াৰ পাছতে এই সমগ্ৰ ঘটনাবোৰৰ বাবে চম্পাক জগৰীয়া কৰি ডাইনী সন্দেহত ষড়যন্ত্ৰ কৰি আজি অত্যাচাৰ-মাৰধৰ কৰি জীৱন্তে জ্বলাই হত্যাৰ চেষ্টা কৰে। অৱশ্যে একাংশ লোকে চম্পাৰ বিৰুদ্ধে কৰা এই অত্যাচাৰৰ বিৰোধিতা কৰি চম্পাৰ প্ৰাণ ৰক্ষা কৰে। সম্প্ৰতি এই ঘটনাৰ তদন্ত কৰিছে ডিব্ৰুগড়ৰ বৰবৰুৱা থানাৰ আৰক্ষীয়ে। আৰক্ষীয়ে তদন্তৰ লগতে অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা অনাৰ চেষ্টা কৰিছে গাঁওখনত।

বৰ্তমান ডাইনীৰ নামত সংঘটিত এনে ঘটনাৰ পাছতেই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। বৰ্তমান বৰবৰুৱাৰ আৰক্ষীয়ে গাঁওখনত যাতে কোনো অঘটন সংঘটিত নহয়, তাৰ বাবে গাঁওবাসীক বুজনি দিবলৈ চেষ্টা কৰিছে।

# আলোকসজ্জাৰ সামগ্ৰীৰে উভৈনদী ৰাজ্যৰ

*এক পৃষ্ঠাৰ পৰা* একাংশ নেতা-মন্ত্ৰী-বিধায়কে মূল্যবৃদ্ধিৰ প্ৰসংগত কিছুমান উদ্ভট মন্তব্য প্ৰকাশ কৰি ৰাইজক ভেঙুচালি কৰি অহা বুলি বিভিন্নজনে মত প্ৰকাশ কৰিছে। মূল্যবৃদ্ধিৰ মাজতেই ৰাজ্যবাসীয়ে অনুষ্ঠুপীয়াকৈ পালন কৰি গৈছে উৎসৱ-পাৰ্বণ। শাৰদীয় দুৰ্গোৎসৱৰ পাছতে এইবাৰ আহিল পোহৰৰ উৎসৱ দীপাৱলী। দীপাৱলীলৈ মাজত মাত্ৰ আৰু দুটা দিন । এই উপলক্ষে বজাৰত উপলব্ধ হৈছে মাটি চাকিকে ধৰি ভিন্ন ৰঙী, ভিন্ন ডিজাইনৰ আলোকসজ্জাৰ সামগ্ৰী। ডিজাইনৰ মাটি চাকি, মমবাতিৰে ভৰি পৰিছে ৰাজ্যৰ বজাৰ, কিন্তু সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ পৰিপ্ৰেক্ষিতত বজাৰত নাই গ্ৰাহক। বিশেষকৈ মাটি চাকিৰ গ্ৰাহক পূৰ্বতকৈ হ্ৰাস পোৱা বুলি বিক্ৰেতাসকলে জানিবলৈ দিয়ে। তেওঁলোকে জনোৱা অনুসৰি মিঠাতেলৰ দাম অত্যধিক হোৱা বাবেই মাটি চাকিৰ বিক্ৰী হ্ৰাস পাইছে। ইয়াৰ পৰিৱৰ্তে ভিন্নৰঙী লাইটৰ বিক্ৰী সন্তোষজনক বুলি একাংশ বিক্ৰেতাই জানিবলৈ দিয়ে। সাধাৰণতে উত্তৰ-পূবৰ দুৱাৰমুখস্বৰূপ গুৱাহাটী মহানগৰীত উৎসৱ-পাৰ্বণ উদ্‌যাপনৰ ক্ষেত্ৰত ব্যাপক উৎসাহ পৰিলক্ষিত হয়। বছৰৰ প্ৰতিটো উৎসৱ মহানগৰবাসীয়ে আনন্দ-উল্লাসেৰে পালন কৰে; কিন্তু দীপাৱলীলৈ মাজত মাত্ৰ ৪৮ ঘণ্টা থকাৰ পাছতো মহানগৰীৰ বজাৰসমূহত পূৰ্বৰ সেই উৎসাহ নাই। গুৱাহাটীৰ নাৰ্ছাৰীস্থিত মাটিচাকিৰ বজাৰখনৰ বিক্ৰেতা বাবুল দাসে এই সম্পৰ্কত কয়, 'আমাৰ বজাৰখন বিখ্যাত বজাৰ। দূৰ দূৰণিৰ পৰা আমাৰ গ্ৰাহক আহে। দীপাৱলীৰ এসপ্তাহ ১০ দিন মান পূৰ্বৰ পৰাই আমি ব্যস্ত হৈ পৰো। পাইকাৰী বিক্ৰেতাই ফোন কৰি কৰি হাইৰাণ কৰে; কিন্তু এইবাৰ তেনে ব্যস্ততা নাই। এইবাৰ চাকিৰ দামো বাঢ়িছে। আগতে আমি তিনি- চাৰিটা চাকি প্ৰতিজন গ্ৰাহকক বেছিকৈ দি পঠিয়াও; কিন্তু এতিয়া হিচাপত দিব লগা হৈছে। আমাৰো উপায় নাই। বস্তুৰ দাম। এইবাৰ মাটি চাকিৰ বিক্ৰী পূৰ্বতকৈ কম। প্ৰতিলিটাৰ মিঠাতেল দুশ টকাকৈ কিনি চাকি জ্বলোৱাটো বহুতৰ বাবে সহজ নহয়।' ইপিনে গণেশগুৰি ফ্লাই অভাৰৰ পদপথত চাকি বিক্ৰী কৰা ৰমেন লহকৰে আজিৰ দিনটোত মাত্ৰ এশ টকাৰ চাকিহে বিক্ৰী কৰা বুলি হুমুনিয়াহ কাঢ়ে। পাণ-তামোলৰ গুমটি দি পৰিয়াল পুহি থকা ৰমেনে যোৱা বছৰৰ পৰা দিব পৰা নাই দোকান। দুয়োটা কিডনী বিকল হৈ পৰা ৰমেনে ডাইল'ছিছ কৰি কোনোমতে চলি আছে। সেয়ে তেওঁ কষ্টৰ কাম কৰিব নোৱাৰে। দীপাৱলী বুলিহে তেওঁ চাকি লৈ এইদৰে পদপথত দোকান মেলিছে। তাৰ লগতে আন এজন বিক্ৰেতা বিষ্ণু ঝাই পুৱাৰ পৰা পাঁচশ টকাৰ চাকি বিক্ৰী কৰা বুলি উল্লেখ কৰি বাকী থকা দুদিনত অধিক চাকিৰ বিক্ৰী হ'ব বুলি আশা ব্যক্ত কৰে। চাকি বিক্ৰেতাৰ লেখীয়া অৱস্থা ভিন্নৰঙী লাইট বিক্ৰেতাৰো। দিনটো গ্ৰাহকলৈ অপেক্ষা কৰি সন্ধিয়াহে দুজন গ্ৰাহকক লাইট বিক্ৰী কৰা বুলি জনালে গণেশগুৰিৰ মুস্তাক আহমেদে। তেওঁ কয়, 'এইবাৰ মাৰ্কেটত চীনা লাইট প্ৰায় নায়ে। যদিও কোনোবাই বিক্ৰী কৰিছে সেয়া পূৰ্বৰ ষ্টক। আমাৰ বিক্ৰী বেয়া বুলি নকওঁ। যিহেতু আৰু দুদিন সময় আছে। আজি দিনটো খালী গ'ল। দিনত গ্ৰাহক একেবাৰে নাই। সন্ধিয়াহে দুই-এজন পাইছো।' সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ বাবেই গ্ৰাহকৰ সংখ্যা কম হোৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, 'উৎসৱ-পাৰ্বণ এতিয়া আৰু আমাৰ দৰে দুখীয়া-গৰিবৰ হৈ থকা নাই। পকেট খালী থাকিলে উৎসৱ কেনেকৈ পালন কৰিব? আজি সকলো সামগ্ৰীৰ দাম বৃদ্ধি হৈছে; কিন্তু মানুহৰ উপাৰ্জন বৃদ্ধি হোৱা নাই। ক'ভিডত বহু লোক কৰ্মহীন হ'ল। বহুতৰ ঘৰত দুবেলা খাবলৈ নোজোৰে। এনে পৰিস্থিতিত তেওঁলোকে উৎসৱ পালন কৰাৰ কথা চিন্তা কৰিব কেনেকৈ? তথাপি আশা কৰো দিন ভাললৈ আহিব।' আহমেদে জনোৱা অনুসৰি এইবাৰ বজাৰ ৯০ দশকৰ জনপ্ৰিয় লিচুলাইটেৰে বজাৰ ভৰি পৰিছে। ৰঙা, নীলা, হালধীয়া, সেউজীয়া লিচু লাইটবোৰে গ্ৰাহকক আকৰ্ষিত কৰিছে। অন্যান্য ডিজাইনৰ লাইটবোৰতকৈ কম দামত উপলব্ধ হোৱা লিচু লাইটৰ বিক্ৰী ভাল বুলি তেওঁ জানিবলৈ দিয়ে। লিচু লাইট বজাৰত পুনৰ দেখিবলৈ পাই বহু গ্ৰাহক নষ্টালজিক হৈ পৰা বুলিও তেওঁ জানিবলৈ দিয়ে। উল্লেখ্য যে গুৱাহাটীৰ বজাৰসমূহত প্ৰতি ডজন সৰু মাটি চাকিত ২০ টকা, মধ্যম ৬০ টকা আৰু ডাঙৰ মাটি চাকি প্ৰতিখনত ১০-১৫ টকা। কে'বামুখীয়া ৰঙীণ চাকি ৫০০ টকা, ঠিক তেনেদৰে লিচু লাইট ২০মিটাৰ ১২০-১৫০ টকা, চাকি ডিজাইনৰ লাইট প্ৰতি ডালত ৮০০ টকা, তৰা লাইট ১০ মিটাৰ ২০০-২৫০ টকাৰ লগতে অন্যান্য এই ই ডি ডিজাইনৰ লাইটবোৰ সৰ্বনিম্ন ২০০-১০০০ টকাত উপলব্ধ হৈছে ।

# উপাৰ্জন হ্ৰাস, ব্যয় বৃদ্ধিত সৰ্বস্বান্ত

*এক পৃষ্ঠাৰ পৰা* এসাঁজ খাই আন সাঁজ খাবলৈ এশবাৰ চিন্তা কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। মহানগৰীৰ সাবিত্ৰী-শৰ্মিলা-তৰুলতাহঁতৰ দৰে বহুতৰে দৈনিক উপাৰ্জন পূৰ্বৰ পাঁচশ-ছশ টকাতে সীমাবদ্ধ থকাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি ব্যাপক মূল্যবৃদ্ধিৰ ফলত চাৰি-পাঁচজনীয়া এটা পৰিয়ালৰ কেৱল খাদ্যৰ বাবেই সাত-আঠশ টকা ব্যয় কৰিবলগীয়া হোৱাত এই শ্ৰেণীৰ লোকসকল একপ্ৰকাৰৰ দিশহাৰা হৈ পৰিছে।

অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছে শ্ৰমজীৱী জনতাক। ক'ভিডে বিপৰ্যস্ত কৰা অৰ্থনৈতিক পৰিৱেশ তথা ঋণগ্ৰস্ত এইসকল লোকে ঠন ধৰি উঠিব নাপাওঁতেই বজাৰত প্ৰতিবিধ খাদ্য-সামগ্ৰীতে মূল্যবৃদ্ধি হোৱাত সম্প্ৰতি পৰিয়াল পোহপাল দিবলৈ এই শ্ৰেণীৰ লোকসকলে এক কঠিন সংগ্ৰামত ব্ৰতী হ'বলগীয়া হৈছে। তেনে এটা পৰিয়াল হৈছে মহানগৰীৰ তৰুলতা বৈশ্যৰ পৰিয়াল। বামুণীমৈদামৰ উদ্যোগ পামৰ সমীপৰ পদপথত ফলমূল বিক্ৰী কৰি চাৰিজনীয়া পৰিয়ালটো চলাই থকা তৰুলতাই মূল্যবৃদ্ধিৰ ফলত পৰিয়ালটোৱে সন্মুখীন হোৱা পৰিস্থিতি সন্দৰ্ভত আবেগিক হৈ কয়, 'মূল্যবৃদ্ধি! এসাঁজ খাবলৈকো আমাৰ দৰে মানুহে এশবাৰ চিন্তা কৰিবলগীয়া হৈছে। পুৱাৰ পৰা সন্ধিয়ালৈ ইয়াত বহি তিনিশ-চাৰিশ টকা পাঁও তাকো বিক্ৰী হ'লে; মাছ-মাংসতো বাদেই দিলো তিনিশ টকাত এসাঁজ খাবলৈ এতিয়া চিন্তা কৰিবলগীয়া হৈছে। কিমান দিন এনেকৈ চলিম? আমাৰতো উপাৰ্জন বৃদ্ধি নাপায়, সদায় ইয়াৰ ভিতৰতে থাকিব এতিয়া কি কৰিম ভাবি আছো।' উল্লেখ্য যে স্বামী নৰেন বৈশ্যই অসুস্থতাৰ হেতুকে কঠিন কাম কৰিব নোৱাৰে বুলি সদৰী কৰি একমাত্ৰ পুত্ৰ স্নাতক আৰু কন্যা উচ্চতৰ মাধ্যমিকত অধ্যয়ন কৰি আছে বুলি তেওঁ কয়। যোৱা তিনি মাহে ঘৰভাড়া দিবলৈ পৰা নাই বুলি তেওঁ উল্লেখ কৰি পুনৰ কয়, 'আমাৰ দৰে দুৰ্ভগীয়া হয়তো ক'তো নোলাব। ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ কথা বাদহৈ দিছো, কিদৰে খাম এশবাৰ চিন্তা কৰিব লগা হৈছে। চাৰিশ-পাঁচশ টকাৰে কি কৰিম? ল'ৰা-ছোৱালীক পঢুৱামেই নে খোৱাৰ চিন্তা কৰিম? আজি ১৫-২০ দিনেই হ'ল মিঠাতেল খাবলৈ এৰি দিছো। যদি এইদৰেই থাকিবলৈ হয় কিমান দিন ধাৰ কৰি কৰি খাম, চৰকাৰে অলপ চকু দিয়ক।' একেদৰে কাহিলিপাৰা পথত দৈনিক ঘৰুৱা শাক-পাচলি বিক্ৰী কৰি অহা তথা কচুথুৰি-শিমলু আলু-অমিতা ফুল-জলফাই-মচন্দৰি-কচু আদি বিক্ৰী কৰি পৰিয়াল পোহপাল দি অহা শৰ্মিলা দেৱীয়ে কয়, 'আমি বিক্ৰী কৰা সামগ্ৰীসমূহৰ মূল্য কেতিয়াও বৃদ্ধি নহয়; বৰঞ্চ গ্ৰাহকে কমহে কৰে। ক'ভিডৰ পাছত বিভিন্ন স্থানৰ পৰা এই সামগ্ৰীসমূহ ক্ৰয় কৰি বিক্ৰীৰ জৰিয়তে যিকেইটা পাওঁ তাৰে পৰিয়ালটো কোনোমতে চলি আছো। এতিয়া ক'বলৈ ভাষা নাই। আমাৰ কথা চিন্তা কৰিব কোনে?' উল্লেখ্য যে পাঁচজনীয়া পৰিয়ালটোৰ তথা দেৱীৰ স্বামীয়ে পূৰ্বতে গাড়ী চলাই পৰিয়াল পোহপাল দি আহিছিল যদিও ক'ভিডসৃষ্ট পৰিৱেশৰ ফলত সম্প্ৰতি এই পদপথৰ দোকানখনেই তেওঁলোকৰ উপাৰ্জনৰ একমাত্ৰ মাধ্যম। সম্প্ৰতি মূল্যবৃদ্ধিৰ ফলত পৰিয়ালটোৰ অৱস্থা তথৈবচ হৈ পৰা বুলি উল্লেখ কৰি দেৱীয়ে কয়, 'ল'ৰা আৰু মাজু ছোৱালীজনীক এইবাৰ নামভৰ্তিয়েই কৰিব নোৱাৰিলো, তাতকৈ আৰু দুখৰ কথা কি ক'ম! এতিয়া মূল্যবৃদ্ধিয়ে অধিক চিন্তিত কৰিছে, আমি নাখালেও ল'ৰা-ছোৱালীকেইটাক খুৱাব লাগিব। পাওঁ তিনিশ-চাৰিশ, এদিনত এহেজাৰ টকাৰ অধিক লাগে। কি কৰিম ভাবি পোৱা নাই।' সমান্তৰালভাৱে বৰবাৰীত লাই-পালেং-ঔটেঙা-কচুথুৰি-মানিমুনি-ধনীয়া-দোৰপ-পদুনা-খুতুৰা আদি বিক্ৰী কৰি দৈনিক চাৰি-পাঁচশ টকা উপাৰ্জন কৰি অহা সাবিত্ৰীয়ে মূল্যবৃদ্ধিৰ ফলত পৰিয়ালটোৱে সন্মুখীন হোৱা সমস্যা বৰ্ণনা কৰি কয়, 'দাম বাঢ়িছে; কিন্তু আমি বিক্ৰী কৰা শাক-পাচলিৰ দাম নাবাঢ়ে। শাক-পাচলিসমূহ বিচাৰি এজন যাব লাগে আৰু এজন দোকানত বহিব লাগে। সদায় যিটো উপাৰ্জন হয়, তাৰ ওপৰতে পৰিয়াল পোহপালৰ কথা নিৰ্ভৰ কৰে। কিন্তু এতিয়া সেই উপাৰ্জনেৰে পৰিয়াল পোহপাল দিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। ল'ৰা-ছোৱালী কেইটাকতো ক'ব নোৱাৰো, সেয়ে দুয়োজনে সদায় চিন্তা কৰো কিদৰে পৰিয়ালটো চলিব। আমাৰ বাবে চিন্তা কৰা চৰকাৰ নাপামেই যেন পাইছো।

### ব্যয়ৰ অনুপাতে নাই আয় ঃ দিশহাৰা শ্ৰমজীৱী জনতা

অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সম্প্ৰতি শ্ৰমজীৱী জনতাক গভীৰ হতাশগ্ৰস্ত কৰি তুলিছে। মূল্যবৃদ্ধিৰ ফলত পৰিয়াল এটা পোহপাল দিবলৈ আজিৰ দিনত যিমান ব্যয় কৰিবলগীয়া হৈছে তাৰ অনুপাতে এই শ্ৰেণীৰ লোকৰ আয় সীমাবদ্ধ তথা হ্ৰাস পোৱাৰ ফলত এক মানসিক চাপৰ যে সন্মুখীন হৈছে সেয়া অধিকাংশ লোকৰ মুখতে স্পষ্ট হৈ পৰিছে। কিছু কিছু লোকে চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰাৰ সমান্তৰালভাৱে কোনো কোনোৱে চৰকাৰ আছে জানো বুলিও প্ৰশ্ন উত্থাপন কৰিছে। ৰন্ধন গেছকে ধৰি প্ৰতিবিধ খাদ্য-সামগ্ৰীৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাত সাধাৰণ জনতা বাৰুকৈয়ে প্ৰভাৱিত হোৱাৰ পাছতো শাসকীয় পক্ষৰ মন্ত্ৰী-বিধায়কে মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ নকৰি বাৰে বাৰে উপলুঙা কৰি অহা দিশটোৱেও বহুতকে ক্ষুণ্ণ কৰি তুলিছে।

উল্লেখ্য যে আয়ৰ তুলনাত সম্প্ৰতি ব্যয় অত্যধিক হাৰত বৃদ্ধি পোৱাত অৰ্থাৎ এই মূল্যবৃদ্ধি শীঘ্ৰে নিয়ন্ত্ৰণ নকৰিলে অনাগত দিনত যে এক অভাৱনীয় পৰিস্থিত উদ্ভৱ হ'ব তাৰ আভাস স্পষ্ট হৈছে।

**দুজনক যাৱজ্জীৱন-দুজনক ১০ বছৰ-এজনক সাত বছৰৰ কাৰাদণ্ড এনআইএৰ আদালতৰ**

# ২০১৩ত মোদীৰ ভাষণৰ পূৰ্বে পাটনাত বিস্ফোৰণ ঘটোৱা চাৰিজনক মৃত্যুদণ্ড



**নিউজ ব্যুৰ'**

**পাটনা, ১ নৱেম্বৰ ঃ** ২০১৩ত তদানীন্তন গুজৰাটৰ মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ প্ৰদান কৰাৰ পূৰ্বে পাটনাৰ গান্ধী ময়দানৰ সমাৰেশস্থলীত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাত জড়িত থকাৰ অপৰাধত চাৰিজন লোকক আজি আদালতে মৃত্যুদণ্ড প্ৰদান কৰে। সেইদিনাৰ ঘটনাত ছজন লোকে প্ৰাণ হেৰুওৱাৰ বিপৰীতে ৮৯জন আহত হৈছিল। আন পাঁচজন অপৰাধীৰ দুজনক যাৱজ্জীৱন কাৰাদণ্ড, দুজনক ১০ বছৰ কাৰাদণ্ড আৰু আনজনক সাত বছৰৰ কাৰাদণ্ড বিহে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (এনআইএ)ৰ বিশেষ আদালতে।

উল্লেখ্য যে ২০১৩ৰ ২৭ অক্টোবৰত পাটনাৰ ঐতিহাসিক গান্ধী ময়দানত বিজেপিৰ ২০১৪ৰ সাধাৰণ নিৰ্বাচনৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী মোদীৰ অংশগ্ৰহণেৰে 'হুংকাৰ সমাৰেশ'ৰ আয়োজন কৰা হৈছিল। মোদীয়ে ভাষণ প্ৰদানৰ প্ৰাকমুহূৰ্তত একাধিক বোমা বিস্ফোৰণ সংঘটিত হয়। তাৰ পূৰ্বে পাটনা ৰেল ষ্টেছনতো এটা বোমাৰ বিস্ফোৰণ ঘটে। পৰৱৰ্তী পৰ্যায়ত তদন্ত কালত স্পষ্ট হয় যে ষ্টুডেণ্টছ ইছলামিক মুভমেণ্ট অৱ ইণ্ডিয়া (ছিমি) আৰু ৰাঁচীৰ ইণ্ডিয়ান মুজাহিদীন নামৰ গোটটোৱে মিলি এই বিস্ফোৰণ সংঘটিত কৰিছিল।

যোৱা সপ্তাহত এনআইএৰ বিশেষ আদালতে এই ধাৰাবাহিক বিস্ফোৰণৰ গোচৰত ১০জন অভিযুক্তৰ নজনক দোষী সাব্যস্ত কৰে আৰু এজনক উপযুক্ত তথ্য-প্ৰমাণৰ অভাৱত মুক্তি দিয়ে। এনআইএৰ অধিবক্তা লালন প্ৰসাদ সিঙে কয় যে এনআইএই ১১জন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। তাৰে এজন নাবালক হোৱা হেতুকে তেওঁৰ গোচৰ শিশু অপৰাধ আদালতলৈ প্ৰেৰণ কৰা হৈছিল। অপৰাধী সাব্যস্ত হৈ শাস্তি লাভ কৰাসকল হৈছে ক্ৰমে ইমতিয়াজ আনছাৰি, মুজিবুল্লাহ, হাইদৰ আলী, ফিৰোজ আছলাম, ওমৰ আনছাৰি, ইফটিকাৰ, আহমেদ হুছেইন, উমেৰ ছিদ্দিকী আৰু আজহাৰ উদ্দিন। আনহাতে, ফখৰুদ্দিনক নিৰ্দোষী ঘোষণা কৰা হয়।

# দুই টেংকাৰৰ সংঘৰ্ষত অগ্নিদগ্ধ

*এক পৃষ্ঠাৰ পৰা* সংঘৰ্ষত টেংকাৰৰ চালক দুজন অগ্নিদগ্ধ হোৱাত গাড়ীৰ ভিতৰতে শোকাৱহভাৱে মৃত্যু হোৱাৰ উপৰি এজন গুৰুতৰভাৱে আহত হয়। নিশা প্ৰায় ২-৩০ বজাত এন এল-০১ এ/ই-৮০৬৪ আৰু এম এইছ-৪৩/ৱাই ৭২০১ নম্বৰৰ দুখন টেংকাৰৰ ভয়াৱহ সংঘৰ্ষৰ ফলত প্ৰচণ্ড শব্দৰ লগতে চালকৰ কেবিনত দপ্‌দপকৈ জুই জ্বলি উঠে। এই ঘটনাত টেংকাৰ দুখনৰ চালক দুগৰাকী অগ্নিদগ্ধ হৈ গাড়ীৰ ভিতৰতে কৰুণ মৃত্যুক সাবটি লয়। ইপিনে, টেংকাৰৰ খালাচী এজনে দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়তে জঁপিয়াই প্ৰাণ ৰক্ষা কৰে যদিও আঘাতপ্ৰাপ্ত হয়। নিহত গাড়ী চালকদ্বয় ক্ৰমে উত্তৰ প্ৰদেশৰ আৰমান গাঁৱৰ পাপ্পু যাদৱ আৰু বিহাৰৰ উত্তৰ চম্পৰণ জিলাৰ সন্তোষ যাদৱ। আনহাতে, দুৰ্ঘটনাৰ বাতৰি লাভ কৰি ঘটনাস্থলীত আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপিত কৰাৰ পাছত আজি পুৱা মৃতদেহ দুটা উদ্ধাৰ কৰি গোসাঁইগাঁও থানালৈ আনে আৰু পাছত মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰা হয়।

# ১.৭৮ শতাংশ ভোটাৰ বৃদ্ধিৰে

*এক পৃষ্ঠাৰ পৰা* প্ৰকাশ কৰা সংহত খচৰা ভোটাৰ তালিকাৰ জৰিয়তে এই তথ্য পোহৰলৈ আহে। আগন্তুক ২০২২ৰ পহিলা জানুৱাৰীক ভিত্তি কৰি প্ৰস্তুত কৰা এই খচৰা ভোটাৰ তালিকা অনুসৰি মুঠ ভোটাৰৰ সংখ্যা হ'ল ২,৩৪,০২,৮৩৩ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ হ'ল ১,১৮,২৫,৩৮১ জন আৰু মহিলা ভোটাৰ হ'ল ১,১৫,৭৭,০৬৫ গৰাকী। আনহাতে, তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা হ'ল ৩৮৭ গৰাকী। ইপিনে, ১৮-১৯ বছৰৰ ভিতৰৰ নতুন ভোটাৰৰ সংখ্যা হ'ল ২,৬৮,২৭৭ জন। লক্ষ্যণীয়ভাৱে খচৰা অনুসৰি ৮০ৰ ঊৰ্দ্ধৰ ভোটাৰৰ সংখ্যা হ'ল ৩,২০,০৫০ গৰাকী। নিৰ্বাচন বিভাগে সদৰী কৰে যে খচৰা অনুযায়ী অসমত ভোটাৰৰ অনুপাত হ'ল ৬২৬ আৰু লিংগৰ অনুপাত হ'ল ৯৭৯।

উল্লেখ্য যে উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা পাঁচটা সমষ্টিৰ বাদে আজি ৰাজ্যৰ ১২১টা সমষ্টিৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। অহা আঠ নৱেম্বৰত এই পাঁচটা সমষ্টিৰ খচৰা তালিকা প্ৰকাশ কৰা হ'ব। ইপিনে, আজি খচৰা তালিকা, প্ৰকাশৰ পাছত অহা ৩০ নৱেম্বৰলৈ ৰাইজে দাবী আৰু আপত্তি দাখিল কৰিব পাৰিব। অহা পাঁচ জানুৱাৰীত প্ৰকাশ পাব চূড়ান্ত ভোটাৰ তালিকা।

# টেঙৰ চেঙেলী কাৰণেহে

*এক পৃষ্ঠাৰ পৰা* পাঁচমাহজুৰি প্ৰদেশ কংগ্ৰেছৰ সদস্য নবীকৰণ আৰু নতুন সদস্যৰ অন্তৰ্ভুক্তি চলিব। সেইসকলক লৈয়ে ২০২২ত কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচন অনুষ্ঠিত হ'ব। গোস্বামীয়ে কয়, '৩৩ লাখ সদস্যভৰ্তি কৰাত আমাৰ কষ্ট হ'ব; কিন্তু আমি কৰিব লাগিব। সদস্যভৰ্তি আৰু নবীকৰণ সুচাৰুৰূপে আগবঢ়াবলৈ ব্লক আৰু জিলা পৰ্যায়ত পৰ্যবেক্ষকৰূপে প্ৰদেশ কংগ্ৰেছ কমিটীৰ এজনকৈ সাধাৰণ সম্পাদকৰ দায়িত্বত থাকিব। প্ৰতিটো বিধানসভা সমষ্টিত ন্যূনতম ২৫ হেজাৰ সদস্যভৰ্তি হ'ব লাগিব। অনলাইন ব্যৱস্থাৰেও এইবাৰ সদস্যভৰ্তি চলিব। পাঁচ টকাৰ বিনিময়ত সদস্যভৰ্তি হোৱাৰ লগে লগে প্ৰত্যেকে প্ৰথমবাৰৰ বাবে কংগ্ৰেছৰ এখন পৰিচয়পত্ৰও লাভ কৰিব।' প্ৰসংগক্ৰমে উল্লেখ্য যে অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ জৰিয়তে প্ৰদেশ কংগ্ৰেছে আজি সংবাদমেলতে সদস্যভৰ্তি অভিযান আৰম্ভ কৰে।

ইপিনে, বিজেপিয়ে অসমত দলটোৰ কমেও ৪২ লাখ সদস্য থকা বুলি দাবী কৰাৰ বিপৰীতে কংগ্ৰেছে মাত্ৰ ৩৩ লাখহে সদস্যভৰ্তি কৰিব বিচৰা সন্দৰ্ভত গোস্বামীয়ে কয় যে তেওঁলোকক ভুৱা সদস্যৰ প্ৰয়োজন নাই। তেনেদৰে প্ৰয়োজন নাই নতুন সদস্যৰ নামত নিজে পইচা জমা দিয়াৰো। বিজেপি অপপ্ৰচাৰত সিদ্ধহস্ত বুলিও কটাক্ষ কৰে গোস্বামীয়ে। বিজেপিয়ে আনকি তেওঁ আৰু দেৱব্ৰত শইকীয়াইও বিজেপিত যোগদান কৰিব বুলি প্ৰচাৰ চলাইছিল। এনেবোৰ প্ৰচাৰৰ দ্বাৰা কংগ্ৰেছ কৰ্মীৰ মনোবল শিথিল কৰাৰ চেষ্টা কৰিছিল। এইদৰে উল্লেখ কৰি গোস্বামীয়ে কয়, 'আমি দুয়ো বিজেপিৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সৰৱ হৈ আহিছো। সেয়েহে আমাক লক্ষ্য কৰি লৈছিল; কিন্তু দেৱব্ৰত শইকীয়া আৰু মই টেঙৰ চেঙেলী বাবে বিজেপিয়ে আমাক নিব নোৱাৰিলে।'

# ভেজালৰ বেহা, পাঁচশ টকাৰ

*এক পৃষ্ঠাৰ পৰা* ভেজাল ঔষধে ছানি ধৰিছে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁও জিলাক। বিশেষকৈ গ্ৰামাঞ্চলৰ ফাৰ্মাচীসমূহত এনে দৰৱ সম্প্ৰতি সহজলভ্য। আজি নগাঁও আৰক্ষীয়ে ভেজাল দৰৱৰ এজন ব্যৱসায়ীক কৰায়ত্ত কৰাৰ পাছতে এই কথা পোহৰলৈ আহে। নুৰজামাল আলী নামৰ ধৃত ব্যৱসায়ীজনৰ নেতৃত্বত তিনিশটা ইউডিলিভ টেবলেট, দুশটা টেক্সিম-অ' টেবলেট, জেমকল কেপচুল আদি দৰৱৰ নকল দৰৱ বিক্ৰী হৈ আছে। নগাঁও জিলাৰ পুৰণিগুদামৰ কঢ়ালিগাঁৱৰ বাবলু মেডিকেলত এনে ধৰণৰ নকল দৰৱ বিক্ৰী কৰিবলৈ আহি আৰক্ষীৰ জালত পৰে লোকজন। নগাঁৱৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিদিৱ কুমবাঙৰ নেতৃত্বত আৰক্ষীয়ে চলোৱা অভিযানত লোকজনক আটক কৰে। প্ৰাপ্ত তথ্য অনুসৰি বাবলু মেডিকেলৰ স্বত্বাধিকাৰীজনক আলীয়ে আঢ়ৈ মাহ পূৰ্বে বিক্ৰী কৰা ঔষধ ভেজাল বুলি প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰীজন অৱগত হয়। তেতিয়াৰ পৰা দৰৱ প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰীজনে নুৰজামালক জালত পেলাবৰ বাবে কৌশল ৰচনা কৰে। সেই অনুযায়ী আজি নুৰজামাল পুনৰ তেওঁৰ প্ৰতিষ্ঠানলৈ আহিব বুলি জানিব পাৰি ঔষধ বিক্ৰী প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰীজনে তাৎক্ষণিকভাৱে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ লগত যোগাযোগ কৰে। ইয়াৰ পাছতেই নগাঁও জিলাৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিদীপ কুমবাঙৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ভেজাল ঔষধ বিক্ৰী কৰা নুৰজামালক গ্ৰেপ্তাৰৰ কৌশল ৰচনা কৰি দৰৱ বিক্ৰী প্ৰতিষ্ঠানখনৰ ওচৰে-পাঁজৰে খাপ পিটি থাকে। সেই অনুযায়ী আজি লোকজনে ঔষধ বিক্ৰী কৰিবলৈ আহোতে আৰক্ষীয়ে লোকজনক হাতে-লোটে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে এই চক্ৰটোৰ লগত জড়িত আন এজন অভিযুক্তৰ সন্ধানতো অভিযান অব্যাহত ৰাখিছে। ইপিনে, বাবলু মেডিকেলৰ স্বত্বাধিকাৰীজনে জনোৱা মতে যিটো দৰৱৰ প্ৰকৃত মূল্য পাঁচ শতাধিক সেই ঔষধ নুৰজামালে মাত্ৰ ৯৬ টকাতে বিক্ৰী কৰে। আনকি আঢ়ৈ মাহৰ পূৰ্বে নুৰজামালে তেওঁক বিক্ৰী কৰা ঔষধৰ মূল্য ন'লৈ ঔষধ বিক্ৰী কৰি পাছত ধন দিব বুলি জনাইছিল। তেতিয়াই নুৰজামালৰ প্ৰতি কঢ়ালিগাঁৱৰ বাবলু মেডিকেলৰ স্বত্বাধিকাৰীৰ সন্দেহ হয়। ইয়াৰ পাছতেই আজি আৰক্ষীৰ অভিযানত নুৰজামাল কৰায়ত্ত হয়।

# ২০২২ত হজ যাত্ৰাৰ বাবে অনলাইন

*এক পৃষ্ঠাৰ পৰা* কৰাৰ বাবে সদৰী কৰিছে ভাৰতীয় হজ কমিটীয়ে। অহা ৩১ জানুৱাৰীলৈকে অনলাইন প্ৰক্ৰিয়া চলিব। উল্লেখ্য যে বিগত দুটা বছৰে ক'ভিডৰ বাবে হজ বন্ধ ৰাখিবলগীয়া হৈছিল। ইছলামধৰ্মী লোকসকলৰ পাঁচটা বুনিয়াদৰ অন্যতম হজ। ছৌদি আৰবৰ মক্কা আৰু মদিনাত হজৰ বাবে লাখ লাখ মুছলমান লোকে ভিৰ কৰে; কিন্তু কৰ'নাৰ বাবে ছৌদি আৰবৰ চৰকাৰৰ লগতে ভাৰত চৰকাৰেও বিমানসমূহ উৰণৰ ক্ষেত্ৰত বাধা আৰোপ কৰাৰ লগতে কেতবোৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাত বিগত দুটা বছৰে বন্ধ হৈ আছিল হজ যাত্ৰা। সম্প্ৰতি হজৰ বাবে পুনৰ আবেদন ভাৰতীয় হজ সমিতিয়ে আহ্বান কৰাত লগে লগে ভাৰতীয় ইছলামধৰ্মী লোকসকলেও উৎফুল্লিত হৈ পৰিছে।

# জয় নিশ্চিত বুলি দাবী কৰিলেও শাসকীয়

*এক পৃষ্ঠাৰ পৰা* আটাইকেইটা সমষ্টিত গ'ল দিয়াটো নিশ্চিত বুলি কলিতাই দাবী কৰে। বিজেপি সভাপতিজনে কয়, 'অসমৰ ৰাইজৰ মৰমতে বিজেপি আজি বিৰোধী শূন্য উপ-নিৰ্বাচনত নামিবলগীয়া পৰিৱেশৰ সৃষ্টি হৈছে।' বিজেপিৰ এনে দাবীৰ প্ৰত্যুত্তৰত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে কটাক্ষ কৰি কয় যে বিৰোধীৰ শক্তি আৰু চৰকাৰৰ অপশাসনৰ বাবেই ভয় খাই অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰচাৰৰ ক্ষেত্ৰত নজিৰবিহীন দৃষ্টান্ত স্থাপন কৰিলে। গোস্বামীয়ে কয়, 'উপ-নিৰ্বাচনত আমাৰ দলৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়েও প্ৰচাৰ চলাইছিল। মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলোৱাত আপত্তি কৰিবলগীয়া নাই; কিন্তু বৰ্তমানৰ মুখ্যমন্ত্ৰীজনে পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনত ৫০ খন নিৰ্বাচনী সভাত প্ৰচাৰ চলোৱাটো ভাৰতৰ ৰাজনৈতিক ইতিহাসতে পাবলৈ নাই। হেলিকপ্টাৰেৰে একোটা সমষ্টিত ১০খন পৰ্যন্ত সভাত প্ৰচাৰ চলাইছে মুখ্যমন্ত্ৰীয়ে। পাঁচমহীয়া চৰকাৰখনে মানুহক জ্বলাকলা খুৱাইছে। মানুহ চৰকাৰখনৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈছে। সেই ভয়তে স্বয়ং মুখ্যমন্ত্ৰীয়ে নজিৰ স্থাপন কৰি প্ৰচাৰ চলাবলৈ বাধ্য হয়। তদুপৰি বিজেপিৰ সকলো মন্ত্ৰী-বিধায়কে চৰকাৰী প্ৰশাসন যন্ত্ৰক ব্যৱহাৰ কৰি নিৰ্বাচনত অৱতীৰ্ণ হয়। তাৰ পাছতো বিজেপিয়ে নোৱাৰিলে।' গোস্বামীয়ে দাবী কৰে যে কংগ্ৰেছে উপ-নিৰ্বাচনত দুটা সমষ্টি দখল কৰিব। আনহাতে, তিনিটা সমষ্টিত তুমুল প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সক্ষম হ'ব। অৱশ্যে কোন দুটা সমষ্টিত কংগ্ৰেছ বিজয়ী হ'ব সেই তথ্য সদৰী কৰাৰ পৰা গোস্বামী বিৰত থাকে। একেদৰে তথ্য সদৰী কৰাৰ পৰা বিৰত থাকে সভাপতি ভূপেন বৰাও। ইপিনে, থাওৰা সমষ্টি দখল কৰিব বুলি দাবী কৰে ৰাইজৰ দলে।

# সপোন-কল্পনা-বাস্তৱ (৪)

*এক পৃষ্ঠাৰ পৰা* কৰিছিল। তাকে দেখি আমেৰিকাৰ তদানীন্তন ৰাষ্ট্ৰপতি জন ফিটজাৰেল্ড কেনেডীয়ে ঘোষণা কৰিলে যে ১৯৬০ৰ দশকটো শেষ হোৱাৰ আগেয়েই আমেৰিকাই চন্দ্ৰ পৃষ্ঠত মানুহ নমাবই নমাব। আৰু হয়ো; ১৯৬৯ৰ ২০ জুলাইত আমেৰিকাৰ মহাকাশচাৰী নীল আৰ্মষ্ট্ৰং প্ৰথমেই চন্দ্ৰত নামিলেগৈয়ে।

এই দৌৰ প্ৰতিযোগিতা যি আৰম্ভ হ'ল আৰু হ'লেই। প্ৰতিযোগিতা এবাৰ আৰম্ভ হ'লে আৰু কমাৰ কথা ক'ৰ পৰা আহে! দিনে দিনে সি বাঢ়ি গৈয়েই থাকিল আৰু বাঢ়ি গৈয়ে আছে।

প্ৰথমতে সাধাৰণ জিজ্ঞাসা-অনুসন্ধিৎসাৰে আৰম্ভ হোৱা সেই যাত্ৰা এতিয়া ব্যৱসায় হৈ পৰিছে। প্ৰথমৰ বিজ্ঞানৰ প্ৰয়োগবিলাকে এতিয়া বিশ্বত কিমাকাৰ ৰূপ লৈছেগৈ। প্ৰথমতে আছিল বতৰ বিজ্ঞান সম্পৰ্কীয়, পৃথিৱী অধ্যয়ন সম্পৰ্কীয়, গভীৰ মহাকাশ পৰ্যবেক্ষণ সম্পৰ্কীয়, মহাকাশ যানবিলাকৰ উৎক্ষেপণ তথা পৰিচালনা সুস্থিৰ কৰা কাৰ্যত নিয়োজিত; কিন্তু সি লাহে লাহে হ'লগৈ এখন দেশে আন এখন দেশৰ ওপৰত চোৰাংচোৱাগিৰি কৰাৰ হাতিয়াৰ, সামৰিক অস্ত্ৰ প্ৰয়োগৰ হাতিয়াৰ, চন্দ্ৰ-মঙল গ্ৰহত মানুহৰ স্থায়ী বসবাসৰ সম্ভাৱনীয়তা উদ্‌ঘাটনৰ হাতিয়াৰ বা মহাকাশৰ গোপন গভীৰত জীৱনৰ অস্তিত্ব বিচৰাৰ হাতিয়াৰ।

আৰু এতিয়া হৈছেগৈ মহাকাশলৈ প্ৰমোদ ভ্ৰমণ-প্ৰমোদ বিহাৰ; তাকো ব্যক্তিগত উদ্যোগত। প্ৰথমতে মহাকাশ অভিযানবিলাক কেৱল চৰকাৰী সংস্থাবিলাকে কৰিছিল— ইছৰ', নাছা আদিয়ে। প্ৰথমতে ৰাছিয়া, আমেৰিকা, ফ্ৰান্স, চীন, জাপান, ভাৰত আদি কেইখনমান দেশেহে এই কামত হাত দিছিল। এতিয়া দেশ বাদেই, ধনী-উদ্যমী-দুঃসাহসী মানুহে নিজা নিজা কোম্পানীৰ হতুৱাই এই কাম কৰিবলৈ লৈছে। এলেন মাস্কৰ space x কোম্পানী আৰু ৰিচাৰ্ড ব্ৰেন্সনৰ virgin galatic আদি কোম্পানীয়ে মহাকাশত মানুহ ফুৰাবলৈ নিলেই।

লগে লগে এই মানুহবোৰ অসমীয়া মানুহৰ নিচিনা মহামূৰ্খ হৈ পৰিল। অসমীয়া মানুহে ভৱিষ্যৎ কি একেবাৰে বুজি নাপায়। ভৱিষ্যতৰ বাবে কোনো প্ৰস্তুতিও নাই। অসমীয়া মানুহে নিজকে ধ্বংস কৰাৰ এয়াই কাৰণ। যেতিয়া অসমত মাটি কম আছিল, তেতিয়া অসমীয়া মানুহে বাহিৰা মানুহ আহি বহিলেহি একো ভবাই নাছিল— তাৰ পৰিণাম কি হ'ব পাৰে?

ঠিক তেনেকৈ এই টকা থকা মানুহবোৰে ভাবিছে যে মহাকাশখন বহুত ডাঙৰ। হেজাৰ হেজাৰ, লাখ লাখ মহাদেশ যান পঠালেও কেতিয়াও ভিৰ নহয় তাত।

কিন্তু সেই মূৰ্খবিলাকে বুজিবই পৰা নাই যে মহাকাশত হেজাৰ-লাখ মহাকাশ যান গোট খাবলৈ বহুত দিন নালাগে। পৃথিৱীত ধনী-বদমাছ-দুৰাকাংক্ষী-শক্তিশালী মানুহৰ অভাৱ নাই। সেয়ে মহাকাশখন কাৰো 'বাপতি সাহোন নহয়' বুলি ধৰি লৈ এতিয়া টকা থকা ধনী ব্যৱসায়ীয়ে পাগলামি কৰিবলৈ লাগিছে। যি ঔপনিৱেশিকতাবাদ মানুহে বাদ দিছিল, সেই মানুহেই এতিয়া space colonialismত নামিছে। মহাকাশত মহাকাশ যানে-মহাকাশ যানে খুন্দা খোৱাৰ সম্ভাৱনীয়তা হেজাৰ গুণে বাঢ়িছে। আগতে বহুত উল্কাপিণ্ড মহাকাশেদি সৰকি আহি পৃথিৱীৰ বায়ুমণ্ডলত সোমাইছিলহি আৰু বায়ুৰ লগত ঘঁহনি খাই-ঘৰ্ষণত গৰম হৈ-জ্বলি ছাই হৈ গৈছিল। এতিয়া সেই বিলাকে মহাকাশ যানত খুন্দিওৱাৰ সম্ভাৱনা হেজাৰ-লাখ গুণে বৃদ্ধি পাইছে।

এই ট্ৰেফিক 'জাম' ভালৰ কাৰণে হোৱা নাই। অহা ১০ বছৰত অৰ্থাৎ ২০৩০ৰ ভিতৰত পৃথিৱীবাসী মহকাশত দুৰ্ঘটনাৰ সংবাদ শুনিবলৈ সাজু হৈ থকা উচিত।

মহাকাশৰ কথা ভাবি থাকোতে মই গমেই পোৱা নাছিলো যে মোৰ সমুখত মোৰ বহু পুৰণা কৰ্মচাৰী এজন থিয় হৈ আছে। তাৰ কাম কেতিয়াবাই গ'ল। কামত অনিয়মীয়া উপস্থিতিয়ে তাৰ সৰ্বনাশ মাতিলে।

প্ৰথমতে সি ভালেই আছিল। প্ৰেমত পৰি বিয়া কৰাবলৈ লৈয়েই তাৰ যতমানে পয়মাল আৰম্ভ হ'ল। ছোৱালী হ'ল হোম পুৰি বিয়া পতা মানুহৰ ঘৰৰ। আনফালে ই হ'ল পিতৃ-মাতৃ ঢুকালেও চুলি নুখুৰোৱা ঘৰৰ মানুহ। নতুন নিয়ম কৰি আনতকৈ বেলেগ হোৱা ঘৰৰ মানুহ। তাৰ ককাকে চুলি খুৰাইছিল; কিন্তু বাপেক বেলেগ হ'ল। গাঁওখনো বেলেগ হ'ল।

গতিকে তাৰ বিয়াৰ সময়ত দুৰ্বাদল কাজিয়া। এঘৰো মান্তি নহয়— নিজৰটো এৰিবলৈ। অৱশেষত ১০,০০১ টকা জৰিমনা ভৰি ৰাইজক খাহী মাৰি ভাত খুৱাব লগা হ'ল। সি তাৰ বাপেকৰ মাটি দুবিঘা বন্ধকত থ'ব লগা হ'ল।

সেই জঞ্জাল চম্ভালোতেই তাৰ দুমাহ মান লাগিল। দুমাহ চাকৰি কোনে ৰাখি থয়! গতিকে মই তাক গুচাই দিলো।

সি ছাগলী-গাহৰি পুহি কিবাকৈ চলিব বুলি ভাবিছিল; কিন্তু তাৰ দেউতাকে শৰণ লোৱা সংঘই তাৰ হাত-ভৰি বান্ধি থ'লে। গাহৰি পোহাৰ কাৰণে তাক গাঁৱৰ পৰা বহিষ্কাৰেই কৰিছিল। হাতত থকা বাকী মাটিকণো বেচি সি সেইবাৰ ৰাইজক জৰিমনা ভৰি কোনোমতে বাচিল।

খেতিৰ মাটি সকলো শেষ কৰি সি বহুত দিন ওচৰৰ টাউনত কয়লা তোলা হাজিৰা কৰি চলিল। কিছুদিন শিল গুৰি কৰা crushing মেচিনতো কাম কৰিছিল; কিন্তু ঘৈণীয়েকৰ কেঁচুৱা হ'বৰ সময়ত সেইটো কামো গ'ল।

বৰ সুন্দৰ-সুঠাম চেহেৰাৰ ৰঙিয়াল ডেকা আছিল সি। এতিয়া ৩৫ বছৰতে কিবা বুঢ়াটো হ'লহি।

প্ৰথমতে মই তাক চিনিবই পৰা নাছিলো। দাড়ি-চুলি ৰুক্ষ-ভুক্ষ চেহেৰাৰ মাজত লুকাই থকা মানুহটো বিচাৰি উলিয়াওঁতে মোৰ বহুত সময় লাগিল। সি ভালকৈ যে বহুত দিন একো খোৱা নাই, বুজাত মোৰ বিশেষ অসুবিধা নহ'ল।

মনটো মোৰ বেয়া লাগি গ'ল। সি মোৰ চকুলৈ চাই সুধিলে— ছাৰ, মোক আপুনি মাৰি পেলাব নোৱাৰে নে?

এছাটি দুখৰ বতাহে মোক কোবাই গ'ল। সি কৈ থাকিল, মই শুনি থাকিলো।

— মোক এতিয়া ১৫ হেজাৰ টকা লাগে। মোৰ ছোৱালী পুষ্পিতা হৈছে। গোটেই গাঁওখন উবুৰি খাই পৰিছেহি মোৰ ঘৰত। দিনে ১৫০/২০০ মানুহ খবৰ ল'বলৈ আহে। চাহ খুৱাব লাগে। ভাত খুৱাব লাগে। তোলনী বিয়া পাতিব লাগে দুদিন পাছত। এহেজাৰমান মানুহ হ'ব বোলে। ৰভা দিব লাগে। ছোৱালীক কাপোৰ দিব লাগে। নামঘৰত কিবা এটা দিব লাগে। ছোৱালীৰ মাকেও নতুন সাজ এযোৰ ল'ব লাগে। ঘৰটোৰ অলপ মেৰামতি কৰিব লাগে। বেণ্ডপাৰ্টি লাগে। সিহঁতক পইচা দিব লাগে।

মোৰ মনত পৰিল আমাৰ ঘৰত কি হৈছিল— মোৰ বাইদেউ-ভন্টীৰ ক্ষেত্ৰত, মোৰ নিজৰ ঘৰত— মোৰ ছোৱালীৰ ক্ষেত্ৰত?

একো হুলস্থুল নাছিল। 'বাইদেউহঁতে বাৰীত শিয়ালৰ গোবৰ গচকিলে; সেই কাৰণে বেলেগে আছে' বুলিয়ে আমি মেট্ৰিক পাছ কৰিলো। আমাৰ ছোৱালীৰ ক্ষেত্ৰত মোকো মোৰ পৰিবাৰে কাণে কাণেহে কথাটো কৈছিল। সামান্য কিবা নীতি-নিয়ম কৰিলে। একো উৎসৱ নাছিল সেয়া। জেঠায়েক-মাহীয়েকহঁতে এবাৰ আহি খবৰ এটা লৈ গ'ল। কিবা উপহাৰো দিলে বোলে। আমি মতা মানুহবোৰৰ সেইবোৰ খবৰ নাই। কথাটো একপ্ৰকাৰ লুকায়েই থাকিছিল।

মই মোৰ এজন ইছলামধৰ্মী কৰ্মচাৰীক মাতি আনি সুধিলো— কি অ', এনে ক্ষেত্ৰত তহঁতে কি কৰ?

সি ক'লে— 'আমাৰ সেইবোৰ নিয়ম নাই। মাকে মোক ৰাতিহে ফুচফুচাই কৈছিল কথাটো। মৰমতে মই কাপোৰ এসাজ দিছিলো অৱশ্যে।'

তাক মই এতিয়া কি ক'ম ভাবি নাপালো। কৰ'না পৰিস্থিতি— উদ্যোগ ভালকৈ চলা নাই। ব্যৱসায় বেয়া। হাতত পইচা-পাতি নাই; কিন্তু তাক মই তাৰ বিয়াৰ সময়ৰ পৰাই জানো। অতি ভাল ল'ৰা। শান্ত স্বভাৱৰ। কেতিয়াও উচ্চ-বাচ্য নকৰে। কাজিয়া-পেচাল, তৰ্কাতৰ্কি নকৰেই। অলপ হোজা স্বভাৱৰ পাই তাক সমাজখনে চুঁচিছে। তাক কোনো বিৰলা-আম্বানীয়ে শোষণ কৰা নাই। তাক কোনো মাৰোৱাৰী ব্যৱসায়ীয়ে শোষণ কৰা নাই। তাক কোনো ধুৰন্ধৰ ৰাজনীতিকে শোষণ কৰা নাই। সি তাৰ গাতে লাগি থকা মানুহৰ দ্বাৰা অত্যাচাৰিত-জৰ্জৰিত-নিষ্পেষিত।

তাক মই তাৰ বিয়াৰ সময়তে সমাজক লাঠ মাৰি দিবলৈ কৈছিলো। বামুণ-শূদ্ৰিৰ কৰি কৰি 'আৰ হাতেৰে নাখাওঁ', 'তাৰ হাতেৰে নাখাওঁ', 'সিহঁতৰ ঘৰৰ বিয়ালৈ কোনো যাব নোৱাৰ' বুলি তালিবানী ফতোৱা জাৰি কৰি কৰি— দুৰ্বল মানুহক জৰিমনা ভৰোৱায়, গাঁওবিলাকত কিছুমান মানুহে সদায়েই এনে পৰিস্থিতিৰ সৃষ্টি কৰি আহিছে যে মানুহ, মানুহ হৈ থকায়েই টান হৈ পৰিছে। বাহিৰৰ পৰা একো ধৰিব নোৱাৰি; কিন্তু ভিতৰি ভিতৰি সাংঘাতিক কিছুমান ঘটনা ঘটি আছে।

হঠাৎ মোৰ এলন মাস্কলৈ খং উঠি গ'ল। তোমালোকে মহাকাশত কি 'ৰমন্যাস' আন্দোলনৰ সূচনা কৰিবলৈ গৈছাহে! পৃথিৱীত সকলো সমস্যা সমাধান হৈ গ'ল নেকি? যান্ত্ৰিক সভ্যতাৰ উৎপাতত পৃথিৱী-প্ৰকৃতি-পৰিৱেশে ত্ৰাহি মধুসুদন দেখিছে, মানুহে মুকলিকৈ উশাহ ল'ব নোৱৰা হৈছে, অন্যান্য জীৱ-জগত এফালৰ পৰা তহিলং হৈ গৈ আছে, অথচ তোমালোকৰ সেইবিলাকলৈ ভ্ৰূক্ষেপ নাই! 'ৰাগলে কি দুনিয়া'ৰ ৰাগলেৰ নিচিনা কিয় হৈছা— অনাহক সপোন দেখা! কি কি কৰিছা কোৱাচোন আচলতে? মানুহৰ সম্ভাৱনীয়তাৰ দিগন্ত প্ৰসাৰিত কৰিছা? বিজ্ঞানৰ জয়ধ্বজা উৰুৱাইছা? তোমালোকৰ বিজ্ঞান-মানৱতাৰ মাজত আমাৰ এই মানুহটো নপৰে নেকি? তোমালোকৰ বিজ্ঞানে এই মানুহটোক ক'ৰবাতে পিছ পেলাই কেলেই থৈ গ'ল?

হঠাৎ মোৰ জ্যোতি প্ৰসাদলৈকো খং উঠি গ'ল। তুমি কি কবিতা-গান-সাহিত্য ৰচনা কৰিলা যে আমাৰ মানুহৰ মনেই সলনি নহ'ল? কাঞ্চনজংঘা, অসমীয়া ছোৱালীৰ সত্তা, অসমীয়া ডেকাৰ উক্তি লিখিলা— গাৰো, নগা সকলোকে অসমীয়া কৰিবলৈ বিচাৰিলা। নামঘৰে নামঘৰে 'জয়মতী' দেখুওৱাৰ সপোন দেখিলা; কিন্তু নামঘৰৰ ছিৰাল ফটা ৰোধ কৰিব নোৱাৰিলা। গাৰো-নগাকো অসমীয়া কৰিব নোৱাৰিলা। অলীক, অবান্তৰ সপোন কিছুমানেৰে মিছাকৈ মানুহক আভুৱা ভাঁৰিলা।

কিয় অসমীয়া হ'ব সিবিলাক? কোৱাচোন কি যুক্তি আছে তেওঁলোক আমাৰ এই 'গেলা' মানুহৰ মাজত থাকিবলৈ? তোমাৰ 'কুংফুৰ সপোন' কেনেকৈ ফলিয়াব? অসমখন নেদেখাকৈ-নজনাকৈ-নুবুজাকৈ কেৱল শব্দৰ অলংকাৰেৰে জীৱন সুন্দৰ কৰিবলৈ বিচৰাৰ পৰিণাম দেখিছানে এতিয়া? তোমাৰ সপোন এটা অলৌকিক কল্পনাহে আছিল। আমাৰ মানুহক সি স্পৰ্শই কৰিব নোৱাৰিলে।

সেয়ে আজি মোৰ সমুখত বহি থকা মানুহটোৰ সৃষ্টি হ'ল— যি ৰাজহাড় পোন কৰি এতিয়া থিয়েই হৈ থাকিব নোৱাৰে। মানুহৰ নামত সি এটা প্ৰহসন মাত্ৰ। তাৰ স্বাস্থ্য নাই, মনৰ উৎসাহ নাই, ভৱিষ্যৎ নাই। সি কি ধৰণে, কেনেকৈ সদ্য পুষ্পিতা গাভৰু এজনীক ভৱিষ্যতলৈ আগুৱাই দিব বাৰু?

যি অন্ধবিশ্বাসে আমাৰ গ্ৰাম্য সমাজক দহিছে, এলন মাস্ককো সেই একেই অন্ধবিশ্বাসে দহিছে। জাৰ্মান জাতিৰ সৃষ্টিকৰ্তা— বিচমাৰ্কে কৈছিল— মই সোঁভৰিখন দিয়াৰ আগতে বাওঁ ভৰিখন ঠিকে আছে নে নাই, চাই লওঁ। এলন মাস্কহঁতে পৃথিৱীৰ বৰ্তমান সংকটময় অৱস্থাটো নুবুজাকৈয়ে মহাকাশত দপ্‌দপাবলৈ গৈছে— বিজ্ঞান, প্ৰযুক্তি আৰু অৰ্থৰ বলত। এই তিনিটাৰ সংমিশ্ৰণতো এবিধ নতুন অন্ধবিশ্বাসৰ জন্ম হৈছে— আৰু সেইটো হৈছে 'প্ৰকৃতিতকৈ বিজ্ঞান আৰু মানুহ শ্ৰেষ্ঠ' বুলি।

যেনেকৈ সমাজৰ পৰম্পৰা পালন কৰিবলৈ গৈ মোৰ সমুখৰ মানুহটোৰ জীৱনটো ধ্বংস হৈ গৈছে তেনেকৈ common sense বাদ দি বিজ্ঞান প্ৰযুক্তিৰ বলত মদমত্ত মানুহে পৃথিৱীখন ধ্বংস কৰাৰ উপক্ৰম কৰিছে। আচলতে বহুত সপোন, বহুত কল্পনাৰ বধ্যভূমি হ'ল বাস্তৱ।

*ফোন ঃ ৯৮৬৪০-৪৪৪৭০*



■ বিশ্বনাথ সদৰ আৰক্ষীৰ অভিযানত ■ গুদামৰ পৰা জব্দ বৃহৎ পৰিমাণৰ এফ চি আইৰ চাউল

# ৰাজ্যত গঢ় লৈ উঠিছে বগা চাউলৰ ক'লা ব্যৱসায়

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১ নৱেম্বৰ ঃ** যি সময়ত মুখ্যমন্ত্ৰীয়ে কৈছে দুখীয়াৰ নামত অহা এশ গ্ৰাম চাউল কমকৈ দিলেও সুলভ মূল্যৰ ব্যৱসায় জেললৈ যাব সেই সময়তে ৰাজ্যত গঢ় লৈ উঠিছে বগা চাউলৰ ক'লা ব্যৱসায়। দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক অথবা চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে অহা চাউল জমা হৈছে এতিয়া একাংশ বনিয়াৰ গুদানত। সুলভ মূল্যৰ দোকানীৰ ঘৰৰ গুদামত মজুত আছে বৃহৎ পৰিমাণৰ চাউল। উল্লেখ্য যে বিশ্বনাথ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জিত কুমাৰ ৰয়ৰ নেতৃত্বত এটা দলে বিশ্বনাথৰ মিজিকাজান অঞ্চলত অভিযান চলাই উক্ত অঞ্চলৰ সুলভ মূল্যৰ বিপণী মহন জেনাৰ ঘৰতো জব্দ কৰিছিল অবৈধ সুৰা। জেনাৰ ঘৰৰ সেই সময়তে প্ৰত্যক্ষ কৰিছিল গুদামত মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ চাউল। আৰক্ষীয়ে এই সন্দৰ্ভত বিশ্বনাথ জিলা খাদ্য আৰু অসামৰিক যোগান বিভাগে বিষয় সন্দৰ্ভত জনাৰ পাছতো গুৰুত্ব প্ৰদান নকৰাৰ ঘটনা পোহৰলৈ আহিছে। অৱশেষত যোৱা ২৮ অক্টোবৰত পুনৰ বিশ্বনাথ সদৰ আৰক্ষী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত জেনাৰ ঘৰত অভিযান চলায়। জেনাৰ ঘৰৰ গুদামৰ পৰা জব্দ কৰা বৃহৎ পৰিমাণৰ চাউল আৰু ছীল কৰা হ'ল গুদাম। এজন সুলভ মূল্যৰ বিপণীৰ গুদাম অথবা বিপণীত মজুত থাকিব পাৰে ২৮ কুইন্টল চাউল। কিন্তু জেনাৰ গুদামত মজুত আছিল ১৭৭ কুইন্টল চাউল। জেনাৰ গুদামত থকা এই চাউল এফ চি আইৰ পৰা দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকৰ বাবে অথবা চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অহা চাউলহে আছিল। অবৈধভাৱে মহন জেনাই নিজৰ গুদামত মজুত কৰি চোৰাংভাৱে ব্যৱসায়ী চলাই আহিছিল।



পেট্ৰ'ল, ডিজেলৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত জাতীয় সংগ্ৰাম সেনাৰ অৱস্থান ধৰ্মঘট, সোমবাৰে।

# আত্মীয়ই অৰুণাচলত বিক্ৰী কৰা শিশু উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১ নৱেম্বৰ ঃ** তেজপুৰৰ পৰোৱাৰ পৰা কৌশলৰে নি চুবুৰীয়া অৰুণাচল প্ৰদেশত একলাখ টকাত আত্মীয়ই মানৱ সৰবৰাহকাৰীৰ স'তে মিলি বিক্ৰী কৰিছিল এজন ১৩ বছৰীয়া কিশোৰীক। যোৱা ৩০ অক্টেবৰত শোণিতপুৰ আৰক্ষীয়ে কিশোৰগৰাকীক উদ্ধাৰ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে এই ঘটনাৰে জড়িত তিনি অভিযুক্তক। ধৃত তিনিওৰে পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিছে নগদ টকা। অৱশ্যে এই অপহৰণ আৰু বিক্ৰীৰ ঘটনাৰে জড়িত মানৱদেহ ব্যৱসায়ৰ মূল অভিযুক্ত বৰ্তমানেও আৰক্ষীৰ জালত পৰা নাই।

## শিশু, মানৱ সৰবৰাহৰ খলনায়িকাৰ সন্ধান ঃ গ্ৰেপ্তাৰ তিনি

আৰক্ষীয়ে উল্লেখ কৰা মতে, তেজপুৰ ভিতৰ পৰোৱাৰ ৰঞ্জিত নায়ক আৰু মুক্তি নায়কৰ কন্যাক তেজপুৰ ভিতৰ পৰোৱাৰ গৃহৰ পৰা দুমাহ পূৰ্বে বিভিন্ন প্ৰলোভনেৰে অৰুণাচল প্ৰদেশৰ নাহৰলগুণলৈ বুলি লৈ যায় বিশ্বনাথ জিলাৰ জিনজিয়াৰ স্বামী-স্ত্ৰী প্ৰবীণ খাণ্ডোৱাল আৰু চুমি খাণ্ডোৱালে। উল্লেখ্য যে এই দম্পতী শিশুটোৰ আত্মীয়। তেওঁলোকক এই ক্ষেত্ৰত সহযোগ কৰে জিনজিয়াৰে দুল বৰুৱা নামৰ লোকজনে। ঘটনা সংক্ৰান্তত কিশোৰীৰ পিতৃয়ে তেজপুৰ মহাভৈৰৱ আৰক্ষী চকীত দাখিল কৰা এজাহাৰৰ ভিত্তিত অভিযান চলাই জিনজিয়া আৰক্ষীৰ সহযোগত যোৱা ৩০ অক্টোবৰত গ্ৰেপ্তাৰ কৰে এই তিনি শিশু সৰবৰাহকাৰীক। পাছত অভিযানকাৰী আৰক্ষীয়ে ধৃত তিনি সৰবৰাহকাৰীৰ স্বীকাৰোক্তি অনুসৰি তিনিওকে লগত লৈ নাহৰলগুণৰ এটা পৰিয়ালৰ পৰা কিশোৰীগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইফালে, আৰক্ষীয়ে ধৃত তিনি সৰবৰাহকাৰীৰ কৱলৰ পৰা কিশোৰীগৰাকীক বিক্ৰী কৰি পোৱা একলাখ টকাৰ ৪৮ হেজাৰ নগদ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আনহাতে, সংবাদ মাধ্যমৰ আগত ধৃত সৰবৰাহকাৰী তিনিওজনে সহজলভ্য টকাৰ লোভতেই শিশুটোক একলাখ টকাত বিক্ৰীৰ কথা স্বীকাৰ কৰিছে। উল্লেখ্য যে জিনজিয়াৰ দুলুৱে ইয়াৰ বাবে লাভ কৰিছিল ২০ হেজাৰ টকা আৰু স্বামী-স্ত্ৰীয়ে লাভ কৰিছিল ৮০ হেজাৰ টকা। সম্প্ৰতি মহাভৈৰৱ আৰক্ষীয়ে ধৃত তিনিওকে জেৰা চলাই আছে। উল্লেখ্য যে মানৱ সৰবৰাহকাৰী তথা শিশু বিক্ৰীৰ ঘটনাৰ আঁৰত আছে নাহৰলগুণৰ এগৰাকী মহিলা। তেওঁ পূৰ্বৰে পৰা এনে কাৰ্যত জড়িত থকাৰ সম্ভাৱনা ব্যক্ত কৰিছে আৰক্ষীয়ে। এই মূল খলনায়িকা তথা অৰুণাচলৰ নাহৰলগুণৰ নিৰ্দিষ্ট মহিলা কেইগৰাকীক গ্ৰেপ্তাৰৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰক্ষীয়ে। এই মহিলাগৰাকীয়ে ধৃত তিনি সৰবৰাহকাৰীৰ পৰা একলাখ টকাৰ বিনিময়ত কিশোৰীগৰাকীক ক্ৰয় কৰি আন লোকক অধিক ধনৰ বিনিময়ত বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈছে।

# অসমীয়া সাহিত্য সন্মিলনীৰ পশ্চিম যোৰহাট আঞ্চলিকৰ অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১ নৱেম্বৰ ঃ** অসমীয়া সাহিত্য সন্মিলনীৰ পশ্চিম যোৰহাট আঞ্চলিকৰ দ্বিতীয় বাৰ্ষিক অধিবেশন পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় সংবাদ ভৱনত কালি অনুষ্ঠিত হয়। পুৰা সভাপতি গৌৰীশংকৰ ভূঞাই পতাকা উত্তোলন কৰি কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে স্মৃতি তৰ্পণ কৰে উপ-সভাপতি বিপুল দুৱৰাই। ৰাষ্ট্ৰীয় পথটো বহলকৰণৰ বাবে কাকডোঙাৰ পৰা জাঁজীলৈকে পথটোৰ দুয়োকাষৰ গছবোৰ বিভাগীয় লোকে কাটিলে যদিও বৰ্তমানলৈকে এটাও পুলি ৰোপণ কৰা নাই। অধিবেশনৰ স'তে সংগতি ৰাখি ৰাষ্ট্ৰীয় পথটোৰ কাষত সন্মিলনীৰ কৰ্মীসকলৰ লগতে তিলোৰাম বৰা, পুলিন শইকীয়া আৰু ৰবীনচন্দ্ৰ ভূঞাই ৰাষ্ট্ৰীয় পথটোৰ কাষত ভালে সংখ্যক লাগনী আৰু ঔষধি গছৰ পুলি ৰোপণ কৰে। ইয়াৰ পাছতে সংবাদ ভৱনত গৌৰীশংকৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত সম্পাদক বীৰেন বৰাই বিগত কাৰ্যকালত ৰূপায়ণ কৰা কাৰ্যসূচীৰে যুগুতাই উলিওৱা প্ৰতিবেদন পাঠ কৰে আৰু পৰীক্ষিত আয়-ব্যয়ৰ হিচাপ দাখিল কৰে। সভাত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰাৰ পাছত পূৰ্বৰ সমিতিখন ভংগ কৰি গৌৰীশংকৰ ভূঞাক সভাপতি, ভবেন তামুলীক কাৰ্যকৰী সভাপতি, বিপুল দুৱৰা, মাণিক বৰা, প্ৰভাত দত্তক উপ-সভাপতি, বীৰেন বৰাক সম্পাদক, অমল কুমাৰ শইকীয়াক কাৰ্যবাহী সম্পাদক, পুষ্পপ্ৰাণ বৰা, কোযেশ্বৰী বৰাক যুটীয়া সম্পাদক, ৰমেন শইকীয়াক প্ৰচাৰ সম্পাদক, প্ৰতাপ চন্দ্ৰ শৰ্মাক মুখপত্ৰৰ সম্পাদক ৰূপে লৈ ৩১ জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰি আগন্তুক দুবছৰ পৰিচালনাৰ বাবে দায়িত্ব অৰ্পণ কৰা হয়। তাৰে পাছতে অনুষ্ঠিত মুকলি সভাত অসমীয়া সাহিত্য সন্মিলনীৰ যোৰহাট জিলাৰ সভাপতি স্বপ্না বৰঠাকুৰে বক্তব্যত ২০২৩ৰ জানুৱাৰীত যোৰহাট জিলা সমিতিৰ আমন্ত্ৰণত হ'বলগীয়া অসমীয়া সাহিত্য সন্মিলনীৰ ষষ্ঠ বাৰ্ষিক অধিবেশনত পশ্চিম যোৰহাট আঞ্চলিক সমিতিৰ স'তে জড়িতসকলৰ লগতে অঞ্চলবাসীৰ সম্পূৰ্ণ সহযোগিতা কামনা কৰে। সভাখনত ভালেকেইগৰাকীয়ে বক্তব্য আগবঢ়োৱাৰ লগতে কে'বাগৰাকীয়ে স্ব-ৰচিত সাহিত্য পাঠ কৰে। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ঝুমুৰ নৃত্যৰে মুখৰিত বিশ্বনাথ চাৰিআলিৰ গোপসাধাৰু খেলপথাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১ নৱেম্বৰ ঃ** আখৰা বন্দনা কৰি স্বৰস্বতী চৰণ ধৰি আখৰা বন্দনা ব্ৰজ নাৰী মদনে ঝুমইৰ লাগল ভাৰি। কালি এই ঝুমইৰ ধ্বনিৰে মুখৰিত হয় বিশ্বনাথ চাৰিআলিৰ সাধাৰু চাহ বাগিচা। ক'ভিডৰ বাবে দীৰ্ঘদিন ধৰি অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ লগতে বন্ধ হৈ আছিল ঝুমুইৰ প্ৰতিযোগিতাসমূহ। ক'ভিড পৰিস্থিতি লাহে লাহে উন্নত হোৱাত পুনৰ জীপাল হৈ উঠিছে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰসমূহ। ব্যতিক্ৰম নহ'ল বিশ্বনাথৰ গোপাসাধাৰু চাহ বাগিচাৰ খেলপথাৰ। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰু প্ৰাথমিক গোটৰ উদ্যোগত আৰু সাধাৰুবাসী ৰাইজৰ সহযোগত অবিভক্ত শোণিতপুৰ জিলাভিত্তিত আয়োজিত ঝুমুইৰ প্ৰতিযোগিতাত ১৫তাৰো আধিক ঝুমুৰ দলে অংশগ্ৰহণ কৰে। সাংবাদিক অমিতাভ বৰুৱাই আঁত ধৰা অনুষ্ঠানত মাদলৰ ছেৱে ছেৱে ঝুমুৰ দলৰ শিল্পীসকলৰ নৃত্যই সকলোকে আপ্লুত কৰে। ইয়াৰ পূৰ্বে ঝুমুইৰ আখৰা উদ্বোধন কৰে সাকোমঠা চাহ বাগিচাৰ মুখ্য পৰিচালক ৰবীন্দ্ৰ সিং আৰু সাংস্কৃতিক উন্নয়ন বিষয়া ৰাজীৱ কৈৰীয়ে।

উক্ত অনুষ্ঠানত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, সাকোমঠা চাহ বাগিচাৰ মুখ্য পৰিচালক ৰবীন্দ্ৰ সিং, পৰিচালক হেমন্ত বৰুৱা, বিশিষ্ট সমাজকৰ্মী অঞ্জন বৰা, জ্যেষ্ঠ সাংবাদিক নিৰঞ্জন হাজৰিকা, পুলক হাজৰিকা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উপ-সভাপতি দিলীপ গজুৰেল, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ বিত্ত সম্পাদক পাণ্ডুপ দ্বীপ, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ঐবন তাঁতী, কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মিণ্টু ভূমিজ, বিশ্বনাথ জিলা সমিতিৰ সভাপতি ধীৰাজ তাঁতী, সম্পাদক নীলুৎপল ৰোহি দাস, শিক্ষা আৰু সাংস্কৃতিক সম্পাদক অবিনাশ ৰাজুৱাৰ, বিশ্বনাথ শাখা আটছাৰ সভাপতি মহেশ ছেত্ৰী, বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰম বিকাশ বৰা, বিশ্বনাথ চাৰিআলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুৰজ ভূঞা, সাকোমঠা চাহ বাগিচাৰসহ পৰিচালক লালজিৎ সিং, কুঁৰৰী গাঁও পঞ্চায়তৰ সভাপতি যুধিষ্ঠিৰ মহানন্দ, বিশ্বনাথ জিলা আমছুৰ উপ-সভাপতি ফকিৰ আলী, বিশ্বনাথ আটছাৰ প্ৰাক্তন সম্পাদক সুচিত্ৰ পাইক, শিল্পী শ্যাম নাগ আদিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত কৰা এক অভিনন্দন অনুষ্ঠানৰ। উক্ত অনুষ্ঠানত অঞ্চলটোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা,

# ৰাণীত পশুধন প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১ নৱেম্বৰ ঃ** ৰাণীস্থিত আঞ্চলিক পশুধন উদ্যমিতা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানত চাৰিদিনীয়াকৈ অনুষ্ঠিত পশুধন প্ৰশিক্ষণ শিবিৰৰ যোৱা ৩০ অক্টোবৰত সামৰণি পৰে। 'প্ৰশিক্ষণ আৰু সম্প্ৰসাৰণ' আঁচনিৰ অধীনত ২০২০-২১ বিত্তীয় বৰ্ষৰ এছঅ'পিডি-জিৰ অধীনত যোৱা ২৭ অক্টোবৰৰ পৰা ৩০ অক্টোবৰলৈ চাৰিদিনীয়াকৈ পশুপালকৰ দক্ষতা বিকাশ আৰু মহিলা সৱলীকৰণৰ লক্ষ্য ৰাখি অনুষ্ঠিত হৈছিল এই কাৰ্যসূচীৰ। উল্লেখ্য যে এই প্ৰশিক্ষণ শিবিৰত এইবেলি গো-ধন আৰু গাহৰিৰ ওপৰত বিশেষভাৱে প্ৰশিক্ষণ দিয়া হয়। কামৰূপ, মৰিগাঁও আৰু গোলাঘাট জিলাৰ মুঠ ৩২০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই শিবিৰত বহুকেইজন অভিজ্ঞতাপুষ্ট সমল ব্যক্তিয়ে প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখ যে ৰাজ্যৰ ৰাজ্যপাল জগদীশ মুখীৰ অংগীকৃত মৰিগাঁও জিলাৰ সৰ্বাধিক এশগৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে এই শিবিৰত। স্ব-নিয়োজনৰ জৰিয়তে কৃষকসকলৰ আয় দুগুণ বৃদ্ধিৰ লক্ষ্যৰে মৰিগাঁৱৰ কৃষকসকলৰ স্ব-নিৰ্ভৰশীল হোৱাৰ বাবে আহ্বানৰ বাবে সঁহাৰি জনাই ৰাণীস্থিত উক্ত প্ৰতিষ্ঠানটোৱে বিশেষভাৱে অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হয়। সামৰণি অনুষ্ঠানত প্ৰতিষ্ঠানটোৰ সঞ্চালক ডাঃ নিত্য নাৰায়ণ মহন্তৰ সঞ্চালনাত ভাৰপ্ৰাপ্ত বিষয়া উৎপল ভৰদ্বাজে আঁত ধৰা কাৰ্যসূচীত উপস্থিত থাকে ক্ৰমে সহকাৰী সঞ্চালক ডাঃ ৰঞ্জিত বৰদলৈ, উপ-সঞ্চালক প্ৰশান্ত কুমাৰ ৰাভা, সমল ব্যক্তি ডাঃ দিক্ষিতা ৰাজখোৱা, উন্নয়ন বিষয়া চেনীকুঠিৰ প্ৰণীতা দেৱী আৰু ডাঃ হিৰেণ ডেকাই।

# জৰাজীৰ্ণ উজনিৰ ৰাষ্ট্ৰীয় ঘাইপথ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১ নৱেম্বৰ ঃ** জৰাজীৰ্ণ ঘাইপথে জীয়াতু ভোগাইছে সাধাৰণ ৰাইজক। বিশেষকৈ যোৰহাটৰ বাইপাছৰ পৰা জাঁজী পৰ্যন্ত ঘাইপথৰ সম্প্ৰসাৰণৰ কাম অতি নিম্নমানৰ হোৱাৰ বাবে সমগ্ৰ পথছোৱাতে দ' দ' গাঁতৰ সৃষ্টি হোৱাৰ উপৰি পথটোৰ বিভিন্ন স্থানত সম্প্ৰসাৰণৰ কাম নকৰাত পথটোৱে জৰাজীৰ্ণ ৰূপ ধাৰণ কৰাত নিতৌ দুৰ্ঘটনা সংঘটিত হৈছে পথছোৱাত। গাঁতবোৰত পৰি নিতৌ বহু লোক আহত তথা নিহত হৈছে। স্থানীয় ৰাইজে মাটি শিলগুটি দি এই গাঁতবোৰ কিছু পুতিছিল যদিও এয়া পৰ্যাপ্ত হোৱা নাই। বহুবাৰ সংবাদ মাধ্যম, সামাজিক মাধ্যম তথা দল-সংগঠনে পথ মেৰামতিৰ বাবে দাবী জনাই আহিছিল যদিও কাণসাৰ নাই ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ। ৰাষ্ট্ৰীয় ঘাইপথৰ এনে দুৰৱস্থাৰ পাছতো ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে এই সমগ্ৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণাধীন বুলি কৈ দায়সৰা মন্তব্য দিয়াক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে উপ-নিৰ্বাচনত শাসনাধিষ্ঠিত চৰকাৰৰ মন্ত্ৰী-বিধায়ক উক্ত পথেৰেই নিতৌ অহা-যোৱা কৰাৰ পাছত নিজে সমগ্ৰ সমস্যা প্ৰত্যক্ষ কৰাৰ পাছতো কি কাৰণে ঠিকাদাৰী সন্থা তথা ঘাইপথ প্ৰাধিকৰণে এই পথ মেৰামতি কৰিবলৈ গুৰুত্ব দিয়া নাই এয়া ৰহস্যজনক বুলি ৰাইজে মন্তব্য কৰি অনতি পলমে মেৰামতি কৰিবলৈ দাবী জনাইছে। অন্যথা ৰাইজে পথ অৱৰোধ কৰাৰ হুংকাৰ দিছে।

## ■ জীয়াতু ভুগিছে ৰাইজে

# সপ্তাহত এদিন হ'লেও অভিভাৱক বিদ্যালয়লৈ যোৱাৰ সিদ্ধান্ত

**■ নুমলীগড় চাহ বাগিচাত নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক অভিযান**




**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১ নৱেম্বৰ ঃ** নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত নুমলীগড় ছ'চিঅ' ডেভেলপমেন্ট ছ'চাইটৰ সহযোগত অনুসূচিত জাতি আৰু জনজাতিৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, গোলাঘাট জিলা সমিতিৰ বিশেষ আঁচনিৰ শৈক্ষিক অভিযান বৃহত্তৰ নুমলীগড় অঞ্চলত অব্যাহত ৰাখিছে। কালি নুমলীগড় চাহ বাগিচাৰ পাঁচ নম্বৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয় এনে এক অভিযান। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ লগতে সমবেত ৰাইজৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে স্থানীয় ৰাইজৰ মাজত শৈক্ষিক দিশৰ এক অন্তৰংগ আলাপ অনুষ্ঠিত হয়। নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান মহেন শইকীয়াই আঁত ধৰা অনুষ্ঠানত নুমলীগড় চাহ বাগিচাৰ পাঁচ নম্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰশান্ত শৰ্মা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আপেল কছাৰীয়ে বিশিষ্ট অতিথিৰ ভাষণ দিয়ে। শিক্ষয়িত্ৰী মৌচুমী গগৈ আৰু মনীষা বেগমে বৰ্তমান শিক্ষা ব্যৱস্থাত অভিভাৱক জড়িত হোৱাৰ লগতে শিক্ষাৰ অধিকাৰ আইন অনুসৰি সকলোকে মানুহ গঢ়াৰ লক্ষ্যৰে বিদ্যালয়লৈ পঠাবলৈ আহ্বান জনায়। উক্ত সভাত ৰাইজৰ হৈ পিংকী তাঁতী, দেৱনাথ নাহক, প্ৰমোদ পাইকে জনজাতি অঞ্চলৰ সমস্যা অৱগত কৰে। ইফালে, বাগিচাখনত শোভাযাত্ৰা বাহিৰ কৰি ৰাইজক সজাগ কৰে। ইফালে, প্ৰতিজন অভিভাৱক সপ্তাহত এদিন হ'লেও বিদ্যালয়লৈ গৈ নিজ সন্তানৰ শৈক্ষিক উন্নয়নৰ বুজ ল'ব বুলি ৰাইজে ঘোষণা কৰে। পৰ্যায়ক্ৰমে নুমলীগড় অঞ্চলৰ প্ৰতিটো অনুসূচিত জাতি আৰু জনজাতি অঞ্চলত এনে কৰ্মসূচী অব্যাহত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। এনে শৈক্ষিক অভিযানে অনুসূচিত জাতি আৰু জনজাতি অঞ্চলৰ সৰ্বাংগীণ বিকাশ হ'ব বুলি ৰাইজে মতপোষণ কৰে। উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক কিছু শিকন সামগ্ৰী প্ৰদান কৰে। নুমলীগড় অঞ্চলৰ শিক্ষানুষ্ঠান একেলগ হৈ অঞ্চলটোৰ শৈক্ষিক বাতাবৰণ উন্নত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।

# বঙাইগাঁৱত 'আজাদী কি অমৃত মহোৎসৱ' উদ্‌যাপন

## পাঁচটা পথৰ মেৰামতি সম্পূৰ্ণ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন ভাৰত চৰকাৰে স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে দেশজুৰি উদ্‌যাপন কৰা 'আজাদী কি অমৃত মহোৎসৱ' বঙাইগাঁও জিলাতো পালন কৰা হয়। উক্ত মহোৎসৱৰ অন্যতম কাৰ্যসূচীৰ অংশ হিচাপে বঙাইগাঁও জিলা ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনৰ অভয়াপুৰী উত্তৰ ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা অসীম কুমাৰ নাগৰ তত্বাৱধানত 'প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনা'ৰ অন্তৰ্গত আঁচনিৰ মুঠ পাঁচটা পথৰ পাঁচবছৰীয়া ৰুটিন মেইনটেনেন্স কাৰ্যকালৰ মেৰামতিৰ কাৰ্যসূচী হাতত লয়। কাৰ্যসূচী মতে, যোৱা ২১ৰ পৰা ৩০ অক্টোবৰলৈ উপ-সংমণ্ডলৰ অধীনৰ বিভিন্ন পথৰ মেৰামতিৰ কাম সম্পন্ন কৰা হয়। সেইমতে প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত পেকেজ নম্বৰ এ-এছ-০২-১৬১ৰ শিমলাগুৰি পাৰেপাৰাৰ পৰা ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ ৩.৬৪ কিলোমিটাৰ পথ, পেকেজ নম্বৰ এ-এছ-০২-৯০চিৰ বৰঘোলা দুই নম্বৰ খণ্ডৰ পৰা খামাৰপাৰা এক নম্বৰ খণ্ডলৈ ৩.২০ কিলোমিটাৰ পথ আৰু পেকেজ নম্বৰ এ-এছ-০২-৯০চিৰ আমগুৰিৰ পৰা খামাৰপাৰা দুই নম্বৰ খণ্ডলৈ ৩.২০ কিলোমিটাৰ পথ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰ ৰুদ্ৰ কুমাৰ পাঠকে বিভাগীয় নীতি-নিয়ম অনুসৰি মেৰামতিৰ কাম সম্পন্ন কৰে। আনহাতে, অন্য দুটা পথ ক্ৰমে এ এছ-০২-১৪২ নম্বৰ পেকেজৰ পালেংবাৰী-একৰ পৰা পালেংবাৰী-দুইলৈ আৰু এএছ-০২-১৬৬ নম্বৰ পেকেজৰ গাৰোগাঁও দ্বিতীয় খণ্ডৰ পৰা চাৰাপেট প্ৰথম খণ্ডলৈ পথ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰ নয়নজ্যোতি তালুকদাৰ আৰু সুৰোজিৎ ব্ৰহ্মাই মেৰামতি কাৰ্যসূচী ৰূপায়ণত সক্ৰিয় সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে 'আজাদী কি অমৃত মহোৎসৱ'ৰ অধীনত পথ মেৰামতিৰ কাৰ্যসূচী সফল ৰূপায়ণৰ ক্ষেত্ৰত বঙাইগাঁও জিলা ক্ষেত্ৰীয় পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা দ্বীপেন্দ্ৰ কুমাৰ মেধিয়ে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে স্থানীয় ৰাইজক কাৰ্যসূচীৰ বিষয়ে অৱগত কৰি সকলোকে সচেতন হ'বলৈ আহ্বান জনায়।

# হাজোৰ সাংবাদিক-সাহিত্যানুৰাগী দীপাংক নাৰায়ণ ঠাকুৰীয়াৰ স্মৃতিচাৰণ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১ নৱেম্বৰ ঃ** মণিকূট সাহিত্য সমাজ আৰু হাজো সাংবাদিক সন্থাৰ যুটীয়া উদ্যোগত সুৰেন দাস মহাবিদ্যালয় হাজোৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সহযোগত হাজো সাংবাদিক সন্থাৰ প্ৰতিস্থাপক উপ-সভাপতি তথা মণিকূট সাহিত্য সমাজৰ সম্পাদক প্ৰয়াত দীপাংক নাৰায়ণ ঠাকুৰীয়াৰ স্মৃতিচাৰণ সভা যোৱা ৩০ অক্টোবৰত হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ মাধৱদেৱ ৰংগমঞ্চত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৰা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মণিকূট সাহিত্য সমাজৰ সভাপতি প্ৰকাশ দাসে আৰু হাজো সাংবাদিক সন্থাৰ পতাকা উত্তোলন কৰে সন্থাৰ সভাপতি গোবিন্দ দাসে। বন্তি প্ৰজ্বলন কৰে প্ৰয়াত দীপাংক নাৰায়ণ ঠাকুৰীয়াৰ সহধৰ্মিণী মেঘালী ঠাকুৰীয়া আৰু পৰিয়ালবৰ্গই। ইয়াৰ পাছত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পুষ্পাঞ্জলি প্ৰদান কৰে হাজোৰ বহু লোকে। বৃক্ষৰোপণত অংশগ্ৰহণ কৰে ক্ৰমে, প্ৰাক্তন সাংবাদিক তথা হাজো ৰাইজ সমিতিৰ সম্পাদক গৌতম শইকীয়া, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি মনোজ মেধি, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উপ-পঞ্জীয়ক বিচিত্ৰ নাৰায়ণ ঠাকুৰীয়া আৰু অৱসৰপ্ৰাপ্ত শিক্ষক বিজয় কুমাৰ দাসে। ইয়াৰ পাছত অনুষ্ঠিত স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে। সভাত আদৰণী ভাষণত হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই কয়, 'সমাজৰ, জাতিৰ তথা দেশৰ সেৱা কৰা লোকসকল গৌৰৱৰ পাত্ৰ।' সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ মুখপাত্ৰ ড° সঞ্জীৱ কুমাৰ শৰ্মাই কয় যে হাজোৰ দেৱদাসী নৃত্যৰ ঐতিহাসিক দিশত সুকীয়া নিদৰ্শন বিৰাজমান হৈ আছে। এনে এক বিলুপ্তমান ঐতিহ্য নৱ-প্ৰজন্মৰ মাজত দাঙি ধৰা অতি প্ৰয়োজন হৈ পৰিছে। সাহিত্যৰ দিশত ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াৰ বাবে প্ৰচেষ্টা লোৱা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাতৰি কাকত অধ্যয়নৰ বাতাবৰণৰ সৃষ্টি কৰিব লাগিব। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে অংশগ্ৰহণ কৰি কয় যে সততা আৰু নিষ্ঠা সৰকাৰে বাতৰি পৰিৱেশনৰ ওপৰত সাংবাদিকসকলে গুৰুত্ব দিব লাগিব। সভাত অংশগ্ৰহণ কৰি 'অসমীয়া প্ৰতি'ৰ জ্যেষ্ঠ সহকাৰী সম্পাদক ফণীধৰ দাসে কয় যে সংবাদ সাহিত্যৰ সঠিক যুজাৰু আছিল দীপাংক। সাংবাদিকতাৰ ক্ষেত্ৰত সাহসিকতাৰে সংবাদ পৰিৱেশন কৰিছিল। সভাত ৰাজীৱ বৰুৱাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'দীপাংকজ্যোতি' উন্মোচন কৰি এমট্ৰনৰ উপ-প্ৰৱন্ধক দীনমণি ভাগুৱাৰ কায়স্থই কয়, 'সমাজৰ উত্তৰণৰ হকে সাংবাদিকসকলে সদায়েই বলিষ্ঠ ভূমিকা লোৱা প্ৰয়োজন। সভাত কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰাজেন মহন্ত, প্ৰাক্তন ছাত্ৰ নেতা নৃপেন কুমাৰ দাসকে ধৰি বিভিন্নজনে প্ৰয়াত দীপাংক নাৰায়ণ ঠাকুৰীয়াৰ সাংবাদিক, সাহিত্যৰ লগতে নাট্যাভিনয়ৰ জীৱনৰ ওপৰত বক্তব্য দাঙি ধৰে। অনুষ্ঠানত হাজোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰায় তিনি শতাধিক বিশিষ্ট লোক উপস্থিত থাকে।

# বিজনীত পৰীক্ষা দিবলৈ গৈ পথ দুৰ্ঘটনাত আহত

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ১ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ চাপৰ চহৰৰ কাজিপাৰাৰ বাসিন্দা প্ৰয়াত মুছা সেখৰ পুত্ৰ সাহিবুল হক কালি বঙাইগাঁও জিলাৰ বিজনীত টে'ট পৰীক্ষা দিবলৈ গৈ দুৰ্ঘটনাত আহত হোৱাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত বাতৰি মতে, সাহিবুল হকে কালি পুৱা টে'ট পৰীক্ষা দিয়াৰ উদ্দেশ্যে বিজনীলৈ গৈছিল। প্ৰথম পৰ্যায়ৰ পৰীক্ষা দিয়াৰ পাছত দুপৰীয়াৰ আহাৰ খাই দ্বিতীয় পৰ্যায়ৰ পৰীক্ষা দিবলৈ যাওঁতে হকৰ এএছ-১৭ কে-১৮৭১ নম্বৰৰ মটৰ চাইকেল আৰু ই-ৰিক্সাৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাত হক ছিটিকি গৈ এটা বৈদুতিক পৰিবাহী খুঁটাত খুন্দা খাই গুৰুতৰভাৱে আহত হয়। স্থানীয় ৰাইজ তথা আমছুৰ একাংশ সদস্যই ততালিকে তেওঁক বিজনী চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসা প্ৰদান কৰি উন্নত চিকিৎসাৰ বাবে বঙাইগাঁওলৈ প্ৰেৰণ কৰে। সাহিবুল সম্প্ৰতি বঙাইগাঁৱৰ লৱাৰ আসাম হাস্পতালত চিকিৎসাধীন হৈ আছে।

# চেনীজানত গঁড়ৰ বিচৰণ ঃ বন বিভাগৰ সতৰ্ক বাণী

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১ নৱেম্বৰ ঃ** বন বিভাগ যোৰহাট সংমণ্ডলৰ অন্তৰ্গত চেনীজানৰ লক্ষীবাৰী চাহ বাগিচাৰ সমীপত দুটা গঁড়ৰ বিচৰণ কৰা বাবে ৰাইজক সতৰ্ক হৈ থাকিবলৈ বন বিভাগৰ পৰা সতৰ্ক কৰি দিছে। উল্লেখ্য যে যোৱা ৩০ অক্টোবৰৰ নিশা দুটা গঁড়ৰ নাওশলীয়া গাঁৱত বিচৰণ কৰা বাবে ৰাইজে বন বিভাগক খবৰ দিয়াত বন বিভাগৰ কৰ্মী আহি গড় দুটাৰ সন্ধানত বিভিন্ন স্থানত বিচাৰিছিল যদিও কোনো সন্ধান নাপালে।

# সদৌ অসম জাতীয়তাবাদী যুৱ সন্মিলনৰ কাৰ্যনিৰ্বাহক

## ডিব্ৰুগড়ত প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ** অহা ১৩ ডিচেম্বৰত ডিব্ৰুগড় নগৰত সদৌ অসম জাতীয়তাবাদী যুৱ সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাই এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি এক বিবৃতিত সদৰী কৰিছে। কেন্দ্ৰীয় উপ-সভাপতি চন্দন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাই লগতে কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰে। আগন্তুক দীপাৱলীত বহিঃৰাষ্ট্ৰৰ পৰা আমদানীকৃত আতচবাজী আদি চহৰৰ কোনো ব্যৱসায়ীয়ে যাতে বিক্ৰী নকৰে তাৰ বাবে আহ্বান জনায়। তদুপৰি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌহদৰ ভিতৰ চ'ৰাত ৰোগীক লৈ যোৱা যান-বাহনসমূহৰ পৰা পাৰ্কিং সংগ্ৰহ কৰা বিষয়টোৰ বিৰোধিতা কৰি এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনায়। কাৰ্যনিৰ্বাহক সভাত কেন্দ্ৰীয় সমিতিৰ সম্পাদক মিণ্টু দত্ত আৰু উপদেষ্টা ৰুবুল গগৈ, বিত্তীয় সম্পাদক মৃদুপন দুৱৰা উপস্থিত থাকে।

■ এম ডি কে জি কলেজৰ আলোচনাচক্ৰ ■ বিত্তীয় ব্যৱস্থা সন্দৰ্ভত ব্যাখ্যা

# নতুন যাত্ৰা আৰম্ভ কৰিবলৈ নিজকে উন্নত কৰিব লাগিব

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ** মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং আৰু প্লেচমেন্ট চেলৰ স'তে ডিবেটিং এণ্ড লিটাৰেৰী ছ'চাইটিৰ দ্বাৰা এক বাৰ্তালাপ কাৰ্যসূচী আয়োজন কৰা হয়। অনুষ্ঠানটোৰ অতিথি বক্তা আছিল গুজৰাটৰ চুৰাটৰ লেখিকা আৰু উদ্যোগী মহিলা পুৰবী ৰয়। উক্ত অনুষ্ঠান মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নিবেদিতা ফুকনে আদৰণি ভাষণেৰে আৰম্ভ কৰে। অতিথি বক্তা ৰয়ে বঙাইগাঁও মহাবিদ্যালয়ত ইংৰাজীৰ প্ৰবক্তা হোৱাৰ পৰা এগৰাকী সফল উদ্যোগী হিচাপে তেওঁৰ বৰ্তমানৰ মৰ্যাদালৈকে তেওঁৰ নিজৰ যাত্ৰাৰ বিষয়ে দীঘলীয়াকৈ বৰ্ণনা কৰে। ৰয়ৰ মতে, নতুন নতুন যাত্ৰা আৰম্ভ কৰিবলৈ নিজকে উন্নীত কৰি ৰাখিব লাগিব। তেওঁ নিজে তিনি বছৰ ধৰি তেওঁৰ স্বামীৰ অধীনত এগৰাকী শিক্ষানবিশ আছিল যাৰ পৰা তেওঁ ডিজাইন কৰা তথা ব্যৱসায় সম্পৰ্কে শিকিছিল। তেওঁ নিজৰ কেৰিয়াৰত আগবাঢ়ি যোৱাৰ লগে লগে তেওঁৰ বিত্তীয় ব্যৱস্থাপনা কেনেদৰে কৰিব লাগে আৰু বিভিন্ন উৎসৰ পৰা কেনেদৰে বিত্তীয় সাহায্য ল'ব পাৰি সেই বিষয়েও শিকিছিল। তেওঁৰ কেৰিয়াৰত বিভিন্ন উত্থান-পতন আছিল যদিও নিজকে এগৰাকী সফল মহিলা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। লগতে গুৰুত্ব আৰোপ কৰি কয় যে যিটোত এজনৰ আগ্ৰহ আছে তাৰ প্ৰতি সমৰ্পিত হ'ব লাগে আৰু যিকোনো মূল্যত ইয়াক অনুসৰণ কৰিব লাগে। তেওঁ নিজেই সকলো প্ৰতিকূলতা সত্বেও ব্যৱসায়ৰ সমান্তৰালকৈ সাহিত্য চৰ্চা কৰি আহিছে। আৰম্ভণিতে সামাজিক মাধ্যমত লিখিছিল য'ৰ পৰা তেওঁ শেষত প্ৰকাশ কৰিবলৈ অনুপ্ৰেৰণা পাইছিল। তেওঁ অলপতে তেওঁৰ নিৰ্মাণ আৰু পাইকাৰী গোট ৰাজবাৰীৰ এটা গোট ৰজনীকা নামেৰে মুকলি কৰিছে। পূৰবী ৰয়ৰ স'তে আন এগৰাকী অতিথি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা নন্দিতা তালুকদাৰেও অনুষ্ঠানটোত ভাষণ প্ৰদান কৰে। তালুকদাৰে কয় যে মহিলা হিচাপে আমি সদায় প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। প্ৰয়োজনীয় কথাটো হ'ল আমি পৰিস্থিতিটো নিয়ন্ত্ৰণ কৰিবলৈ শিকিব লাগে আৰু পৰিস্থিতি অনুসৰি নিজকে দক্ষ কৰি তুলিব লাগে। শিক্ষাৰ্থীসকলে শেষত সমল ব্যক্তিসকলৰ স'তে বাৰ্তালাপ কৰে আৰু বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰে। ডিবেটিং এণ্ড লিটাৰেৰী ছ'চাইটিৰ সমন্বয়ক ড° ৰিজিয়া বেগম লস্কৰে সমগ্ৰ কাৰ্যসূচীটো আঁত ধৰে।

■ দূষিত পানীৰ বাবে জনসাধাৰণক সকীয়নি শোণিতপুৰ জিলা প্ৰশাসনৰ

# জীয়াভৰলী নদীৰ পানী-মাছ ব্যৱহাৰত বাধা



দীপাৱলী উপলক্ষে বিশ্বনাথত মাটিৰ চাকি বিক্ৰীত ব্যস্তত ব্যৱসায়ী, সোমবাৰে।

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১ নৱেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ মাজৰে বৈ আহি শোণিতপুৰ নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰে প্ৰবাহিত হৈ চতিয়া, ৰঙাপৰা আৰু তেজপুৰক স্পৰ্শ কৰি যোৱা জীয়াভৰলী নৈৰ পানী আৰু মাছ ভক্ষণ কৰাত বাধা আৰোপ কৰিছে শোণিতপুৰ প্ৰশাসনে। আজি শোণিতপুৰ জিলা দণ্ডাধীশ ভূপেশ চন্দ্ৰ দাসে জীয়াভৰলী নৈৰ পানী ঘোলা হোৱাৰ বিষয়ে নামেৰী বন সংমণ্ডল বিষয়া আৰু চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়াৰ পৰা লাভ কৰা প্ৰতিবেদনৰ ভিত্তিত এক পৰামৰ্শমূলক আদেশ জাৰি কৰিছে। সেই অনুসৰি জীয়াভৰলী নদীৰ পানীৰ সোঁতত ওপঙি থকা মৃত বা জীৱিত মাছ ধৰা, ভক্ষণ আৰু নদীৰ পানী পান কৰাত বাধা আৰোপ কৰাৰ লগতে পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত জীয়াভৰলীৰ মাছ বজাৰত বিক্ৰী কৰাত বাধা আৰোপ কৰিছে। ইয়াৰ লগতে এই সন্দৰ্ভত নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়া আৰু চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশক এই পৰিস্থিতিটোৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ তথা তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে অৰুণাচল প্ৰদেশৰ কামেং নদী জীয়াভৰলী নাম লৈ নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে বৈ যোৱা পানী ঘোলা হোৱা পৰিলক্ষিত হোৱাৰ লগতে বৃহৎ পৰিমাণৰ মৃত আৰু জীৱিত মাছ ওপঙি থকাৰ ফলত ৰাইজে এই নদীত মাছ ধৰা আৰু নদীলৈ নাযাবলৈ তথা মৃত মাছ বিক্ৰী নকৰিবলৈ তথা নাখাবলৈ ইতিমধ্যে অৰুণাচল প্ৰদেশৰ ইটানগৰৰ উপায়ুক্তই বাধা আৰোপ কৰিছে। অৰুণাচল প্ৰদেশৰ পূৱ কামেং জিলাত প্ৰথমে কামেং নদীত যথেষ্ট সংখ্যক মাছ মৃত আৰু অৰ্ধমৃত অৱস্থাত উটি আহিছিল। কামেং নৈৰ পানীত তেলজাতীয় পদাৰ্থ ওপঙি অহাত আৰু ইয়াৰ বাবেই কামেং নৈৰ পানী বিষাক্ত হৈ পৰাত যোৱা ২৯ অক্টোবৰত পূৱ কামেঙৰ চেপাত দণ্ডাধীশে এই মাছ ভক্ষণ তথা নৈত মানুহক নমাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছিল আৰু এনে উটি অহা মাছ মানৱ শৰীৰৰ বাবেও ক্ষতিকাৰক হ'ব পাৰে বুলি আশংকা প্ৰকাশ কৰি কামেঙৰ পানী বিষাক্ত হৈ পৰাৰ কাৰণ সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিছিল। অসমত জীয়াভৰলী নাম পোৱা এইখন নৈৰে উটি অহা মৃত মাছ শোণিতপুৰৰ জীয়াভৰলী দলঙৰ তলত তথা নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলত উদ্ধাৰ হোৱাৰ লগতে ইয়াতো পানী বিষাক্ত হৈ পৰাটো নিশ্চিত কৰিছিল স্থানীয় লোকে। এইখন নৈত পোৱা শিলঘৰীয়া মাছ ইতিমধ্যেই বজাৰত উপলব্ধ হৈছে। তেজপুৰৰ ভোমোৰাগুৰিত ব্ৰহ্মপুত্ৰত বিলীন হোৱা জীয়াভৰলীৰ এই অংশতে এইবাৰ আন স্থানৰ পৰিৱৰ্তে শিলঘৰীয়া মাছ অধিক উপলব্ধ হৈছে আৰু বজাৰত বিক্ৰী হৈছে। প্ৰণিধানযোগ্য যে কামেং তথা জীয়াভৰলীৰ পানী বিষাক্ত হোৱাৰ কাৰণ এই পৰ্যন্ত উদ্ধাৰ হোৱা নাই। উল্লেখ্য যে এই সন্দৰ্ভত এক বাতৰি ইতিমধ্যেই 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পাইছিল।

## ভাওৰাগুৰীত বিজেপিৰ কচুগাঁও বাবুবিলত গুমা মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা



অগ্ৰদূত বাৰ্তা.

**দোতমা, ১ নৱেম্বৰ ঃ** অসম ৰাজ্যিক বিজেপিৰ নিৰ্দেশ মৰ্মে ৰাজ্যৰ আন আন মণ্ডলৰ সমান্তৰালকৈ ভাওৰাগুৰীত কচুগাঁও মণ্ডল আৰু বাবুবিলত গুমা মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ সঠিক নিৰূপণ কৰাৰ লগতে দলত সাংগঠনিক ভেটি অধিক মজবুত কৰাৰ উদ্দেশ্যৰে আলোচনা কৰে। ভাওৰাগুৰীত অনুষ্ঠিত কচুগাঁও মণ্ডলৰ কাৰ্যনিৰ্বাহক সভাত ৰাজ্যিক কাৰ্যকৰী সদস্য বিভূতি বৰগয়াৰী, মণ্ডল সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰী. উপ-সভাপতি পাৰ্থ পাল, সম্পাদক জিৰেশ সৰকাৰ, যুৱ মৰ্চাৰ সভাপতি স্বপন দৈমাৰী, সম্পাদক সুমিৰ সূত্ৰধৰ আৰু বাবুবিলত অনুষ্ঠিত গুমা মণ্ডলৰ কাৰ্যনিৰ্বাহক সভাত জিলা উপ-সভাপতি উইলিয়াম নাৰ্জাৰী, মণ্ডল সভাপতি নিলেশ্বৰ ৰায়, জিলা কিষাণ মৰ্চাৰ সভাপতি অতুল সাহা প্ৰমুখ্যে মণ্ডলৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## বজালীৰ জিলা দণ্ডাধীশৰ নিৰ্বাচনী বিজয় শোভাযাত্ৰাত নিষেধাজ্ঞা

বিশেষ সংবাদদাতা

**পাঠশালা, ১ নৱেম্বৰ ঃ** ভৱানীপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ কাইলৈ ভোটগণনা অনুষ্ঠিত হ'ব। এই সম্পৰ্কত নিৰ্বাচন আয়োগৰ এক উদ্ধৃতিৰে বজালী জিলা দণ্ডাধীশ তথা জিলা নিৰ্বাচনী বিষয়া ভাৰত ভূষণ দেৱচৌধুৰীয়ে নিৰ্দেশযোগে কাইলৈ ভোটগণনাৰ ফলাফলৰ পাছত বিজয় শোভাযাত্ৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। একেটা নিৰ্দেশতেই বিজয় প্ৰাৰ্থীগৰাকীয়ে দুজন ব্যক্তিকহে লগত লৈ বিজয়ৰ প্ৰমাণপত্ৰ জিলা নিৰ্বাচনী বিষয়াৰ পৰা সংগ্ৰহ কৰিব লাগিব বুলি প্ৰকাশ কৰা হৈছে।

## তিতাবৰ জিলা কৰ্মচাৰী পৰিষদৰ ছহিদ দিৱস অনুষ্ঠিত

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ১ নৱেম্বৰ ঃ** অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত কৰ্মচাৰীসকলে সম্পূৰ্ণভাৱে অংশগ্ৰহণ কৰিছিল আৰু আন্দোলনৰ ফলশ্ৰুতিত গঠিত হৈছিল ফলত সদৌ অসম কৰ্মচাৰী পৰিষদ। আন্দোলনত সদৌ অসম কৰ্মচাৰীৰ প্ৰথমজন ছহিদ সচিবালয়ৰ কৰ্মচাৰী দিলীপ চক্ৰৱৰ্তীৰ স্মৃতিত সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বানত আজি তিতাবৰ জিলা কৰ্মচাৰী পৰিষদে বৰহোলা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সহযোগত ছহিদ দিৱসটো পালন কৰে। বৰহোলা কলাকুঞ্জ ভৱনত অনুষ্ঠিত দিৱসৰ আঁত ধৰে বৰহোলা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সম্পাদক চেনীৰাম গগৈয়ে। পতাকা উত্তোলন কৰে জিলা সভাপতি সঞ্জয় দত্তই, ছহিদ তৰ্পণ কৰে জিলা প্ৰাক্তন সভাপতি, সম্পাদক তথা কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাংগঠনিক সম্পাদক কেশৰ মহন্তই। মুকলি সভাৰ আঁত ধৰে জিলা সহকাৰী সম্পাদক ৰবীন মহন্তই। সভাত কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাংগঠনিক কেশৰ মহন্ত, সদস্য গোলাপ হাজৰিকা, শচীন ঠাকুৰ, তিতাবৰ জিলা হাইস্কুল শিক্ষক সন্থাৰ সম্পাদক আৰিফ ৰহমান, তিতাবৰ জিলা মধ্য ইংৰাজী উপ-সভাপতি দীপাংকৰ বৰা, তিতাবৰ জিলা কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি বিনন্দ গগৈয়ে বক্তব্য প্ৰদান কৰে। সভাৰ অন্তত জিলা সমিতিৰ সম্পাদক সঞ্জীৱ গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

## তামাৰহাটত অগ্নিদগ্ধ হৈ কণমানিৰ মৃত্যু

■ দুৰ্ভগীয়া পৰিয়ালক সকাহ



অগ্ৰদূত বাৰ্তা

**দোতমা, ১ নৱেম্বৰ ঃ** তামাৰহাটত কালি সংঘটিত এক অগ্নিকাণ্ডই জোকাৰি যায় সমগ্ৰ অঞ্চল। ভয়ংকৰ অগ্নিকাণ্ডত নিমিষতে ভস্মীভূত হয় এটি ফুল কুমলীয়া শিশুসহ চাৰিটাকৈ বাসগৃহ। বিধ্বংসী অগ্নিকাণ্ডৰ ফলত নিঃশেষ হৈ যায় ঘৰৰ কে'বা লক্ষাধিক টকাৰ সম্পত্তি, প্ৰয়োজনীয় নথি-পত্ৰৰ লগতে কণমানি ন বছৰীয়া এটি কন্যা শিশু। জুয়ে সৰ্বস্বান্ত কৰা পৰিয়াল দুটাক সহায় কৰিবলৈ আগবাঢ়ি আহিছে সজল ফাউণ্ডেছন। স্বৰ্গ ৰথ সেৱাৰ জৰিয়তে মৃত্যু 'ৰেশমিনা বেগম'ৰ মৰণোত্তৰ পৰীক্ষা কৰোৱাৰ সম্পূৰ্ণ খৰচ বহন কৰে সজল ফাউণ্ডেছনে। ফাউণ্ডেছনটোৰ মুখ্য সঞ্চালক তথা তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ এম চি এল এ সজল কুমাৰ সিংহই ভস্মীভূত পৰিয়াল দুটাৰ পৰিস্থিতিৰ বুজ লয় আৰু অতি সোনকালে ঘৰ-দুৱাৰ বনাই দিয়াৰ লগতে সকলো সমস্যা সমাধান কৰাৰ দায়িত্ব লয়। আনহাতে, অগ্নিদগ্ধ হৈ মৃত্যু হোৱা পৰিয়ালটোকো সজল ফাউণ্ডেছনৰ পৰা সহায় কৰা হ'ব বুলি মুখ্য সঞ্চালক সিংহই সদৰী কৰে।

## লাহদৈগড় একাডেমীৰ নৱাগত আদৰণি সভা সম্পন্ন

■ 'জ্ঞানশ্ৰী' বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**কাকজান, ১ নৱেম্বৰ ঃ** পূব যোৰহাটৰ লাহদৈগড় চাৰিআলিত যোৱা বৰ্ষত প্ৰতিষ্ঠা লাভ কৰা উচ্চতৰ মাধ্যমিক কলা শাখাৰ শিক্ষানুষ্ঠান লাহদৈগড় একাডেমীৰ কালি নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। এই উপলক্ষে একাডেমীৰ সভাগৃহত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে অধ্যক্ষ তথা চিন্তাশীল লেখক অজিত কুমাৰ সন্দিকৈয়ে। একাডেমীৰ ছাত্ৰী তৃষ্ণাজ্যোতি বৰাই পৰিৱেশন কৰা এটি বৰগীতেৰে আৰম্ভ হোৱা সভাখনত আদৰণি অভিভাষণ পাঠ কৰে একাডেমীৰ সঞ্চালিকা তথা কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ৰাজু বৰুৱাই। যুৱ লেখক তথা শুভাকাংক্ষী অপূৰ্ব কুমাৰ বৰাই আঁত ধৰা সভাত নৱাগতসকলক উদ্দেশি উৎসাহমূলক আৰু মননশীল বক্তব্য প্ৰদান কৰে যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰামপ্ৰসাদ ফুকন আৰু লাহদৈগড় আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় ৰায়ে। সভাত একাডেমীৰ প্ৰবক্তা উজ্জ্বল প্ৰাণ গোস্বামী, প্ৰিয়াংকী বৰগোহাঁই, কটন বিশ্ববিদ্যালয়ৰ গৱেষিকা ছাত্ৰী তথা অতিথি প্ৰবক্তা বেনিজা দত্ত, সাংবাদিক বিকাশ সন্দিকৈ প্ৰমুখ্যে ব্যক্তিসকলে বক্তব্য আগবঢ়ায়। লগতে একাডেমীৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ কে'বাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে মনৰ অনুভৱ ব্যক্ত কৰে। উক্ত সভাতে একাডেমীৰ দুগৰাকী মেধা শিক্ষাৰ্থী ৰূপম লাহন আৰু তৰালী দুৱৰাক 'জ্ঞানশ্ৰী' বঁটা প্ৰদান কৰা হয়। যুৱ সমাজকৰ্মী অঞ্জনজ্যোতি শইকীয়াই আগবঢ়োৱা বঁটাত আছে প্ৰশংসা পত্ৰ, এটি স্মাৰক আৰু গ্ৰন্থৰ টোপোলা। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

## মেলেঙত একে নিশা তিনিখন দোকানত চুৰি

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১ নৱেম্বৰ ঃ** ভোগদৈ আৰক্ষী চকীৰ অন্তৰ্গত মেলেং মথাউৰিৰ সমীপৰ লাহদৈগড় পথৰ কাষত থকা নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দোকান, জেৰক্স, ফটো তোলা, টিভি মেৰামতি কৰা আৰু বিক্ৰী কৰা তিনিখন দোকানত যোৱা নিশা দোকানৰ ওপৰৰ টিং কাটি চোৰে পাঁচ-ছয় লাখ টকাৰ সামগ্ৰী চুৰি কৰি নিয়ে। আজি পুৱা দোকানৰ গৰাকী মৃদুল বৰা, অজয় বৰা দোকান খোলাতহে দেখা পায় দোকানৰ ওপৰৰ টিং কাটি চোৰ সোমোৱাৰ কথা। ভোগদৈ আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে দোকানৰগৰাকীয়ে।

## 'এক ৰাষ্ট্ৰ-শ্ৰেষ্ঠ ৰাষ্ট্ৰ'ৰ শ্ল'গানেৰে ৰাষ্ট্ৰীয় একতা দিৱস পালন জেংখাত

বিশেষ সংবাদদাতা

**খেৰণি, ১ নৱেম্বৰ ঃ** 'এক ৰাষ্ট্ৰ-শ্ৰেষ্ঠ ৰাষ্ট্ৰ'ৰ শ্ল'গানেৰে সমগ্ৰ দেশৰ লগতে পশ্চিম কাৰ্বি আংলঙৰ জেংখাতো ভাৰতৰ লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম তিথিৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা পৰিলক্ষিত হয়। বিজেপি হামৰেণ মণ্ডল কমিটীৰ উদ্যোগত আয়োজন কৰা ৰাষ্ট্ৰীয় একতা দিৱসত কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য মংগলছিং তিমুঙে বৃহত্তৰ জেংখা অঞ্চলত 'একতাৰ বাবে দৌৰ' নামেৰে এক সমদল উলিয়ায়। ইয়াৰ পাছতে বুছোঁ ক্ৰীড়া সন্থাৰ উদ্যোগত হাৰলংছেৰাত আয়োজন কৰা দ্বিতীয় পশ্চিম কাৰ্বি আংলং জিলা ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰি কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য মংগলছিং তিমুঙে প্ৰতিযোগিতাৰ মুকলি কৰে। আগন্তুক আন্তঃজিলা ক্ৰীড়া প্ৰতিযোগিতাৰ প্ৰতি লক্ষ্য



ৰাখি পশ্চিম কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ হৈ অংশগ্ৰহণ কৰাৰ বাবে খেলুৱৈ নিৰ্বাচিত কৰাৰ উদ্দেশ্যেৰে অনুষ্ঠিত কৰে এই ক্ৰীড়া সমাৰোহ। উক্ত ক্ৰীড়া সমাৰোহত ল'ৰা-ছোৱালীৰ উভয়ৰে বিভিন্ন শাখাৰ দৌৰ প্ৰতিযোগিতা, ডিস্কাছ থ্ৰ', জেভবলিন থ্ৰ', লং জাম্পৰ লগতে জিলা ভিত্তিত অছো খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। পশ্চিম কাৰ্বি আংলং ক্ৰীড়া সন্থাই পাহাৰীয়া জিলাখনৰ খেলুৱৈসকলৰ মাজত মনোবল বৃদ্ধি কৰাৰ লগতে খেলুৱৈ সমাজৰ মাজত এক সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্য আগত ৰাখি আৰু ক্ৰীড়াৰ মান বৃদ্ধি কৰাৰ লক্ষ্যৰে অনুষ্ঠিত কৰা এই ক্ৰীড়া প্ৰতিযোগিতাখনত পাহাৰীয়া জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা খেলুৱৈয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়।

## দুৰ্ঘটনাত বৰপেটা গান্ধী নগৰৰ যুৱকৰ মৃত্যু

বিশেষ সংবাদদাতা

**বৰপেটা, ১ নৱেম্বৰ ঃ** বৰপেটা, হাজো দৌলাশাল পথৰ বিষ্ণুপুৰত যোৱা নিশা সংঘটিত পথ দুৰ্ঘটনাত বৰপেটা চহৰৰ গান্ধীনগৰ নিবাসী এজন যুৱকৰ মৃত্যু হয়। গান্ধী নগৰৰ যুৱক আশ্ৰাফুল কৰিম (২৩) এ যোৱা নিশা তেওঁৰ বন্ধুৰ স'তে পালছাৰ মটৰ চাইকেলেৰে বৰবিলাৰ পৰা বৰপেটালৈ আহি থকা অৱস্থাত বিষ্ণুপুৰত বিপৰীত দিশৰ পৰা আহি থকা তীব্ৰবেগী চাৰিচকীয়া বাহনে খুন্দিয়ায়। দুৰ্ঘটনাত আশ্ৰাফুল কৰিম থিতাতে নিহত হয় আৰু আৰোহী এজন আহত হয়। দুৰ্ঘটনা সংঘটিত কৰিয়েই চাৰিচকীয়া বাহনসহ লোকজনে পলায়ন কৰে। দুৰ্ঘটনাত নিহত আশ্ৰাফুল কৰিম গান্ধী নগৰৰ আব্বাছ আলী আৰু কহিনুৰ বেগমৰ একমাত্ৰ পুত্ৰ সন্তান। পুত্ৰৰ অকাল মৃত্যুত পিতৃ তথা 'আশ্ৰফ হোটেল'ৰ স্বত্বাধিকাৰী আব্বাছ আলীৰ পৰিয়াললৈ নামি আহিছে ঘোৰ অমানিশা। মৃত্যুৰ সময়ত আশ্ৰাফুল কৰিমে পিতৃ-মাতৃৰ লগতে এগৰাকী ভনীয়েক ইহসংসাৰত এৰি যায়।

## নলবাৰীত 'মৃচ্ছকটিকমৰ' ব্ৰজাৱলী ভাষান্তৰ উন্মোচন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ নৱেম্বৰ ঃ** ৰজা শূদ্ৰক ৰচিত বিশ্ববিখ্যাত ধ্ৰুপদী নাট 'মৃচ্ছকটিকমৰ' বিশিষ্ট নাট্যকাৰ কবি অজিত মহন্তই কৰা ব্ৰজৱলী ভাষান্তৰ যোৱা ৩১ অক্টোবৰত নলবাৰী বৰ্ণালী ডেন্স একাডেমীৰ কাজিপাৰাস্থিত স্থায়ী প্ৰেক্ষাগৃহত এক মনোৰম সাংস্কৃতিক পৰিৱেশৰ মাজত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট গীতিকাৰ, নাট্যকাৰ, শিক্ষাবিদ, অনুকূল শৰ্মাই। সাঁকো প্ৰকাশৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানত বৰ্ণালী ডেন্স একাডেমীৰ শিল্পীসকলে সত্ৰীয়া পৰম্পৰাৰে মনোজ্ঞ নৃত্য প্ৰদৰ্শন কৰে। নলবাৰীৰ ভালেকেইজন কবিৰ কবিতা পাঠে অনুষ্ঠানটো সজীৱ কৰি তোলে। অনুষ্ঠানত শান্তনু শৰ্মা, নৱজ্যোতি পাঠক উপস্থিত থাকে।

## মৌমাখি পালনেৰে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা পৰাতো সম্ভৱ

■ উত্তৰকুছিত ১৫ দিনীয়া মৌ পালন কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ১ নৱেম্বৰ ঃ** মৌ পালন কৰিও পৰিয়াল পোহপাল দিব পাৰি। মৌ পালন জীৱিকা নিৰ্বাহৰ এটা বিকল্প পথো হ'ব পাৰে। এই উদ্দেশ্য আগত ৰাখি বাগ্সা জিলাৰ উত্তৰকুছিত আজিৰে পৰা ১৫ দিনীয়া মৌ পালন সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হৈছে। অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ উদ্যোগত তথা ৰাজ্যৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন গ্ৰীণ এনভাইৰণমেন্ট টাস্ক ফ'ৰ্চৰ সৌজন্যত আৰু স্থানীয় মানাহ চৌকী ইকো টুৰিজিম ছ'চাইটি আৰু মানাহ চৌকী খংখৰ ইকো টুৰিজিম ছ'চাইটিৰ সহযোগত আৰম্ভ হৈছে এই কৰ্মশালা। জিলাখনৰ সীমান্ত অঞ্চলৰ অৰ্ধশতাধিক লোকে অংশগ্ৰহণ কৰা এই কৰ্মশালাত মৌ



পালন কৰি কিদৰে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰি বা মৌ পালন কৰি প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাত সহায়ক হয় সেই বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে। গ্ৰীণ এনভাইৰণমেন্ট টাস্ক ফ'ৰ্চৰ সমন্বয়ক দেৱজিত বৰাই জানিব দিয়া মতে মৌ পালন কৰিও অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰি বা মৌ পালন কৰি প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাত সহায়ক হয় সেই বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে। উত্তৰকুছিত আজিৰে পৰা ১৫ দিনীয়াকৈ মৌ পালনৰ প্ৰশিক্ষণ দিয়া হৈছে। প্ৰশিক্ষণৰ শেষত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰৰ লগতে মৌৰ বাহ প্ৰদান কৰিব। প্ৰশিক্ষণ কৰ্মশালাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ জনসংযোগ বিষয়া সমীৰণ কলিতা, তথ্য আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ বিষয়া উৎপল দাস, অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা তথা পৰিৱেশ বিজ্ঞান বিভাগৰ বিষয়া প্ৰাঞ্জল বেজবৰুৱাকে ধৰি স্থানীয় স্বেচ্ছাসেৱী সংগঠনৰ সভাপতি-সম্পাদক উপস্থিত থাকে।

## ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ

■ ম'বাইল এপযোগে অন্তৰ্ভুক্ত কৰিব পাৰিব নাম

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১ নৱেম্বৰ ঃ** পহিলা জানুৱাৰী ২০২২ক ভিত্তি বৰ্ষ হিচাপে লৈ সমগ্ৰ দেশৰ লগতে নাজিৰা নিৰ্বাচনী জিলাৰ অন্তৰ্গত নাজিৰা বিধানসভা সমষ্টিতো ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া ২০২২ আৰম্ভ কৰা হৈছে। আজি নাজিৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত জিলা নিৰ্বাচনী বিষয়া তথা ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপৰ পৌৰোহিত্যত এই বিষয়ে ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু সাংবাদিকসকলৰ লগত এখন সভাৰ আয়োজন কৰা হয়। ফটোযুক্ত খচৰা ভোটাৰ তালিকা প্ৰকাশ লৈকে নাজিৰা বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হ'ল ১,৩৫,২৬০গৰাকী। তাৰে পুৰুষ ভোটাৰ ৬৭,৬১৯জন আৰু মহিলা ৬৭,৬৪১গৰাকী। পূৰ্বৰ ভোটাৰ আছিল ১,৩৩,৬৬৮গৰাকী। পূৰ্বৰ পৰা মুঠ ভোটাৰৰ বৃদ্ধি সংখ্যা হৈছে ১৫৯২ (১.১৯ শতাংশ)। সমষ্টিটোত বিশেষভাৱে সক্ষম ভোটাৰৰ সংখ্যা হৈছে ১,১৩৭। ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে, ১০৪ নম্বৰ নাজিৰা বিধানসভা সমষ্টিতো ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ কাম পহিলা নৱেম্বৰ ২০২১ৰ পৰা আৰম্ভ হ'ব। উক্ত দিনাই জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আৰু প্ৰতিটো ভোটগ্ৰহণ



কেন্দ্ৰত ফটোযুক্ত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। পহিলা নৱেম্বৰ ২০২১ৰ পৰা ৩০ নৱেম্বৰ, ২০২১লৈকে দাবী-আপত্তিসমূহ সেই অঞ্চলৰ ভোটকেন্দ্ৰসমূহত বুথ পৰ্যায়ৰ বিষয়া (বিএলঅ')ৰ যোগেদি আৰু nsvp.in আৰু ভোটাৰ হেল্পলাইন ম'বাইল এপৰ যোগেদি অনলাইন প্ৰক্ৰিয়াৰে নামভৰ্তি কৰাৰ সুযোগ লাভ কৰিব পাৰিব। ভোটাৰ ৰাইজে ছয় নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে নতুন নামভৰ্তি, সাত নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে কোনো ব্যক্তিৰ মৃত্যু হোৱা, বিভিন্ন কাৰণত স্থানান্তৰিত হোৱা আদিৰ ক্ষেত্ৰত নাম কৰ্তন, আঠ নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে নাম-উপাধি-সম্বন্ধ-ঠিকনা আদি সংশোধন আৰু আঠ ক নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে একেটা সমষ্টিৰ ভিতৰতে এটা কেন্দ্ৰৰ পৰা আন এটা কেন্দ্ৰলৈ নাম সালসলনি কৰিব পাৰিব। ২০ ডিচেম্বৰৰ ভিতৰত সকলো ধৰণৰ ওজৰ-আপত্তি নিষ্পত্তি কৰি অহা পাঁচ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা পহিলা জানুৱাৰী ২০২২ত ১৮ বছৰ সম্পূৰ্ণ কৰাসকলেও ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে আবেদন কৰিব পাৰিব। তদুপৰি ভোটাৰ তালিকাত নাম, ঠিকনা, ফটো আদি ভুল হৈ থকাসকলেও সংশোধনীৰ বাবে আবেদন কৰিব পাৰিব লগতে নাম কৰ্তনো কৰিব পাৰিব। সেয়েহে যিসকল লোকে ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিব বিচাৰে বা কাৰোবাৰ নাম কৰ্তন বা সংশোধন কৰিবলগীয়া থাকিলে উক্ত সময়ৰ ভিতৰতে নিৰ্দিষ্ট প্ৰ-পত্ৰত আবেদন কৰিবলৈ নাজিৰা জিলা নিৰ্বাচনী বিষয়া সব্যসাচী কাশ্যপে সকলোৰে প্ৰতি আহ্বান জনায়।

## বাৰাংহাটীত এন আই এইছ টি কম্পিউটাৰ একাডেমী মুকলি

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বাৰাংহাটী মিলিজুলি চ'কত আজি এটা কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰে। দুপৰীয়া 'এন আই এইছ টি একাডেমি' নামৰ প্ৰতিষ্ঠানটো মুকলি কৰে সাংবাদিক নৰেন শৰ্মাই। প্ৰতিষ্ঠানটোৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰে জনপ্ৰিয় ইউটিউব চেনেল 'নষ্ট ল'ৰাৰ' অভিনেতা কংকন কলিতা আৰু যতীন হাজৰিকাই। উল্লেখ্য যে পূৰ্বৰে পৰা ৰাইজৰ মাজত জনপ্ৰিয় কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ এটি উক্ত স্থানতে চলি আছিল। কিন্তু দুৰ্ভাগ্যজনক বিষয়টো যোৱা দুটা বছৰে কাল কৰ'নাই জুৰুলা কৰাৰ উক্ত কেন্দ্ৰটো বন্ধ হৈ পৰে। গাঁওখনৰ সৰবৰহী যুৱক ব্ৰজেন বৰুৱাৰ উদ্যোগত আৰু কম্পিউটাৰ প্ৰশিক্ষক হিচাপে সুনাম অৰ্জন কৰা সৌৱামুৰীৰ যুৱক মৃণাল কলিতাৰ সহযোগত প্ৰতিষ্ঠা কৰা উক্ত কেন্দ্ৰই পুনৰ আগ্ৰহী শিক্ষাৰ্থীৰ মাজত জনপ্ৰিয় হৈ পৰিব বুলি তেওঁলোকে আশা কৰিছে।

## কাৰ্বি আংলঙত বিজেপিয়ে ব্যাপক পৰিৱৰ্তন আনিছে

■ তেলেহৰত হামৰেণ বিজেপি মণ্ডল সমিতিৰ চতুৰ্থ কাৰ্যনিৰ্বাহক

বিশেষ সংবাদদাতা

**খেৰণি, ১ নৱেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলং তথা কাৰ্বি পৰিষদীয় হামৰেণ সমষ্টিৰ তেলেহৰত হামৰেণ বিজেপি মণ্ডল কমিটীৰ উদ্যোগত আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় হামৰেণ মণ্ডল কমিটীৰ চতুৰ্থ কাৰ্যনিৰ্বাহক। সভাত দলৰ প্ৰশাসনিক কাম-কাজ, লক্ষ্য, দলীয় আলোচনা আদিৰ বিষয়ে আলোচনা কৰে। লগতে ভাষণ প্ৰসংগত সমিতিৰ বীৰেন তীচ্ছ'ৰ লগতে হামৰেণ গ্ৰাম্য উন্নয়ন সমিতিৰ অধ্যক্ষ ছাৰছিং ফাংচয়ে কংগ্ৰেছ আৰু এ এছ ডি চি আঞ্চলিক ৰাজনৈতিক দলক কঠোৰ ভাষাৰে সমালোচনা কৰি কাৰ্বি আংলঙত বিজেপিয়ে কৰা উন্নয়ন আৰু বিকাশৰ কথা দোহাৰি পাহাৰীয়া



জিলাখনত বিজেপিয়ে ব্যাপক পৰিৱৰ্তন আনিছে বুলি দাবী কৰে। উল্লেখ্য যে সভাত হামৰেণ মণ্ডল সমিতিৰ সভাপতি-সম্পাদকৰ বিপৰীতে অন্যান্য বিষয়ববীয়াসকল, পশ্চিম কাৰ্বি আংলং বিজেপি জিলা সমিতিৰ কাৰ্যালয় সম্পাদক হাৰমন বে, হামৰেণ বিজেপি মণ্ডল মহিলা মৰ্চাৰ বিষয়ববীয়া, হামৰেণ গ্ৰাম্য উন্নয়ন সমিতিৰ অধ্যক্ষ ছাৰছিং ফাংচ, হামৰেণ নগৰ সমিতিৰ অধ্যক্ষ বীৰেন তিচ্ছ, বিজেপি নেতা মংগল বে, চেবিয় বে কাৰ্বি পৰিষদৰ বিভাগীয় ব'ৰ্ড অধ্যক্ষ ক্ৰমে বিদ্যাছিং টেৰণ, ৰঞ্জিত টেৰণ আৰু ভালেসংখ্যক বিজেপি কৰ্মকৰ্তা উপস্থিত থাকে।

# অসমক অশান্ত কৰাৰ অভিসন্ধি ৰচিছে চীনে ঃ হিন্দু যুৱ- ছাত্ৰ

## ভাৰত চৰকাৰৰ ভুল নীতিৰ বাবে চুবুৰীয়া ৰাজ্যত চীনে প্ৰভাৱ পেলাইছে



বিশেষ সংবাদদাতা

**লখিমপুৰ, ১ নৱেম্বৰ ঃ** '২০০১ত তৰুণ গগৈ মুখ্যমন্ত্ৰী হৈয়ে 'অল ক্লিয়াৰ' অপাৰেছনৰ জৰিয়তে ভূটানৰ ভূমিৰ পৰা আলফাকে ধৰি বিভিন্ন উগ্ৰপন্থীৰ ঘাটি উচ্ছেদৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিচ্ছিন্নতাবাদী উগ্ৰপন্থী সংগঠনসমূহৰ ৰাজহাঁড় ভাঙি পেলাই অসমক উন্নয়নৰ দিশত আগবঢ়াই নিয়া হৈছিল। সুস্থিৰ হৈছিল কিছু পৰিমাণে উগ্ৰপন্থী সমস্যা। কিন্তু এতিয়া প্ৰায় ২০ বছৰৰ মূৰত পুনৰ ভূটানত উগ্ৰপন্থীৰ ঘাটি স্থাপনৰ জৰিয়তে অসম উত্তৰ-পূৰ্বাঞ্চলক অস্থিৰ কৰাৰ এক ব্লু প্ৰিণ্ট ৰচনা কৰা হৈছে। আৰু ইয়াৰ অন্তৰালত আছে ভাৰতৰ চিৰ শত্ৰু ৰাষ্ট্ৰ ৰঙা চীন।' এই দাবী উত্থাপন কৰিছে হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমে। আজি উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এক সংবাদমেলত এই দাবী উত্থাপন কৰে পৰিষদৰ কেন্দ্ৰীয় সভাপতি বলেন বৈশ্যই। সভাপতিজনে সংবাদমেলখনত সাংবাদিকৰ আগত মন্তব্য কৰে যে ভাৰতৰ ভুল বৈদেশিক নীতিৰ বাবেই শ্ৰীলংকা, নেপাল, ম্যানমাৰ, বাংলাদেশৰ লগত ভূটানতো চীনে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ভূটানে নিজৰ প্ৰভাৱ বৃদ্ধি কৰিয়ে চীনে ভাৰতৰ লগত ভূটানৰ ব্যৱধান বঢ়াই তুলিছে। আনকি কৰ'নাৰ গইনা লৈ ভাৰতীয় লোক ভূটানত এতিয়ালৈও প্ৰৱেশ বন্ধ কৰি ৰাখিছে। অথচ ভাৰতৰ পৰা নিতৌ শ শ বনুৱা লৈ ভূটানৰ আন্তঃগাঁথনিৰ কামত নিয়োগ কৰি আছে। যদি কৰ'নাৰ বাবেই ভাৰতীয় লোকক প্ৰৱেশত বাধা দিয়া হৈছিল তেনেহ'লে ভাৰতৰ পৰা শ্ৰমিক কিয় লৈ যোৱা হৈছে বুলি প্ৰশ্ন উত্থাপন কৰি বৈশ্যই কয় যে চীনে ৰচনা কৰা কূটনৈতিক অভিসন্ধিৰ ৰহস্য পোহৰলৈ আহিব বুলিয়ে ভাৰতীয় লোকক ভূটানত প্ৰৱেশ বন্ধ কৰি ৰখা হৈছে বুলিও সভাপতি বৈশ্যই মত পোষণ কৰে। বৈশ্যই লগতে কয় যে টাইৱানক লৈ আমেৰিকা আৰু চীনৰ মাজত চলি থকা শীতল যুদ্ধৰ পোতক তোলাৰ বাবে চীনে ভাৰতৰ লক্ষ্য কৰি লৈছে আৰু সেই উদ্দেশ্যে ভূটানত ভাৰত বিৰোধী শক্তিসমূহক আশ্ৰয় প্ৰদান কৰি ভাৰতৰ বিৰুদ্ধে যুঁজিবলৈ সুবিধা আগবঢ়োৱাৰ পৰিকল্পনা কৰিছে। চীনৰ এই পৰিকল্পনাত অসমৰ উগ্ৰপন্থী সংগঠনসমূহে সহমত প্ৰকাশ কৰাৰ উপৰি অসমৰ একাংশ বাঁওপন্থী ৰাজনৈতিক নেতা আৰু বুদ্ধিজীৱীয়ে পৰিকল্পনা সফল কৰাৰ বাবে উঠি পৰি লাগিছে বুলিও বৈশ্যই মন্তব্য কৰে। আনকি অসমত দীৰ্ঘদিনে শাসনত থকা এটা সৰ্বভাৰতীয় ৰাজনৈতিক দলেও এতিয়া এই ষড়যন্ত্ৰত ভৰি দিছে বুলি পৰিষদৰ নেতাজনে আন এক অভিযোগ উত্থাপন কৰে। সংবাদমেলখনত বৈশ্যই কয় যে কেন্দ্ৰীয় চোৰাংচোৱাৰ হাতত হয়তো এই সকলো তথ্য আছে। যোৱা ২২ অক্টোবৰত ভাৰতৰ প্ৰতিৰক্ষা মুৰব্বী বিপিন ৰাৱাটে সাংবাদিকৰ আগত কৰা মন্তব্যৰ পৰাও এই কথা সত্য প্ৰমাণিত হোৱা বুলি দাবী কৰি সভাপতিজনে কয় যে প্ৰতিৰক্ষা মুৰব্বীগৰাকীয়ে ২২ অক্টোবৰত প্ৰকাশ কৰা কথা হিন্দু যুৱ ছাত্ৰ পৰিষদে চাৰি ছেপ্টেম্বৰতে সংবাদমেল যোগে ৰাইজক অৱগত কৰাইছিল। ইতিমধ্যে চীন-ভূটানৰ মাজত আঠখনকৈ বৈঠক অনুষ্ঠিত হোৱা বুলিও বৈশ্যই দাবী কৰে। কিন্তু ইয়াৰ প্ৰতিৰোধ ভাৰতে কিদৰে সম্ভৱ কৰি তোলে সেয়াহে লক্ষ্যণীয় হ'ব। ইতিমধ্যে চীনৰ এই ষড়যন্ত্ৰৰ সম্পূৰ্ণ সুবিধা ল'বলৈ অসমৰ জেহাদী সংগঠনসমূহেও অপেক্ষা কৰি আছে বুলিও বৈশ্যই সাংবাদিকৰ আগত ব্যক্ত কৰে। সংবাদমেলত হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমৰ কেন্দ্ৰীয় সভাপতি বলেন বৈশ্যৰ লগতে কেন্দ্ৰীয় সাধাৰণ সম্পাদক মাধৱ দাস, মুখ্য সাংগঠনিক সম্পাদক বিতুমণি গগৈ আৰু লখিমপুৰ জিলাৰ সম্পাদক যুগ্মজ্যোতি দত্ত, ৰূপম বৰা আদি উপস্থিত থাকে।

# কাঠৰ ওপৰত কেঁচা চাহপাত জাপি পদ্ধতিৰে মাৰ্ঘেৰিটাৰ পৰা চোৰাং কাঠ সৰবৰাহ

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ১ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত আজি পুৱাতে জব্দ হৈছে এখন চোৰাং কাঠভৰ্তি বলেৰ' পিকআপ ভান। ওপৰত কেঁচা চাহপাতেৰে ঢাকি কাঠখিনি মাৰ্ঘেৰিটাৰ পৰা দুলীয়াজানলৈ নি থকা অৱস্থাত জব্দ হৈছে কাঠখিনি। তথ্য অনুসৰি মাৰ্ঘেৰিটা মাকুম বাগান তিনিআলিৰ সমীপত থকা আৰক্ষীৰ তালাচীৰ প'ষ্টত খুন্দা মাৰোতে ওলাই পৰে উৰহি গছৰ ওৰ। পুৱাতে কেঁচা চাহপাত কঢ়িয়াই অনা এ এছ-২৩ এ চি-১৯৩৭ নম্বৰৰ বলেৰ' পিকআপ ভানখনে 'চেকিং প'ষ্ট'ত খুন্দা মৰাৰ পাছতে পোহৰলৈ আহে কাঠ সৰবৰাহৰ অভিনৱ পন্থা। আৰক্ষী তাৎক্ষণিকভাৱে উপস্থিত হৈ গাড়ীখন পৰীক্ষা কৰোতেই চাহপাতৰ তলত উদ্ধাৰ হয় প্ৰায় ৭৫ চিএফটি কাঠ। কাঠখিনিৰ মালিক জনৈক ৰূপমৰ বুলি চালকে জানিবলৈ দিছে। ইতিমধ্যে মাৰ্ঘেৰিটা আৰক্ষীয়ে কাঠসহ বলেৰ'খন জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে।

# কাছমাৰীত সন্ধিয়াৰ লগে লগে আৰম্ভ বৃহৎ জুৱা খেল

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১ নৱেম্বৰ ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত কাছমাৰী বজাৰত দৈনিক বৃহৎ জুৱা খেল চলি অহাৰ গুৰুতৰ অভিযোগ উঠিছে। তথ্য মতে, কাছমাৰী অঞ্চলৰ এটা দুষ্টচক্ৰৰ ছত্ৰছায়াত এই জুৱা চলি আহিছে। সন্ধিয়া ছয় বজাৰ পৰা আৰম্ভ হোৱা জুৱা খেলত বহু লোক সৰ্বস্বান্ত হোৱা বুলিয়ো অভিযোগ উঠিছে। স্থানীয় ৰাইজে উক্ত জুৱা খেল বন্ধ কৰিবলৈ স্থানীয় মেৰাপানী আৰক্ষী থানাত বিষয়টো জনাইছে যদিও মেৰাপানী আৰক্ষীয়ে কোনো ব্যৱস্থা নোলোৱাৰ অভিযোগ তুলিছে কাছমাৰী ৰাইজে। আজি কিছুদিন ধৰি এই বৃহৎ জুৱা খেল চলি আহিছে আৰু বজাৰ কৰিবলৈ যোৱা বহু লোক জুৱা খেলত অংশগ্ৰহণ কৰি সকলো টকা-পইচা হাৰি বিমুখ হৈ খালি মোনা খালি বটল লৈ ঘৰলৈ উভতি আহিবলগা হয়। স্থানীয় কেইজনমান লোকে অভিযোগ কৰা মতে, উক্ত জুৱা খেল বন্ধ কৰিবলৈ মেৰাপানী আৰক্ষী থানাত জনাইছিল যদিও কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজে জিলা আৰক্ষী অধীক্ষকক জুৱা খেল বন্ধৰ দাবী জনাইছে।

# জামুগুৰিহাটত তীৰৰ বুকীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১ নৱেম্বৰ ঃ** অৱশেষত জামুগুৰি আৰক্ষীৰ জালত পৰিল জামুগুৰিহাটৰ তীৰ খেলৰ মূল মাফিয়া গম্ব ওজা। যোৱা এসপ্তাহৰো অধিক সময় ধৰি জামুগুৰি আৰক্ষীয়ে বিচাৰি থকা তথা 'তীৰ সম্ৰাট' খ্যাত গম্ব ওজাক আজি জামুগুৰি আৰক্ষীয়ে নিজ গৃহৰ পৰাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ উপস্থিতিৰ উমান পাই তীৰ মাফিয়াজনে পিছফালে পলাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে খেদি গৈ তীৰ মাফিয়াক কৰায়ত্ত কৰে। উল্লেখ্য যে এইগৰাকী তীৰ মাফিয়াই জামুগুৰিহাটৰ অলিয়ে-গলিয়ে তীৰৰ এজেণ্ট নিয়োগ কৰি তীৰ খেলৰ ব্যাপক প্ৰচলন কৰাৰ ফলত অঞ্চলটোৰ বহু লোক তীৰৰ কবলত পৰি সৰ্বস্বান্ত হোৱাৰ লগতে বৃহত্তৰ অঞ্চলটোৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক পৰিৱেশ বিনষ্ট হৈ আহিছিল। উল্লেখ্য যে আজিৰ পৰা এসপ্তাহ পূৰ্বে জামুগুৰি আৰক্ষীয়ে অভিযান চলাই দুজন তীৰৰ বুকিক গ্ৰেপ্তাৰ কৰাৰ লগতে জেললৈ প্ৰেৰণ কৰিছিল।

# ধিঙৰ বৰভেটিত প্ৰাচীন পাটনাদ কুঁৱা উদ্ধাৰ



অগ্ৰদূত বাৰ্তা

**ধিং, ১ নৱেম্বৰ ঃ** ধিঙৰ বৰভেটি গাঁৱৰ নামঘৰৰ মণিকূটৰ আসনভাগ পুনৰ সংস্থাপনৰ কাৰণে খনন চলোৱাত উদ্ধাৰ হৈছে প্ৰায় কে'বাশ বছৰ পুৰণি এটি পাটনাদ। গাঁওখনত উদ্ধাৰ হোৱা পাটনাদটোৰ আকাৰ আৰু আকৃৰ্তি মৈৰাবাৰী পাতেকীবড়ি সত্ৰত উদ্ধাৰ হোৱা পাটনাদৰ স'তে সাদৃশ্য থকালৈ চাই পাতেকীবড়ি, বৰভেটি আৰু বটদ্ৰৱাৰ মাজত সংযোগ থকাৰ কথা অনুমান কৰিছে স্থানীয় ৰাইজে। স্থানীয় লোকৰ মতে, পাতেকীবড়িৰ পৰা মহাপুৰুষগৰাকী বটদ্ৰৱালৈ অহা-যোৱা কৰা সময়ত মধ্যস্থল বৰভেটিত জিৰণি লৈছিল আৰু সেই ঠাইতে পৰৱৰ্তী সময়ত বুঢ়াগোসাঁই থান প্ৰতিষ্ঠা হৈছিল। এই বুঢ়াগোসাঁই থান বৰ্তমান সময়ত বুঢ়া নামঘৰ বুলি জনাজাত। সেয়ে মহাপুৰুষক শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত এই পাটনাদটো বুলি গণ্য কৰে স্থানীয় ৰাইজে। ইতিমধ্যে বৰভেটি গাঁৱৰ নামঘৰটোত শংকৰদেৱৰ স্মৃতি বিজড়িত পদশিলাও সংৰক্ষণ কৰি ৰাখিৰ থোৱা দেখিবলৈ পোৱা গৈছে। ইতিমধ্যে বিষয় সন্দৰ্ভত ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ বিমান হাজৰিকাৰ নেতৃত্বত বুৰঞ্জী বিভাগৰ এটা দল উপস্থিত হৈ পৰ্যবেক্ষণ কৰি পুৰাতত্ত্ব বিভাগৰ স'তে যোগাযোগ অব্যাহত ৰাখিছে। পৰ্যবেক্ষণ অনুসৰি শংকৰদেৱৰ স্মৃতি বিজড়িত পাতেকীবড়ি সত্ৰত উদ্ধাৰ হোৱা পাটনাদটো বৰভেটিত উদ্ধাৰ হোৱা পাটনাদটোৰ লগত সাদৃশ্য আছে। ৰাইজৰ ধাৰণা আৰু লোকবিশ্বাসক পুৰাতত্ত্ব বিভাগৰ সঠিক অনুসন্ধানৰ পাছতহে পোহৰলৈ আহিব প্ৰকৃত সত্য।

# বৰুৱাবামুণগাঁৱত কবিতা পুথি উন্মোচন

অগ্ৰদূত বাৰ্তা

বৰুৱাবামুণগাঁও, ১ নবেম্বৰ ঃ গোলাঘাট জিলাৰ অন্তৰ্গত মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বিপুল বৰুৱাৰ কাব্য সংকলন 'বকুল তলৰ সুবাস' যোৱা ২৮ অক্টোবৰত বিদ্যালয়ত অনুষ্ঠিত হোৱা এক চমু অনুষ্ঠানত উন্মোচন কৰা হয়। বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দেৰগাঁও শাখাৰ সম্পাদিকা অনিমা দেৱী বৰঠাকুৰে। এই উপলক্ষে বিদ্যালয়ৰ অধ্যক্ষ পলাশ জ্যোতি দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত কবি বিপুল বৰুৱাই সংকলনৰ সন্নিবিষ্ট কবিতাসমূহৰ বিষয়ে চমু আভাস আগবঢ়ায়। সভাত বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি প্ৰাণগোপাল বৰঠাকুৰ, উপাধ্যক্ষ সত্যজিত বৰা, জ্যেষ্ঠ শিক্ষক ৰূপক শৰ্মা প্ৰমুখ্যে শিক্ষয়িত্ৰী দিপালী বৰঠাকুৰ, ৰশ্মিৰেখা বৰা হাজৰিকা, কবি আদিত্য বৰবৰা আদিয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়।

# আনন্দ বজাৰ বৰটাৰীত ওলাল প্লাষ্টিকৰ চাউল

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ নৱেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ আনন্দ বজাৰৰ সমীপৰ উত্তৰ বৰটাৰীত ওলাল প্লাষ্টিকজাতীয় চাউল। উত্তৰ বৰটাৰীৰ প্ৰমোদ কলিতা নামৰ লোকজনে সুলভ মূল্যৰ দোকানৰ পৰা অনা চাউলত ওলাইছে এই প্লাষ্টিকজাতীয় চাউল। আনন্দ বজাৰ দক্ষিণ বিজনী সমবায় সমিতিৰ অধীনৰ বৰটাৰী গাঁৱৰ সুলভ মূল্যৰ দোকানী ৰবেন তালুকদাৰৰ দোকানৰ পৰা কালি চাউলখিনি আনিছিল প্ৰমোদ কলিতাই। যোৱা নিশা সেই চাউলেৰে ভাত ৰান্ধি পৰিয়ালৰ লোকে খাব লৈছিল যদিও খাব পৰা অৱস্থাত নাছিল ভাত। নিশাটো তেনেকৈ ভোকেলঘোণে থাকি আজি পুৱাৰ ভাগত সুলভ মূল্যৰ দোকানৰ পৰা অনা চাউলখিনি ভালকৈ চোৱাচিতা কৰাতহে পোহৰলৈ আহে কথাটো। দেখাত যদিও চাউল সেয়া প্ৰকৃতাৰ্থত প্লাষ্টিকজাতীয় চাউলহে। ইতিমধ্যে বিষয়টো ৰাজহুৱা হৈ পৰাত পৰিয়ালটোৰ লগতে ওচৰ-চুবুৰীয়াই যোগান বিভাগক এই ক্ষেত্ৰত এক উচিত তদন্তৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে কিছুদিন পূৰ্বে শালবাৰীৰ মায়াংপাৰা কল'নিতো উদ্ধাৰ হৈছিল একেধৰণৰ প্লাষ্টিকজাতীয় চাউল।



ফটোযুক্ত ভোটাৰ তালিকা ২০২২ ৰ বিশেষ সংক্ষিপ্ত সংশোধনী

আমি সজাগ ভোটাৰ
ভোটদান আমাৰ অধিকাৰ

গুৰুত্বপূৰ্ণ তাৰিখসমূহ

| | |
|---|---|
| ১. সংহত খচৰা ভোটাৰ তালিকা প্ৰকাশ: | ১ নৱেম্বৰ, ২০২১ |
| ২. দাবী আৰু আপত্তি দাখিল কৰাৰ তাৰিখ: | ১ নৱেম্বৰ,২০২১ৰ পৰা ৩০, নৱেম্বৰ,২০২১লৈ |
| ৩. দাবী আৰু আপত্তিৰ নিষ্পত্তিৰ তাৰিখ: | ২০ ডিচেম্বৰ, ২০২১ৰ ভিতৰত |
| ৪. চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা তাৰিখ: | ৫ জানুৱাৰী,২০২২ |

যিসকল নাগৰিকৰ ১৮ বছৰ বয়স সম্পূৰ্ণ হৈছে বা ১ জানুৱাৰী ২০২২ তাৰিখে ১৮ বছৰ সম্পূৰ্ণ হ'ব, তেওঁলোকে নতুন ভোটাৰ হিচাপে পঞ্জীয়ন কৰিব পাৰে আৰু তেওঁলোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিব পাৰে। আগ্ৰহী আৰু যোগ্য ব্যক্তিসকলে তেওঁলোকৰ নিজ নিজ ভোটকেন্দ্ৰৰ বুথ পৰ্যায়ৰ বিষয়াসকলৰ (বিএলঅ') পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

- নাম ভৰ্তি কৰিবলৈ প্ৰ-পত্ৰ ৬ পূৰণ কৰক।
- নাম কৰ্তন কৰা বা আপত্তি উত্থাপন কৰিবলৈ প্ৰ-পত্ৰ ৭ পূৰণ কৰক।
- যিকোনো বিৱৰণ সংশোধনৰ বাবে প্ৰ-পত্ৰ ৮ পূৰণ কৰক।
- একেটা সমষ্টিৰ এটা ভোটকেন্দ্ৰৰ পৰা আন এটালৈ নাম স্থানান্তৰৰ বাবে প্ৰ-পত্ৰ ৮-এ পূৰণ কৰক।

ভোটাৰ তালিকা প্ৰকাশ হোৱাৰ পিছত, আপুনি আপোনাৰ নাম আৰু বিৱৰণ অনলাইনযোগে www.ceoassam.nic.in বা www.nvsp.in যোগে পৰীক্ষা কৰিব পাৰে বা আপোনাৰ ভোটকেন্দ্ৰৰ বুথ পৰ্যায়ৰ বিষয়া (বি.এল.ও.) অথবা আপোনাৰ বিধানসভা সমষ্টিৰ নিৰ্বাচক পঞ্জীয়ন বিষয়াৰ ওচৰলৈ গৈ অফলাইনযোগে পৰীক্ষা কৰিব পাৰে।

ভোটাৰ হেল্পলাইন এপৰ যোগেৰে প্ৰ-পত্ৰসমূহ ডাউনলোড কৰিব পাৰি

Google Play
App Store

আমাৰ ভোটাৰ হেল্পলাইন টোল্‌ফ্ৰী নম্বৰ ১৯৫০

অথবা পৰিদৰ্শন কৰক
https://voterportal.eci.gov.in
http://ceoassam.nic.in

@ceoassam
@ceoassam
@ceo_assam

মুখ্য নিৰ্বাচনী বিষয়া, অসমৰ দ্বাৰা ৰাইজৰ জ্ঞাতাৰ্থে প্ৰচাৰিত

জনসংযোগ/ডি/৮৫২০/২১

# ভাৰতৰ ছেমিফাইনেলত প্ৰৱেশ নিৰ্ভৰ আফগানিস্তান-নামিবিয়া-স্কটলেণ্ডৰ বিজয়ত

**নিউজ ব্যুৰ'**

**ডুবাই, ১ নৱেম্বৰ ঃ** টি-টুৱেণ্টি বিশ্বকাপৰ প্ৰথম দুখন মেচত ভাৰতে লজ্জাজনকভাৱে পৰাজিত হোৱাৰ পাছত কাৰ্যতঃ কোহলী বাহিনীৰ ছেমিফাইনেলত প্ৰৱেশৰ পথ কঠিন হৈছে। প্ৰথম মেচত পাকিস্তানৰ হাতত ১০ উইকেটত পৰাজিত হোৱাৰ পাছত নিউজিলেণ্ডৰ বিৰুদ্ধেও আঠ উইকেটৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত এতিয়া ছেমিফাইনেলত প্ৰৱেশৰ বাবে ভাৰতীয় দলটোৱে তিনিখন দুৰ্বল দেশৰ সাফল্যলৈ অপেক্ষা কৰিবলগীয়া হৈছে। আফগানিস্তান, নামিবিয়া আৰু স্কটলেণ্ডৰ সাফল্যৰ ওপৰতে এতিয়া ভাৰতীয় দলটোৱে নিৰ্ভৰ কৰিবলগীয়া হৈছে। যদিহে ভাৰতে পৰৱৰ্তী তিনিখন মেচৰ আটাইকেইখনত বিজয়ী হয় তেতিয়াহ'লে এটা সুযোগ লাভ কৰিব। এই ক্ষেত্ৰত আফগানিস্তান, নামিবিয়া আৰু স্কটলেণ্ডৰ যিকোনো এখন দেশে বিজয়ী হ'ব লাগিব। কোহলী বাহিনীয়ে অন্তিম চাৰিটা স্থানলৈ উন্নীত হ'বলৈ হ'লে আফগানিস্তান, নামিবিয়া আৰু স্কটলেণ্ডৰ ভিতৰত যিকোনো এটি দলে নিউজিলেণ্ডক পৰাজিত কৰিব লাগিব।



পাকিস্তানে প্ৰথম তিনিখন মেচত বিজয়ী হৈ ইতিমধ্যে সম্পূৰ্ণ পইণ্ট সংগ্ৰহ কৰিছে। আনহাতে, কাইলৈ পাকিস্তানে নামিবিয়া আৰু সাত নৱেম্বৰত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বাকী দুখন মেচত যদি পাকিস্তানে বিজয়ী হয় তেতিয়াহ'লে ১০ পইণ্ট লাভ কৰিব। ইপিনে, নিউজিলেণ্ডে তিনি নৱেম্বৰত স্কটলেণ্ড, পাঁচ নৱেম্বৰত নামিবিয়া আৰু সাত নৱেম্বৰত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বৰ্তমানলৈকে কিৱি দলটোৱে দুই মেচত অৰ্জন কৰিছে দুই পইণ্ট। নিউজিলেণ্ডে আটাইকেইখন মেচত বিজয়ী হ'লে তালিকাত আঠ পইণ্ট লাভ কৰাটো নিশ্চিত। আনহাতে, ছেমি ফাইনেলৰ দৌৰত আফগানিস্তানেও আশা সজীৱ কৰি ৰাখিছে। দলটোৱে তালিকাত লাভ কৰিছে চাৰি পইণ্ট। অহা তিনি নৱেম্বৰত ভাৰত আৰু সাত নৱেম্বৰত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলত অৱতীৰ্ণ হ'ব। তুলনামূলকভাৱে দলটোৱে দুয়োখন মেচতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। শেষৰ দুখন খেলত পৰাজিত হ'লে চাৰি পইণ্টেৰে ছেমিফাইনেলত প্ৰৱেশ কৰাটো সম্ভৱ নহ'ব।

## টি-২০ত ইংলণ্ডৰ হাতত পৰাস্ত শ্ৰীলংকা

**নিউজ ব্যুৰ'**

**ডুবাই, ১ নৱেম্বৰ ঃ** আজি ডুবাইৰ ছাহজাহত অনুষ্ঠিত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন মেচত শ্ৰীলংকা ইংলণ্ডৰ হাতত ২৬ ৰাণত পৰাজিত হয়। প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ইংলণ্ডে ১৬৩ ৰাণ সংগ্ৰহ কৰে। শ্ৰীলংকাই টছত জয়ী হৈ ইংলণ্ডক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। জছ বাটলাৰৰ ১০১ ৰাণৰ সহায়ত ইংলণ্ডে উক্ত ৰাণখিনি সংগ্ৰহ কৰে। পাৱাৰপ্লেৰ ভিতৰত শ্ৰীলংকাই ইংলণ্ডৰ তিনিটা উইকেট দখল কৰাত সংকটত পৰে যদিও বাটলাৰ আৰু ইয়ন মৰ্গান (৪০)ৰ মাজত চতুৰ্থ উইকেটৰ যুটীত সংগ্ৰহীত ১২২ ৰাণৰ সহায়ত ইংলণ্ডে ১৬৩ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। শ্ৰীলংকাৰ হৈ ৱানিণ্ডু হাছাৰাথে ২১ ৰাণৰ বিনিময়ত তিনিটা উইকেট দখল কৰে। ইপিনে, শ্ৰীলংকাই ১৯ অভাৰত ১৩৭ ৰাণ সংগ্ৰহ কৰাত ২৬ ৰাণত পৰাজয়বৰণ কৰে।

# সদৌ অসম ব্ৰছলি মেম'ৰিয়েল সমৰ কলা প্ৰতিযোগিতাত ছয়গাঁৱৰ খেলুৱৈৰ সাফল্য



**অগ্ৰদূত বাৰ্তা**

**ছয়গাঁও/বকো, ১ নৱেম্বৰ ঃ** সদৌ অসম তৃতীয় ব্ৰছলি মেমৰিয়েল কলা প্ৰতিযোগিতা ২০২১ত দক্ষিণ কামৰূপৰ বনগাঁও সমৰ কলা একাডেমীৰ দুগৰাকী ছাত্ৰী আৰু ছয়গাঁও চম্পনগৰ ছোৱালী হাইস্কুলৰ এগৰাকী খেলুৱৈয়ে সাফল্য অৰ্জন কৰিছে। যোৱা ৩১ অক্টোবৰত কটন বিশ্ববিদ্যালয় সমৰ কলা ফ'ৰমাৰে আয়োজন কৰিছিল এই তৃতীয় সদৌ অসম ব্ৰছলি মেমৰিয়েল সমৰ কলা প্ৰতিযোগিতাখনি। উক্ত প্ৰতিযোগিতাত কিক বক্সিং শাখাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে যুগজ্যোতি ৰাভা, অংকণ বড়ো, প্ৰিয়ংকা বড়ো আৰু লক্ষ্মীৰাভাই। আনহাতে, ৰূপক পদক পাবলৈ সক্ষম হয় লাকী মহন্ত, মৃণময় কলিতা আৰু ৰাহুল পণ্ডিতে। ইয়াৰ উপৰি ব্ৰঞ্জৰ পদক পায় মমী ৰাভা, জুবলী ৰাভা, আনুছ ডেকা আৰু লক্ষ্যজ্যোতি বড়োৱে। ইয়াৰে তিনি খেলুৱৈৰ লাকী মহন্ত ছয়গাঁও চম্পক নগৰ ছোৱালী হাইস্কুলৰ ছাত্ৰী আৰু লক্ষ্মী ৰাভা, মমী ৰাভা বামুণীগাঁও হাইস্কুলৰ ছাত্ৰী। এই আটাইকেইজন খেলুৱৈ আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ মনোজ কুমাৰ দাসৰ তত্ত্বাৱধানত প্ৰশিক্ষণ হৈ আছে।

# লাডাখৰ উমলিং পাছ অতিক্ৰমি ইণ্ডিয়ান বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিলে বেদান্ত-মিনাক্ষীয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** পূব লাডাখৰ ১৯,৩০০ ফুট উচ্চতাত থকা 'উমলিং পাছ'ত মটৰ চাইকেলেৰে উপস্থিত হৈ 'ইণ্ডিয়ান বুক অৱ ৰেকৰ্ডছ'ত নাম অন্তৰ্ভুক্ত কৰিলে বেদান্ত ৰাজখোৱা আৰু মিনাক্ষী দাসে। দুয়োগৰাকী মটৰ চাইকেল আৰোহীয়ে যোৱা ২৭ ছেপ্টেম্বৰত গুৱাহাটীৰ পৰা নিজৰ মটৰ চাইকেলেৰে ৭৫০০ কিলোমিটাৰ পথ অতিক্ৰম কৰি সাত অক্টোবৰত উমলিং পাছত উপস্থিত হৈ এই সাফল্য অৰ্জন কৰে। আজি গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেলযোগে এই বিষয়ে উল্লেখ কৰি দুয়োগৰাকী মটৰ চাইকেল আৰোহীয়ে কয়, 'উমলিং পাছ হৈছে মটৰ চাইকেলেৰে পৰিভ্ৰমণ কৰিব পৰা বিশ্বৰ আটাইতকৈ উচ্চ স্থান। এই স্থান পৰিভ্ৰমণ কৰা আমি হৈছো উত্তৰ-পূব ভাৰতৰ প্ৰথম মটৰ চাইকেল আৰোহী। আমাৰ এই সাফল্যক স্বীকৃতি দিছে ইণ্ডিয়ান বুক অৱ ৰেকৰ্ডছে। সম্পূৰ্ণ যাত্ৰাটো আছিল ২১ দিনৰ। পৰ্বতৰ শিখৰত দেশৰ সুৰক্ষাৰ বাবে নিয়োজিত সেনাসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন আৰু অসমৰ পৰ্যটনৰ প্ৰসাৰ আৰু প্ৰচাৰেই এই মটৰ চাইকেল চালনাৰ মুখ্য উদ্দেশ্য আছিল।

# ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰা উশ্বু খেলুৱৈক চতিয়া প্ৰেছ ক্লাবৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১ নৱেম্বৰ ঃ** পঞ্জাৱৰ জলন্ধৰৰ লাভলি প্ৰফেচনেল ইউনিভাৰ্চিটিত ২০ অক্টোবৰৰ পৰা পাঁচদিনীয়াকৈ অনুষ্ঠিত ২০ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ উশ্বু চেম্পিয়নশ্বিপত বিশ্বনাথ জিলাৰ পৰা ন গৰাকী প্ৰতিযোগী আৰু অসমৰ হৈ মুঠ ৪৭ গৰাকী খেলুৱৈ যোগদান কৰে। অসমৰ ১৯ জন বিজয়ীৰ ভিতৰত বিশ্বনাথ জিলাৰ নজনৰ ছজনে সুনাম অৰ্জন কৰিছে। সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱা খেলুৱৈসকল দিক্ষা তেৰাৱী, স্নেহা বৰা, প্ৰান্তিকা বৰা, ৰিকি খৰ্কা, নিহাৰ বৰুৱা, প্ৰতিভা টায়ে ৰূপৰ অৰু ব্ৰঞ্জ পদক লাভ কৰে। বিশ্বনাথ জিলা তথা চতিয়ালৈ গৌৰৱ কঢ়িয়াই অনা বিজয়ীসকলক চতিয়া প্ৰেছ ক্লাবে সম্বৰ্ধনা জ্ঞাপন কৰে। অজি চতিয়াৰ খাটোৱালত বিশ্বনাথ উশ্বুৰ খেলুৱৈসকলক উশ্বু মেছিনেৰীত চতিয়া প্ৰেছ ক্লাবে সম্বৰ্ধনা জনায়।

# শুৱালকুছিৰ দিবা-নৈশ ফুটবলত ডাইমণ্ড ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১ নৱেম্বৰ ঃ** শুৱালকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত চলা প্ৰাইজমানি দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত হাজো কলিতাকুছি আৰ বি কে ডাইমণ্ড ক্লাবক ১-০ গ'লত হৰুৱাই গুৱাহাটীৰ মাছখোৱা ডাইমণ্ড ক্লাব চেম্পিয়ন হয়। যোৱা ২৯ অক্টোবৰৰ পৰা ৩০ অক্টোবৰলৈ চলা উক্ত ফুটবল প্ৰতিযোগিতাত বিজেতা হয় কলিতাকুছি আৰ বি কে ডায়মণ্ড দলে। শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰি ডায়মণ্ড দলৰ কৰণ চৌধুৰীয়ে কালি চৰণ বঁটাৰ লগতে এযোৰ বুটজোতা আৰু জাৰ্ছি লাভ কৰে। আনহাতে, চেম্পিয়ন দলে নাৰায়ণ চন্দ্ৰ দেৱান সোঁৱৰণী বঁটা আৰু নগদ ১৫ হেজাৰ টকা, বিজেতা দলে দেবেন কলিতা সোঁৱৰণী বঁটা আৰু নগদ সাত হেজাৰ টকা লাভ কৰে।

## শিৱসাগৰ জিলা আন্তঃফুটবল প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমল গগৈৰ উদ্যোগত যোৱা ছয় অক্টোবৰ পৰা ডিমৌ, শিৱসাগৰ, নামতি, লাকুৱা, নাজিৰা, পানবিল, বেতবাৰী আৰু গৌৰীসাগৰ মণ্ডলত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ল'ৰা-ছোৱালী উভয় শাখাতে আন্তঃজিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈ থকাৰ পাছত আন্তঃ মণ্ডল আৰু শিৱসাগৰ তথা চৰাইদেউ জিলাৰ মাজত আন্তঃজিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰা হৈছে। এই উপলক্ষে আজি বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত পৰিদৰ্শক কমল গগৈৰ সভাপতিত্বত প্ৰতিযোগিতা অনুষ্ঠিত হৈ যোৱা মণ্ডলসমূহৰ প্ৰতিযোগিতা পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ এখন সভা অনুষ্ঠিত হৈ যায়। সভাত নৱেম্বৰৰ প্ৰথম সপ্তাহত আন্তঃ মণ্ডল ফুটবল প্ৰতিযোগিতা আৰু ডিচেম্বৰৰ প্ৰথম সপ্তাহত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ল'ৰা-ছোৱালী দুয়োটা শাখাৰ বিজয়ী দলৰ মাজত আন্তঃজিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ সৰ্বসন্মতিক্ৰমে বিদ্যালয়সমূহৰ পৰিদৰ্শক কমল গগৈক মুখ্য উপদেষ্টা, পৱিত্ৰ প্ৰাণ ভট্টাচাৰ্য আৰু গিৰীণ গগৈক উপদেষ্টা, সৰোজ দত্তক সভাপতি, দুৰ্গেশ্বৰ গগৈ, জয়ন্ত মাধৱ গগৈ, দিলীপ বড়া আৰু বকুল দত্তক উপ-সভাপতি, ভাৰত শৰ্মাক সম্পাদক, প্ৰণৱ বৰুৱা, মঞ্জু চেতিয়া আৰু দ্বীজেন দত্তক সহকাৰী সম্পাদক আৰু প্ৰত্যেকটো মণ্ডলৰ সভাপতি, সম্পাদকসকল আৰু বিদ্যালয়সমূহত কৰ্মৰত শাৰীৰিক নিৰ্দেশকলকো সমিতিৰ সদস্য হিচাৰে লৈ শিৱসাগৰ জিলা আন্তঃমণ্ডল ফুটবল প্ৰতিযোগিতা পৰিচালনা সমিতিখন গঠন কৰা হয়।

# সমালোচনাত গুৰুত্ব নিদিয়ে ৰ'ণাল্ডোৱে



**নিউজ ব্যুৰ'**

**লণ্ডন, ১ নৱেম্বৰ ঃ** যোৱা শনিবাৰে নিশা ক্ৰিষ্টিয়ানো ৰ'ণাল্ডোৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে মানচেষ্টাৰ ইউনাইটেডে ২-০ গ'লৰ ব্যৱধানত বিজয়ী হয়। মেন ইউৰ তাৰকাজনে দুৰ্দান্ত প্ৰত্যাৱৰ্তনেৰে ক্লাবটোক ২-০ গ'লৰ ব্যৱধানত বিজয়ী হোৱাত সহায় কৰাৰ লগে লগে সমালোচকৰ তীব্ৰ সমালোচনাৰো প্ৰত্যুত্তৰ দিবলৈ সক্ষম হয়। যোৱা সপ্তাহত লিভাৰপুলৰ বিৰুদ্ধে ০-৫ গ'লৰ ব্যৱধানত মানচেষ্টাৰ ইউনাইটেডে পৰাজিত হোৱাৰ পাছত পৰ্তুগালৰ মহাতাৰকা খেলুৱৈজনে সমালোচনাৰ সন্মুখীন হৈছিল। পইণ্টৰ মেচখনত তেওঁ এটা গ'ল দিয়াৰ উপৰি উৰুগুৱেৰ তাৰকা এডিনছন কাভানিয়ে দিয়া গ'লতো তেওঁ সহযোগ কৰিছিল। ৰ'ণাল্ডোৱে দিয়া পাছৰ সহায়ত মেন ইউৱে ২-০ গ'লৰ ব্যৱধানত জয়ী হ'বলৈ সক্ষম হয়। মানচেষ্টাৰৰ এক ৱেবছাইটত ৰ'ণাল্ডোৱে কয়, 'সমালোচনা সকলো সময়তে চলি থাকে। মই এনে সমালোচনাক বিশেষ গুৰুত্ব প্ৰদান নকৰো। সকলোৱে মনত ৰখা উচিত মই বিগত ১৮ বছৰে ফুটবল খেলিছো। প্ৰশংসা কৰিলে ভাল লাগে। বেয়া সময়ছোৱাও জীৱনৰে অংগ।'

# বহলপুৰৰ ৰঙামাটি ফুটবলত শালকোচা স্প'ৰ্টছ ক্লাব ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ১ নৱেম্বৰ ঃ** বহলপুৰৰ ৰঙামাটি হাইস্কুল খেলপথাৰত চলি থকা মেহেৰ জামাল-ইজৰাইল হক সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হয়। উক্ত খেলত শালকোচা স্প'ৰ্টছ ক্লাৱে জি এল এফ চি ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে।



# ছাউথ এছিয়ান গেমছত ভাৰতীয় ভলীবল দলৰ সোণৰ পদক লাভ

## ভাৰতীয় দলক নেতৃত্ব দিয়া জুৰীয়াৰ দুই যুৱকক লৈ উৎফুল্লিত জুৰীয়াবাসী



**বিশেষ সংবাদদাতা**

**নগাঁও, ১ নৱেম্বৰ ঃ** নগাঁও জিলাৰ এক ভিতৰুৱা অঞ্চল আলিটাঙনীৰ উদীয়মান খেলুৱৈ আজমল কবিৰ আৰু ইয়াৰে উদমাৰী গাঁৱৰ আমিৰ হুছেইনে ৩১ অক্টোবৰত নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত ছাউথ এছিয়ান গেমছত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি গৌৰৱ কঢ়িয়াই আনিছে। উক্ত খেলত ভাৰতীয় দলে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হ'ল। উল্লেখ্য যে ভাৰতীয় দলে নেপালক ৩-২ গ'লত পৰাস্ত কৰি সোণৰ পদক লাভ কৰি ভাৰত তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ইপিনে, আলিটাঙনীৰ অৱসৰ প্ৰাপ্ত শিক্ষক প্ৰয়াত মৌলানা আব্দুছ ছাহিদৰ কনিষ্ঠ পুত্ৰ আজমল কবিৰৰ এই সফলতাৰ বাবে গৌৰৱান্বিত বৃহত্তৰ জুৰীয়াৰ আলিটাঙনী অঞ্চল। সমান্তৰালভাৱে উদমাৰী গাঁৱৰ আব্দুৰ ৰহিমৰ পুত্ৰ তথা ৰূপহী মহাবিদ্যালয়ৰ স্নাতক বাণিজ্য শাখাৰ ছাত্ৰ আমিৰ হুছেইনক লৈয়ো গৌৰৱান্বিত জুৰীয়াবাসী। উল্লেখ্য যে অতি দৰিদ্ৰ পৰিয়ালৰ আমিৰ হুছেইনৰ পিতৃ এজন শ্ৰমিক। স্বৰ্ণ কন্যা হিমা দাসৰ জন্মস্থান ধিঙৰ কাষৰীয়া অঞ্চলৰ পৰা পুনৰ আন দুজন খেলুৱৈয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ সুনাম কঢ়িয়াই অনাত পৰিয়ালটোৰ লগতে অঞ্চলবাসীক উৎফুল্লিত কৰিছে।

# ভাৰতীয় বংশোদ্ভৱ স্পীনাৰৰ হাতত ধৰাশায়ী কোহলী বাহিনী

**নিউজ ব্যুৰ'**

**ডুবাই, ১ নৱেম্বৰ ঃ** টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন মেচত ভাৰতে পৰাজিত হোৱাৰ মূলতে আছিল এজন ভাৰতীয় বংশোদ্ভৱ স্পীনাৰ। নিউজিলেণ্ডৰ সাম্প্ৰতিক সময়ৰ নিৰ্ভৰযোগ্য স্পীনাৰ ইশ সোধী। নিউজিলেণ্ডৰ এইজন স্পীনাৰৰ প্ৰকৃত নাম ইন্দ্ৰবীৰ সিংহ সোধী। পঞ্জাৱৰ লুধিয়ানাত জন্মগ্ৰহণ কৰা সোধীয়ে মাত্ৰ চাৰি বছৰ বয়সতে পিতৃ-মাতৃৰ স'তে নিউজিলেণ্ডলৈ গৈছিল। নিউজিলেণ্ডৰ বিদ্যালয়ত অধ্যয়নৰ সময়ত সোধী আছিল এজন অলৰাউণ্ডাৰ। অৱশ্যে পৰৱৰ্তী সময়ত সোধীয়ে বেটৰ পৰিৱৰ্তে বলিঙৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। ২০১৩ত



বাংলাদেশৰ বিৰুদ্ধে এইজন স্পীনাৰৰ অভিষেক ঘটে। ইয়াৰ পৰৱৰ্তী বৰ্ষতে তেওঁৰ ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে টি-২০ত অভিষেক ঘটে। আনহাতে, ২০১৫ত তেওঁ এদিনীয়া দলত খেলিবলৈ সুযোগ লাভ কৰিছিল।

নিউজিলেণ্ডৰ এই স্পীনাৰজনে কালি ভাৰতৰ অধিনায়ক বিৰাট কোহলী আৰু ৰোহিত শৰ্মাৰ উইকেট দুটা দখল কৰি ভাৰতীয় দলৰ বেটিং মেৰুদণ্ড ভাঙি দিয়া সোধী এতিয়া বিশ্বকাপৰ অন্যতম চৰ্চা লাভ কৰা বলাৰ হিচাপে পৰিগণিত হৈছে। সোধীয়ে কেৱল কালিৰ মেচখনতে যে সাফল্য লাভ কৰিছে তেনে নহয়। ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডৰ অন্যতম বলাৰ হিচাপে চিহ্নিত হৈছে সোধী। তেওঁ ভাৰতৰ মাটিতো সফল হৈছে। ভাৰতত আঠখন টি-২০ মেচত ১২.৮৬ গড়ে লাভ কৰিছে ১৫টা উইকেট। তেওঁ ২০১৬ৰ টি-২০ বিশ্বকাপত ভাৰতৰ বিৰুদ্ধে ১৮ ৰাণত তিনিটা উইকেট দখল কৰিছিল। ২৯ বছৰীয়া সোধীৰ টি-২০ৰ অন্যতম সফল বলাৰৰ তালিকাত স্থান লাভ কৰিবলৈ সক্ষম



হৈছে। বৰ্তমান তেওঁ ১৬ নম্বৰত স্থান লাভ কৰিছে। উল্লেখযোগ্য যে ২০১৮ৰ জানুৱাৰীত তেওঁ বিশ্ব শ্ৰেষ্ঠ বলাৰ হিচাপে স্থান লাভ কৰিছিল।

# হা-ডু-ডু খেল প্ৰতিযোগিতাৰ চূড়ান্ত খিতাপ অৰ্জন নিচুকা হা-ডু-ডু দলৰ



**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১ নৱেম্বৰ ঃ** হাউলীৰ সমীপৰ জয়পুৰ বজাৰ যুৱ সমাজৰ উদ্যোগত জয়পুৰ বজাৰ হেপীভেলী একাডেমীৰ প্ৰাংগণত চলি থকা হা-ডু-ডু খেল প্ৰতিযোগিতাৰ আবেলি তিনি বজাত চূড়ান্ত খেলখন অনুষ্ঠিত হয়। উক্ত খেলখন ভালুকি-শালমাৰা আৰু নিচুকা হা-ডু-ডু দলৰ মাজত অনুষ্ঠিত হয়। খেলখন উদ্বোধন কৰে বৰপেটা জিলা ক্ৰীড়া বিষয়া অক্ষয় কুমাৰ দাসে। খেলখনত নিচুকা হা-ডু-ডু দলে ভালুকী-শালমাৰা দলক চাৰি গেমত পৰাজিত কৰি বিজয়ৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। চূড়ান্ত খেলখনত নিচুকা দলৰ ৰফিকুল ইছলামে শ্ৰেষ্ঠ খেলুৱৈৰ ট্ৰফী লাভ কৰে। ইয়াৰ পাছত বঁটা বিতৰণী সভা জয়পুৰ বজাৰ যুৱ সমাজৰ সভাপতি ৰহিদুল শিকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। উক্ত সভাত হাউলী ডায়েটৰ প্ৰৱক্তা দেৱান ফজলুৰ ৰহমানে বিজয়ী দলক বঁটাসহ নগদ ধন প্ৰদান কৰে। উক্ত অনুষ্ঠানত কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। খেলখন পৰিচালনা কৰে দেৱান নুৰুল ইছলাম আৰু আলী হুছেইনে।

# ষষ্ঠদশ অসম আৰক্ষী বাহিনীৰ ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ক্ৰীড়া প্ৰতিযোগিতা সমাপন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১ নৱেম্বৰ ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া দলংঘাটৰ বৰমণিপুৰত অৱস্থিত ষষ্ঠদশ অসম আৰক্ষী বাহিনী (আই আৰ)ৰ উদ্যোগত কালি ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে আন অনুষ্ঠানৰ লগত বিভিন্ন ধৰণৰ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। আৰক্ষী বাহিনীটোৰ নিজা খেলপথাৰত এথলেটিকছ ইভেণ্টৰ প্ৰতিযোগিতাৰ উপৰি ফুটবল খেলো সমাপন হয়। ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত পশ্চিম বড়িগাঁও দিব্যজ্যোতি ফটবল দলে মৰিগাঁৱৰ এন আৰ এছ দলক ২-০ গ'লত পৰাজিত কৰে। বিজয়ী দলটোৰ হৈ গ'ল দুটা দিয়ে ক্ৰমে পাপু বৰদলৈ আৰু পৱন বৰদলৈয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী নেকিবুৰ ৰহমান ছিদ্দিকিক সহায় কৰে যুগমোহন বৰদলৈ, বসন্ত ডেকা আৰু শিৰুমণি হাজৰিকা (চতুৰ্থ)ই। এন আৰ এছ দলৰ মহিৰুদ্দিন আহমেদ (বাবলু) শ্ৰেষ্ঠ খেলুৱৈৰূপে বিবেচিত হয়। খেলসমূহৰ অন্তত ষষ্ঠদশ অসম আৰক্ষী বানহীৰ উপ অধিনায়ক আব্দুৰ ৰছিদ, আৰক্ষী বাহিনীটোৰ বিষায় নিত্যগোপল মজুমদাৰ, ৰঞ্জিত নেওগ, ধৰ্মকান্ত বৰা আৰু দিলীপ দাস আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে।

## বিলাসনন্দন চ'ৰা



# বিমুদ্ৰাকৰণ নহয়, মাধমাৰকৰণ

**প্ৰাসাদৰ** বাৰাণ্ডাত বহি বহি দিল্লীৰ বাদশ্বাহে যোৱা দুদিনমানৰ পৰা কিবা দেখোন মিচিক মাচাককৈ হাঁহি আছে। কিয় হাঁহি আছে কোনেও নাজানে। এনেয়ে বাদশ্বাহে বৰ কমকৈ হাঁহে। বেছিভাগ সময়ত তেওঁক গুৰু-গম্ভীৰ অৱস্থাতে দেখা যায়। কিন্তু যোৱা দুদিনমানৰ পৰা বাদশ্বাহক কেৱল হাঁহি থকাই দেখা গৈছে। ডাঙৰকৈ নহয়, মিহি মিহিকৈ। মিচিক মাচাককৈ। সাংঘাতিক সুখ হ'লে মানুহে হাঁহে। কিন্তু বাদশ্বাহৰ হাঁহিটো সুখৰ হাঁহি নহয়। হাঁহিৰ অৰ্থটো এনেকুৱা যে বাদশ্বাহে ক'ৰবাত যুদ্ধ কৰিবলৈ গৈছে, কোনেও গম পোৱা নাই। যুদ্ধত জিকিছেও, কিন্তু কোনেও গম পোৱা নাই। কোনেও গম নোপোৱাকৈ কিবা এটা কৰিলে যে বিজয়ৰ হাঁহি আপোনা-আপুনি ওলাই আহে, বাদশ্বাহৰ হাঁহিটোও তেনেকুৱা। কিন্তু কোনেও নাজানে যে বাদশ্বাহে ক'ত কি যুদ্ধ কৰিছে, ক'ত কি জিকি আহিছে! কোনেও নাজানে বাদশ্বাহে কিয় হাঁহি আছে।

প্ৰাসাদত কাম কৰা লিগিৰা-লিগিৰীবোৰে কথাটো মন কৰিছে। সিহঁতৰ মাজত আলাপ-আলোচনা চলিল—জাহাপনাই কিয় এনেকৈ হাঁহি আছে? কেতিয়াবা কেতিয়াবা শব্দ কৰিও হঁহা সিহঁতে শুনিছে। হাঁহি হাঁহি বাদশ্বাহে বোলে মাজে মাজে কয়—কোনেও গমেই নাপালে! কোনেও ধৰিবই নোৱাৰিলে! এইবোৰ শুনি দুই-এক লিগিৰাই নিজৰ মাজতে সোধাসুধিও কৰিলে—অ'ই আমাৰ জাহাপনাই ক'তো একো চুৰি-তাৰি কৰি অহা নাইতো! ধৰা নপৰা কাৰণে হাঁহিব ধৰিছে!



ঃ ধ্যেই নহয়। চুৰি কৰা নাই।

ঃ কেনেকৈ গম পালি নাই কৰা বুলি?

ঃ চুৰি কৰিবলৈনো আছে কি? সব দেখোন বেচিয়ে দিছে।

দুজনমান লিগিৰাই ধৈৰ্য ধৰিব নোৱাৰি বাদশ্বাহৰ কাষ চাপি গ'ল—'জাহাপনা!'

ঃ কি হ'ল?

ঃ কথা এটা সুধিব পাৰোনে?

ঃ সোধ।

ঃ দুদিনমানৰ পৰা কথা এটা মন কৰিছো জাহাপনা।

ঃ কি?

ঃ আপুনি মিচিক মাচাককৈ হাঁহি আছে।

ঃ অ' আছো। তাতে কি হ'ল?

ঃ এনেয়ে হাঁহি আছে নেকি?

ঃ পাগলেহে এনেয়ে হাঁহে।

ঃ তেন্তে কিয় হাঁহি আছে?

ঃ কাৰণ আছে।

ঃ কি কাৰণ জাহাপনা?

বাদশ্বাহে দাড়িকেইডাল পিহি পিহি ক'লে—'প্ৰথম আহিয়ে মই কি কৰিছিলো মনত আছেনে তহঁতৰ?'

ঃ ক'লৈ আহি জাহাপনা?

ঃ এই প্ৰাসাদলৈ আহি। ইয়াত ভৰি দিয়ে যে মই এটা ডাঙৰ কাম কৰিছিলো।

ঃ কি কাম জাহাপনা?

ঃ গোটেই দেছতে যে হাহাকাৰ লাগি গৈছিল।

ঃ কিয় জাহাপনা?

ঃ হঠাতে যে মাৰ্কেটৰ পৰা পাঁচশটকীয়া, এহেজাৰটকীয়া নোটবোৰ উধাও কৰি দিছিলো।

ঃ মনত পৰিছে জাহাপনা।

ঃ সেইবাৰ হাহাকাৰ লাগি যোৱা নাছিল জানো?

ঃ লাগিছিল।

ঃ এইবাৰ দহটকীয়া, পাঁচটকীয়া, পঞ্চাছটকীয়া সব উধাও কৰি দিছো। কোনেও গমেই নাপালে। সেইকাৰণে হাঁহি উঠিছে।

ঃ আমিও গম পোৱা নাই জাহাপনা।

ঃ এইবাৰ কামটো মই গম নোপোৱাকৈ কৰিছো।

ঃ কেনেকৈ?

ঃ তেলৰ পৰা চিলিণ্ডাৰলৈকে সৱৰে দাম মই এশ, দুশ বা এহেজাৰ কৰি দিছো। খুচুৰা পইচাবোৰ নেচেল কৰি দিছো। এতিয়া আৰু মাৰ্কেটত খুচুৰাৰ কাম নাই। সব উধাও।

ঃ আগৰটো বিমুদ্ৰাকৰণ আছিল। এইবাৰৰটো কি?

ঃ এইবাৰৰটোৰ নামটো বেলেগ।

ঃ কি নাম?

ঃ মাধমাৰকৰণ!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# চলচ্চিত্ৰ তাৰকা, বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিক কলাক্ষেত্ৰত 'অসম ষ্টাৰ' বঁটা প্ৰদান সম্পন্ন



আদিক বঁটা প্ৰদান কৰা হয় বুলি সম্পাদকদ্বয় দিগন্ত কুমাৰ চৌধুৰী আৰু মনোৰঞ্জন কলিতাই জনাইছে। অনুষ্ঠানটোৰ আঁত ধৰে জনপ্ৰিয় আৰ জে মেঘাই।

## তিনিগৰাকীলৈ জীৱনজোৰা সাধনা বঁটা প্ৰদান

**গুৱাহাটী, ১ নৱেম্বৰ ঃ** কালি গুৱাহাটীস্থ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায় 'অসম ষ্টাৰ' বঁটা প্ৰদান অনুষ্ঠান। অসমৰ ভালেসংখ্যক জনপ্ৰিয় চলচ্চিত্ৰ তাৰকা আৰু বিভিন্ন ক্ষেত্ৰৰ নামজ্বলা ব্যক্তিত্বৰ সমাহাৰ ঘটা উক্ত বঁটা প্ৰদান অনুষ্ঠান সন্ধিয়া মংগলাচৰণেৰে আৰম্ভ হয়। তাৰ পাছতে বন্তি প্ৰজ্বলন কৰে প্ৰতিষ্ঠিত চিকিৎসক ডাঃ অৰিন্দম বৰুৱাই। বিশিষ্ট বাঁহীবাদক দীপক শৰ্মা আৰু সন্তুৰবাদক পংকজ শৰ্মাৰ যুগলবন্দী, ছটাকৈ অনুপম দলীয় নৃত্য আদিৰে সজোৱা বাৰেৰহণীয়া বঁটা প্ৰদান অনুষ্ঠানত জীৱনজোৰা সাধনা বঁটা গ্ৰহণ কৰি বিশিষ্ট অভিনেত্ৰী মৃদুলা বৰুৱাই 'ৰাইজেই আমাৰ বিচাৰক। ভাল কৰিলে প্ৰশংসা কৰে, ভুল কৰিলে দেখুৱাই দিয়ে' বুলি অনুভৱ ব্যক্ত কৰে। আনহাতে, ভ্ৰাম্যমাণ থিয়েটাৰলৈ আগবঢ়োৱা জীৱনজোৰা সাধনা বঁটা গ্ৰহণ কৰি বিশিষ্ট নাট্যকাৰ অৱতাৰ সিঙে সকলো নাট্যকাৰক প্ৰাধান্য দি ভ্ৰাম্যমাণ থিয়েটাৰক আগবঢ়াই নিবলৈ ভ্ৰাম্যমাণৰ প্ৰযোজকসকলক আহ্বান জনায়।

সাংবাদিকতাৰ জীৱনজোৰা সাধনা বঁটা লাভ কৰা প্ৰবীণ সাংবাদিক কনকসেন ডেকা উপস্থিত থাকিব নোৱাৰিলে যদিও উদ্যোক্তাসকলে তেওঁৰ ঘৰলৈ গৈ এই বঁটা প্ৰদান কৰে। আনহাতে, 'সংবাদশ্ৰী' বঁটা গ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক অচ্যুৎ কুমাৰ পাটোৱাৰীয়ে 'মানুহৰ মাজত সদ্ভাৱ-সম্প্ৰীতি বৃদ্ধিহে সংবাদসেৱাৰ উদ্দেশ্য হোৱা উচিত' বুলি মন্তব্য কৰে। 'সংবাদশ্ৰী' বঁটা লাভ কৰা আন এজন জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজগুৰু শাৰীৰিক অসুস্থতাৰ বাবে অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে।

জনপ্ৰিয় শিল্পী নিপন গোস্বামী, যতীন বৰা, ৰবি শৰ্মা, বৰষা ৰাণী বিষয়া, সু-গায়িকা কুইন দাস আৰু বিভিন্ন ক্ষেত্ৰৰ নামজ্বলা ব্যক্তিসকল উপস্থিত থকা এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা প্ৰশংসনীয় অৱদানৰ বাবে নুৰুল চুলতান, বিভা বুজৰবৰুৱা, ডাঃ গোপাল কলিতা, মহানন্দ কুমাৰ, বিজয় নাইডু, ড° দীপালী দাস, ড° মাইনু দেৱী, দিলীপ কুমাৰ লহকৰ, ড° পংকজ নমশূদ্ৰ, পুতুলী ডেকা, চামনুৰ হুছেইন, বিভা দত্ত, বিভাৰাণী দাস, অনুপমা দত্ত, উৎপল ৰায়, নিয়নদেৱ বৰ্মন, ভৰত ৰাজ, অস্কাৰ জুৱেলাৰী, মিচিং কিটচেন, দৰ্শন শইকীয়া, মাধৱ ছেত্ৰী, ডাঃ গীতাৰ্থ ৰায়মেধি, নৱজিৎ বৰঠাকুৰ আৰু গেট হাস্পতাল










'পোষণৰ বাবে আয়ুৰ্বেদ'

৬ষ্ঠ ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস

(ধন্বন্তৰী জয়ন্তী)

২ নৱেম্বৰ, ২০২১



প্ৰতিবছৰে আয়ুৰ্বেদ দিৱস ধন্বন্তৰী জয়ন্তীৰ দিনা পালন কৰা হয়।
এই দিনটোৰ উদ্দেশ্য হৈছে সমাজত আৰোগ্যৰ আয়ুৰ্বেদিক নীতিসমূহ প্ৰচাৰ কৰা আৰু জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰা। ভাৰত চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ে এই বছৰৰ আয়ুৰ্বেদ দিৱস "পোষণৰ বাবে আয়ুৰ্বেদ" বিষয়বস্তুৰে উদ্‌যাপন কৰিবলৈ লৈছে, যাৰ দ্বাৰা পুষ্টিৰ ক্ষেত্ৰত আয়ুৰ্বেদৰ গুৰুত্ব সম্পৰ্কে প্ৰচাৰ কৰা হ'ব।

খাদ্যৰ পৰা অনুকূল লাভালাভ প্ৰাপ্ত কৰাৰ বাবে কিছুমান আয়ুৰ্বেদিক পদ্ধতি হৈছে:
১) সতেজ আৰু গৰম খাদ্য খাব
২) পুনৰ গৰম কৰা খাদ্য পৰিহাৰ কৰিব
৩) অনিচ্ছাৰে খাদ্য গ্ৰহণ নকৰিব
৪) আনন্দ মনেৰে খাদ্য গ্ৰহণ কৰিব

আয়ুৰ্বেদৰ মতে, আদৰ্শ পুষ্টিৰ বাবে খাদ্যত সৰ্বৰস (ছয়টা সোৱাদ) থাকিব লাগে যেনে মিঠা, টেঙা, নিমখীয়া, জ্বলা, কেঁহা আৰু তিতা।

- আয়ুৰ্বেদৰ উদ্দেশ্য হৈছে মন, শৰীৰ আৰু আত্মাৰ মাজত ভাৰসাম্য বজাই ৰাখি স্বাস্থ্য সুৰক্ষিত কৰা, ৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰা।
- আয়ুৰ্বেদে বনৌষধি, আহাৰ আৰু জীৱনশৈলী নিৰ্দেশনাৰ সহায়ত শৰীৰ আৰু মনৰ ভাৰসাম্যহীনতাৰ সামগ্ৰিকভাৱে নিয়ন্ত্ৰণ আৰু চিকিৎসা কৰাত সহায় কৰে।
- আয়ুৰ্বেদে ইতিবাচক স্বাস্থ্য ৰক্ষা আৰু প্ৰচাৰ তথা ৰোগ প্ৰতিৰোধ আৰু নিৰাময়ৰ বাবে সঠিক আহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- যদি কোনো ৰোগত আক্ৰান্ত ব্যক্তি এজনে আহাৰৰ নিয়মাৱলী কঠোৰভাৱে অনুসৰণ কৰে, তেন্তে তেওঁক ঔষধৰ প্ৰয়োজন নহ'ব পাৰে, কিন্তু যদি তেওঁ আহাৰৰ নিয়মাৱলী সঠিকভাৱে অনুসৰণ নকৰে, আনকি ঔষধো নিষ্ফল হ'ব পাৰে।

জনসংযোগ/ডি এফ/১৩৪১/২১

ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম

পুষ্টিকৰ সন্তুলিত আহাৰ গ্ৰহণ কৰক আৰু স্বাস্থ্যৱান হৈ থাকক।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com